# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

## NO. 2

The 16th March, 1993.

Price—31.55

# CONTENTS

## BUDGET SESSION

### No. 2

### Dated, the 16th March 1993.


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1—66 |
| 2. | Discussion During Zero Hour. | 66—82 |
| 3. | Report of the Business Advisory Committee. | 82—84 |
| 4. | Calling Attention Notice. | 84—86 |
| 5. | Matter Under Rule 301. | 86—88 |
| 6. | Presentation of the List of Supplementary Demands for Grants and Supplementary Appripriation for 1992-93. | 88 |
| 7. | Introduction of Government Bill. | 88 |
| 8. | Debates on Governor's Address. | 89—148 |
| 9. | Adjournment. | 148 |
| 10. | Annexure – I, II, III, IV, V, VI, VII and VIII. | 149—166 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday, March 16, 1993.

The House met at nine of the Clock in the Assembly Chamber, at Dispur with Shri Debesh Chandra Chakrabarty, Speaker in the Chair.

## Starred Questions and Answers

(To which oral replies were given)

Starred Question No. 4.

Mr Speaker : Honourable Member Shri Gahin Ch. Das.

বিষয়: শিক্ষকৰ সুবিধা।

শ্ৰী গহীন চন্দ্ৰ দাসে সুধিছে:

* ১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই অনুগ্ৰহ কৰি জনাবনে:

(ক) এই চৰকাৰৰ কাৰ্য্যকালত যিমান কিখন উচ্চ মাধ্যমিক, মধ্য ইংৰাজী বিদ্যালয় আৰু প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণ কৰিলে তাত থকা প্ৰতিস্থাপক আৰু অনুমোদিত প্ৰত্যেক শিক্ষকেই সমানে (Grade অনুসৰি) দৰমহা আৰু অন্যান্য সুবিধা সমূহ পাই আছেনে?

(খ) প্ৰাথমিক বিদ্যালয়ত বৃত্তিধাৰী শিক্ষক হিচাবে স্বীকৃতি পোৱা শিক্ষক সকলক কেতিয়া পূৰ্ণ পৰ্য্যায়ৰ শিক্ষক হিচাবে নিযুক্তি দিয়া হব?

(গ) প্ৰাথমিক বিদ্যালয় সমূহৰ দ্বিতীয় শিক্ষক সকলৰ পদ সমূহ কেতিয়া চৰকাৰীকৰণ কৰিব?

শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকালত কোনো উচ্চ মাধ্যমিক বিদ্যালয়, আৰু মধ্য ইংৰাজী বিদ্যালয় চৰকাৰীকৰণ কৰা হোৱা নাই। কিন্তু ৫৮৬ খন

মাধ্যমিক বিদ্যালয়ৰ ৮,১৪১ টা শিক্ষক আৰু কৰ্ম্মচাৰীৰ পদ প্ৰাদেশী-কৰণ কৰা হৈছে।

(খ) প্ৰাথমিক বিদ্যালয়ৰ বৃত্তিধাৰী শিক্ষক সকলে নিম্ন বুনিয়াদী পৰীক্ষা উত্তীৰ্ণ হোৱাৰ দিনৰ পৰা পূৰ্ণ পৰ্য্যায়ৰ শিক্ষক হিচাবে মৰ্য্যদা দিয়া হয়।

(গ) পুজি সাপেক্ষে ২য় শিক্ষকৰ পদৰ ব্যৱস্থা কৰা হব।

* শ্ৰী নগেন শৰ্ম্মা : আমাৰ যিবিলাক প্ৰশ্ন দিছিলো আৰু যিবিলাক প্ৰশ্ন আহিছে তাৰ সঙ্গতি নাই। ভুল ভাৱে প্ৰকাশ পাইছে। সেই কাৰণে উত্তৰ দিয়া ভুল হৈছে।

মাননীয় অধ্যক্ষ : এইটো মই চাম।

* শ্ৰী গহীন চন্দ্ৰ দাস : মন্ত্ৰী মহোদয়ে কৈছে যে ৫৮৬ খন উচ্চ মাধ্য-মিক বিদ্যালয়ৰ ৮১৪১ টা শিক্ষকৰ পদৰ প্ৰাদেশীকৰণ কৰা হৈছে।.. এই ক্ষেত্ৰত প্ৰতি সমষ্টিত ইউনিফৰ্ম হোৱা নাই নেকি ?

* শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): সুকীয়া প্ৰশ্ন দিলে উত্তৰ দিবলৈ সুবিধা হব।

* শ্ৰী গহীন চন্দ্ৰ দাস : এইটো এই প্ৰশ্নৰ ভিতৰত পৰে। গতিকে সুকীয়া প্ৰশ্নৰ কথা কব নালাগে। বিভাগৰ পৰা প্ৰশ্নোত্তৰ আহিলে এই কথাবাৰ নিশ্চয় থাকিব লাগে ড্ৰপ পোষ্ট আৰু বৃত্তিধাৰী শিক্ষকৰ ক্ষেত্ৰত চৰকাৰৰ নীতি কি ?

* শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : ড্ৰপ পোষ্টৰ কথাটো বিবেচনা কৰি আছো। পুজি সাপেক্ষে দিয়া হব

* শ্ৰী হিতেশ্বৰ ডেকা : মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিলে আৰু যোৱা বাজেট অধিবেশনত যিটো উত্তৰ দিছিল তাৰ সঙ্গতি নাই। দ্বিতীয় শিক্ষকৰ পদটো যোৱা বাজেট অধিবেশনৰ পৰা এবছৰৰ ভিতৰত কৰা হব বুলি এই বিধান সভাৰ মজিয়াত আশ্বাস দিছিল। এই বিষয়ত মন্ত্ৰী মহোদয় অৱগতনে ? যিবিলাক মধ্য ইংৰাজী বিদ্যালয় ইতিমধ্যে চৰকাৰীকৰণ কৰা হৈছে তাৰ চতুৰ্থ শ্ৰেণীৰ পদ মুকলি নকৰাটো সঁচানে ?

---

* Speech not corrected.

* শ্ৰী গৌতম ৰৰা (ৰাজ্যিক মন্ত্ৰী): শিক্ষকৰ পদ মঞ্জুৰী কৰা কথাটো বিবেচনা কৰি থকা হৈছে পুজি সাপেক্ষে দিয়া হব।

* শ্ৰী হিতেশ্বৰ ডেকা: এই বিধান সভাৰ মজিয়াতে আশ্বাস দিয়া হৈছিল যে এবছৰৰ ভিতৰত চৰকাৰীকৰণ কৰা হব।

* শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): গোটেই বস্তুটো পুজিৰ লগত সম্পৰ্ক। পুজি সাপেক্ষে বিবেচনা কৰি থকা হৈছে।

* হিতেশ্বৰ ডেকা: পূৰ্বৰ মন্ত্ৰীয়ে ৩১ মাৰ্চৰ ভিতৰত চৰকাৰীকৰণ কৰা সম্পৰ্কে আশ্বাস দিয়া বিষয়ে মন্ত্ৰী মহোদয় অৱগতনে?

* শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): অৱগত নহয়।

মাননীয় অধ্যক্ষ: উত্তৰটো পিচত দিব। He will study the matter and reply afterwards.

* শ্ৰী হিতেশ্বৰ ডেকা: এখন লিষ্টৰ লগত আন এখন লিষ্টৰ মিল নাই। এই বৈষম্য কিয়?

Mr. Speaker: He will give the reply in due course.

* সুৰেণ স্বৰ্গীয়াৰী: যদি বিদ্যালয় সমূহৰ শিক্ষকৰ পদবিলাক চৰকাৰীকৰণ কৰা হয় তেন্তে বৃত্তিধাৰী শিক্ষক হিচাবে নিযুক্তি দিয়াৰ কাৰণ কি?

* শ্ৰী গৌতম ৰৰা: এই প্ৰশ্ন সুকীয়াকৈ দিলে ভাল হয়।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী: প্ৰশিক্ষণলৈ পঠোৱা শিক্ষক গৰাকীৰ ঠাইত অন্য স্কুলৰ পৰা শিক্ষক বদলি কৰি অনা হৈছে। প্ৰশিক্ষণলৈ পঠোৱা শিক্ষকজন দিতীয় শিক্ষক হব নিযুক্তিৰ ক্ষেত্ৰত কি নীতি বাহাল ৰাখিব।

* গৌতম ৰৰা (ৰাজ্যিক মন্ত্ৰী); নিযুক্তিৰ ক্ষেত্ৰত আগৰ নীতি বাহাল থাকিব। প্ৰথমৰ জনেই ১ নং শিক্ষক হব।

বিষয়: গাৱঁত বিদ্যুত যোগান।

শ্ৰী নিজামুদ্দিন খানে সুধিছে:

* ২। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

---

* Speech not corrected.

(ক) ৰাজ্যখনৰ কিমান গাওঁত বিদ্যুত যোগান ধৰা হোৱা নাই আৰু কিমান গাওঁলৈ বিদ্যুত যোগান ধৰা হৈছে ?

(খ) বাকী থকা গাওঁলৈ বিদ্যুৎ যোগানৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰী দেৱানন্দ কোৱৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৯৩ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখলৈ ২৩০৭ খন ১৯৭১ চনত পিয়ল-ভুক্ত গাওঁলৈ বিদ্যুৎ যোগান ধৰিবলৈ বাকী আছে তাৰু ১৯,৬৮৮ গাওঁলৈ বিদ্যুত যোগান ধৰা হৈছে।

(খ) বিত্তীয় অনুদান প্ৰাপ্তি সাপেক্ষে পৰ্য্যায়ক্ৰমে বাকী থকা গাওঁলৈ বিদ্যুৎ যোগানৰ ব্যৱস্থা গ্ৰহণ কৰা হব।

* শ্ৰী শশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, মন্ত্ৰীমহোদয়ে ১৯,৬৮৮ খন গাওঁলৈ বিদ্যুত যোগান ধৰা হৈছে বুলি কৈছে, আমি জানো কিছুমান গাওঁৰ মুৰত এটা বিদ্যুতৰ খুটা পুতিলেই সেই গাওঁখন চৰকাৰী ৰেকৰ্ড মতে ইলেকট্ৰিফাই হোৱা বুলি কয়। এটা খুটা পোতা কিন্তু গাওঁখন বৈদ্যুতিকৰণ নোহোৱা এনেকুৱা কিমান গাওঁ আছে মন্ত্ৰী মহোদয়ে জনাব নে ?

* শ্ৰী গোপী নাথ দাস (ৰাজ্যিক মন্ত্ৰী) : গ্ৰাম্যবৈদ্যুতিকৰণৰ নিয়ম মতে যিখন গাওঁলৈ খুটা গৈছে বা এটা বাল্‌ব জলিলে সেইগাওঁখন বৈদ্যুতিকৰণ হোৱা বুলি ধৰি লয়। তেখেতে যিটো প্ৰশ্ন কৰিছে সেই প্ৰশ্নটোৰ তথ্য এতিয়া দিব পৰা নাযাব বেলেগ এটা প্ৰশ্ন লাগিব।

* শ্ৰী শশকমল সন্দিকৈ : চাৰ এইটো কনা হাহক পতান দিয়াৰ নিচিনা হৈছে। গাওঁখনৰ খুটা পুতি গাওঁখন ইলেকট্ৰিফাই হোৱা বুলি ধৰা ১৯৯১-৯২ চনত এনে ধৰণৰ কিমানখন গাওঁ আছে মন্ত্ৰী মহোদয়ে জনাব নে ?

* শ্ৰী গোপী নাথ দাস (ৰাজ্যিক মন্ত্ৰী) : এইটোৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

* শ্ৰী শশকমল সন্দিকৈ : ১৯৯১-৯২ চনত এখন গাওঁতো বৈদ্যুতিকৰণ কৰিব পৰা নাই কাৰণ ১৯৯১-৯৩ চনত কেন্দ্ৰীয় চৰকাৰৰ আৰ, ই, চি, কৰ্পোৰেচনক ৩০ কোটি টকা ইউটিলাইজেচন দিব নোৱাৰিলে কাৰণে নতুনকৈ

* Speech not corrected.

কোনো টকা নিদিলে এই কথা সঁচা নে ?

* শ্ৰী গোপী নাথ দাস (ৰাজ্যিক মন্ত্ৰী) : এইটোৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

* শ্ৰী নগেন শৰ্ম্মা : অধ্যক্ষ মহোদয়, আগৰ বিদ্যুত মন্ত্ৰীৰ উত্তৰ আৰু আজিৰ ৰাজ্যিক মন্ত্ৰীৰ উত্তৰৰ মাজত কোনো সংগতি নাই। আমাৰ আগৰ বিদ্যুত মন্ত্ৰীয়ে বিধান সভাৰ মজিয়াত উত্তৰ দিছিল যে যিবিলাক গাওঁৰ মুৰত খুটা পুতিছে অথচ গাওঁখন বৈদ্যুতিকৰণ হোৱা নাই তেনে গাওঁ বিলাকত অগ্ৰাধিকাৰ ভিত্তিত বৈদ্যুতিকৰণ কৰা হব বুলি কৈছিল কিন্তু আজিৰ ৰাজ্যিক মন্ত্ৰীৰ উত্তৰৰ লগত তাৰ কোনো সংগতি নাই। আমি কোনটো বিশ্বাস কৰিম ?

* শ্ৰী দেৱানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সংগতি নোহোৱা নহয় সংগতি আছে। মাননীয় সদস্যৈকে ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে যে এখন গাওঁৰ মুৰত এটা খুটা পুতিলে গাওঁ খনক ৰেকৰ্ড মতে বৈদ্যুতিকৰণ কৰা হয় নেকি ? আমাৰ গ্ৰাম্য বৈদ্যুতিকৰণৰ যিটো নীতি অৰ্থাৎ ভাৰত চৰকাৰৰ ৰুৰেল ইলেক্ট্ৰিফিকেচনৰ যিটো নিগম আছে তেওঁলোকৰ নৰ্মচমতে এখন গাওঁত এটা খুটা পুতিলে বা গাওঁখনত এটা বাল্ব জ্বলালে সেইখন গাওঁক বৈদ্যুতিকৰণ কৰা বুলি কোৱা হয় বা কৰা বুলি হিচাবত ধৰে কিন্তু তাৰ পাছত সেই গাওঁখনত পুজি সাপেক্ষে এক্সপানচন পৰ্যায়ক্ৰমে কৰিব পৰা ব্যৱস্থা আছে। আৰ, ই, চিয়ে আগতে আমাক লোন দিছিল মাজতে এটা প্ৰস্তাৱযোগে লোন নলও বুলি কৈছিল এতিয়া আমি সেই প্ৰস্তাৱ পুনৰ ৰিভাইভ কৰিছো কিন্তু তেওঁলোকে এতিয়ালৈকে লোন দিয়া নাই। আমি পুঁজিৰ ব্যৱস্থা কৰিব পাৰিলে সেই অসম্পূৰ্ণ কাম বিলাক নিশ্চয় সম্পুন কৰিম।

* শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা : যিবিলাক গাওঁত বৈদ্যুতিকৰণ কৰা হয় সেই গাওঁ বিলাকলৈ খুটা বিলাক ৰাইজে নিব লাগে নে বিভাগে নিব লাগে। এইটো কাৰ দায়িত্ব মন্ত্ৰী মহোদয়ে জনাব নে ?

* শ্ৰী গোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) : পোষ্ট বিলাক বিভাগে নিব লাগে ৰাইজে নিব নালাগে।

---

* Speech not corrected.

বিষয় ঃ বড়ো মাধ্যমৰ শিক্ষক নিযুক্তি ।

শ্ৰী কমেন্দ্ৰ বসুমতাৰীয়ে সুধিছে :

* ৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমান ৰাজ্য চৰকাৰে ইতিমধ্যে অসমীয়া মাধ্যমৰ লগতে একেলগে থকা বড়ো মাধ্যমৰ প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয় সমূহৰ চৰকাৰীকৰণ (প্ৰাদেশিকৰণ) কৰা বড়ো মাধ্যমৰ ভাখা শিক্ষক সকলৰ পদ সমুহ কিয় মঞ্জুৰী আৰু নিযুক্তি দিয়া নহল ?

(খ) সম্প্ৰতি চৰকাৰে উক্ত পদ সমুহৰ মঞ্জুৰী ও নিযুক্তিৰ বাবে কি ব্যৱস্থা লৈছে ?

(গ) পানেৰী সমষ্টিৰ অন্তৰ্গত চমুৱাপাৰা আৰু উত্তৰ ছেখৰ মধ্য ইংৰাজী বিদ্যালয়ৰ বড়ো শাখাৰ শিক্ষকৰ পদ কেতিয়া মঞ্জুৰী দিব ?

(ঘ) পানেৰী সমষ্টিৰ দহলাচুৱা প্ৰাথমিক বিদ্যালয়ত বড়ো ভাখাৰ শিক্ষক কিয় দিয়া হোৱা নাই আৰু সোনকালে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে ।

শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ইতিমধ্যে প্ৰাদেশীকৰণ কৰা মধ্য ইংৰাজী বিদ্যালয়ত ৪ (চাৰি) টোকৈ পদ আৱণ্টন আৰু প্ৰতিখন প্ৰাথমিক বিদ্যালয়ত ১ (এক) টাকৈ পদ আৱণ্টন দিয়া হৈছে। দুটা মাধ্যম থকা এনেকুৱা ২০ (বিশ) খন মধ্য ইংৰাজী বিদ্যালয়ত বড়ো নাইবা অসমীয়া মাধ্যমৰ শাখাটোত ভাখা শিক্ষকৰ পদ সমুহ মঞ্জুৰ কৰা হোৱা নাই। উক্ত বিদ্যালয় সমুহত পুঁজি সাপেক্ষে ভাখা শিক্ষকৰ পদ দিয়াৰ ব্যৱস্থা কৰা হব।

সেইদৰে প্ৰাথমিক বিদ্যালয়ৰ ক্ষেত্ৰত জেষ্ঠতম শিক্ষক জনৰ সেৱা প্ৰাদেশীকৰণ কৰা হৈছে আৰু পুঁজি সাপেক্ষে ২য় জন শিক্ষকৰ সেৱাও প্ৰাদেশীকৰণ কৰা হব ।

(খ) পুজি সাপেক্ষে উক্ত মজলীয়া বিদ্যালয়ত পদ মঞ্জুৰী দিয়া হব। প্ৰাথমিক বিদ্যালয়ৰ ক্ষেত্ৰতো পু জি সাপেক্ষে যথোচিত ব্যৱস্থা লোৱা হব ।

(গ) প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা বিদ্যালয় সমূহৰ সৈতে একেলগে ব্যৱস্থা

* Speech not corrected.

লোৱা হ'ব।

(ঘ) পুঁজি সাপেক্ষে পদ অনুমোদন কৰি নীতি অনুযায়ী বড়ো ভাখাৰ শিক্ষক জনৰ সেৱাও প্ৰাদেশিকীকৰণ কৰা হব।

* শ্ৰী কৰেন্দ্ৰ বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে 'ক' প্ৰশ্নৰ উত্তৰত মই সন্তুষ্ট হ'ব পৰা নাই। ইতিমধ্যে অসমীয়া মাধ্যমৰ লগত বড়ো মাধ্যমৰ তথা বড়ো ভাষাৰ যিখিনি এম, ই, আৰু এল, পি স্কুল আছে সেই-খিনি প্ৰাদেশী কৰণ কৰা হেছে। তাত অসমীয়া মাধ্যমৰ শিক্ষক নিযুক্তি দিয়া হৈছে কিন্তু বড়ো মাধ্যমৰ শিক্ষক নিযুক্তি দিয়া নাই। প্ৰাদেশিকী কৰণ কৰাৰ পিছতো বড়ো মাধ্যমৰ পদসমূহ এতিয়াও খালি হৈ আছে। উদাহৰণ স্বৰূপে মোৰ সমষ্টিত চমুৱাপাৰা আৰু উত্তৰছেখৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাদেশিকী কৰণ কৰা হৈছে। তাত চাৰিটা পদ অসমীয়া মাধ্যমৰ কাৰণে আৰু বাকী বড়োমাধ্যমৰ কাৰণে দিয়া হৈছে। অসমীয়া মাধ্যমৰ খিনি নিযুক্তি দিয়া হ'ল কিন্তু বড়ো মাধ্যমৰ এতিয়াও দিয়া নাই। সেইটো কেতিয়া নিযুক্তি দিয়া হব ? তাৰ লগতে তেনেকুৱা আৰু কেইবাটোও স্কুল আছে যিবিলাকৰ 'ৰেকুলগ' এতিয়াও পুৰণ কৰা নাই। এইটো নিযুক্তি নিদিয়াৰ কাৰণে আমি বাৰে বাৰে আপত্তি কৰি আহিছো। আৰু বড়ো সকলৰ বাবে বড়ো মাধ্যমৰ স্কুলসমূহত বড়ো শিক্ষকৰ পদ মঞ্জুৰীৰ বাবে দাবী জনাই আহিছো। একেকুৱা বড়ো মাধ্যমৰ শিক্ষক নিযুক্তি নিদিয়া চাৰিখন স্কুল আছে এই স্কুল সমুহৰ বাবে কেনে ধৰণৰ ব্যৱস্থা লৈছে। তাৰ এটা স্পষ্ট উত্তৰ দিব বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

* শ্ৰী গৌতম ৰয় (ৰাজ্যিক মন্ত্ৰী) : মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে, মই তাৰ উত্তৰ আগতেই কৈছো যে প্ৰথমতে বিদ্যালয়ৰ শ্ৰেষ্ঠ জনক মঞ্জুৰী দিয়াৰ পিছতহে পদ মঞ্জুৰী দিয়া হব আৰু বাকী যি বিলাক পদ মঞ্জুৰী পাবলৈ বাকী আছে সেই বিলাক পুঁজি সাপেক্ষহে মঞ্জুৰী দিয়া হব।

* শ্ৰী ক্ষীৰেন বৰগয়াৰী : অধ্যক্ষ মহোদয়, যি চাৰিখন স্কুল এতিয়াও প্ৰাদেশিকী কৰণ কৰিবলৈ বাকী আছে, সেই স্কুলসমুহ প্ৰাদেশিকীকৰণ কৰিবলৈ

* Speech not corrected.

কেনে ধৰণৰ স্থায়ী নীতি লোৱা হব? আৰু অসমীয়া মাধ্যমৰ স্কুল সমূহত বড়ো মাধ্যমৰ শিক্ষক দিয়াৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে।

* শ্ৰী গোতম বৰা (ৰাজ্যিক মন্ত্ৰী): এইটো পুঁজি সাপেক্ষেহে পদ মঞ্জুৰী দিয়া হব।

* কৰেন্দ্ৰ বসুমতাৰী: অধ্যক্ষ মহোদয়, চৰকাৰে যিখিনি বিদ্যালয় নতুনকৈ প্ৰাদেশীকৰণ কৰা হব-তাত স্কুলৰ পদ নমুহ মঞ্জুৰী দিয়াৰ ক্ষেত্ৰত চৰকাৰে কি নীতি গ্ৰহণ কৰিছে? আমি দেখিবলৈ পাইছো যে কেইবাটাও স্কুল একে বড়ো মাধ্যম আৰু অসমীয়া মাধ্যম একেলগে আৰম্ভ কৰা হৈছে। তাৰে কিছুমান স্কুলত বড়ো মাধ্যমেই হওক বা অসমীয় মাধ্যমেই হওক চাৰিকৈ পদ চৰকাৰীকৰণ কৰা হৈছে। কিন্তু কিছুমান স্কুলত বড়ো মাধ্যমৰ স্কুলৰ পদ সমুহ চৰকাৰীকৰণ হোৱা নাই। ইয়াত চৰকাৰৰ আচল নীতি কি জনাবনে?

* শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): অধ্যক্ষ মহোদয়, দুয়োটা মাধ্যমত থকা স্কুলতেই চাৰিটাকৈ পদ মঞ্জুৰী দিয়া হৈছে আৰু এতিয়াও কেইবাটাও পদ মঞ্জুৰী দিবলৈ বাকী আছে। মই আগতেই কৈছো যে সেইবিলাক পুজি সাপেক্ষেহে মঞ্জুৰীৰ কথা বিবেচনা কৰা হব।

* শ্ৰী কৰেন্দ্ৰ বসুমতাৰী: অধ্যক্ষ মহোদয়, সকলো স্কুলেই সমান মৰ্য্যদা পাব লাগে। দুখন স্কুলৰ এটা স্কুলে চৰকাৰীকৰণ হৈ এটা মৰ্য্যাদা পাব আৰু আন এটাই চৰকাৰীকৰণ হৈও সেই মৰ্য্যদা নাপায়, এইটো বৰ দুখৰ কথা পানেৰী সমষ্টিত দহলাচুৱা প্ৰাথমিক বিদ্যালয়ত এতিয়ালৈকে বড়ো ভাষাৰ শিক্ষক নিযুক্তি দিয়া নাই। কিয় দিব পৰা নাই? ইয়াৰ এটা স্পষ্টীকৰণ উত্তৰ দিবলৈ মই শিক্ষামন্ত্ৰীক টানি অনুৰোধ কৰিছো।

* শ্ৰী গৌতম বৰা (ৰাজ্যিক কন্ত্ৰী): অধ্যক্ষ মহোদয়, বড়োভাষাৰ মাধ্যমত যিবিলাক স্কুল আছে সেইবিলাকত অসমীয়া মাধ্যমৰ স্কুলৰ ক্ষেত্ৰত যি নীতি গ্ৰহণ কৰা হৈছে, সেই একে নীতিকেই গ্ৰহণ কৰা হব। বড়োমাধ্যমৰ স্কুল কিমান আছে, সেইটো অনুসন্ধান কৰি পুজি সাপেক্ষে পদ সমুহ মঞ্জুৰীৰ বাবে বিবেচনা কৰিব।

---

* Speech not corrected.

* শ্ৰী পদ্মেশ্বৰ দাস : অধ্যক্ষ মহোদয়, আমাৰ স্কুল বিলাকত মিচিং মাধ্যমৰ শিক্ষক নিযুক্তি দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে নে? আমাৰ অসম গন পৰিষদৰ চৰকাৰৰ দিনত এইটো ব্যৱস্থা কৰা হৈছিল কিন্তু আজিলৈকে এজনো মিচিং ভাষাৰ শিক্ষক নিযুক্তি দিয়া হোৱা নাই। মই এই সম্পৰ্কে যোৱা বিধান সভাতো প্ৰশ্ন উৎথাপন কৰিছিলো। গতিকে মিচিং শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে?

* শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই এটা মাধ্যমৰ প্ৰশ্নৰ উত্তৰ দিছো আৰু বেলেগ এটা মাধ্যমৰ উত্তৰ দিবলৈ হলে বেলেগ প্ৰশ্ন লাগিব।

* শ্ৰী জীউৰাম ৰড়ো : অধ্যক্ষ মহোদয়, এম, ই, স্কুল বিলাকত চৌকীদাৰৰ পদ নাই। এই পদ বিলাক দিয়াৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

* শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এম, ই, স্কুলত যিবিলাক চৌকীদাৰৰ পদ বাদ পৰি গৈছে, সেইবিলাক পদ মঞ্জুৰী দিবৰ বাবে পুনৰ বিবেচনা কৰা হৈছে।

বিষয় : মথাউৰি নিৰ্ম্মানত টকাৰ পৰিমান।

শ্ৰী চন্দন কুমাৰ চৰকাৰে সুধিছে :

*৪। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে?

(ক) লেংটি চিঙা মথাউৰিৰ পুকালনা নদীৰ বান্ধত সৰ্ব্বমুঠ এতিয়ালৈকে কিমান টকা খৰচ হৈছে ?

(খ) উত্তৰ শালমাৰা মহকুমাৰ সন্তোষপুৰ গাওঁ, ৰৰঘোলা, আবাদী নয়ছত্ৰ চাকলা কোকিলা গাঁৱত নতুনকৈ মথাউৰি বান্ধ দিয়াৰ কিবা আঁচনি লোৱা হৈছে নেকি।

(গ) ১৯৯১-৯২ চনত লেংটি চিঙা মথাউৰি বান্ধ দিয়াৰ বাবে কিমান টকা খৰছ কৰিছে ?

শ্ৰী হৰেন ভুমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

* Speech not corrected.

(ক) লেংটি চিঙা অঞ্চলত পুকালনা নামৰ কোনো নদী নাই। গতিকে খৰচৰ কথা নুঠে।

(খ) প্ৰশ্নত দিয়া গাওঁ বোৰত নতুনকৈ মথাউৰি বান্ধ দিয়াৰ কোনো আঁচনি বৰ্ত্তমান চৰকাৰৰ হাতত নাই।

(গ) ১৯৯১-৯২ চনত লেংটি চিঙা মথাউৰি বাবদ ৮৯৬৯৮'০০ টকা খৰচ কৰা হয়।

* শ্ৰী চন্দন কুমাৰ চৰকাৰ: অধ্যক্ষ মহোদয়, পুকালনা নদীৰ বান্ধত চৰকাৰে কিমান টকা এতিয়ালৈকে খৰচ কৰিলে, সেই খৰচৰ হিচাব দিব লাগিব। দুই নং প্ৰশ্ন হৈছে এই অঞ্চলত ১০ খনতকৈও অধিক গাঁও বান-পানীত জুৰুলা হৈ আছে। এই ১০ খন গাওঁ বানপানীৰ কবলৰ পৰা ৰক্ষা পাবৰ বাবে চৰকাৰে কি সবল ব্যৱস্থা গ্ৰহন কৰিছে জনাবনে?

শ্ৰী হৰেন ভূমিজ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, লেংটিচিঙা এলেকাত পুকালনা নামৰ কোনো নদী নাই। অৱশ্যে পুকালাগী নামৰ এখন নদী আছে অধ্যক্ষ মহোদয়, দ্বিতীয় প্ৰশ্নৰ উত্তৰ কব খোজো যে এই বিষয়ে কাৰিকৰী উপদেষ্টা কমিটিয়ে, অৱস্থাৰ গুৰুত্ব বুজি Abadi ত ৩৮ লাখ টকাৰ A.E. Measure আঁচনিখন অনুমোদন জনাইছে।

* শ্ৰী চন্দন কুমাব চৰকাৰ: অধ্যক্ষ মহোদয়, ১৯৯১-৯২ চনত কিমান টকা খৰচ কৰিলে তাৰ উত্তৰ মই পোৱা নাই। ৰাইজে এই নদীখন পুকালনা নদী বুলিয়েই জানে। এই নদীৰ মথাউৰীৰ বাবে স্কীমত বহুলাখ টকা ই ধৰা হৈছিল। এই স্কীমত ওপৰত অনুসন্ধানৰ বাবে চৰকাৰে ব্যৱস্থা কৰিবনে?

শ্ৰী হৰেন ভূমিজ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, তাত পুকালনা বুলি কোনো নদী নাই। পোকালাগী বুলিহে আছে। ১৯৯১-৯২ চনত লেংটিচিঙাৰ Merrar Char Breach Closing, ২'৭৮ কিলোমিটাৰ নামৰ, ৪২ লাখ টকাৰ আঁচনি লোৱা হয় আৰু ৮৯,৬৯৮ টকা খৰচ হয়। মুঠতে এতিয়ালৈকে এই আঁচনিখনত সৰ্ব্বমুঠ ২৫,৮৭,১৮৮ টকা খৰচ কৰা হৈছে।

---

* Speech not corrected.

**Re : Misappropriation of Co-operative funds.**

Shri Giasuddin Ahmed asked :

* 5. Will the Minister of Co-operation be pleased to state :

(a) Whether the present Assistant Registrar of Co-operative Societies, Dhubri was functioning as Secretary of the Kokrajhar Sub-divisional Wholesale Consumers' Co-operative Stores Ltd. and also as Secretary of the Gossaigaon Wholesale Consumers' Co-operative Stores Ltd. for severals years back when he was holding the post of Senior Inspector of Co-operative Societies before his promotion as Sub-Registrar and subseqnently as Assistant Registrar ?

(b) If so, whether the said officer was implicated in an offence of misappropriation of a huge amount of the funds of the said Co-operative Stores as per audit report covering the period his service as Secretary of the same ?

(Please furnish a copy of the relevent audit reports.)

(c) If so, what Departmental action has been taken in this regard ?

Shri Nagen Neog (Minister) replied :

(a) Yes.

(b) Yes (Copies of the relevent audit notes/records are placed in the House.)

(c) The concerned officer has been placed under suspension.

* Shri Giasuddin Ahmed : Honourable Speaker Sir, I am not satisfied with the reply of Honourable Minister, rather a bit confused. May I know when the

---

* Speech not corrected.

officer was placed under suspension, what is the date of Suspension Order.

Shri Nagen Neog (Minister): Only Yesterday.

Shri Giasuddin Ahmed: When was he promoted to the present post.

শ্ৰী নগেন নেওগ (মন্ত্ৰী): তেখেতক ১৯৯২ চনত পদোন্নতি দিয়া হৈছে।

শ্ৰী গিয়াছুদ্দিন আহমেদ: বিষয়াজনৰ বিৰুদ্ধে অডিট ৰিপোৰ্টত ইমান গুৰুতৰ অভিযোগ থকা স্বত্বেও কি ভিত্তিত চৰকাৰে পদোন্নতি দিছিল? মই কব খোজা নাই যে আগৰ চৰকাৰৰ দিনত কিবা কথাৰ কাৰণে বৰ্ত্তমান চৰকাৰ দায়ী। কিন্তু কথা হৈছে চৰকাৰ এখন সদায় প্ৰচলিত আছে, আৰু বিষয়াজনৰ দুনীতিৰ বিষয়ে চৰকাৰৰ দৃষ্টিগোচৰ হৈছে তেনে ক্ষেত্ৰত কি ভিত্তিত তেওঁক পদোন্নতি দিয়া হ'ল? বিষয়াজনৰ বিৰুদ্ধে ১ লাখ ৮ হেজাৰ ১৭৩ টকাৰ অভিযোগ আছে। চৰকাৰে এই কথা জানিও কিয় তেওঁক পদোন্নতি দিলে?

* শ্ৰী নগেন নেওগ (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, কনচাৰ্ণি বিষয়াজনৰ বিৰুদ্ধে ১৯৮৬-৮৭ চনৰ অডিট ৰিপোৰ্টত ৫,৩০০ টকাৰ অভিযোগ আছিল, ১৯৮৮-৮৯ চনত ১ লাখ ১৭২ টকাৰ অভিযোগ আছিল। অডিট ৰিপোৰ্টৰ অভিযোগ পোৱাৰ পিছত সমবায় বিভাগৰ পঞ্জীয়কে অভিযুক্ত বিষয়াজনৰ ওপৰত বিহিত ব্যৱস্থা লবৰ কাৰণে কোকৰাঝাৰ ডি, আৰ, চি, এচক ১৯৮৯ চনত নিৰ্দ্দেশ দিয়ে। কিন্তু এই নিৰ্দ্দেশ কিয় কাৰ্যকৰী কৰা নহল, বিষয়াজনৰ ওপৰত ওপৰত কিয় ব্যৱস্থা লোৱা নহল সেই বিষয়ে সবিশেষ জনাবৰ কাৰণে মই যোৱা কালি নিৰ্দ্দেশ দিছো।

* শ্ৰী আলাউদ্দিন সৰকাৰ: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে কেইদিনমানৰ আগতে এই বিষয়াজনক অভয়াপুৰিলৈ বদলিৰ নিৰ্দ্দেশ দিয়া হৈছিল নেকি?

* শ্ৰী নগেন নেওগ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, হয় কৰা হৈছে।

* শ্ৰী আলাউদ্দিন সৰকাৰ: অধ্যক্ষ মহোদয়, তাৰ জোনেল অফিচাৰ,

* Speech not corrected.

ডি, আৰ, চি, এচ আৰু এ, আৰ, চি, এচৰ এটা চক্ৰ আছে। এই চক্ৰটোৰ ওপৰত গুৰুতৰ অভিযোগ কৰা হৈছে, চৰকাৰে এই অভিযোগ পাইছেনে?

* শ্ৰী নগেন নেওগ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, হয় পাইছো।

* শ্ৰী আলাউদ্দিন সৰকাৰ: ডি, আৰ, চি, এচৰ ওপৰত যিবোৰ অভিযোগ দিয়া হৈছে তাৰ তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবনে মন্ত্ৰী মহোদয়ে।

* শ্ৰী নগেন নেওগ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, কিয় ডিলে হৈছে এইটো তদন্ত কৰিবলৈ দিয়া হৈছে। তদন্তৰ ৰিপোৰ্ট পালেই দোষী বিষয়াৰ ওপৰত ব্যৱস্থা লোৱা হব।

বিষয়: পলাশবাৰী-গুমী প্ৰকল্প।

ডা: কমলা কলিতায়ে সুধিছে:

* ৬। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) পলাশবাৰী-গুমী প্ৰকল্পৰ ছয়গাওঁত পূৰ্বতে অৱস্থিত সংমণ্ডল কাৰ্য্যালয়টো বৰ্ত্তমান ক'ত আছে?

(খ) উক্ত সংমণ্ডলৰ বিভিন্ন দুৰ্নীতি সম্পৰ্কীয় খবৰ বাতৰি কাকতত প্ৰকাশ পোৱাতো সত্যনে?

(গ) যদি সত্য হয় তেন্তে ইয়াৰ ওপৰত কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰী হৰেণ ভুমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) পলাশবাৰী-গুমী প্ৰকল্পৰ সংমণ্ডল কাৰ্য্যালয়টো বৰ্ত্তমান মিজাৰ্ব বান নিয়ন্ত্ৰণ বিভাগৰ চৌহদত কাৰ্য্যনিৰ্বাহ কৰি আছে।

(খ) দুৰ্নীতি সম্পৰ্কীয় খবৰ বাতৰি কাকতত প্ৰকাশ পোৱাতো সত্য।

(গ) প্ৰকাশিত বাতৰিৰ সত্যতা সম্পৰ্কে বিভাগীয় অনুসন্ধান চলাই থকা হৈছে।

* শ্ৰী হৰেণ ভুমিজ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, দুৰ্নীতি ঢাকিবৰ কাৰণে যিটো স্থানান্তকৰণৰ কথা কৈছে সেইটো সত্য নহয়। যদি দুৰ্নীতি কিবা আছে তাৰ

* Speech not corrected.

কাৰণে চৰকাৰে গোটা দিয়েক ব্যৱস্থা লৈছে। ১৯৯১-৯২ চনৰ এডিচনেল হেডত আবণ্টন কৰা ৪ লাখ ৫৪ হাজাৰ টকাৰ বিপৰীতে পলাশবাৰী-গুমী প্ৰকল্পৰ সংমণ্ডল অধীক্ষক অভিযন্তা জনে অতিৰিক্ত ব্যয় কৰা হেতুকে তেখেতৰ বিপক্ষে বিভাগীয় বিচাৰ ৰজু কৰা হৈছে। তদন্তৰ ৰিপোৰ্ট পোৱাৰ পিছতে চৰকাৰৰ ফালৰ পৰা বিহিতব্যৱস্থা লোৱা হব। যোৱা জানুৱাৰী মাহৰ ৮ তাৰিখে এজন এডিচনেল টী ইঞ্জিনীয়াৰক এন্‌কোৱাৰী অফিচাৰ হিচাপে নিযুক্তি দিয়া হৈছে। বিভাগীয় প্ৰচিডিংচ্ আদি ড্ৰ কৰিবৰ বাবে অনুসন্ধান আদি কৰিব।

* ডাঃ কমলা কলিতা: মাননীয় অধ্যক্ষ মহোদয়, এইটো কিমান দিন লাগিব মন্ত্ৰী মহোদয়ে জনাবনে?

* শ্ৰী হৰেন ভুমিজ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এইটো যোৱা ৮ জানুৱাৰী তাৰিখেই দিয়া হৈছে। চৰকাৰৰ ফালৰ পৰা সকলো ধৰণৰ চেষ্টা কৰা হব।

* ডাঃ কমলা কলিতা: মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে এইটো কেতিয়ালৈ দিব? কিমান মাহ বা বছৰ লাগিব এই তদন্তৰ বিপোৰ্ট পাবলৈ সেইটো কৈ দিব লাগে। চৰকাৰে কথা বিলাক বৰ ভালকৈ কয় কিন্তু কাম বিলাক কৰে ওলোটা।

* শ্ৰী হৰেন ভুমিজ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, তদন্তটো পাৰ্ট বাই পাৰ্ট আছে। এটা পাৰ্টত কাৰ্য্যবাহী অভিযন্তা জনৰ বিৰুদ্ধে আৰু এটাত প্ৰকল্প সংমণ্ডল অভিযন্তাজনৰ বিৰুদ্ধে দুৰ্নীতি কৰাৰ বিষয়ে চাব।

* শ্ৰী নগেন শৰ্ম্মা: অধ্যক্ষ মহোদয়, চমুকৈ কওক মন্ত্ৰী মহোদয়ে আমাক চমুকৈ কওক।

* Shri Haren Bhumij (Minister): Departmental proceedings will be completed as early as possible.

(Starred Question No. 7 was not raised as the Honourable Question was not present when Called for. However the same deemed to have been dropped of.)

---

* Speech not corrected.

বিষয় : কৰিমগঞ্জ প্ৰাথমিক শিক্ষা কাৰ্য্যালয়ৰ চিঠি ।

শ্ৰী প্ৰনৱ কুমাৰ নাথে সুধিছে :

*9. माननीय শিক্ষা ৰিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰিয়া জনাবেন কি ?

(ক) Latter No. K-DEO/92-93. dated Karimganj 18th July 1992 ইং কৰিমগঞ্জ Elementry Education Office থেকে Director Elementary Education, Assam, Kahilipara কে প্ৰদত্ত পত্ৰের মৰ্মানুযায়ী কি কি পদাক্ষেপ নেওয়া হয়েছে ?

(খ) Karimganj District Elementary Education Office অফিস থেকে Memo No. K-DEO/92-93/C-18-2015/18. dated Karimganj 18-7-92 তাৰিখে Commissioner & Secy. Education Department এবং (2) OSD, Education Department, Assam কে প্ৰেৰিত পত্ৰের মৰ্মানুযায়ী কি কি কাৰ্য্যকৰী ৰদক্ষেপ নেওয়া হয়েছে ?

শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) (খ) প্ৰশ্নত উল্লেখ কৰা চিঠি দুখন প্ৰাথমিক শিক্ষা সঞ্চালকালয়ত আৰু শিক্ষা সচিবালয়ত পোৱা বুলি দেখা নাযায় ।

Mr. Speaker : Starred Question No. 8 Honourable Member Shri Binod Goala.

বিষয় : পুথিভঁৰাল নিৰ্ম্মান ।

শ্ৰী বিনোদ গোৱালায়ে সুধিছে :

*৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোলাঘাট জিলা পুথিভঁৰাল নিৰ্ম্মান আৰু ধনশিৰি মহকুমা পুথিভঁড়াল নিৰ্ম্মানৰ বাবে চৰকাৰে কিবা আঁচনি হাতত লৈছেনে ?

(খ) যদি লৈছে কিমান টকা ব্যয় সাপেক্ষে এই গৃহ নিৰ্ম্মান কৰিব ?

শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গোলাঘাট জিলা পুথিভঁৰাল নিৰ্ম্মানৰ বাবে প্ৰয়োজনীয় ভূমি আবণ্টনৰ বাবে প্ৰশাসনৰ লগত যোগাযোগ কৰা হৈছে । ধনশিৰি মহকুমা

পুথিভড়াল নিৰ্ম্মান সম্পৰ্কে সদ্যহতে কোনো আঁচনি হাতত লোৱা হোৱা নাই।

(খ) গৃহ নিৰ্ম্মান ব্যয় নিৰ্ভৰ কৰিব গড়কাপ্তানী বিভাগে তৈয়াৰ কৰা ভৱনৰ আৰ্হি আৰু পৰিকল্পনাৰ ওপৰত।

* শ্ৰী বিনোদ গোৱালা: মাননীয় অধ্যক্ষ মহোদয়, গোলাঘাট জিলাৰ পুথিভৰালৰ কাৰণে জিলা প্ৰশাসনৰ লগত মাটিৰ কাৰণে কেতিয়া যোগাযোগ কৰিছে তাৰ চিঠিৰ নং কিমান মন্ত্ৰী মহোদয়ে জনাবনে?

* শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, মেমো হৈছে এচ, এল, জি, ১৯-১-৮৭-৮৮। ৪৭৭৩ তাং গুৱাহাটী মাৰ্চ ৩১,১৯৮৮।

* শ্ৰী বিনোদ গোৱালা: মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৮ চনৰ ৩১মাৰ্চৰ পৰাই মাটিৰ আৱণ্টন বিচৰা হৈছে এতিয়ালৈকে কিয় মাটি আৱণ্টন হোৱা নাই এই বিষয়ে মন্ত্ৰী মহোদয়ে আমাক জনাবনে?

* শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, মাটিৰ অধিকাৰ ৰাজহ বিভাগৰ। অৱশ্যে প্ৰায় ৫ বছৰ হৈছে ৰিমাইন্দাৰ দিব লাগিছিল সেই-কাৰণে Memo No. SLG. 19/87/88/4773 dated Guwahati March 31,1988............

I am not happy with the Correspondence.......... I am taking this affair my self with the Revenue Department.

* শ্ৰী বিনোদ গোৱালা: অধ্যক্ষ মহোদয়, জিলা হোৱাৰ পিচত গোলাঘাটত পুথিভৰাল নিৰ্ম্মানৰ ব্যৱস্থা হবনে?

* শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, প্ৰত্যেক জিলাতে মাটি পালেই কৰিব পৰা হব।

* শ্ৰী বিনোদ গোৱালা: অধ্যক্ষ মহোদয়, ধনশিৰী মহকুমাত পুথিভৰালৰ কাৰণে মাটি বিচাৰিছে নেকি।

* শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এতিয়ালৈকে ধনশিৰী মহকুমাত এই বিষয়ে যোগাযোগ কৰা নাই এই বছৰ এই দুয়োটা বিষয়তে যোগাযোগ কৰা হব।

---

* Speech not corrected.

* শ্রী দেৱান জয়নাল আবেদিন: অধ্যক্ষ মহোদয়, চৰকাৰে কেইবাখনো জিলা আৰু মহকুমা নতুনকৈ কৰিছে ইয়াৰ প্ৰত্যেক খনতে জিলা পুথিভৰাল নিৰ্ম্মান কৰা এতিয়াও হোৱা নাই চৰকাৰে এই বিষয়ে কিবা আঁচনি কৰিছে নেকি ?

* গোলোক ৰাজবংশী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, আঁচনি আছেই বিভাগীয় তথ্য পাতিব পৰা যি গম পাইছো সকলো ঠাইতে মাটি বিচাৰি মাটি এতিয়াও পোৱা নাই সেয়ে মাটি পালেই আৰু ধন যদি আছে নিশ্চয় কৰিব পৰা যাব।

* শ্রী গিয়াচুদ্দিন আহমেদ: অধ্যক্ষ মহোদয়, এইটো নীতিগত প্ৰশ্ন প্ৰত্যেক জিলা আৰু মহকুমাতে পুথিভৰাল স্থাপন হব লাগে মন্ত্ৰী মহোদয় এই বিষয়ে কেতিয়া স্থাপন কৰা হব জনাবনে ?

* শ্রী গোলোক ৰাজবংশী (মন্ত্ৰী) অধ্যক্ষ মহোদয়, এইটো আঁচনি প্ৰত্যেক জিলাতে পুথিভৰাল থাকিব লাগে।

* শ্রী গিয়চুদিন আহমেদ: অধ্যক্ষ মহোদয়, আঁচনি যদি আছেই তেতিয়া-হলে এতিয়াও প্ৰত্যেক জিলাতে পুথিভৰাল হোৱা নাই তাৰ ভিতৰতে বিলাসী-পাৰাও আছে এইটো মন্ত্ৰী মহোদয়ে জানেনে ?

* শ্রী গোলোক ৰাজবংশী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, গোলাঘাট আৰু ধনশিৰী প্ৰশ্নহে এতিয়া আহিছে গতিকে মই এই বিষয়তে উত্তৰ দিছো।

* শ্রী মিশন রঞ্জন দাস: অধ্যক্ষ মহোদয়, করিমগঞ্জে একটা জিলা পাঠাগার এবং অডিটরিয়াম প্রতিষ্ঠা করার জন্য গত বাজেট সেশনে বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করার পরিপ্রেক্ষিতে আমাদেরে প্রতিশ্রুতি দেওয়া হয়েছিল যে করিমগঞ্জে অতিশীঘ্রে জেলা পাঠাগার তথা অডিটরিয়াম স্থাপন করা হবে। মুখ্যমন্ত্রী মহোদয়ও এব্যাপারে প্রতিশ্রুতি দিয়েছিলেন। কিন্তু আজপর্যন্ত এই প্রতিশ্রুতি পালন করা হয় নি। বর্তমান বিত্তীয় বছরে (১৯৯৩-৯৪ ইং) এই পাঠাগার তথা অডিটরিয়াম স্থাপন করা হবে কি না মন্ত্রী মহোদয় জানাবেন কি ?

* শ্রী গোলোক ৰাজবংশী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, আশ্বাস দিছিল নে নাই সেই বিষয়ে মই এচাৰটেইন্ কৰিব লাগিব।

---

* Speech not corrected.

শ্ৰী মিশন ৰঞ্জন দাস: এব্যাপারে এস্থুরেন্স দেওয়া হয়ে ছিল।

(উত্তর নাই)

Mr. Speaker: Now Starred Question No. 9.

Re: **Guwahati Planetorium.**

Shri Badan Barua asked r

*9. Will the Minister of Science, Technology & Environment be pleased to state:

(a) How far have the works of the Guwahati Planetorium progressed in the term of:

(i) Scientific Matters.

(ii) Technical Matters and

(iii) Constructional Matters?

(b) What are the agencies entrusted to look after the ongoing progress of the Planetorium?

(c) What cost had been envisaged at the time of starting the project of the Planetorium?

(d) Is there any specific target date for completion of the project?

(c) Is it a fact that Science, Technology and Environment department deposits its fund in the account of the Assam Science, Technology and Environment council?

Shri Haren Bhumij (Minister) replied:

(a) (i) Scientific Matters:

The scientific objectives and the hardware and software for the Planetorium for dissemination of scientific

knowledge about astronomical phenomena and outer space and inculcation of scientific temper and curisity among the public in general and students and children in particular through presentation of the same in the most entertaining manner, have been fully identified and they are ready for implementation with installation.

(ii) Technical Matters :

The detailed architectural design of the project including electrical work and central air conditioning of the Star Theatre have been prepared. The Projection equipment have alreadv arrived at site and the internal aluminium Dome of the Planetorium Theatre has been fitted by technicians of the Japanese firm, Go to Optical Manufacturing Company, the manufacture and supplier of the equipment.

(iii) Constructional Matters :

Nearly 90 percent of the civil coustruction of the planetorium building, about 75 percent of the electrical work and about 40 percent of the air conditioning work have been completed.

(b) A high level Steering and Monitoring Committee, a qualified and experienced Civil Engineer on deputation from the state PWD and a senior and experienced Electrical Engineer from the PWD have been entrusted to look after the ongoing progress of the project,

(c) The initial cost of the project including cost of mechinery and building works alone was approx Rs. 2.20 crores.

(d) The project is expected to be operational in

September, 1993.

(e) Yes.

* শ্ৰী বদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে এই আঁচনি যিটো লোৱা হৈছিল তাত কিমান টকা দিয়া হৈছিল আৰু আৰম্ভনিত কিমান টকা এষ্টিমেটেড কষ্ট আছিল আৰু চেপ্তেম্বৰ ১৯৯৩ যেতিয়া শেষ হব তেতিয়া কিমান টকা হবগৈ? দুয়োটা কষ্টৰ মাজত পাৰ্থক্য কিমান হব জনাবনে ?

* শ্ৰী হৰেণ ভূমিজ (মন্ত্ৰী) : এইটো প্ৰথমতেই উত্তৰ দিয়া হৈছিল। তথাপি কওঁ আগতে আছিল ২'২০ কোটি টকা আৰু শেষলৈ বস্তুৰ দাম বাঢ়ি আঁচনিৰ খৰচ হব ৩'৫ কোটি টকা।

* শ্ৰী বদন বৰুৱা : এনভেৰমেণ্ট আৰু চায়েন্স টেকনোলোজিৰ টকা অসম চায়েন্স টেকনোলোজি আৰু এনভেৰমেণ্ট কাউন্সিলত জমা দিয় থবলগীয়া হৈছে আৰু কি ভাৱে টকা বিলাক খৰচ কৰা হয় মন্ত্ৰী মহোদয়ে জনাবনে ?

* Shri Haren Bhumij (Minister) : The present cost, in considering the other factors including the period excall-ation, it is 3.5 crores.

আগৰ চৰকাৰৰ সিদ্ধান্তৰ প্ৰতি সন্মান জনাই সেই দৰে কৰা হৈছে

* শ্ৰী বদন বৰুৱা : যিটো কাউন্সিলৰ কথা কৈছে তাৰ টকা খৰচ কৰাৰ কাৰণে গভাৰ্নিং বডি যিটো আছে তাৰ মিটিং আদি হৈছে নেকি বা যি প্ৰস্তাৱ আদি লাগে সেই বিলাক আছে নেকি নে বিভাগে পোনে পোনে খৰচ কৰাৰ কাৰণে সেই টকা ব্যৱহাৰ কৰে।

* Shri Haren Bhumij (Minister) : The Planaterium is under the Science and Technology Department and also under the Environment Department which is an Autonomous Council.

চায়েন্স এণ্ড টেকনোলাজিৰ ষ্টিয়াৰিং কমিটি আছে আৰু গভাৰ্নিং বডিও আছে। সেই মতে বৈঠক আদি বহি কাম কৰি আছে।

Mr. Speaker : Now Starred Question No. 10.

বিষয়: প্ৰৱক্তা নিযুক্তি।

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতায়ে সুধিছে:

*১০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কটন মহাবিদ্যালয়ত কিছুদিন আগতে নীতি বৰ্হিভূ'ত ভাৱে প্ৰৱক্তা নিযুক্তি দিয়া কথাটো সঁচানে?

(খ) চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচৰে পৰাই আজিলৈকে কিমান জনক কটন মহাবিদ্যালয়ত প্ৰৱক্তা হিচাবে নিযুক্তি দিছে?

(গ) কি ভিত্তিত বা কি নিয়মত প্ৰৱক্তা সকলক নিযুক্তি দিছে জনাবনে? (প্ৰৱক্তা সকলৰ বিষয়, নাম আৰু নম্বৰ percentage কিমান গাঠি দিব)

শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) সঁচা নহয়।

(খ) ১৮ জনক বিভিন্ন বিষয়ত প্ৰৱক্তা হিচাবে নিযুক্তি দিয়া হৈছে।

(গ) অসম লোক সেৱা আয়োগৰ ৰেগুলেচন ৩ (এফ) অনুযায়ী শিক্ষাগত অৰ্হতাৰ ভিত্তিত নিযুক্তি দিয়া হৈছে। (প্ৰৱক্তা সকলৰ নাম, বিষয় আৰু নম্বৰৰ শতকৰা হাৰ লগত গাঠি দিয়া হ'ল।

(See the Annexure-I)

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ইতিমধ্যে চৰকাৰ গঠন হোৱাৰ পিচত ১৮ জন প্ৰৱক্তাক তদৰ্থ ভিত্তিত নিযুক্তি দিয়াৰ কথা কৈছে। কিন্তু কথা হৈছে যি সকল প্ৰৱক্তাক নিযুক্তি দিয়া হ'ল সেই সকলৰ কাৰণে কি নীতি নিয়মৰ মাজত থাকি বা কিমান শতকৰা নম্বৰ ভিত্তি কৰি সেই সকলক নিযুক্তি দিয়া হৈছে জনাব লাগে।

* শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী): শিক্ষাগত অৰ্হতা আৰু তেওঁ লোকৰ বিভিন্ন পৰীক্ষাত পোৱা নম্বৰৰ ওপৰত ভিত্তি কৰি নিযুক্তি দিয়া হৈছে।

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা: শিক্ষক সকলৰ কাৰণে বিজ্ঞাপন দিয়া হৈছিল নে নাই আৰু সাক্ষাতকাৰ লোৱা হৈছিল নেকি?

* শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী) থি, এফত নিযুক্তি দিলে সেই বিলাক নালাগে।

---

* Speech not corrected.

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা : কটনৰ নিচিনা আগশাৰীৰ মহাবিদ্যালয় এখনত সাক্ষাতকাৰ নোলোৱাকৈ কিয় নিযুক্তি দিয়া হ'ল আৰু বিজ্ঞাপন নিদিয়াকৈ নিযুক্তি দিয়াৰ অন্তৰালত দুনীৰ্তি আৰু ৰাজনৈতিক লাভালাভৰ কথা থকা বুলি মই সন্দেহ কৰিছা গতিকে মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত চালিজাৰি চাই ব্যৱস্থা গ্ৰহণ কৰিবনে ?

* শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী) : দখাৰ্স্ত নকৰাকৈ নিযুক্তি দিয়া নহয়। চাৰ্টিফিকেট আদি চাই বোৰ্ডে সকলো চালিজাৰি চাইহে নিযুক্তি দিছে।

* শ্ৰী নগেন শৰ্ম্মা : বিজ্ঞাপন দিয়া নাছিল।

(Starred Question Nos. 11 to 20 could not be taken up for disposal as the Question was over. However the replies of the said questions deemed to have laid on the table of the House)

বিষয় : চেচা নদীৰ বান্ধ।

শ্ৰী কোষেশ্বৰ বৰুৱায়ে সুধিছে :

* ১১। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জানাবনে ?

(ক) গহপুৰ সমষ্টিৰ চেচা নদীৰ বান্ধৰ জোখ-মাখ লোৱাৰ পিছত এই বান্ধৰ কাম আৰম্ভ কৰাৰ বিষয়ত চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰী হৰেন ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গহপুৰ সমষ্টিৰ চেচা নদীৰ দুয়োপাৰে মথাউৰি নিৰ্মাণৰ বাবে প্ৰয়োজনীয় জৰীপ আদি কৰি প্ৰায় এক কোটি আশী লাখ টকাৰ এখন আঁচনি প্ৰস্তুত কৰা হৈছে। বৰ্ত্তমান বিত্তীয় নাটনিৰ পৰিপ্ৰেক্ষিতত আঁচনিখন হাতত লোৱাটো সম্ভৱ হোৱা নাই।

**Re : Stipendiary Post of L.P. School teacher.**

Shri Kamal Brahma asked :

* Speech not corrected.

* 12. Will the Minister of Education be pleased to state :

(a) How many stipendiary posts for L.P. School under Bijni Sub-Division have been sanctioned during 1992-93 ?

(b) The total number of Bodo medium L.P. teacher post sanctioned during 1992-93 in Bijni Sub-Division ?

(c) Whether these posts have been distributed ?

(d) If so, the names of schools where such posts have bean given ?

শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নাই।

(খ) নাই।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় : গোগামুখ ঘিলামাৰা বৈদ্যুতিক লাইন।

শ্ৰী ভৰত চন্দ্ৰ নৰহে সুধিছে :

১৩। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোগামুখ ঘিলামাৰা ৩৩ কে: ভি: লাইনৰ নিৰ্মাণ কাৰ্য্য সম্পুৰ্ণ হোৱা কিমান দিন হ'ল ?

(খ) উক্ত লাইনেৰে ঘিলামাৰা আৰু ঢকুৱাখানাত বিদ্যুত যোগান নিদিয়াৰ কাৰণ কি ?

(গ) উক্ত লাইনেৰে বিদ্যুত যোগান কেতিয়াৰ পৰা হব ?

শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গোগামুখ ঘিলামাৰা ৩৩ কেঃ ভিঃ লাইনৰ নিৰ্মান কাৰ্য্য ১৯৮৯ চনৰ ডিচেম্বৰত সম্পূৰ্ণ কৰা হয়, আৰু এই লাইন ডিচেম্বৰৰ ১৯৮৯ চনৰ পৰা

১৯৯০ চনৰ এপ্ৰিল মাহৰ প্ৰথম সপ্তাহলৈকে ৰিদ্যুত সংযোজিত আছিল।

(খ) এই লাইনটো পৰীক্ষামূলক ভিত্তিত ১/৪/৯১ তাৰিখে চাৰ্জ কৰি ৰিদ্যুত যোগান ধৰা হৈছিল। কিন্তু জেষ্ঠ্য বৈদ্যুতিক পৰিদৰ্শকে তেওঁৰ প্ৰতিবেদনত কিছু আসোৱাহ দেখুৱাই অনুমতি নিদিয়াত উক্ত লাইনেৰে ৰিদ্যুত যোগান ১০/৪/৯২ তাৰিখৰ পৰা বন্ধ ৰাখিব লগা হয়।

(গ) উক্ত লাইন আৰু উপকেন্দ্ৰৰ ক্ষেত্ৰত জেষ্ঠ্য বৈদ্যুতিক পৰিদৰ্শকে উল্লেখ কৰা আসোৱাহ সমূহ দুৰ কৰিলেই এই লাইনৰ যোগেদি ঘিলামাৰালৈ বিদ্যুত যোগান ধৰিব পৰা হব। এই কামখিনি সম্পূৰ্ন কৰিবলৈ কিছু সময়ৰ প্ৰয়োজন হব।

ৰিষয়: নতুন উদ্যোগৰ সংখ্যা।

শ্ৰী নগেন শৰ্মায়ে সুধিছে:

*১৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ১৯৯১ চনৰ পৰা ১৯৯৩ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত অসমত কিমানটা উদ্যোগ স্থাপন কৰা হৈছে বা উদ্যোগ স্থাপনৰ কাম চলি আছে?

(খ) ওপৰত উল্লেখ কৰা সময়ছোৱাত অসমৰ বেচৰকাৰী খণ্ডত বৃহৎ/মজলীয়া ধৰণৰ কোনো উদ্যোগ স্থাপন কৰা হৈছে নেকি।

শ্ৰী বিজিত শইকীয়া (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ১৯৯১ চনৰ পৰা ১৯৯২ চনৰ ডিচেম্বৰ মাহলৈকে ৫২৪৬ টা উদ্যোগ স্থাপন কৰা হৈছে আৰু ১০টা উদ্যোগ বিভিন্ন পৰ্য্যায়ত স্থাপনৰ কাম চলি আছে।

(খ) হয়, উদ্যোগীক সঞ্চালকৰ পৰা পোৱা তথ্য মতে এই সময়ছোৱাত বেচৰকাৰী খণ্ডত বৃহৎ ধৰণৰ কোনো উদ্যোগ স্থাপন হোৱা নাই, মাত্ৰ দুটা মজলীয়া প্ৰতিষ্ঠানে উৎপাদন আৰম্ভ কৰিছে আৰু দহটা মজলীয়া উদ্যোগ প্ৰতিষ্ঠান স্থাপনৰ কাম বিভিন্ন পৰ্যায়ত আছে।

বিষয়: অবৈতনিক শিক্ষক সন্থা।

শ্ৰী পানীৰাম ৰাভাই সুধিছে:

* ১৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৰনে:

(ক) নলবাৰী জিলাৰ প্ৰাথমিক বিদ্যালয়ৰ অবৈতনিক শিক্ষক সন্থা নামেৰে এটি অনুষ্ঠান থকাটোৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেওঁলোকৰ চৰকাৰৰ ওচৰত উৎথাপিত দাবীবোৰ কি কি?

শ্ৰী গৌতম ৰয়া (ৰাজি,ক মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) অৱগত নহয়।

(খ) প্ৰশ্ন নুঠে।

বিষয়: জনজাতি এলেকাত বৈদ্যুতিকৰণ।

শ্ৰী সুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে:

* ১৬। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বৰপেটা জিলাৰ পাঠশালা সংমণ্ডলৰ পাঠশালা গ্ৰাম্য বৈদ্যুতিক অভিকৰণ আঁচনিৰ অধীনত জনজাতি এলেকাৰ তলত উল্লেখ কৰা ৰাজহ গাওঁ সমূহৰ চুবুৰীবোৰত বৈদ্যুতিকৰণৰ ব্যৱস্থা নকৰা কথাটো সঁচানে?

| | |
|---|---|
| (১) লাউখাটা ৰাজহ গাওঁৰ | (ক) দেউলগুৰী চুবুৰী<br>(খ) ৰামাজাৰি চুবুৰী<br>(গ) সাদেৰী চুবুৰী |
| (২) কাৰহানা ৰাজহ গাওঁৰ | (ক) পাকৰিগুৰী চুবুৰী<br>(খ) ভালুকদণ্ডা চুবুৰী<br>(গ) দহাচুবা চুবুৰী |
| (৩) জাৰাবাৰী ৰাজহ গাওঁৰ | (ক) আলিপুৰী চুবুৰী |
| (৪) টুকুৰকুছি বাজহ গাওঁৰ | (ক) ৰড়ো চুবা |
| (৫) ফুলগুৰী ৰাজহ গাওঁৰ | (ক) ডেহগুৰী চুবুৰী<br>(খ) মাজৰমাখা চুবুৰী |
| (৬) ফুলগুৰী ৰাজহ গাওঁৰ | (ক) চলচলী চুবুৰী |

(খ) যদিহে সঁচা, ইয়াৰ কাৰণ কি?

(গ) জনজাতি এলেকাৰ প্ৰতি গুৰুত্ব দি অতি সোনকালে উক্ত চুবুৰী সমূহত বৈদ্যুতিকৰণৰ ব্যৱস্থা কৰিবনে?

শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) সঁচা।

(খ) গ্ৰাম্য বৈদ্যুতিকৰণ নিয়ম অনুসৰি পিয়লভুক্ত মূল গাওঁখন বৈদ্যুতিকৰণ কৰাৰ পাছত ৰাইজৰ আবেদনৰ ওপৰত ভিত্তি কৰি মূল গাওঁখনৰ চুবুৰী সমূহলৈ সম্প্ৰসাৰণ কাম বিত্তীয় অনুদান প্ৰাপ্তি সাপেক্ষে পৰ্য্যায়ক্ৰমে হাতত লোৱা হব। কিন্তু গ্ৰাম্য বৈদ্যুতিকৰণ নিগম আৰু ৰাজ্যিক পৰিকল্পনাৰ অধীনত যথেষ্ট অনুদান নোপোৱা বাবে অন্যান্য চুবুৰীৰ লগতে উক্ত চুৰুৰী কেইটাৰ বৈদ্যুতিকৰণৰ কামো হাতত লব পৰা হোৱা নাই।

(গ) বিত্তীয় অনুদান প্ৰাপ্তি সাপেক্ষে পৰ্য্যায় ক্ৰমে উক্ত চুবুৰী সমূহত বৈদ্যুতিক সম্প্ৰসাৰণৰ কাম হাতত লোৱা হব।

বিষয়: ভাষাৰ মাধ্যমত শিক্ষাদান।

শ্ৰী খিৰেণ বৰগয়াৰী আৰু শ্ৰী মিলন বড়ো য়ে সুধিছে:

* ১৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমত উচ্চতৰ মাধ্যমিক পৰ্য্যায়ৰ পৰা স্নাতকোত্তৰ শ্ৰেণীলৈ বৰ্ত্তমান কি কি ভাষাৰ মাধ্যমত শিক্ষাদান কৰা হয়?

(খ) গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কিমান খন মহাবিদ্যালয়ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ অধীনত কিমানখন বিদ্যালয়ত ইংৰাজী মাধ্যমত শিক্ষাদান কৰা হয়?

(গ) গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ইংৰাজী মাধ্যমক অতিৰিক্ত মাধ্যমক হিচাবে আৰু কিমান বছৰ বাহাল ৰখা হব?

(ঘ) দেৱনাগৰী আখৰেৰে শিক্ষা লাভ কৰা (উচ্চ মাধ্যমিক পৰ্য্যায়লৈ) বড়ো-মাধ্যমৰ ছাত্ৰ-ছাত্ৰী সকলে উচ্চতৰ মাধ্যমিক পৰ্য্যায়ৰ পৰা আৰম্ভ কৰি অসমীয়া মাধ্যমত উচ্চ শিক্ষা লব লগা হোৱা কথাটো চৰকাৰে জানেনে?

(ঙ) যদি জানে, বড়ো মাধ্যমৰ ছাত্ৰ-ছাত্ৰী সকলে ইমান বছৰে উচ্চ শিক্ষাৰ বাবে সন্মুখীন হৈ থকা সমস্যাটো নাইকীয়া কৰাৰ বাবে কিবা পদছেপ লব নেকি ?

শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান উচ্চতৰ মাধ্যমিক পৰ্য্যায়ত অসমীয়া, ইংৰাজী, ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাবে আৰু বঙালী, ইংৰাজী বৰাক উপত্যকাৰ বাবে। স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ বাবে ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া আৰু ইংৰাজী ভাষাত আৰু বৰাক উপত্যকাৰ বাবে ইংৰাজী ভাষাত। পাৰ্ব্বত্য জিলা দুখনৰ বাবে উচ্চতৰ মাধ্যমিক পৰ্য্যায়ত প্ৰধানকৈ ইংৰাজী ভাষাত আৰু অসমীয়া ভাষা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি অসমীয়া মাধ্যমতো শিক্ষা দানৰ ব্যৱস্থা আছে। অৱশ্যে পাৰ্ব্বত্য জিলা দুখনত উচ্চ শিক্ষাৰ মাধ্যম ইংৰাজী।

(খ) ইংৰাজী মাধ্যমত শিক্ষাদান কৰা কোনো বিদ্যালয় উচ্চ মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা স্বীকৃতি হোৱা নাই। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয় সমূহৰ স্নাতক পৰ্য্যায়লৈকে নিজ নিজ সুবিধা অনুযায়ী অসমীয়া আৰু ইংৰাজী মাধ্যমত শিক্ষাদান কৰা হয়। স্নাতকোত্তৰ পৰ্য্যায়ত কেৱল ইংৰাজী মাধ্যমত শিক্ষাদান কৰা হয়।

(গ) সময়সীমা সম্পৰ্কে কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

(ঘ) হয়, জানে।

(ঙ) বৰ্ত্তমান কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

বিষয়: অশোক কাগজ কল পুনৰ খোলাৰ সম্পৰ্কে।

শ্ৰী ফনীভুষণ চৌধুৰীয়ে সুধিছে :

* ১৮। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চুক্তিত সন্নিবিষ্ট থকা অসম কাগজ কল পুনৰ খোলাৰ বিষয়ে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

( বিতং তথ্য সদনৰ মেজত দাখিল কৰিব )

শ্ৰী বিজিত শইকীয়া (মন্ত্ৰী) য়ে উত্তৰ দিছে :

হয় চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিছে।

(ৰিচৰা মতে ৰিতং তথ্য পৰিপূৰক টোকাত দিয়া হৈছে।)

(See the Annexure-II)

বিষয় : ৰূপহী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক।

শ্ৰী মিলন ৰড়ো য়ে সুধিছে :

১৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটা জিলাৰ ভবানিপুৰ সমষ্টিৰ ৰূপহী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকে যোৱা ১৯৮৮ ইং চনৰ পৰা বৰ্ত্তমানলৈকে এদিনো বিদ্যালয়ত উপস্থিত নথকাকৈয়ে নিয়মিত ভাৱে বেতন লৈ থকা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে ৰিভাগীয় কৰ্ত্তৃপক্ষই উক্ত প্ৰধান শিক্ষক জনৰ ওপৰত একো ব্যৱস্থা নোলোৱাৰ কাৰণ কি ?

শ্ৰী গৌতম ৰৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৰূপহী উচ্চ মাধ্যমিক ৰিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰী জগদীস তালুকদাৰে যোৱা ইং ২৯-৬-৮৯ তাৰিখৰ পৰা তেখেতে বিদ্যালয়লৈ যাব পৰা নাই উক্ত তাৰিখতে ৰাতি সন্দেহযুক্ত উগ্ৰপন্থীয়ে বিদ্যালয়থন জলাই ভস্মীভূত কৰে। লগতে তেখেতক ৫০,০০০/- পঞ্চাস হেজাৰ টকা) দাবি কৰে কৰে আৰু টকা খিনি নিদিলে প্ৰান নাশৰ ভাবুকি দিয়া বুলি প্ৰধান শিক্ষকে লিখিত ভাৱে জনায়। বৰ্ত্তমান অস্থায়ী চালি ঘৰত ৰিদ্যালয়ৰ শিক্ষা দান চলি আছে। প্ৰধান শিক্ষক জনে বিদ্যালয়ৰ শিক্ষক কৰ্ম্মাচাৰীৰ লগতে নিজৰো দৰ্ম্মহা লোৱাটো সঁচা।

(খ) তেখেতৰ আবেদন মৰ্ম্মে ৰিভাগীয় কৰ্ত্তৃপক্ষই অন্য বিদ্যালয়লৈ তুৰাৰো বদলি কৰা হৈছিল। কিন্তু অন্য বিদ্যালয়ত যোগদান কৰিব নিদিয়াত তেখেতে উক্ত ৰিদ্যালয়ত প্ৰধান শিক্ষক হিচাবে থাকিব লগা হয়।

বিষয়ঃ ৰবনদী আৰু পাগলাদিয়া নদীৰ খহনীয়া।

Shri Derhagra Mushary asked :

*20. Will the Minister of Flood Control be pleased to state :

(a) Whether Government is aware of the fact that Baranadi and Pagladia river have been causing large scale erusions of cultivable land making thousand of family homeless ?

(b) If so whether the Government will be pleased to take anti erosion measures against the recurance of flood by the above said rivers early ?

শ্ৰী হৰেণ ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৰবনদী আৰু পাগলাদীয়া নদীয়ে কৰা খহনীয়া আৰু তাৰ ফলস্বৰূপে হোৱা বাইজৰ ত্বখ হুৰ্দশাৰ বিষয়ে চৰকাৰ সম্পূৰ্ণ অৱগত।

(খ) বৰ্তমান বিত্তীয় নাটনিৰ বাবে উক্ত নদী কেইখনৰ সকলো ঠাইত খহনীয়া প্ৰতিৰোধ আঁচনি লব পৰা হোৱা নাই।

বিষয় : বড়ো মাধ্যমৰ বিদ্যালয়ৰ সংখ্যা।

শ্ৰী জীউৰাম বড়োয়ে সুধিছে :

১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বড়ো মাধ্যম প্ৰৱৰ্ত্তন কৰা প্ৰাথমিক বিদ্যালয় আৰু মধ্য ইংৰাজী বিদ্যালয় কিমানখন আছে ?

(খ) উক্ত বিদ্যালয় সমূহত বড়ো ভাষা প্ৰৱৰ্ত্তন কৰিবলৈ অনুমতি দিয়া হৈছে নেকি।

(গ) যদি হৈছে, এই বিলাক বিদ্যালয়ত পদ মঞ্জুৰী কৰিবলৈ কেনে ধৰণে ব্যৱস্থা লোৱা হৈছে ?

শ্ৰী গৌতম ৰবা ৰাজ্যিক (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বড়ো মাধ্যম প্ৰৱৰ্ত্তন কৰা প্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ১১৩৫ আৰু প্ৰাদেশীকৃত মধ্য ইংৰাজী বিদ্যালয়ৰ সংখ্যা ১২৩ খন।

(খ) উক্ত বিদ্যালয় সমূহত বড়ো ভাষাৰ মাধ্যমৰে শিক্ষা দান কৰি থকা হৈছে।

(গ) পুঁজি সাপেক্ষে উক্ত বিদ্যালয় সমূহত সময়ে সময়ে পদ আবণ্টন কৰা হয়।

বিষয় : শিক্ষক পদৰ সৃষ্টি।

শ্ৰী হিতেশ ডেকায়ে সুধিছে :

২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমানৰ চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পৰা আজি পৰ্য্যন্ত নতুনকৈ প্ৰাথমিক, মাধ্যমিক ও হাইস্কুলৰ কোনো শিক্ষক পদৰ সৃষ্টি কৰিছে নেকি ?

(খ) যদি কৰিছে, নতুনকৈ সৃষ্টি মুঠ শিক্ষক পদৰ সংখ্যা কিমান ? (পৰ্য্যায় ভিত্তিত তথ্যও সন্নিবিষ্ট কৰিব)

(গ) এই পদ সমূহ কেনেদৰে বিতৰণ কৰা হৈছে' (জিলা ভিত্তিত তথ্য সন্নিবিষ্ট কৰিব ?

(ঘ) নতুনকৈ সৃষ্টি পদ সমূহত শিক্ষক নিযুক্তি দিয়া সম্পূৰ্ণ হৈছেনে ?

শ্ৰী গৌতম ৰয় (ৰাজ্যিক (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) সৰ্ব্বমুঠ-৩৩৭৪৩ টা।

| | | |
|---|---|---|
| প্ৰাইমাৰী | — | ১০৬০৬ টা |
| মজলীয়া | — | ১৪০৪৮ টা |
| হাইস্কুল | — | ৯০৮৯ টা |
| মুঠ | — | ৩৩৭৪৩ টা |

(গ) ওপৰত উল্লেখ কৰা পদ সমূহৰ ভিতৰত বৰ্ত্তমানলৈ জিলা ভিত্তিত বিতৰণ কৰা পদৰ তালিকা সংলগ্ন কৰা হৈছে। বাকী থকা পদ সমূহ পিছত বিতৰণ কৰা হব।

(See the Annexure—III)

(ঘ) হোৱা নাই।

বিষয়: জাজী নদীৰ গড়াখহনীয়া

শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে:

৩। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) মৰিয়ণী সমষ্টিৰ হাটীমূৰীয়া (হাবি চুবা) বেলতলা, ছুলিয়া, টেঙাবাৰী, হাটিমূৰীয়া, ভূঞাহাট এই অঞ্চল কেইটাত জাজী নদীৰ প্ৰবল গড়া খহনীয়াই প্ৰতিবছৰে ৰাইজৰ ক্ষতি সাধন কৰিছে, এই বিষয়ে চৰকাৰ অবগতনে ?

(খ) ইয়াৰ প্ৰতিৰোধৰ বাবে বিহীত ব্যৱস্থা লবলৈ চৰকাৰে কি কি উপায় অবলম্বন কৰিছে ?

(গ) মৰিয়ণিৰ গাতে লাগি থকা জয়মতী নগৰ, ভোগদৈৰ গড়া খহনীয়ৰ বাবে চৰকাৰে যোৱা ৬ নবেম্বৰ ৯২ ত ঘোষণা কৰা ৪৫,০০,০০০'০০ টকা এই বছৰতে গড়া খহনীয়াৰ প্ৰতিবোধৰ কামৰ ব্যৱস্থা কৰিছেনে ? আৰু যদি কৰা নাই কেতিয়াৰ পৰা ইয়াৰ কাম আৰম্ভ কৰিব ?

শ্ৰী হৰেণ ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এই বিষয়ে চৰকাৰ সম্পূৰ্ণ ৰূপে অবগত।

(খ) উপৰোক্ত অঞ্চলৰ খহনীয়াৰ প্ৰতিৰোধৰ উদ্দেশ্যে ইতিমধ্যেই বান নিয়ন্ত্ৰন বিভাগে ২৪'২৭ লাখ টকাৰ এখন খহনীয়া প্ৰতিৰোধমূলক আঁচনি প্ৰস্তুত কৰি দশম কাৰিকৰী উপদেষ্টা সমিতিৰ সভাত দাখিল কৰিছিল আৰু আঁচনিখন সমিতিৰদাৰা অনুমোদিত হৈছিল, কিন্তু আৱশ্যকীয় বিত্তীয় অনুদানৰ অভাৱত এই আঁচনি কাৰ্য্যকৰী কৰিব পৰা নগ'ল।

(গ) উক্ত অঞ্চলৰ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে ৪৯'৯ লাখ টকাৰ এখন আঁচনি বিংশতম কাৰিকৰী, উপদেষ্টা সমিতিৰ দ্বাৰা গৃহীত হৈছিল। এই আঁচনিখন ১৯৯৩-৯৪ চনৰ বিত্তীয় পুঁজিৰ সাপেক্ষে অগ্ৰাধিকাৰ ভিত্তিত হাতত লোৱা হব পাৰে।

বিষয়ঃ **Co-Operative Agricultural Rural Dlevelopment Bank Ltd.**

শ্ৰী ৰামপ্যাৰে ৰবিদাস জিজ্ঞাস কৰছেন:

৪। মাননীয় সমবায় বিভাগেৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি :

(ক) কৰিমগঞ্জ জিলাৰ ৰামকৃষ্ণ নগরে Co-operative Agricuturual Rural Dev. Bank Ltd. এর ৰামকৃষ্ণ নগরে শাখা খোলার সিদ্ধান্ত গৃহীত হয়েছিল, এব্যাপারে সরকার অবহিত আছেন কি ?

(খ) বৰ্ত্তমান অৰ্থ বছরে উক্ত শাখা চালু করার জন্য বিভাগীয় কৰ্ত্তৃপক্ষ কি কি কাৰ্য্যকাৰী পদক্ষেপ নিয়াছোন ?

শ্ৰী নগেন নেওঁগ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, আছে।

(খ) বেংক কৰ্ত্তৃপক্ষই শাখা কাৰ্য্যালয়টো খোলাৰ এটা উপযুক্ত ঘৰ বিচাৰি উলিয়াৰলৈ হাইলাকান্দি প্ৰাথমিক সমবায় কৃষি ও গ্ৰাম্য উন্নয়ন বেংকৰ ডেপুটি মেনেজাৰ তথা ভাৰপ্ৰাপ্ত চেক্ৰেটাৰীক নিৰ্দ্দেশ প্ৰেৰণ কৰিছে।

Re : **List of S.E.E.U.Y. Benificiaries.**

Shri Samarendra Nath Sen asked :

5. Will the Minister of Industries, be Pleased to state :

(a) Whether the Director of industries. all the G.M'S to send the list of S.E.E.U.Y benifici aries tothe M:L.A's of the Concerned area ?

(b) If so, whether the list of S.E.E.U.Y benificiaries of 1990-91 and 1992-93 were furnished to the M.L.A,s of respective Constituencies of Cacher District ?

(c) If not, the reasons thereof ?

Shri Bijit Saikia (Minister) replied :

(a) No. instructions were issued to G.M's to send the list of SEEUY benificiaries to the M.L.A's of the concerned area. But instructions were issued by the Government and the Director of Industries to keep the local M.L.A's fully involved in identifi-

cation of benficiaries and sanction of loans under the SEEUY scheme.

(b) No, it does not arise.

(c) Does not aries.

বিষয়ঃ উদ্যোগ স্থাপন।

শ্ৰী কৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে:

৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমত কিমানখন বৃহৎ আৰু ক্ষুদ্ৰ উদ্যোগ কেন্দ্ৰ আছে?

(খ) ৰাজ্যিক উদ্যোগনীতিৰ ভিত্তিত গ্ৰাম্য এলেকাবোৰত নতুনকৈ উদ্যোগ স্থাপনৰ কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি?

(গ) জনজাতীয় এলেকাত উদ্যোগ সম্প্ৰসাৰণ তথা স্থাপনৰ কিবা নতুন প্ৰকল্প ৰাজ্য চৰকাৰে লৈছেনে?

শ্ৰী বিজিং শইকীয়া (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) এতিয়ালৈকে অসমত মুঠ ১১৬ টা বৃহৎ আৰু মজলীয়া উদ্যোগ আৰু ২০৫৫২ টা ক্ষুদ্ৰ উদ্যোগ আছে।

(খ) অসম চৰকাৰৰ নতুন উদ্যোগ নীতিত গ্ৰাম্য এলেকাত উদ্যোগ স্থাপন কৰিব পৰাকৈ ব্যৱস্থা লোৱা হৈছে। এই ব্যৱস্থা সমূহ বিভিন্ন উদ্‌গনিমূলক সাহায্য এই উদ্যোগ নীতিৰ জৰিয়তে দিবলৈ বিচৰা হৈছে।

(গ) জনজাতীয় এলেকাত উদ্যোগ সম্প্ৰসাৰণ বা স্থাপনৰ বাবে নতুন প্ৰকল্প সদ্যহতে চৰকাৰৰ হাতত নাই।

বিষয়ঃ—পলাশবাৰী সমষ্টিৰ ডি, কে কলেজৰ ফিল্ড, ডেভেলাপমেণ্টৰ টকা।

শ্ৰীযতীন মালীয়ে সুধিছে:

৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কামৰূপ ডি, আৰ, ডি,এৰ জৰিয়তে পলাশবাৰী সমষ্টিৰ ডি, কে, কলেজৰ ফিল্ড্ ডেভেলাপমেণ্টৰ বাবে ৫০,০০০ টকাৰ অনুমোদন দিয়া সঁচানে ?

(খ) উক্ত অনুমোদিত টকাৰ মাত্র কিছু অংশ খৰচ কৰি ৰাকী টকা খৰচ নোহোৱাকৈ ৰখাটো সঁচানে ?

(গ) টকা অনুমোদন হোৱাৰ পিছত কামৰ অগ্ৰগতিত অসন্তুষ্টি প্ৰকাশ কৰি, কলেজ কৰ্তৃপক্ষই জি, বিত প্ৰস্তাৱ লোৱাটো সঁচানে ?

(ঘ) যদি জানে, গোটেই বিষয়টোৰ ওপৰত তদন্তৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশীয়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) ডি, আৰ ডি, এ,কৰ্তৃপক্ষৰ পৰা পোৱা তথ্য মতে মুঠ অনুদানৰ ৪০,০০০ টকা খৰছ কৰা হৈছে আৰু ৰাকী ১০,০০০ টকা খৰছ কৰা হোৱা নাই।

(গ) সঁচা।

(ঘ) এই ৰিষয়ে সংশ্লিষ্ট বিভাগৰ সৈতে যোগাযোগ কৰি উক্ত ৰিভাগক ৰ্যৱস্থা লবলৈ জনোৱা হ'ৰ।

বিষয় ঃ তাৰকাগৃহ নিৰ্মান।

শ্ৰীজয়নাথ শৰ্মায়ে সুধিছে :

৮। মাননীয় ৰিজ্ঞান, প্ৰযুক্তিৰিদ্যা আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৰনে :

(ক) অসম চৰকাৰে তাৰকাগৃহ ( Planetorium ) নিৰ্মানৰ কাম কেতিয়া আৰম্ভ কৰিছিল আৰু কেতিয়া শেষ হ'ৰ?

(খ) কিমান টকা ব্যয় হ'ব

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) তাৰকাগৃহ (Planetorium) নিৰ্মানৰ কাম ১৯৯১ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা আৰম্ভ কৰা হৈছে। ১৯৯৩ চনৰ চেপ্তেম্বৰ মাহত কামটো শেষ কৰাৰ আশা কৰা হৈছে।

(খ) প্ৰায় ৩.৫০ কোটি টকা।

**Re : Salaries of Teachers.**

Shri Holiram Terang and Shri Babu Rongpi asked :

9. Will the Minister of Education be pleased to state :

(a) Whether it is a fact that the employees of the Education Department including teachers have not been getting salary in Karbi Anglong ?

(b) If so, since when ?

Shri Gautom Borah (Minister of State) replied :

(a) yes, some employees including teachers have not received their salaries in Karbi Anglong District.

(b) The months from which these employees have not received their salaries are as follows :

1. 2 employee of Govt. Girls High School, Diphu from Oct-/92.
2. 3 " office of D.I. Diphu --from Feb./63.
3. 2 " office of D. I. Hamren – from Jan./93.
4. 1. " office of Asstt. I. S. Hamren – from Jan./93.
5. 8. " office of I. S. Diphu – from Jan./93.
6. All employees of 1 4 Govt. M. E. Schools –from Fed./93.
7. " " " 30 Provincialised M. E. Schools-from Jan./93.
8. " " " 25 " M. E. Schools-from Nov./92.
9. " " " 105 " M. E. Schools --from Fed./93.
10. " " " 9 " H. S. Schools --from Fed./93.
11. " " " 15 " High. Schools --from Jan./93.
12. " " " 53 " High Schools –from Fed./93.

ৰিষয় : মহাবিদ্যালয় চৰকাৰীকৰণ ।

শ্ৰীধ্ৰুৱ কুমাৰ সেনে সুধিছে :

১০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ধুবুৰী ছোৱালী মহাবিদ্যালয় চৰকাৰীকৰণ কৰাৰ কোনো সিদ্ধান্ত চৰকাৰে গ্ৰহণ কৰিছেনে ?

(খ) যদি লোৱা নাই, নোলোৱাৰ কাৰণ অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নাই কৰা ।

(খ) প্ৰশ্ন নুঠে ।

ৰিষয় : **Gas Flow Metre.**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

১১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম গেছ কোম্পানীক ভাৰত চৰকাৰৰ বানিজ্য বিভাগে Gas Flow Metre বিদেশৰ পৰা আনিবলৈ অনুজ্ঞা পত্ৰ দিছিল নেকি ?

(খ) যদি দিছিল উক্ত ফাৰ্মৰ পৰা এই মিটাৰবোৰ অনা হ'ল নেকি আৰু যদি হোৱা নাই কৰপৰা যোগান ধৰা হ'ল ?

(গ) দুয়োটা কোম্পানীৰ মাজত পাৰ্থক্য কিমান ?

শ্ৰীবিজিৎ শইকীয়া ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, দিছিল ।

(খ) অনুজ্ঞা পত্ৰ পোৱা হৈছিল যদিও বিদেশৰ ফাৰ্মৰ metre বোৰ আমদানি কৰা নহ'ল আৰু তাৰ পৰিবৰ্তে নতুন দিল্লীৰ ৰক উইল ফ্লো মিটাৰচ প্ৰা : লিঃ (Rockwill Flow metres Pvt. Ltd.) খনৰ পৰা এই মিটাৰবোৰ কিনা হ'ল ।

(গ) দুয়োখন ফাৰ্মৰ মাজৰ পাৰ্থক্যটো এনে ধৰনৰ—১) আমদানী কৰা

প্ৰত্যেকটো মিটাৰৰ দাম হয়—১,০৯,০০০ টকা দেশত (Indigenious) প্ৰত্যেকটো মিটাৰৰ দাম হয়—৭৪,৮০০ টকা।

বিষয় :—স্নাতক বিজ্ঞান শিক্ষক।

শ্ৰীকমল ব্ৰহ্মা য়ে সুধিছে :

১২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকালৰ সময় ছোৱাত বিজনী মহকুমাত কিমান খন এম, ই, স্কুলত স্নাতক বিজ্ঞান শিক্ষক নিযুক্তি দিয়া হৈছে ?

(খ) কিমান খন বড়ো মাধ্যম থকা স্কুলৰ উক্ত নিযুক্তি দিয়া হৈছে ?

(গ) উক্ত জিলাৰ বিজ্ঞান শিক্ষক নথকা স্কুল সমূহত স্নাতক বিজ্ঞান শিক্ষক দিয়াৰ ব্যৱস্থা আছেনে ?

(ঘ) যদি আছে, কেতিয়া এই পদবোৰ পূৰণ কৰা হব ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বিজনী মহকুমাত মুঠ ১৩ টা বিজ্ঞান স্নাতক শিক্ষক পদ আৱন্টন দিয়া হৈছে। নিযুক্তিৰ বিষয়ে সংশ্লিষ্ট বিষয়াৰ পৰা তথ্য বিচৰা হৈছে।

(খ) তথ্য বিচৰা হৈছে।

(গ) আছে।

(ঘ) পুঁজি সাপেক্ষে পৰ্য্যায়ক্ৰমে নিযুক্তিৰ ব্যৱস্থা লোৱা হব।

বিষয় :—অসমত প্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা।

শ্ৰীবদন বৰুৱা য়ে সুধিছে :

১৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্তমানে অসমত কিমানখন প্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয় আছে ?

(খ) প্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয় সমূহৰ কিমানখনত প্ৰাক-প্ৰাথমিক শিক্ষা-দানৰ ব্যৱস্থা আছে ?

(গ) প্ৰাক-প্ৰাথমিক শিক্ষাদানৰ ব্যৱস্থা নথকা গাওঁবোৰত ৬ বছৰীয়া ল'ৰা-

ছোৱালীক প্ৰাক-প্ৰাথমিক শিক্ষাদানৰ কি ব্যৱস্থা কৰা হৈছে বা কেতিয়া কৰা হ'ব ?

শ্ৰীগৌতম বৰা (মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) আঠাইশ হাজাৰ সাতশ তিৰাশীখন (২৮৭৮৩)।

(খ) চাৰিশ উনচল্লিশ খন (৪৩৯)।

(গ) পুঁজি সাপেক্ষে পৰ্য্যায়ক্ৰমে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

বিষয় :—আই টি ডি পি ৰ অনুমোদিত চাউল।

শ্ৰীপানীৰাম ৰাভায়ে সুধিছে ঃ

১৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰমা বহুমুখী সমবায় সমিতিৰ অধীনৰ আই টি ডি পি ৰ অনুমোদিত চাউলৰ প্ৰতিকোটাৰ পৰিমান কিমান আৰু ১৯৯২ চনৰ প্ৰতিকোটাৰ পৰিমান কিমান আছিল ?

(খ) বৰমা সমষ্টিৰ ১ নং মধ্যবাস্কা নয়াবস্তি সমবায় সমিতিৰ আজি ২ বছৰ ধৰি সম্পাদক নথকাটো সঁচানেকি ?

(গ) যদি সচাঁ উক্ত সমবায়ত সম্পাদক নিযুক্তি দিয়াৰ ব্যৱস্থা লবনে ?

শ্ৰীনগেন নেওগ (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আই টি ডি পি ৰ অনুমোদিত চাউলৰ পৰিমান প্ৰতিমাহত একে থকা দেখা নাযায় । ১৯৯২ চনৰ জানুৱাৰী মাহৰ পৰা ১৯৯৩ চনৰ ফেব্ৰুৱাৰী মাহলৈকে আবণ্টন পোৱা চাউলৰ পৰিমান উত্তৰৰ লগত গাঠি দিয়া হ'ল।

(See the Annexure—II)

(খ) সঁচা নহয়।

(গ) প্ৰশ্ন নুঠে।

বিষয় ঃ তৰা বিহীন প্ৰশ্ন নং —৩২৮

শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ

১৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

যোৱা ১৯৯২ চনৰ ডিচেম্বৰ মাহৰ বিধান সভা অধিবেশনৰ ২২/১২/৯২ ইং তাৰিখৰ তৰা ৰিহীন প্ৰশ্ন নং ৩২৮ৰ (গ) প্ৰশ্নৰ উত্তৰত "তদন্ত কৰি চোৱা হব" আৰু (ঘ) প্ৰশ্নৰ উত্তৰত "সঁচা হলে বিধিগত ভাৱে বিহিত ব্যৱস্থা লোৱা হব" এই সম্পৰ্কত উক্ত (গ) আৰু (ঘ) প্ৰশ্নৰ সন্দৰ্ভত চৰকাৰে দিয়া উত্তৰৰ পৰিপ্ৰেক্ষিতত কি ব্যৱস্থা লোৱা হ'ল?

শ্ৰী গৌতম ৰৰা (ৰজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

(গ) তদন্ত কৰি চোৱা হ'ল।

(ঘ) "সৰুক্ষেত্ৰী ব্লক কংগ্ৰেছ (ই) ৰ কাৰ্য্যালয়ত অনুসন্ধান কৰি জনা গ'ল যে মহম্মদ খুৰছেদ আলী আহমেদ নামৰ এজন মানুহ সৰুক্ষেত্ৰী ব্লক কংগ্ৰেছ (ই) ৰ সাধাৰণ সম্পাদক হয়, কিন্তু তেওঁ শিক্ষক বা কৰ্ম্মচাৰী হয়নে নহয় ব্লক কংগ্ৰেছ (ই) ৰ কাৰ্য্যলয়ত তথ্য পাতি পোৱা নগল। আনহাতে উক্ত ব্লক কংগ্ৰেছৰ অন্তৰ্গত বিদ্যালয় সমূহত অনুসন্ধান কৰি পোৱা গল যে কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মঃ খুৰছেদ আলী আহমেদ নামৰ এজন বিষয় শিক্ষক কাম কৰি আছে। তেওঁক সৰুক্ষেত্ৰী ব্লক কংগ্ৰেছ (ই) ৰ সম্পাদক হয় নে নহয় এই সম্পৰ্কে বিদ্যালয়ৰ অধ্যক্ষক সোধাত তেওঁ নাজানো বুলি জনায়।"

বিষয়: শিক্ষিত নিবনুৱালৈ ঋণ।

শ্ৰী হিতেশ ডেকায়ে সুধিছে:

১৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বিগত ৩ (তিনি) বছৰত উদ্যোগ বিভাগৰ জৰিয়তে ৰাজ্যখনৰ মুঠতে কিমান সংখ্যক শিক্ষিত নিবনুৱালৈ আত্মসংস্থানৰ বাবে ঋণ আগবঢ়োৱা হৈছে?

(বছৰ ভিত্তিক তথ্য দিব)

(খ) এনে দৰে আগবঢ়োৱা ঋণ আৰু ছাৰচিডিৰ মুঠ পৰিমান কিমান?

(জিলা ভিত্তিক তথ্যও দিব)

(গ) ঋণ গ্ৰহণ কৰা কিমান সংখ্যকে আঁচনি অনুযায়ী কাৰ্য্যব্যৱস্থা হাতত লৈছে?

(ঘ) এতিয়ালৈ কিমান সংখ্যকে নিয়মিত ভাৱে ঋণ পৰিশোধ কৰিছে আৰু

ইয়াৰ পৰিমান কিমান ?

(ঙ) এনে ঋণ লোৱা কোনো ব্যক্তিয়ে চৰকাৰী চাকৰিত নিযুক্তি লাভ কৰিছে নেকি ?

(চ) যদি কৰিছে ইয়াৰ সংখ্যা কিমান আৰু এই সকল ব্যক্তিৰ মাহিলী দৰমহাৰ পৰা ঋণৰ ধন কৰ্তনৰ দিহা কৰা হৈছে নেকি ?

শ্ৰী বিজিৎ শইকীয়া (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বিগত তিনি বছৰত উদ্যোগ বিভাগৰ জৰিয়তে ৰাজ্যখনত শিক্ষিত নিবনুৱালৈ আত্ম সংস্থাপনৰ বাবে বছৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰৰ শিক্ষিত নিবনুৱা আত্ম সংস্থাপনৰ আঁচনিমতে তলত দিয়া ধৰণে ঋণ আগবঢ়োৱা হৈছে।

১৯৮৯-৯০....................৩১৪১ জন।

১৯৯০-৯১....................৩০৬৭ জন।

১৯৯১-৯২... ................৩৪৮০ জন।

(খ) জিলা ভিত্তিক ঋণ আৰু ৰাজ সাহায্যৰ পৰিমান তলত দিয়া হ'ল।

১৯৮৯-৯০....................৯২১'৭৬

১৯৯০-৯১............... ১০২৭'৮৯১

১৯৯১-৯২............... ১১৪৩'৯৫

জিলা ভিত্তিক তথ্য অনুবন্ধ— A—ত দেখুৱা হৈছে।

(See the Annexure-II)

(গ) উক্ত তথ্য সমুহ ঋণ প্ৰদানকাৰী ৰাষ্ট্ৰীয়কৃত বেংক সমূহৰ পৰা সংগ্ৰহ কৰি থকা হৈছে।

(ঘ) উক্ত তথ্য সমূহ ঋণ প্ৰদানকাৰী ৰাষ্ট্ৰীয়কৃত বেংক সমূহৰ পৰা সংগ্ৰহ কৰি থকা হৈছে।

(ঙ) বৰপেটা জিলাত ৩ (তিনি) জনে চাকৰি পোৱা বুলি প্ৰতিবেদন পোৱা হৈছে।

(চ) ঋণৰ ধন কৰ্ত্তনৰ ব্যৱস্থা আইনমতে লোৱা হৰ।

বিষয়: প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৰণ।

শ্ৰীজীউৰাম বড়োৱে সুধিছে:

* ১৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকালত অসমত প্ৰায় ২০০০ খন প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৰণ কৰাতো সঁচানেকি?

(খ) যদি সঁচা, কোন কোন সমষ্টিত কিমান খন আৰু সেই সমূহৰ ভিতৰত কিমান বড়ো মাধ্যমৰ?

শ্ৰীগৌতম ৰয় (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) সঁচা নহয়।

(খ) প্ৰশ্ন নুঠে।

বিষয়: চামৰাং নদীৰ গড়খহনীয়া।

শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে:

* ১৮। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) পানেৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত চামৰাঙ নদীৰ বান পানীৰ দ্বাৰা হোৱা গড়া খহনীয়া প্ৰতিৰোধৰ বাবে প্ৰস্তাৱিত বান্ধ নিৰ্মানৰ বিষয়ে চৰকাৰৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, ইয়াৰ বাবে চৰকাৰে কি ব্যৱস্থাৰ লৈছে?

শ্ৰীহৰেন ভুমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয়, জ্ঞাত।

(খ) প্ৰতিৰোধক আঁচনি প্ৰস্তুত কৰি ৰখা হৈছে, যদিও প্ৰয়োজনীয় ধনৰ অভাৱত কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই।

বিষয়: উত্তৰ শালমাৰা মহকুমাত বৈদ্যুতিকৰণ।

শ্ৰীচন্দন কুমাৰ সৰকাৰ (মন্ত্ৰী) য়ে সুধিছে:

* ১৯। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ১৯৮৫ চনৰ পৰা ১৯৯২ চনলৈ বঙাইগাওঁ, উত্তৰ শালমাৰা মহকুমাত কিমানখন গাওঁ বৈদ্যুতিকৰণ কৰা হৈছে? (তালিকা সদনৰ মেজত দিব)

(খ) বৰ্ত্তমান বঙাইগাওঁ জিলাত কিমানখন গাওঁত বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে আৰু বাকী থকা গাওঁবোৰ কিমান দিনৰ ভিতৰত বৈদ্যুতিকৰণ কৰা হব?

শ্ৰীদেৱানন্দ কোঁৱৰ, (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) বৰ্ত্তমানলৈকে বঙাইগাওঁত ১৭ খন আৰু উত্তৰ শালমৰা মহকুমাত ১০০খন পিয়লভুক্ত গাওঁত বৈদ্যুতিকৰণ কৰা হৈছে।

(See the Annexure—VI)

(খ) পিয়লভুক্ত ৪২ খন জনবসতি পূৰ্ণ গাওঁত বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে। আৰ্থিক অনুদানৰ সাপেক্ষে উক্ত অঞ্চল সমূহলৈ বিদ্যুৎ যোগান কৰাটো সম্ভৱ হব।

বিষয়: কনামাক্ৰা নদীৰ খনন কাৰ্য্য ।

শ্ৰীকমল ব্ৰহ্ময়ে সুধিছে:

*২০। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বিজনী মহকুমাৰ অন্তৰ্গত আমগুৰী এলেকা খনক কানামাক্ৰা নদীৰ খনন কাৰ্য্যৰ সম্পৰ্কে চৰকাৰ অৱগত নে?

(খ) খনন কাৰ্য্যক ৰোধ কৰিবলৈ চৰকাৰে কিবা আচঁনি লৈছে নেকি?

শ্ৰীহৰেন ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয়, চৰকাৰ অৱগত।

(খ) অৱস্থাৰ গুৰুত্ব বুজি এখন আচঁনি যুগত কৰি ১৮ নং কাৰিকৰি উপদেষ্টা সমিতিৰ বৈঠকত দাখিল কৰা হৈছিল, কিন্তু সমিতিয়ে উক্ত আচঁনিখন অনুমোদন নকৰিলে।

বিষয়: পল্লীমাটি হাইস্কুল।

শ্ৰীপ্ৰণৱ কুমাৰ নাথে সুধিছে:

* ২১। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ?

(ক) করিমগঞ্জ জিলার পল্লিঘাট হাইস্কুলকে হাইয়ার সেকেন্দারী পর্য্যায়ে উন্নিত করার ব্যাপারে কি কি পদক্ষেপ নিয়েছেন ?

(খ) বর্ত্তমান অর্থবছরে উক্ত হাইস্কুলকে হাইয়ার সেকেন্দারী করার কার্য্যকরী ব্যবস্থা করবেন কি ?

শ্রীগৌতম ৰৰা (ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) পল্লিমাটি নামৰ কোনো হাইস্কুল হায়াৰ চেকেন্দাৰী পৰ্য্যায়লৈ উন্নীত কৰাৰ কোনো পদক্ষেপ লোৱা হোৱা নাই যেহেতু পল্লিমাটি নামৰ কেনো হাইস্কুল নথিপত্ৰ মতে নাই।

(খ) প্ৰশ্ন নুঠে ।

বিষয় : বাজেটৰ অতিৰিক্ত ধন।

শ্রীৰমেন্দ্ৰ নাৰায়ণ কলিতায়ে সুধিছে :

* ২২। বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে :

(ক) ১১৯১-৯২, ১৯৯২-৯৩ চনৰ বাজেটত নিৰ্দ্ধাৰিত ধনতকৈ অতিৰিক্ত কিমান ধন খৰচ কৰা হৈছিল ?

(খ) উল্লেখিত বিত্তীয় বছৰ দুটাৰ বাবে বান নিয়ন্ত্ৰণ বিভাগে বিভাগৰ বিভিন্ন আঁচনিৰ Annual Plan কৰিছিল নে ?

(গ) যদি কৰিছিল ১৯৯১-৯২, ৯২-৯৩ চনৰ Annual Plan ত মুঠ কেইটা আঁচনি অন্তৰ্ভুক্ত কৰিছিল ?

(ঘ) উক্ত ধন দুটাৰ আঁচনি সমূহৰ কাৰণে মুঠ কিমান অতিৰিক্তি টকাৰ প্ৰয়োজন হব ?

(ঙ) উল্লেখিত চন দুটাৰ আঁচনিৰ কাম কিমান শতাংশ সম্পূৰ্ণ কৰা হ'ল।

শ্রীহৰেণ ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৯১-৯২ চনৰ বাজেটত মুঠ ৬৮৩৬'৬৭ লাখ টকা ধৰা হৈছিল যদিও তাৰ বিপৰীতে ২৯৩'২৯ লাখ টকা অতিৰিক্ত খৰচ কৰা হৈছিল। ১৯৯২-৯৩ চনৰ মুঠ ব্যয়ৰ হিচাব বিত্তীয় বছৰৰ শেষত অৰ্থাৎ মাৰ্চ/৯৩ৰ পিছতহে জনাব পৰা হব।

(খ) হয়, কৰা হৈছিল।

(গ) ৰাৰ্ষিক পৰিকল্পনাৰ মুঠ আঁচনি—১৯৯১-৯২ চনত ২৯৬ খন আৰু
১৯৯২-৯৩ চনত ৩০৬ খন আঁচনি অন্তৰ্ভূক্ত কৰা হৈছিল।

(ঘ) ব্ৰহ্মপুত্ৰ উপত্যকা — ৬,০৯৬'৩২৬ লাখ
বৰাক উপত্যকা — ২,৭৫৪'৩৯০ ,,
পাৰ্ব্বত্য অঞ্চল — ৬৫৪'৩১০ ,,
কেন্দ্ৰীয় ঋণ সাহায্য— ১২,৯৩৮'২৪৬ ,,
সৰ্ব্ব মুঠ—২২,৪৪৩'২৭২ লাখ

(ঙ) উল্লেখিত চন দুটাৰ আঁচনি সমূহৰ কাম তলত উল্লেখ কৰা ধৰণে সম্পূৰ্ণ কৰা হয়।

১) ১৯৯১—৯২ — ৬২'৫০ (শতাংশ)
২) ১৯৯২—৯৩ — ৫৩'৭৫ ,,

বিষয় : ইংৰাজী মাধ্যমৰ মাধ্যমিক বিদ্যালয়।

শ্ৰীনগেন শৰ্ম্মায়ে সুধিছে :

* ২৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত কিমানখন চৰকাৰী/প্ৰাদেশীকৰন ইংৰাজী মাধ্যমৰ মাধমিক বিদ্যালয় আছে ?

(খ) উক্ত স্কুল সমূহত নাম ভৰ্ত্তি কৰাৰ সময়ত মাছুল দিব লাগেনে ?

(গ) উক্ত স্কুলত প্ৰতি মাহে দিব লগা মাছুলৰ হাৰ কিমান ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) (খ) (গ) | অসম বিধান সভাৰ মাননীয় সদস্য গৰাকীয়ে বিচৰা তথ্য সমূহ মাধ্যমিক শিক্ষা সঞ্চালকালয়ত নাই। সেয়েহে তথ্য সমূহ জিলা বিষয়া সকলৰ পৰা বিচৰা হৈছে। তেখেত সকলৰ পৰা পালেই সদনত জনাব পৰা যাব।

বিষয় : ব্ৰহ্মপুত্ৰৰ গড়া খহনীয়া।

ডাঃ কমলা কলিতা য়ে সুধিছে :

*২৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে :

(ক) ছয়গাওঁ সমষ্টিৰ অন্তৰ্গত প্‌ৰ ছমৰীয়া মৌজাৰ বৰভিটা আৰু আলিকাষত ব্ৰহ্মপুত্ৰ গড়া খহনীয়া প্ৰতিৰোধৰ বাবে কোনো ব্যৱস্থা বা আঁচনি লোৱা হৈছে নে ?

(খ) যদি হৈছে, কি কি আঁচনি লোৱা হৈছে আৰু কি পৰ্য্যায়ত আছে জনাবনে ?

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, হৈছে।

(খ) প্‌ৰ ছমৰীয়া মৌজাৰ বৰভিটা আৰু আলিকাষত গড়াখহনীয়া প্ৰতিৰোধৰ বাবে খহনীয়া প্ৰতিৰোধৰ এখন ৩,৪২,৯০,০০০'০০ টকাৰ প্ৰাক্কলন যুগুতোৱা হৈছে। আৰু এই প্ৰাক্কলনখন ১৯ নং বাজ্যিক কাৰিকৰী উপদেষ্টা সমিতিয়ে অনুমোদন জনাইছে আৰু অসম ৰাজ্যিক ব্ৰহ্মপুত্ৰ উপত্যকা বান নিয়ন্ত্ৰণ পৰিষদৰ ১২ নং বৈঠকত অনুমোদিত হয়। আঁচনিখনৰ কেন্দ্ৰীয় জল আয়োগৰ প্ৰচলিত নীতি অন্‌সৰি বিতং প্ৰাক্কলন ( Detailed estimate ) প্ৰস্তুত কৰি থকা হৈছে। এই আঁচনি খনৰ বিতং প্ৰাক্‌কলন কেন্দ্ৰীয় জল আয়োগৰ কাৰিক্‌ৰী অন্‌মোদনৰ বাবে অনতি পলমে প্ৰেৰণ কৰা হব।

Re : **Anti erosion Scheme.**

Shri Khiren Borgoyary asked :

25. Will the Minister of Flood Control be pleased to state :

(a) The number of anti-erosion schemes taken up during the period from 1990 to 1992 on the rivers Sonkosh Saralbhanga, Aie and Kanamakra within the T.S.P. area of the Kokrajhar District ?

(b) The amount of money sanctioned and spent against those schemes till date ?

(c) The number of anti-erosion schemes taken up during the period 1991-92 on the Aie river from Nizola bandh to Rowmari Kagrabari ?

(d) Whether scheme so taken up have been completed ?

(e) Whether any new scheme will be taken up on the Aie River ?

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৯০-৯২ চনৰ সময় ছোৱাত কোকৰাঝাৰ জিলাৰ জনজাতীয় উপ আঁচনিয়ে সামৰা অঞ্চলৰ সনকোশ নদীত ২খন সৰলভাঙা ১খন আৰু আইনদীত ৬খন আঁচনি কাৰ্য্যকৰী কৰা হৈছে।

(খ) ওপৰোক্ত আঁচনি সমূহৰ অনুমোদিত ৪২০·৫৭৭ লাখ টকাৰ বিপৰীতে বৰ্ত্তমানলৈ ৬২'২৩২ লাখ খৰচ কৰা হৈছে।

(গ) ১৯৯১-৯২ চনত আই নদীৰ ওপৰত নিজালা বান্ধৰ পৰা ৰৌমাৰী খাগ্ৰা-বাৰীলৈ ৭খন গড়াখহনীয়া প্ৰতিৰোধ আঁচনি লোৱা হয়।

(ঘ) ওপৰত উল্লেখ কৰা 'গ'ৰ উত্তৰৰ আঁচনি সমূহৰ ২খনৰ কাম সম্পূৰ্ণ হৈছে আৰু বাকী ৫খন আঁচনিৰ কামৰ ৮০ শতাংশ অগ্ৰগতি হৈছে।

(ঙ) পুঁজিৰ নাটনিৰ বাবে চলিত বছৰত আই নদীত কোনো নতুন আঁচনিৰ কাম হাতত লোৱাৰ কথা ভৰা নাই।

বিষয় : অশোক কাগজ কলৰ বিজুলী যোগান আৰু পানী যোগান।

শ্ৰীকনীভুষন চৌধুৰী য়ে সুধিছে :

* ২৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অশোক কাগজ কলৰ বিজুলী যোগান আৰু পানী যোগান কিমান তাৰিখৰ পৰা বন্ধ হৈ আছে ?

(খ) অশোক কাগজ কলৰ কৰ্ম্মচাৰী সকলৰ দুখ দুৰ্গতিলৈ লক্ষ কৰি অতি

সোনকালে বিজুলী যোগান আৰু পানীযোগান ব্যৱস্থা কৰিবনে ?

শ্ৰীবিজিৎ শইকীয়া (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) যোৱা ইং ৩০-১০-৯২ তাৰিখৰ পৰা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে অশোক কাগজ কলৰ বিজুলী যোগান বন্ধ কৰিছে বিজুলী যোগান বন্ধ হোৱাৰ লগে লগেই পানী যোগানো বন্ধ হৈছে।

(খ) হয়, যাবতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

Re : **Candle units of the State .**

Shri Derhagra Mushary asked :

27. Will the Minister of Industries be pleased to state :

(a) Total number of Candle Units in the State (To be shown districtwise) ?

(b) The quantity of paraffin wax allotted to each of them annually ?

(c) whether it is a fact that the quantity of allotment of raw material is not enough to make the Candle units economically viable ?

(d) If so, whether Government propose to increase the quantity of allotment of raw material ?

(e) If the allotment of paraffin to the state is not enough to meet the demand of the raw material whether Government proposed to move the Government of India to increase allotment of quota to the state ?

Shri Bijit Saikia (Minister) replied :

(a) Total number of Candle units in the state is 382.

District wise break up are :

1. Kamrup 86 Nos

2. Dibrugarh &

| | | |
|---|---|---|
| | Tinsukia | 49 ,, |
| 3. | Sonitpur | 17 ,, |
| 4. | Nalbari | 8 ,, |
| 5. | Kokrajhar | 7 ,, |
| 6. | Barpeta | 21 ,, |
| 7. | Karimganj | 37 ,, |
| 8. | Cachar | 36 ,, |
| 9. | Karbi Anglong | 7 ,, |
| 10. | Goalpara | 6 ,, |
| 11. | Bongaigaon | 12 ,, |
| 12. | Jorhat | 22 ,, |
| 13. | Sibsagar | 11 ,, |
| 14. | Nagaon | 11 ,, |
| 15. | Morigaon | 1 ,, |
| 16. | Darrang | 8 ,, |
| 17. | N. Lakhimpur | 10 ,, |
| 18. | Dhubri | 30 ,, |
| 19. | N.C. Hills | 33 ,, |
| | | 382 Nos |

(b) 5 (five) copies of the list showing quantity of paraffin wax alloted to each of them in the year 1992 is placed in the table of the House. The details of paraffin wax alloted to the units in respect of the units of the Districts, Dhubri' Jorhat and Dibrugarh are partially available. Details of allotment of these Districts are being collected.

(c) It is a fact that the requirement of raw materials as per the capacity of the units could not be met as the allocation of paraffin wax by the Ministry of

Petrolium and Natural Gas, Government of India is not sufficent.

(d) Increase of allotment is subject to higher allocation by the Government of India.

(e) The Government of Assam has already moved the Government of India to increase the quota of paraffin wax for the State.

Re : **Power Project for Barak Valley.**

Shri Samarendra Nath Sen asked :

28: Will the Minister of Power be pleased to state :

(a) It is a fact that Gas based Power Project/Plant proposed for Barak Valley is delayed due to the delay in obtaining clearance from the Petrolium Ministry ?

(b) If so, what step the Government is taking for obtaining the clearance ?

Shri Debananda Konwar (Minister) replied :

(a) The Government of India have indicated the quantities of gas available based on which private sector were inisted to participate. However, the firm gas linkage has not been communicated formally by the Goverement of India.

(b) The State Government is in regular correspondence with the Government of India in this regard.

Re : **Provincialisation of Venture L.P. Schools.**

Shri Kali Ranjan Deb asked :

29. Will the Minister, Education be pleased to state :

(a) Whether the Government have any proposal for Provincialisation of remaining venture L.P. Schools and M.E. Schools during current financial year (1992-93) ?

(b) If so, what principle will be adopted for selection of such schools ?

Shri Gautam Bora (Minister) : replied :

(a) Provincialisation of more L.P. and middle schools will depend upon availability of funds.

(b) Normally schools are selected on the basis of seniority of recognition, needs of the locality and the prevailing policy of the Government.

বিষয় : বান নিয়ন্ত্ৰণ বিভাগৰ এফ, ডি, আৰ, ।

শ্ৰীযতীন মালীয়ে সুধিছে :

* ৩০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বান নিয়ন্ত্ৰণ বিভাগৰ এফ, ডি, আৰ, কি ? আৰু Cld F, D. R আৰু New F. D. R অসমত কেতিয়াৰ পৰা সৃষ্টি হৈছে।

(খ) কেন্দ্ৰীয় জল সম্পদ বিভাগৰ নিৰ্দ্দেশত Old F.D.R আৰু New F.D.R সৃষ্টি হৈছে নেকি ? যদি হৈছে নিৰ্দ্দেশনাৰ কপি সদনৰ মজিয়াত দাখিল কৰিব।

(গ) কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশত যদি হোৱা নাই তেন্তে ৰাজ্যিক চৰকাৰে নিজা ৰবীয়াকৈ তাক কাৰ্য্যকৰী কৰাৰ বাবে তেনে কৰিছে নে ?

শ্ৰীহৰেণ ভূমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বান নিয়ন্ত্ৰণ বিভাগৰ এফ, ডি, আৰ মানে Flood Damage Repair অৰ্থাৎ বান পানীৰ দ্বাৰা আক্ৰান্ত বিধস্ত হোৱা কামৰ মেৰামতি। Cld F. D .R আৰু New F.D.R বুলি কোনো বিভাগীয় শিতান নাই।

(খ) নাই হোৱা। গতিকে নির্দ্দেশনাৰ কপি দাখিল কৰাৰ প্ৰশ্ন নুঠে।
(গ) ৰাজ্যিক চৰকাৰে তেনে কোনো ব্যৱস্থা নাই কৰা।

ৰিষয় : দৰং জিলাত আঁচনি।

শ্ৰীজয়নথ শৰ্ম্মায়ে সুধিছে :

*৩১। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) দৰং জিলাত ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনৰ ভিতৰত কি কি আঁচনি লোৱা হৈছিল ?

(খ) উক্ত সময় চোৱাৰ ভিতৰত কিমান টকা কোন কোন শিতানত কেনেকৈ খৰছ কৰা হৈছে ?

(গ) দৰং জিলাৰ বান নিয়ন্ত্ৰণ বিভাগে কি কামৰ বাবে ১৯৯১-৯২ আৰু ১৯৯২-৯৩ বছৰত কোন কোন ঠিকাদাৰক কিমান টকা আদায় দিছে ?

(ঘ) ১৯৯০-৯১/১৯৯১-৯২ আৰু ১৯৯২/৯৩ চনত কাৰোবাক মঙ্গলদৈ বান সংমণ্ডলত M. R. Fixed Pay, Casual ভিত্তিত বা Work Charge হিচাবে কিমান জনক নিযুক্তি দিয়া হৈছে ?
(নামবোৰ আৰু appointment/engagement তাৰিখসহ দিব। M.R. ত হোৱা ব্যয় সম্পৰ্কত বিতং তথ্য দিব।

শ্ৰীহৰেণ ভুমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) দৰং জিলাত ১৯৯১-৯২ চনত (চাৰি) খন ৰাজ্যিক পৰিকল্পনাভুক্ত আঁচনি (State Plan) আৰু (তিনি) খন কেন্দ্ৰীয় সাহায্য পুঁজি আঁচনি (CLA) লোৱা হয়। ১৯৯২-৯৩ চনত ৪ (চাৰি খন ৰাজ্যিক পৰিকল্পনাভুক্ত আঁচনি (State Plan) আৰু ৫ (পাঁচ) খন এফ, ডি, আৰ (F.D.R) আঁচনি লোৱা হয়। আঁচনি সমূহৰ নাম তালিকা (ক)ত সন্নিবিষ্ট কৰা হৈছে ।

(খ) ১৯৯১-৯২ চনত ৰাজ্যিক পৰিকল্পনা ভুক্ত আঁচনিৰ (State Plan) বাবদ ১৪,৭৫,১০১'০০ টকা এফ, ডি, আৰ, (F.D.R.) ৰ বাবদ ১২,৩১,২৫৭,০০ টকা মেৰামতি (17 Maintanance) বাবদ ৪৫,১৫,৬১১'০০ টকা আৰু কেন্দ্ৰীয় সাহায্য পুঁজি (CLA)ৰ বাবদ ৫৯,২৩,৩১৯'০০ টকা খৰচ কৰা হয়।

সেই দৰে ১৯৯২-৯৩ চনত ৰাজ্যিক পৰিকল্পনাভূক্ত আঁচনি (State Plan) ১৪,৪২,৬৮২'০০ টকা এফ, ডি, আৰ (F.D.R.) ৰ বাবদ ১৫,০১,৪৮৮'০০ টকা মেৰামতি (17 Maintanance)ৰ বাবদ ৩৫,০৮,০৩০'০০ টকা আৰু কেন্দ্ৰীয় সাহায্য পূঁজি (CLA)ৰ বাবদ ১,৪৩,৫১০'০০ টকা খৰচ কৰা হয়। তালিকা (খ) ত বিতং তথ্য সন্নিবিষ্ট কৰা হৈছে।

(গ) দৰং জিলাৰ বান নিয়ন্ত্ৰণ বিভাগে বিভিন্ন কামৰ বাবে ১৯৯১-৯২ আৰ ১৯৯২-৯৩ বছৰত ঠিকাদাৰৰ বাবে ৫৪৭ খন আৰু ৫৬৭ খন বিলৰ টকা আদায় দিছে। ঠিকাদাৰৰ নাম আৰু আদায় দিয়া বিলৰ পৰিমান তালিকা (গ) ত দেখুৱা হৈছে।

(ঘ) মংগলদৈ বান সংমণ্ডলত ১৯৯০-৯১,১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত দিয়া নিযুক্তি এনে ধৰণৰ :—

| নিযুক্তি — | ১৯৯০-৯১ | ১৯৯১-৯২ | ১৯৯২-৯৩ |
|---|---|---|---|
| মাষ্টাৰ ৰোল (M. Roll) | ৬৫২১৯ | ৭০,১৪০ | ৪৫,৬২১ |
| নিৰ্দ্ধাৰিত বেতন (Fixed Pay) | ১৪ | ১৩ | ২০ |

নাম আৰু নিযুক্তিৰ তাৰিখ তালিকা (ঘ)ত সন্নিৱিষ্ট কৰা হৈছে। মাষ্টাৰ ৰোলত হোৱা ব্যয় সম্পৰ্কত বিতং তথ্য তালিকা (ঙ)ত দিয়া হৈছে।

বিষয় ঃ বেসৰকাৰী মহাবিদ্যালয়ে অনুদান।

শ্ৰীধ্ৰুৱ কুমাৰ সেন জিজ্ঞাসা করছেন :

* ৩২। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

(ক) ধুবূড়ী সহরে মেয়েদের যে বে—সরকারী মহাবিদ্যালয় আছে ঐ মহাবিদ্যালয়ে স্থাপিত হওয়ার পর সরকার কোন অনুদান (সাহায্য) দিয়াছে কি

(খ) যদি দিয়া থাকেন তাহা হইলে সরকারের সাহায্যর পরিমান কত টাকা ও কোন সনে দেওয়া হইয়াছে ?

Shri Golok Chandra Rajbongshi, (Minister) replied.

(a) No financial grant has been sanctioned to Dhubri Girls College.

(b) Does not arise.

বিষয় : No. MTL/IC/36/Stock/91/64,dtd. 26-3-92.

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

* ৩৩। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম গেচ কোম্পানীৰ Sale order No. MTL/IC/36/Stock/91/64, dt. 26-3-MTL/IC/36/Stock/91/64, dt. 26-3-92 আৰু MTL/IC /36 stock/91/64, dt. 26-3-92 ৰ দ্বাৰা কিমান মিটাৰ পাইপ বিক্ৰী কৰা হ'ল ?

(খ) বিক্ৰী কৰাৰ সময়ত এই পাইপৰ মূল্য কিমান আছিল ?

(গ) উক্ত পাইপখিনি বিক্ৰী কৰাৰ আগতে বিশেষজ্ঞ বৰ্ডৰ দ্বাৰা পৰীক্ষা কৰোৱা হৈছে নেকি ?

শ্ৰীবিজিৎ শইকীয়া (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মুঠ ৪৯৪০'৫৯ মিটাৰ পাইপ বিক্ৰী কৰা হ'ল।

(খ) বিক্ৰী কৰা সময়ত এই পাইপৰ লিখিত/কিতাপৰ মূল্য (Book value) আছিল ১৩'৫১ লাখ টকা। আৰু এই পাইপ খিনি বিক্ৰী কৰ সহ ১৫'০০ লাখ টকাত বিক্ৰী কৰা হয়।

(গ) হয়, উক্ত পাইপখিনি বিক্ৰী কৰাৰ আগতে বিশেষজ্ঞ বৰ্ডৰ দ্বাৰা পৰীক্ষা কৰোৱা হৈছিল।

বিষয় : পানবাৰী অঞ্চলত খনন কাৰ্য্য ।

শ্ৰীকমল ব্ৰহ্ময়ে সুধিছে :

* ৩৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিজনী মহকুমাৰ পানবাৰী অঞ্চলখনক বুঢ়ীসুতি নদীয়ে খনন কাৰ্য্য চলাই নিঃশেষ কৰা সম্পৰ্কে চৰকাৰ অৱগত নে ?

(খ) যদি হয়, এই অঞ্চল খনক বচাবলৈ চৰকাৰে তৎকালীন ব্যৱস্থা লবনে ?

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, চৰকাৰ অৱগত।

(খ) খহনীয়াৰ ওপৰত নজৰ ৰখা হৈছে। বৰ্ত্তমান বিত্তীয় সংকটৰ পৰিপ্ৰেক্ষিতত তৎকালীন ব্যৱস্থা লোৱাৰ সম্ভৱনা নাই।

বিষয়: গাওঁ পঞ্চায়ত সমবায় সমিতিৰ সদস্য।

শ্ৰীবদন বৰুৱায়ে সুধিছে:

*৩৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বৰ্ত্তমান চৰকাৰৰ দিনত অসমৰ কিমানখন গাওঁ পঞ্চায়ত সমবায় সমিতি সমবায়ৰ সদস্যৰ ভোট দানৰ সহায়ত নিৰ্ব্বাচিত লোকেৰে গঠন কৰা হ'ল?

(খ) কিমানখন গাওঁ পঞ্চায়ত সমবায় সমিতি এতিয়াও তদৰ্থ কমিটিৰ দ্বাৰা চলি আছে?

(গ) গাওঁ পঞ্চায়ত সমবায় সমিতি বিলাকৰ কিমানখনত চৰকাৰী বিষয়াক অধ্যক্ষ হিচাবে ৰাখি সমিতি বিলাক কাৰ্য্যক্ষম কৰি ৰখা হৈছে?

শ্ৰীনগেন নেওগ (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ২৮৩ খন।

(খ) ১৩৩ খন।

(গ) ২৪৫ খন।

বিষয়: বৰমা মহাবিদ্যালয়ত বিজ্ঞান শাখা মুকলি।

শ্ৰী পানীৰাম ৰাভায়ে সুধিছে:

৩৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বৰমা মহাবিদ্যালয়ত ১৯৯২ চনৰে পৰা বিজ্ঞান শাখা মুকলি কৰা কথাটোৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, ইয়াৰ বাবে বিভাগীয় অনুমতি দিয়াৰ ব্যৱস্থা লবনে?

(গ) বাস্কা কলেজ, ধমধমা কলেজ, জ্ঞানপীঠ কলেজ চৰকাৰীকৰণৰ বাবে আবেদন কৰা বিষয়টোত চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত, চৰকাৰীকৰণ কৰিবনে ?

শ্ৰী গোলোক চন্দ্ৰ ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) এনে কোনো প্ৰস্তাৱ চৰকাৰে পোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) চৰকাৰে এই বিষয়ে কোনো প্ৰস্তাৱ লোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় : বানপানী প্ৰতিৰোধৰ ব্যৱস্থা।

শ্ৰী নিজামুদ্দিন খানে সুধিছে :

৩৭। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটা জিলাৰ পহুমাৰা, কালদিয়া, টিহু আদি নদীয়ে ভয়াবহ বান পানী সৃষ্টি কৰা সম্পৰ্কত চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, এই নদী সমূহৰ পৰা সৃষ্টি হোৱা বান পানীক প্ৰতিৰোধৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে ?

(গ) যদি লোৱা হোৱা নাই, বাৰিষাৰ আগতে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰী হৰেণ ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, অৱগত।

(খ) পহুমাৰা, কালদিয়া আৰু টিহু নদীৰ বান পানী, গড়া খহনীয়া আৰু জলমগ্ন অঞ্চল বিলাকৰ দুৰ্যোগ দূৰীকৰণৰ বাবে আগতে কৰা কাম বিলাকৰ উপৰিও নতুনকৈ কৰিবলৈ বহুটো আঁচনি আৰু প্ৰাক্-কলন প্ৰস্তুত কৰা হ'ল। ইয়াৰে ভালে সংখ্যক আঁচনি কাৰিকৰী উপদেষ্টা সমিতিয়ে অনুমোদন দিলে আৰু কেইটামান ব্ৰহ্মপুত্ৰ উপত্যকা বান নিয়ন্ত্ৰণ বোৰ্ডেও অনুমোদন দিলে আৰু এটা আঁচনি বৰ্তমান কেন্দ্ৰীয় জল আয়োগৰ পৰীক্ষাধীন অৱস্থাত আছে। উপৰোক্ত কৰ্তৃপক্ষৰ অনুমোদন আৰু প্ৰয়োজনীয় পুঁজিৰ যোগাৰ হলেই এই আঁচনি বিলাকৰ কাম পৰ্য্যায়ক্ৰমে ৰূপায়িত কৰা হব।

(গ) যোৱা বছৰৰ বান পানীয়ে বেছিকৈ ক্ষতিগ্ৰস্ত কৰা আৰু বৰ্ত্তমান বিপদা-পন্ন অৱস্থাত থকা মথাউৰী আৰু খহনীয়া প্ৰতিৰোধৰ ঠাই বিলাকত অহা বাৰিষাৰ আগতে জৰুৰীকালীন ভিত্তিত মেৰামতিৰ কাম কৰিবলৈ ইতিমধ্যে প্ৰাক্-কলন প্ৰস্তুত কৰা হৈছে। প্ৰয়োজনীয় এফ, ডি, আৰ, পুঁজিৰ যোগাৰ হলেই এই বিলাক কাম হাতত লোৱা হব।

বিষয় : বিদ্যুত যোগান।

শ্ৰী কৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে :

৩৮। মাননীয় শক্তি আৰু গ্ৰাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) টংলা টাউনত সদায় সন্ধিয়া ৬-৫০ আৰু ৮-০০ বজাৰ সময়ছোৱাত বিদ্যুত সৰবৰাহৰ বিজুতি ঘটি থকাৰ কাৰণ কি ?

(খ) চৰকাৰে টংলা টাউনত বিদ্যুৎ সৰবৰাহ নিয়মীয়া কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চাহিদা অনুসৰি বিদ্যুতৰ যোগান কম হলে অন্যান্য অঞ্চলৰ দৰে টংলা চহৰতো সন্ধিয়া ৬ বজাৰ পৰা ৮ বজাৰ ভিতৰত কেতিয়াবা কেতিয়াবা বিদ্যুত কৰ্ত্তন কৰিব লগা হয়।

(খ) সৰ্বোচ্চ চাহিদাৰ সময় ছোৱাত পৰিষদে নিজা উৎপাদনৰ উপৰিও NEEPCO, MESEB, EREB, আৰু NHPC, ৰ পৰা বিদ্যুতৰ আমদানিৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। কিন্তু উক্ত প্ৰতিষ্ঠান সমূহৰ পৰা আমদানি হ্ৰাস পালে পৰিস্থিতি অনুযায়ী বিদ্যুত কৰ্ত্তন কৰিব লগা হয়। পৰিষদে নিজা উৎপাদনৰ গোট সমূহৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰিবলৈ ব্যৱস্থা হাতত লৈছে। বিদ্যুতৰ আমদানি আৰু পৰিষদৰ নিজা উৎপাদন বৃদ্ধি হলে অসমত বিদ্যুত যোগানৰ পৰিস্থিতি উন্নত হব বুলি আশা কৰা যায়। সমগ্ৰ ৰাজ্যখনতে চাহিদা অনুসৰি বিদ্যুত যোগানৰ পৰিস্থিতি উন্নত হলে টংলা চহৰটো বিদ্যুত সৰবৰাহ নিয়মীয়া হব বুলি আশা কৰিব পাৰি।

বিষয় : **ARCS office** স্থাপনৰ আঁচনি।

শ্ৰীচন্দন কুমাৰ চৰকাৰে সুধিছে ঃ

* ৩৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বঙাইগাওঁ জিলাৰ সদৰ বঙাইগাওঁত নতুনকৈ এ, আৰ অফিচ স্থাপন কৰাৰ আঁচনি আছে নেকি ?

(খ) যদি আছে, কেতিয়া নতুন অফিচ খোলা হ'ব আৰু এ, আৰ, নিযুক্তি দিয়া হ'ব ?

(গ) উত্তৰ শালমাৰাৰ অভয়াপুৰীত জইন্ট ৰেজিষ্টাৰ কাৰ্য্যালয় খোলাৰ আঁচনি চৰকাৰৰ হাতত আছে নেকি ?

শ্ৰীনগেন নেওঁগ (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আছে।

(খ) প্ৰস্তাৱিত পদ সমূহ সৃষ্টি হোৱাৰ লগে লগে বঙাইগাওঁৰ নতুন এ, আৰ, চি, এচ, অফিচ খুলিবলৈ ব্যৱস্থা লোৱা হ'ব, আৰু এ, আৰ, চি, এচ, নিযুক্তি দিয়া হ'ব।

(গ) বৰ্ত্তমান তেনে আঁচনি চৰকাৰৰ হাতত নাই।

বিষয় : স্কুল ভৱন সংস্কাৰ।

শ্ৰীপ্ৰণৱ কুমাৰ নাথ জিজ্ঞাসা করছেন।

* ৪০। মাননীয় শিক্ষা বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি :

(ক) বিগত ৯/৩/৯২ ইং ডি সি (করিমগঞ্জ) কাৰ্য্যালয়ে District Elementary Edueation Officer ও Block Elementary Education Officer দের নিয়ে অনুস্থিত যৌথ সভায় যে সকল প্ৰাথমিক ও M.E.School ভৱন সংস্কার সাধনের জন্য আৰ্থিক অনুদান মঞ্জুর করা হয়েছিল, সে গুলির নাম ও টাকার পরিমান তালিকা সহ সদনের মেজে। দাখিল করিবেন ?

(খ) যে স্কুল এখন পৰ্য্যন্ত টাকা কাজে লাগায়নাই তাহাদের শিঘ্ৰেই বিভাগের তরফ কাৰ্য্যকরী পদক্ষেপ নেওয়া হবে কি ?

(গ) ৯৯নং ব্ৰাহ্মণশাসন প্ৰাথমিক বিদ্যালয় (পোঃ চৈতন্যনগর)ও ১০৮৫ নং বরয়ালা)

প্ৰাথমিক বিদ্যালয় (পাঃ বরয়ালা) এবছ ১১১ নং হুরপ্রিয় প্রাথমিক বিদ্যালয়ের কাজ সম্পুৰ্ণ হয়েছি কি আর যদি না কেন?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) |
(খ) | তথ্য বিচৰা হৈছে।
(গ) |

বিষয় : গুৱাহাটী পৌৰনিগমৰ অধীনত প্ৰাথমিক স্কুল।

শ্ৰীনগেন শৰ্ম্মা য়ে সুধিছে :

* ৪১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গুৱাহাটী পৌৰনিগমৰ এলেকাৰ ভিতৰত কিমানখন চৰকাৰী/প্ৰাদেশীকৰণ অসমীয়া মাধ্যমৰ প্ৰাথমিক বিদ্যালয় আছে?

(খ) কিমানখন চৰকাৰী/প্ৰাদেশীকৰণ ইংৰাজী মাধ্যমৰ প্ৰাথমিক বিদ্যালয় পৌৰ নিগম এলেকাৰ ভিতৰত আছে।

(গ) উক্ত চৰকাৰী / প্ৰাদেশীকৰণ ইংৰাজী মাধ্যমৰ স্কুল সমূহত ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ শিক্ষাদান কৰেনে?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চৰকাৰী প্ৰাথমিক বিদ্যালয় ৪খন আৰু প্ৰাদেশীকৰন কৰা প্ৰাথমিক বিদ্যালয়, ১৮১ খন আছে।

(খ) ইংৰাজী মাধ্যমৰ চৰকাৰী/প্ৰাদেশিকীকৰন প্ৰাথমিক বিদ্যালয় পৌৰনিগম এলেকাৰ ভিতৰত নাই।

(গ) প্ৰশ্ন নুঠে।

**Re: Candle Units of Kamrup District.**

Shri Derhagra Mushary asked:

* 42. Will the Minister of Industries be pleased to state:

(a) The number of candle units in the Kamrup District till 1993?

(b) How many of them belong to the ST and SC people?

(c) The Quantity of paraffin wax allotted to each of them annually ?

(d) Whether Government propose to allot raw material to S.T and SC people on percentage basis i. e. 10% to S.T. (Plains) 5% S.T. (Hills) and 7% to SC ?

(e) Whether there is demand for the increase of raw material from the S.T. (Plains) candle unit of Kamrup Distrtict ?

Shri Bijit Saikia (Minister) replied :

(a) 86 (Eighty Six) Nos.

(d) S.T.-7 (Seven) Nos, S.C. 2 (Two) Nos.

(c) A list showing the quantity of paraffin wax alloted to each of them in the year 1992 is placed in the table of the House 5 (five) copies.

(d) No such proposal on the allotment of raw materials to Candle units is under consideration.

(e) There is a demand for increase of raw materials from all Candle units.

বিষয় : ভাষাৰ মাধ্যমেৰে শিক্ষা দান ।

শ্ৰী জ্ঞীউৰাম বড়োৱে সুধিছে :

৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত কি কি ভাষাৰ মাধ্যমেৰে শিক্ষাদান কৰা হয় ?

(খ) অসমত এতিয়ালৈ কিমানখন প্ৰাথমিক, মধ্য আৰু উচ্চ ইংৰাজী বিদ্যালয়ত বড়ো ভাষা প্ৰৱৰ্ত্তন কৰা হৈছে।

(গ) অনা অসমীয়া মাধ্যমৰ তথা বড়ো ভাষাৰ মাধ্যমৰ লেখিয়া বিদ্যালয়সমূহত শিক্ষক পদ মঞ্জুৰ কৰাৰ বাবে শিক্ষা বিভাগৰ কিবা নীতি নিয়ম

আছে নেকি আৰু যদি নাই, ইয়াৰ বাবে কি ব্যৱস্থা লৰ খোজা হৈছে?

শ্ৰী গৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) অসমত প্ৰাথমিক স্তৰত অসমীয়া, বঙালী, গাৰো, হিন্দী, বড়ো, নেপালী, মনিপুৰী, মাৰ আৰু কাৰ্বি আদি ৯টা ভাষাৰে শিক্ষা দান কৰা হয়। মাধ্যমিক স্তৰত ইংৰাজী, অসমীয়া, বঙালী, হিন্দী বড়ো আৰু মনিপুৰী ভাষাৰ মাধ্যমেৰে শিক্ষা দান কৰা হয়।

(খ) অসমত এতিয়ালৈকে ১১৩৫ খন প্ৰাথমিক আৰু ১২৩ খন মধ্য ইংৰাজী বিদ্যালয়ত বড়ো ভাষাত শিক্ষা দান দি অহা হৈছে। ইয়াৰ উপৰিও ৮৩২ খন প্ৰাথমিক বিদ্যালয় আৰু ২৭৭ খন মধ্য ইংৰাজী বিদ্যালয়ত ২ (দুটা) ভাষাত শিক্ষা দি অহা হৈছে।

মাধ্যমিক স্তৰত ১১৭ খন উচ্চ আৰু উচ্চতৰ ইংৰাজী বিদ্যালয়ত বড়ো ভাষা প্ৰৱৰ্ত্তন কৰা হৈছে।

(গ) পদ মঞ্জুৰী সাপেক্ষে সময়ে সময়ে বড়ো ভাষাৰ বিদ্যালয় সমূহত শিক্ষক পদৰ মঞ্জুৰী দিয়া হয়। তাৰোপৰি অনাঅসমীয়া তথা বড়ো মাধ্যমৰ লেখিয়া স্কুল সমূহত শিক্ষক পদ মঞ্জুৰী দিয়াৰ নীতি আৰু চাহিদাৰ ওপৰত ভিত্তি কৰি শিক্ষক পদৰ মঞ্জুৰী দিয়া হয়।

Re: **Power requirement of Barak Valley**.

Shri Samarendra Nath Sen asked:

44. Will the Minister of Power be pleased to state:

(a) Is it a fact that though power requirement of Barak Valley is 40 MW but only 16 to 30 MW is supplied throughout the year?

(b) If so, the reasons thereof?

Shri Dewanand Konwar (Minister) replied:

(a) & (d)

1. The demand of power in Barak Valley including

Hindustan paper Corporation during off-peak load hours is 22 to 25 MW and during peak load hours is 36 to 40 MW. The peak and off peak demand of HPC is 10 MW and 8 MW respectively and as such excluding HPC the power demand of Barak Valley during off-peak hours is 14 to 17 MW and during peak hours 26 to 30 MW.

Allotment to Barak Valley was fixed at 16 MW and 25 MW with respect to the availability of 225 MW and 265 MW of power in the system. This allotment was increased or decreased on pro-data basis depending upon the system availability.

2. Depending upon system availability from ASEB's own generation and Import of power from NEEPCO, NHPC, MESEB & EREB all of which very from hour to hour allotment of power is made to different Sub-stations accordingly.

3. Due to acute peak-hour power shortage allotment of load to HPC is restricted to 2 MW during peak hours and thus the total demand of Barak Valley during peak-hours is 28 to 32 MW.

Re : **Reconstitution of Kalain G.P.S.S.**

Shri Kali Ranjan **Deb** asked :

45. Will the Minister of Co-operation be pleased to state :

(a) Whether it is a fact that Managing Committee of Kalain G.P.S.S. in Cacher District, has again been reconstituted on Ad-hoc basis ?

(b) If so, what is the reason for constitution such Ad-hoc Committee, again & again, without holding election ?

(c) Is it a fact that the person, who has been made Chairman of the present Committee against whom, a criminal case is pending at Silchar Court for contravention of E.C. Act and for defalcation of society's money and theft of society's property ?

(d) Whether Government has any proposal of holding election for Constitution Managing Committees of Kalain G.P.S.S. Katigora G.P.S.S. and Gumra G.P.S.S. ?

Shri Nagen Neog (Minister) replied :

(a) Yes.

(b) As the Society has failed to hold its AGM and election in time, action under Section 32 (5) of the Assam Co-operative Societies Act, 1949 had to be taken to form an ad-hoc Committee to run the affairs of the Society.

(c) Nothing has been reported in this regard against the present Chairman.

(d) Election for Constituting the Managing Committees of the Societies would be taken by the General body of share holders of the Societies in the next AGM which will become due after 31.3.93.

বিষয় : পলাশবাৰী সমষ্টিৰ লোহাৰঘাট হাইস্কুল ।

শ্ৰীযতীন মালীয়ে সুধিছে :

৪৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত লোহাৰঘাট হাইস্কুল খন দৰাচলতে হাইস্কুল নে হায়াৰ চেকেণ্ডাৰী স্কুল ?

(খ) উক্ত স্কুলৰ শিক্ষক শ্ৰীনাৰায়ণ বৰুৱাই নিজকে লোহাৰঘাট হায়াৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ বুলি গন্য কৰি চীল মোহৰ তৈয়াৰ কৰি কাৰ্য্যনিৰ্ব্বাহ কৰি থকাতো জানেনে?

(গ) ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবেই চলিত শিক্ষা বছৰত একাদশ শ্ৰেণীত নাম ভৰ্ত্তিৰ প্ৰাৰম্ভিক হিচাবে নটিছ বোৰ্ডত জাননী দি ছাত্ৰ ছাত্ৰীৰ পৰা নাম ভৰ্ত্তিৰ প্ৰ-পত্ৰ বিচৰাটো চৰকাৰে জানেনে? অথবা বিভাগীয় অনুমতি আছেনে?

(ঘ) যদি বিভাগীয় অনুমতি নাই, গোটেই ঘটনা সম্পৰ্কে (অতি সোনকালে) তদন্ত কৰিবনে?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হাইস্কুল।

(খ) শ্ৰীনাৰায়ণ চন্দ্ৰ বৰুৱাই নিজকে লোহাবঘাট হায়াৰ চেকেণ্ডাৰীৰ অধ্যক্ষ হিচাপ গন্য কৰি চিল মোহৰ ব্যৱহাৰ কৰি থকা তথ্য আমাৰ হাতত নাই।

(গ) চৰকাৰৰ দৃষ্টি গোচৰ হোৱা নাই আৰু নাম ভৰ্ত্তিৰ বাবে বিভাগীয় নিৰ্দেশন দিয়া হোৱা নাই।

(ঘ) তদন্ত কৰা হ'ব।

বিষয়: **Operation Black Board.**

শ্ৰীজয়নাথ শৰ্ম্মা য়ে সুধিছে:

৪৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) Operation Black Board. আঁচনিত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়ালৈ উক্ত আঁচনিৰ আবন্তনিৰে পৰা কিমান টকা পাইছে? (বছৰ ভিত্তিত দেখুৱাব)

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

| | |
|---|---|
| (ক) ১৯৮৮—৮৯ চনত | ৮২৬'৬৯ লাখ টকা। |
| ১৯৮৯—৯০ চনত | ৩৪৬'২০ " " |
| ১৯৯০—৯১ চনত | ৩৪৬'০০ " " |

১৯৯১—৯২ চনত ৪২০'৪৮ „ „ পোৱা গৈছে ?

১৯৯২—৯৩ চনত ১৪১২'৮২ „ „ মঞ্জুৰী হৈছে।

বিষয় : **Tea Gas Grid.**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

৪৮। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰুগড় Tea Gas Grid ৰ H.D.P.E. পাইপ ৩৫ খন চাহ বাগিচালৈ কি কি Size ৰ আৰু কিমান মিটাৰ দৈৰ্ঘ্যৰ যোগান ধৰা হৈছিল আৰু ইয়াৰ মূল্য প্ৰাক্-কলনত (Estimate) কিমান টকা ধাৰ্য্য কৰা হৈছিল ?

(খ) পুনৰ ৪১ খন চাহ বাগিচাৰ H.D.P.E. কামৰ বাবে কিমান জোখৰ (Size) আৰু দৈৰ্ঘ্যৰ পাইপৰ প্ৰাক্-কলনৰ(Estimate) প্ৰস্তুত কৰা হৈছিল আৰু এই শিতানত কিমান টকা ধাৰ্য্য কৰা হৈছিল ?

শ্ৰীবিজিৎ শইকীয়া (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডিব্ৰুগড় টি গেচ গ্ৰীডৰ ৩৫ খন চাহ বাগিচালৈ গেচ যোগান ধৰিবৰ বাবে মুঠ ৯৭'৫০ কি: মি: দৈৰ্ঘ্যৰ HDPE পাইপ যোগান ধৰা হৈছিল আৰু যোগান তথা নিৰ্ম্মানৰ বাবে মুঠ ২৯৩ লাখ টকা ধাৰ্য্য কৰা হৈছিল বিভিন্ন (Size) আৰু ইয়াৰ দৈৰ্ঘ্যৰ বিতং তালিকা লগত গাঁথি দিয়া হৈছে। (তালিকা নং ১)

(See the Annexure—VII)

(খ) পুনৰ ৪২ খন চাহ বাগিচাৰ HDPE পাইপৰ কামাৰ বাবে মুঠ ১১১'৫০ কিঃ মিঃ দৈৰ্ঘ্যৰ প্ৰাক্-কলন (Estimate ) প্ৰস্তুত কৰা হৈছিল আৰু এই শিতানত যোগান তথা নিৰ্ম্মানৰ বাবে মুঠ ৩৩৪ লাখ টকা ধাৰ্য্য কৰা হৈছিল। বিভিন্ন জোখ (Size) আৰু ইয়াৰ দৈৰ্ঘ্যৰ তালিকা লগত গাঁথি দিয়া হৈছে।

(তালিকা নং, ২)

(See the Annexure—VIII)

বিষয়: ব-মা উপ সংমণ্ডলৰ অধীনত থকা অব্যৱহৃত খুটা।

শ্ৰীপনীৰাম ৰাভায়ে সুধিছে:

* ৪৯। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) গ্ৰাম্য বৈদ্যুতিক বিভাগৰ বৰমা উপসংমণ্ডলৰ অধীনৰ চাপৰা গাওঁ, মৃকমেলা গাওঁ মধ্যবাস্কা মৌজাৰ বনগাওঁত আজি ২বছৰ ধৰি Post বোৰ (খুটা) পেলাই থোৱা কথাটো সঁচানে?

(খ) যদি Post বোৰ (খুটা) ব্যৱহাৰ কৰি বিদ্যুৎ যোগানৰ ব্যৱস্থা লবলৈ ৰাইজে বাৰে বাৰে আবেদন কৰাটো সঁচানে?

(গ) যদি সঁচা ব্যৱস্থা কেতিয়ালৈ ল'ব?

(ঘ) কূটীৰ জ্যোতি আঁচনিত বৰ্ত্তমানলৈ উক্ত সংমণ্ডলত কিমান ঘৰ মানুহ উপকৃত হৈছে?

শ্ৰীদেৱানন্দ কোঁৱৰ, (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) সঁচা।

(খ) সঁচা।

(গ) উক্ত গাওঁ কেইখন গ্ৰাম্য বৈদ্যুতিকৰণৰ নিয়মানুসৰি বৈদ্যুতিকৰণ কৰাৰ সময়ত কিছু সংখ্যক খুটা ৰাহি হৈছিল। গাওঁ কেইখনৰ বাকী থকা চুবুৰি কেইটা ভৱিষ্যতে সম্প্ৰসাৰণ আঁচনিত অন্তৰ্ভুক্ত কৰি আৰ্থিক অনুদান সাপেক্ষে বৈদ্যুতিকৰন হাতত ল'ব পৰা হ'ব বুলি ভাবি খুটা কেইটা মজুত কৰি ৰখা হৈছে।

(ঘ) কুটীৰ জ্যোতি আঁচনিৰ অধীনৰ ৯৮ ঘৰ মানুহ বৰ্ত্তমানলৈকে উপকৃত হৈছে।

বিষয়: শিক্ষা বিভাগত নিয়োগ বন্ধ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে:

* ৫০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) শিক্ষা বিভাগত (১৯৯২-৯৩) নিয়োগ বন্ধ কেতিয়াৰ পৰা কেতিয়ালৈ কৰা হৈছে?

(খ) কেতিয়া নিয়োগ বন্ধ উঠাই দিয়াৰ সম্ভৱনা আছে?

শ্রীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৯২ চনৰ জুলাই মাহৰ ৩১ তাৰিখৰ পৰা নিয়োগ বন্ধ আছে। ১৯৯৩ চনৰ ১ লা মাৰ্চৰ পৰা নিয়োগ বন্ধৰ আদেশ ৰাতিল কৰি মাধ্যমিক আৰু প্ৰাথমিক শিক্ষা সাঞ্চালকালয়লৈ যাৱতীয় নিৰ্দ্দেশ দিয়া হৈছে।

(খ) 'ক' প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা সঞ্চালকালয়ৰ বাহিৰে শিক্ষা বিভাগৰ অধীনত থকা বাকীবোৰ সঞ্চালকালয়ৰ ক্ষেত্ৰত বিষয়টো বিভাগৰ বিবেচনাধীন হৈ আছে

## DISCUSSION DURING ZERO HOUR

Mr. Speaker: I have received as many as 7 Zero Hour Notices for 19. 3. 93 in the name of the following Honourable Members.

1. Shri Sasakamal Handique,
   Shri Dilip Kumar Saikia,
2. Shri Binod Gowala,
3. Shri Hitesh Deka,
4. Dr. Kamala Kalita,
   Shri Chandra Mohan patowari,
5. Shri Gohin Chandra Das,
   Shri Zoii Nath Sarma,
   Shri Alauddin Sarkar,
6. Shri Hiten Goswami,
   Shri Dilip Kumar Saikia,
   Shri Binod Gowala,
7. Shri Hitesh Deka.

Out of these 7 Zero Hour Noiices, as Rule Permits, I have selected 3 (three) for raising before the House.

I now call upon Dr. Kamala Kalita to raise the matter.

ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি নতুন দৈনিক কাকতত' গুৱাহাটীত ৰাজধানী নিৰ্ম্মানৰ বিৰোধীতা' শীৰ্ষক বাতৰিটো আমাৰ চহৰ আৰু নগৰ পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু এই বিষয়টোৰ ওপৰত চৰকাৰৰ সিদ্ধান্ত বা দৃষ্টি ভঙ্গী কি সেই বিষয়ে আমি আজ সদনত জানিব বিচাৰিছো। আজি ২২ বছৰ পিচতো অসমৰ বাবে এখন স্থায়ী ৰাজধানী নোহোৱাতো আমাৰ বাবে এটা দুখ লগা কথা আৰু এই বিষয়টোৰ ওপৰত যোৱা ভালে কেইবছৰেও বিভিন্ন আয়োগ আৰু অনুসন্ধান কমিটি গঠন কৰি দিয়া হৈছিল আৰু তেওঁলোকে প্ৰতিবেদনো দাখিল কৰিছে। কিন্তু এই ক্ষেত্ৰত এটা সুনিৰ্দ্দিষ্ট সিদ্ধান্ত লৈ পৰিকল্পিত ভাবে এখন স্থায়ী ৰাজধানী নিৰ্ম্মানৰ ব্যৱস্থা কৰা হোৱা নাই। এই বিষয়টোৰ ওপৰত আমি শেহতীয়া ভাবে এই বিধান সভাৰ মজিয়াতে গুৱাহাটীত নাইবা গুৱাহাটীৰ আশে পাশে অসমৰ স্থায়ী ৰাজধানী নিৰ্ম্মানৰ বাবে এটা বেচৰকাৰী প্ৰস্তাৱ লোৱা হৈছিল আৰু তাৰ ভিত্তিতে আমি ধাৰণা কৰিছিলো যে গুৱাহাটীৰ আশে পশে পৰিকল্পিত ভাবে এখন স্থায়ী ৰাজধানী হ'লে অসমৰ ৰাইজৰ আশা আকাংখ্যা পুৰণ হব আৰু সেই সম্পৰ্কে আমি কিছু দিন আগতে বাতৰি কাকতৰ জৰিয়তে জানিব পাৰিছিলো যে বৰ্ত্তমানৰ চৰকাৰেও গুৱাহাটীৰ আশে পাশে অসমৰ স্থায়ী ৰাজধানী নিৰ্ম্মানৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু সেই সিদ্ধান্তত আমি সুখ আৰু আনন্দ পাইছিলো। কিন্তু এই সময়তে স্থায়ী ৰাজধানী নিৰ্ম্মানৰ ক্ষেত্ৰত কিছুমান সন্থা আৰু ব্যক্তিয়ে বিৰোধীতা কৰা দেখা গৈছে। এতিয়া কথা হ'ল—এনে সন্থা আৰু ব্যক্তিয়ে বিৰোধীতা কৰাৰ ওপৰত বা চৰকাৰৰ/আগৰ যি সিদ্ধান্ত সেই সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি এই সিদ্ধান্ত লোৱা হৈছে নে নাই? যদি আমাৰ আগৰ সিদ্ধান্তৰ ওপৰতে ভিত্তি কৰি এই সিদ্ধান্ত লোৱা হৈছে তেনেহলে ক'ত, কেনেকৈ এই ৰাজধানী নিৰ্ম্মানৰ কাৰণে সিদ্ধান্ত লোৱা হৈছে সেই কথাটো আমি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। চৰকাৰে আজি কিছু দিন আগতে স্থায়ী ৰাজধানী নিৰ্ম্মানৰ কাৰণে যি সিদ্ধান্ত লৈছে আৰু সেই সম্পৰ্কে যি অধিসূচনা জাৰি কৰিছে সেই সম্পৰ্কেও নিশ্চয় মন্ত্ৰী মহোদয়ে আমাক জনাব আৰু তাৰ লগে লগে এই ক্ষেত্ৰত যিবোৰ চক্ৰই বাধা দি থকা পৰিলক্ষিত হৈছে সেই চক্ৰবোৰৰ বিৰোধীতাত

* Speech not corrected.

চৰকাৰে সেও মানি চলিব নে আগৰ সিদ্ধান্তই ৰাহাল থাকিব সেই কথাটো মন্ত্ৰী মহোদয়ৰ পৰা আমি স্পষ্ট ভাবে জানিব বিচাৰিছে।

* শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ স্থায়ী ৰাজধানী নিৰ্ম্মানৰ ক্ষেত্ৰত যিটো বিষয় আজি উৎথাপন কৰা হৈছে সেইটো এটা গুৰুত্বপূৰ্ণ বিষয়। এই বিষয়টো আমি যদি মাইথলজিকেল বা জ্যৌতিষ শাষ্ট্ৰৰ দিশেৰে বা মহাভাৰত ৰামায়নৰ কথালৈ চাবলৈ যাও তেনেহলে আমি দেখিবলৈ পাওঁ যে গুৱাহাটী খনৰ এটা প্ৰাধান্য আছে। এই গুৱাহটীতে নৰকাসুৰে ৰাজধানী পাতিছিল আৰু ইয়াতে মা কামাখ্যা মন্দিৰো আছে। সেই সময়ত মা কামাখ্যাক বিয়া কৰাবৰ কাৰণে নৰকসুৰে এৰাতিৰ ভিতৰতে 'মেখেলা উজোৱা' পথ বান্ধি দিছিল। গতিকে আমি অসমৰ স্থায়ী ৰাজধানী নিৰ্ম্মনৰ বিষয়টোত মাইথলজিকেলিও চোৱাৰ প্ৰয়োজন আছে। দ্বিতিয়তে কথা হ'ল মেঘালয়ৰ পৰা গুৱাহাটীলৈ ৰাজধানী স্থানান্তৰ কৰা সময়ত আমাক কোৱা হৈছিল যে অসমৰ স্থায়ী ৰাজধানী নিৰ্ম্মানৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে আমাক পইচা দিব।

মাননীয় অধ্যক্ষ মহোদয়, আপুনি অধ্যক্ষ হিচাবে ৭/৮ খন দেশলৈ গৈছিল, তাত আপুনি ভাষানো দিছিল, তেতিয়া এই ওৱেৰ হাউচটোৰ কথা মনত পৰিছিল নে? গুৱাহাটীত ৰাজধানী নিৰ্মান কৰাৰ কথা কৈছো। আমাৰ 'আৰ্কিটেকচাৰ' সকলে হওক বা নহওক কিবা এটা কৈছে। বিজ্ঞানৰ যুগত মানুহে নোৱাৰা কাম আছে নেকি? যদি জাপানত ভূমিকম্প গড়ে ৫/৬ টাকে হয়, কিন্তু সেই জাপানত ২৯-৩০ মহলা বিল্ডিং হৈছে। স্কাই ক্ৰেপাৰ' নিৰ্মান হৈছে তাত যদি স্কাই ক্ৰেপাৰ হয়, গুৱাহাটিত কিয় হব নোৱাৰে ইয়াৰ কি যুক্তি আছে। বৰ্ত্তমান আমাৰ বিত্ত মন্ত্ৰী ডাওবীয়াৰ নেতৃত্বত এটা দল দিল্লীলৈ গৈছিল তাত পইচা দিব বুলি কৈছে। অসমৰ পৰা শ্ৰীমনমোহন সিংক এম, পি কৰি পঠোৱা হৈছে, তেখেত বৰ্ত্তমান কেন্দ্ৰীয় বিত্ত মন্ত্ৰী। তেখেতে পইচা দিম বুলি কৈছে যোৱাবাৰ মই এ, জি, পি চৰকাৰৰ লগত আছিলো, মই মন্ত্ৰীও আছিলো। তেতিয়াই স্থায়ী ৰাজধানীৰ কাৰণে প্ৰপজেল পাচ' কৰিছে। তেতিয়া ডঃ কমলা কলিতা, বিৰাজ শৰ্ম্মা, নগেন শৰ্ম্মা আদি কৰি বিধায়ক সকলে স্থায়ী ৰাজধানী হব লাগে বুলি কৈছে।

* Speech not carrected.

এইটো এটা অসম বিধান সভাৰ 'ৰেকৰ্ড' যে 'নন গৰ্ভনমেণ্ট প্ৰপজেল' এই সদনৰ মজিয়াত 'পাছ' হৈছে। ইয়াত সকলো দলে সমৰ্থন কৰিছিল। স্থায়ী ৰাজধানী দিশপুৰত হব। যিহেতু আগৰ অধ্যক্ষ মহোদয়ে দিল্লীৰ পৰা স্থায়ী ৰাজধানীৰ প্ৰতিশ্ৰুতি আনিছে সেয়ে ইয়াত বিল্ডিং হৈ উঠিব। এতিয়া মন্ত্ৰী ডাঙৰীয়াই ১৯৯৩ চনত ৰাজধানী আৰম্ভ হব নে নহয় কব লাগে।

* শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত ৰাজধানী হব এইটো নিশ্চিত কথা নহব বুলি তৰ্ক কৰিবলৈ নাযাওঁ। মই এটা কথা কবলৈ যাওঁ গুৱাহাটীৰ ওচৰে পাজৰে যি সকল স্থায়ী বাসিন্দা আজি ১৫/২০ বছৰ ধৰি আছে তেওঁলোক যাতে উচ্ছেদ নহয়। আজি ৰাতিপুৱা তওৰা সত্ৰৰ ৰুক্মিনী গাওঁৰ মানুহ আহি কৈছে। তেওঁলোকৰ উচ্ছেদৰ কাৰণে আদেশ আহিব, উচ্ছেদৰ কাৰণে চিঠি পত্ৰ গৈছে। কিমান মাটি ১৯৭২ চনতে গুৱাহাটী ভেভলা- পমেণ্ট অথৰিতিক দিছে, কিছুমান নিদিলে। জি, এ, ডি, য়ে তেওঁলোকক উচ্ছেদ কৰিব খুজিছে। এই বিলাক কিছুমান ষড়যন্ত্ৰ আছে। মই কওঁ এই ৰাজধানী খন শিলং টাইপৰ হব লাগে। এম, এল, এ, হোষ্টেল এফালে থাকিব লাগে, অফিচ বিলাক এফালে থাকিব লাগে, চেক্ৰেটেৰিয়েট কেমপাছ এফালে থাকিব লাগে, মন্ত্ৰী বিলাক এফালে থাকিব লাগে তেনেকৈ সুকীয়া সুকীয়াকৈ বনাব লাগে। এসময়ত চন্দ্ৰপুৰত ৰাজধানী হব বুলি কৈছিল। মই সেই অনুপাতে জু-নাৰেঙ্গী ৰোডটো উন্নয়ন কৰিবলৈ বিচাৰিছিলো। গিয়ে গৈ এসময়ত চন্দ্ৰ- পুৰ হৈ কাজলি মুখেদি নগাওঁৰ লগত সংলগ্ন হল'হেতেন।

প্ৰাক্তন অধ্যক্ষই দিশপুৰত ৰাজধানীৰ আধাৰশিলা স্থাপন কৰিছিল। ইয়াত হলেও আমাৰ কোনো কথা নাই। আমাৰ কথা হ'ল স্থানীয় মানুহ যাতে স্থায়ী ৰাজধানী নিৰ্মাণৰ ক্ষেত্ৰত উচ্ছেদৰ বলি নহয়।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, ভগদত্তপুৰ অঞ্চলত জি, এ, ডি য়ে একশ ঘৰ নে কিমান মানুহক উচ্ছেদৰ নোটিচ দিছে। আমি দেখিবলৈ পাইছো ম্যাদি পট্টাৰ মাটি বিলাকৰ মাজত ডেৰ কঠা দুই কঠা চৰকাৰী মাটি আছে। এনেকৈ ডেৰ দুকঠা মাটি সিচৰিত হৈ আছে। তাত ১৯৭৪ চনৰ পৰাই মানুহ বহি আছে। সেই মাটি বিলাক জি, এ, ডি, য়ে

---

* Speech not corrected.

ললেও কোনো কামত নাহিৰ । মই এইখিনি কথা মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো ।

* শ্ৰীঅঞ্জন দত্ত ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঃ কমলা কলিতা, শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, শ্ৰীঅতুল বৰা আদিয়ে গুৱাহাটী ৰাজধানী নিৰ্মানত বিৰোধীতা সম্পৰ্কে যি কথা উল্লেখ কৰিছে, এই ক্ষেত্ৰত মই কওঁ যে অসম চৰকাৰে দিশপুৰত নতুনকৈ ৰাজধানী পতাৰ নতুনকৈ সিদ্ধান্ত চলাইছে । এই সম্পৰ্কে অৰ্থাৎ স্থায়ী ৰাজধানী হোৱা সম্পৰ্কে আজি বহুত বছৰ ধৰি এক বিতৰ্কৰ সৃষ্টি হৈ আছে । এই ধৰণে থাকিলে স্থায়ী ৰাজধানী হৈ নুঠিব। আজি অসমৰ ছাত্ৰ ছাত্ৰী সকলে অসমৰ ৰাজধানী ক'ত বুলি ক'লে উত্তৰ দিওঁতে অস্থায়ী ৰাজধানী বুলি উত্তৰ দিবলগা হয় । গতিকে চৰকাৰে ইয়াত স্থায়ী ৰাজধানী পতাৰ সিদ্ধান্ত লৈছে। মাননীয় সদস্য শ্ৰীঅতুল বৰা ডাঙৰীয়াই যিখিনি মাটিৰ কথা ডাঙি ধৰিছে, তাক সদনত দাখিল কৰিম। ইয়াত ৰাজাধানী হব, ইয়াৰ কাৰণে পাচশ কোটি টকা ধাৰ্য্য কৰা হৈছে । সেই টকা খৰচ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। আমি ইয়াৰ বিৰোধীতা নকৰাকৈ কওঁ যে গুৱাহাটীত ৰাজধানী স্থায়ী ভাৱে নিৰ্মাণ সম্পৰ্কে কাগজে পত্ৰে প্ৰকাশ পাইছে। এই সিদ্ধান্তত এখন সম্পূৰ্ণ স্থায়ী ৰাজধানী হব । এই ৰাজধানী খন স্থায়ী জাগাত পৰ্য্যায়ক্ৰমে কৰিবলৈ লোৱা হৈছে।

Mr. speaker : I now call upon the Honourable Members Shri Hitendra Nath Goswami, Shri Dilip Saikia and Shri Binode Gowala to speak.

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে লাকোৱাৰ সভাত কৈছিল যে মিছিং, লালুং, ৰাভা আদি জনগোষ্ঠীক স্বায়ত্ব শাসন দিয়াৰ কথা ভবা হৈছে। হই চৰকাৰ দৃষ্টি আকৰ্ষণ কৰি কব খুজিছো যে অসমৰ বিভিন্ন পিচপৰা জনগোষ্ঠীৰ আশা-আকাংখ্যা আছে। তেওঁলোকৰ সেই আশা-আকাংখ্যা পুৰণৰ নামত চলাই থকা বিভিন্ন আন্দোলনৰ ফলশ্ৰুতি হিচাবে আজি কেইদিন মান আগতে বড়ো জনগোষ্ঠীৰ বাবে বড়ো লেণ্ড কাউন্সিল গঠন কৰাৰ কথা চৰকাৰে ঘোষণা কৰিছে। কিন্তু

* Speech not corrected.

এনে ধৰনৰ ঘোষনাৰে চৰকাৰে অসম খনক পুনৰ বিভাজন কৰাৰ পথ সুগম কৰি দিছে। পুনৰ মুখ্যমন্ত্ৰীয়ে মিচিং, ৰাভা লালুং সকলক স্বায়ত্ব শাসন প্ৰদান কৰাৰ সম্পৰ্কে যিটো ঘোষনা যোৱা ১১ মাৰ্চত লাকুৱাত কৰিছে এই ঘোষনা কেৱল ৰাজনেতি দৃষ্টি কোনৰ পৰা আৰু ৰাজনৈতিক লাভালাভৰ কথা চিন্তা কৰিছে। আজি মুখ্য মন্ত্ৰী মহোদয়ে স্পষ্টকৈ ডাঙি ধৰিব লাগে এনে ধৰনৰ বিভাজনৰ ঘোষণাৰ দ্বাৰা আমাৰ জনগোষ্ঠী সমূহৰ ভৱিষ্যতে কিৰা লাভবান হব নে? অন্ধ্ৰ প্ৰদেশৰ টেলেঙ্গনা, বিহাৰৰ ঝৰখণ্ডত বিভিন্ন জনগোষ্ঠীৰ আন্দোলন চলি আছে কিন্তু কেন্দ্ৰই তালৈ চকু দিয়া নাই। অসমৰ দুৰ্ব্বল ৰাজনৈতিক নেতৃত্বৰ সুযোগ লৈ জনগোষ্ঠী সকলৰ আশা-আকাংক্ষ্যাৰ কথা কেন্দ্ৰই অসমক খণ্ড বিখণ্ডিত কৰিছে। ইয়াৰ পিচতে কোঁচ ৰাজবংশী, মতক, আহোম সম্প্ৰদায় আদিয়েও এনে ধৰণৰ দাবী কৰিব। তেওঁলোকৰে ক্ষোভ আছে চেষ্টা কৰা নাই। সেইটো আমি হৃদয়ঙ্গম কৰিব। আমাৰ জনগোষ্ঠী সমূহৰ মাজৰ মিলাপ্ৰীতি বিলুপ্তিৰ পথত আগ বাঢ়িছে। আমাৰ অতীতৰ ৰাজনৈতিক নেতা সকলৰ অদূৰদৰ্শীতা আৰু ৰহল দৃষ্টিভঙ্গীৰ। অভাৰত পূৰ্বৰ অসম ৫ ভাগত বিভক্ত হ'ল বুৰঞ্জীয়ে সদায় কৈ যাব কেনেকৈ মেঘালয় নগালেণ্ড, মনিপুৰ অদিৰো সৃষ্টি হৈছিল। কিন্তু তাত থকা দুখীয়া-জন সাধাৰণে আজি কিমান সুবিধা পাইছে। মুখ্যমন্ত্ৰীৰ বৰ্ত্তমানৰ ঘোষণা অসম ৰাজ্য বিলুপ্তৰপথত আগবঢ়াই দিব। স্বায়ত্ব শাসন দিলেই জনগোষ্ঠী সমূহৰ দাবী বিলাক পুৰন কৰিব পৰা নাযায়। এই বিলাকৰ উপৰিও মুখ্যমন্ত্ৰী মহোদয়ে চাহ বাগিছা এলেকাৰ কাৰণে কি চিন্তা কৰিছে। তেওঁলোকৰ সুবিধাৰ কাৰণে কিছু কিছু কাম কৰিব লাগে যাতে তেখেতসকলেও স্বায়ত্ব শাসনৰ কথা কৰ লগা নহয়। এনে ধৰনে কেৱল স্বায়ত্ব শাসনৰ সিদ্ধান্তৰে অসমৰ সামগ্ৰীক উন্নয়নৰ কথা চিন্তা কৰিব নোৱাৰি। মুখ্য মন্ত্ৰী মহোদয়ে এনে ধৰণৰ বিবৃতি দিয়াৰ কি অৰ্থ থাকিব পাৰে তাক স্পষ্টকৈ কব লাগে। সেই কাৰণে মই যথা সময়ত এই কথা উংথাপন কৰিলো। ৰাজনৈতিক উদ্দেশ্যৰে কেৱল ৰাজনৈতিক লাভালাভৰ কথা চিন্তা কৰি ৰৰ অসমক বিভিন্ন জনগোষ্ঠীৰ আশা আকাংক্ষ্যা পূৰণৰ নামত খণ্ডিত কৰা চিন্তা অতি বিপদ্‌জনক। এনে ধৰণৰ চিন্তাই দিল্লীয়ে আমাক সদায় দুৰ্ব্বল কৰি ৰখাৰ ষড়যন্ত্ৰ প্ৰতি উদ্‌গনি দিয়াকহে বুজাৰ। দিল্লীয়ে অসম সদায় দুৰ্ব্বল হৈ থকা বিচাৰে যাতে আমাৰ ওপৰত

* Speech not corrected.

শোষণ চলাই যোৱাও তেওঁলোকৰ সুবিধ হয়। সেয়ে অসম দুৰ্ব্বল হোৱা ৰাজনৈতিক চিন্তা তৎকালেই পৰিহাৰ কৰা আৱশ্যক।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী হিতেন্দ্ৰ কুমাৰ গোস্বামী : ডাঙৰীয়াই উল্লেখ কৰিছে যে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই আজি অলপ দিনৰ আগতে দৈনিক অসমত এটা বাতৰি দিছিল যে মিচিং, ৰাভা আৰু লালুং সকলৰ কাৰণে এটা কথা ঘোষণা কৰিছিল। যিটো কাৰণত অসমত ৰাজনৈতিক প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই চক্ৰান্তৰ দ্বাৰা অসমৰ জনাসাধাৰণৰ মাজত অসমৰ যিসকল থলুৱা ৰাইজ আৰু অসমখনক দুৰ্বল কৰাৰ চেষ্টা চলাই আহিছে। উত্তৰ-প্ৰদেশত কিন্তু তেনে অৱস্থা হোৱা নাই। বিহাৰৰ ঝাৰ খণ্ডত আন্দোলন চলিছে যদিও তাত খণ্ড-বিখণ্ড কৰা নাই। কিন্তু অসমৰ ক্ষেত্ৰত ৰাজ-নৈতিক, সামাজিক আৰু শেহতীয়াকৈ ৰাজনৈতিক ভাৱে অসমীয়া জাতি-টোক শেষ কৰাৰ সুবিধাৰ্থে এইটো ঘোষণা কৰা হৈছে। অসমৰ জন-জাতি বিলাকৰ সমস্যা বিলাক সমাধান কৰিব লাগে কিন্তু সমস্যা বিলাক ৰাজনৈতিক ভাৱে যি টোপ দিয়াৰ যি ব্যৱস্থা কৰিছে সেই জলন্ত সমস্যা সমাধান কৰাৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ ধেমাজীত যদিও ট্ৰাইবেলৰ সমষ্টি তাত জেনেৰেল মানুহৰ সংখ্যা শতকৰা ৫৮ ভাগ। ধকুৱাখানাত শতকৰা ৩৪ ভাগ আছে। গতিকে এই কথাবিলাক আমি ভালদৰে বিবেচনা কৰি নাচাও। ৰাজনৈতিক সমস্যাবিলাক সমাধান কৰিবলৈ যাওতে ভূমি-পুত্ৰ বিলাকৰ মাজত থৈয়া-নথৈয়া ৰণ লাগিব। অসমৰ বুৰঞ্জীত চুকাফা দিনৰ ভাগ ভাগ কৰা সৰু সৰু দেশ আছিল। এই চুকাফাই অসমীয়া জাতি সত্বাক বিনষ্ট কৰিবলৈ চেষ্টা চলাইছিল। বৃটিছেও ভাগ ভাগ কৰিবলৈ চেষ্টা চলাইছিল। আমাৰ ৰাজ্যত চুতীয়া আছে সোনোৱাল কছাৰী আছে নিজৰ ভাষা সংস্কৃতি ৰক্ষাৰ কাৰণে ডিষ্ট্ৰিক্ট কাউন্সিলৰ কাৰণে আন্দোলন কৰাৰ পথ ওলাব। ভাৰত চৰকাৰে উত্তৰ প্ৰদেশ আৰু বিহাৰক ভাগ কৰা নাই। অসমৰ ক্ষেত্ৰতো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বলিষ্ঠ পদক্ষেপ লয় যেন। মেঘালয়ত ট্ৰাইবেল সকলে ডিষ্ট্ৰিক কাউন্সিলৰ কৰেণে দাবী কৰিছে যদিও সমস্যাসমূহ সমাধান হোৱা নাই

* Speech not corrected.

আমি বিভিন্ন সময়ত দেখিবলৈ পাইছো ট্ৰাইবেল ছাত্ৰ সকলৰ বিত্তি টকা কেনোৰা পেগু, বসুমতাৰীয়ে আত্মসাত্‌ কৰিছে। বিশেষকৈ ভূপেন পেগুৰ নামটো উল্লেখ পাইছে। ট্ৰাইবেলে ট্ৰাইবেলক শোষণ কৰিছে। সেইকাৰণে এই সকলোবোৰ চালি-জাৰি চাই সকলো জন-গোষ্ঠীৰ লগত আলোচনা কৰি জনজাতি আৰু অ-জনজাতি সকলৰ লগত আলোচনা কৰি বিষয়টো নিষ্পত্তি কৰিবলৈ ব্যৱস্থা লব পাৰে আৰু এটা স্পষ্ট কৰণ এই সদনত দিবৰ কাৰণে মই মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

* শ্ৰীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য হিতেন্দ্ৰ গোস্বামী ডাঙৰীয়াই যিটো বিষয় উত্‌থাপন কৰিছে, সেই বিষয়টোৰ ওপৰত মই অলপ কব বিচাৰিছো। আমাৰ অসমৰ অসমীয়া জাতিৰ বিভিন্ন জনগোষ্ঠী সকলৰ মাজত চাহ জনগোষ্ঠীও আছে। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে নিজৰ ৰাজনৈতিক, গাদী ৰক্ষাৰ ক্ষেত্ৰত ৰাভা মিচিং আৰু লালুং সকলক স্বায়ত্ব শাসন দিয়াৰ কথা ঘোষণা কৰিছে। এই ক্ষেত্ৰত বিভিন্ন জনগোষ্ঠী সকলে আন্দোলনৰ পথ দেখুৱাৱ বুলি মই ভাবিছো অসমত বিভিন্ন জনগোষ্ঠীয়ে বসবাস কৰি আছে। এই সকলৰ মাজত মতভেদ যাতে নানে তাৰ কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। এই সদনৰ শূন্যকালত এটা স্পষ্টী কৰণ বিচাৰি মোৰ বক্তব্য দাঙি ধৰিলো।

Mr. Speaker : Now Honourable Chief Minister is to reply.

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মিচিং, ৰাভা আৰু লালুং ক স্বায়ত্ব শাসন দিয়াৰ কথা মই লাকুৱাৰ এখন ৰাজহুৱা সভাত কোৱা কথাটো সচাঁ। বহুত দিন ধৰি অসমীয়া জনজাতি সকলে তেওঁলোকৰ বিভিন্ন সমস্যাৰ কাৰণে আন্দোলোন কৰি আহিছে। আৰু সুকীয়া ৰাজ্য কৰাৰ কথা কৈছে। অসমত আৰচু সবদৰ যান ৰ পৰাও এখন আটচা জিলা কাউন্সিল দাবী কৰাৰ দৰে মিচিং, ৰাভা আৰু লালুং সকলেও তেওঁলোকৰ কাৰণে স্বায়ত্ব শাসন কৰাব কৰণে অসমত

* Speech not corrected.

ভালেমান আনুষ্ঠানিক সভা সমিতি পাতি চেমিনাৰ আদি পাতি বহুত ধৰণে প্ৰচাৰিত হৈছে। অসমখন যাতে খণ্ড-বিখণ্ড নহয় সেই কথা চিন্তা কৰি অসমৰ সকলো ৰাজনৈতিক দল আৰু আঞ্চলিক দলৰ লগত আলোচনা কৰি বড়ো সকলক স্বায়ত্ব শাসন দিয়া হৈছে। সেইদৰে একে জনজাতি মিচিং, ৰাভা আৰু লালুং ক দিয়াৰ কাৰণে ব্যৱস্থা লোৱা হব। অসমত অশান্তিৰ সলনি যদি শান্তি আৰু উন্নতি কৰিব পাৰে তেতিয়া আমাৰ দেশ বেছি শক্তিশালী হব। আমি যিহেতু ভাষা, সংস্কৃতিক সন্মান কৰি আহিছো। সেয়েহে স্কুলবিলাকত মাতৃ-ভাষা হিচাবে দিবলৈ লোৱা হৈছে ১০০ খন স্কুলত মিচিং ভাষা দিয়া হৈছে। অসমত ৰাজ্যিক ভাষা দিয়াৰ পিচত কিয় মিচিং ভাষা দিছো নিশ্চয় জানে। অসমৰ সকলো ৰাজনৈতিক দলে যেতিয়া বিধান সভাত উত্থাপন কৰে সেই ফালৰ পৰা মই ভাবো অসমীয়া জাতিৰ ক'লা, কৃষ্টিও সংস্কৃতিৰ কথাবিলাক পৰীক্ষা কৰি দিবলৈ অসমৰ সকলো ৰাজ-নৈতিক দলে বড়ো সকলক দিয়াৰ দৰে মিচিং, ৰাভা আৰু লালুং সকলক দিয়াৰ কোনো কথা থাকিব নোৱাৰে। মই নিশ্চয় চাম আৰু চাইছো। এই বিষয়ে উচিত বিবেচনা কৰি মই ব্যৱস্থা লব খুজিছো। মই আশা কৰো মাননীয় সদস্য সকল মোৰ লগত এক মত হব। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, ৰাভা, মিচিং, তেৱা সকলক স্বায়ত্ব শাসন দিয়াৰ ক্ষেত্ৰত অসম ৰাজ্যৰ ভিতৰতে মিচিং, তেৱা, ৰাভা সকলৰ ভাষা কৃষ্টি বিকাশৰ বাবে আৰু তেখেত সকলৰ স্বকীয় ৰক্ষণা বেক্ষণা দিয়াৰ বাবে স্বায়ত্ব শাসন দিয়াত আমিও পক্ষপাতি। কাৰণ আমি অসমৰ ঐক্য, সংহতি ৰক্ষা কৰিবলৈ হলে এহাতে যেনেকৈ অসমৰ ভাষা কৃষ্টি ৰক্ষণা-বেক্ষণ কৰিব লাগিব তাৰ লগে লগে অসমত আদিম বাসী সকল যিসকল জনজাতীয় লোক তেখেত সকলৰ ভাষা কৃষ্টি বিকাশ কৰাৰ সুবিধা দিয়াৰ লগে লগে স্বকীয় ৰক্ষণা-বেক্ষণা দিয়া উচিত। যদি অসমৰ অঞ্চল বিলাকত এনেকুৱা যিবিলাক অঞ্চল আছে যেনে ঢকুৱাখানা বা ধেমাজিত মিছিং সকল আছে আৰু আদিম বাসী সকল

* Speech not corrected.

আছে তেওঁলোককও যদি স্বায়ত্ব শাসন দিয়া হয় তেতিয়াহলে আতো অজনজাতীয় লোক সকল থাকিব। সেয়ে জনজাতীয় সকলৰ ৰাভা; তিৱা সকলৰ ক্ষেত্ৰতো যদি স্বায়ত্ব শাসনৰ কথা আছে তেনেহলে নিশ্চয় আন্দোলনৰ নেতা আৰু অজনজাতীয় লোক সকলৰ লগত আলোচনা কৰি তেওঁলোকৰ যিবোৰ সমস্যা সেইবোৰ আলোচনাৰ প্ৰক্ৰিয়াৰে যদি গ্ৰহণ কৰা হয় তেতিয়াহলে মই ভাবো স্বায়ত্ব শাসনক কেন্দ্ৰ কৰি জনজাতীয় আৰু অজনজাতীয়ৰ মাজত যিটো ভূল বুজাবুজি দেখা দিছে সেইটো আতৰ হব। সেইকাৰণে চৰকাৰক অনুৰোধ কৰিছো যে চৰকাৰী প্ৰক্ৰিয়া আৰম্ভ কৰাৰ লগে লগে সেই অঞ্চলৰ জনজাতীয় নেতা সকলৰ লগত আলোচনা কৰাৰ সময়ত সেই প্ৰস্তাৱৰ সম্ভাব্য অঞ্চলত বসবাস কৰা অজনজাতীয় লোকৰ লগতো আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

* শ্ৰীভৃগু কুমাৰ ফুকন : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো যে আজি অজনজাতীয় লোকৰ মাজত যিটো বৈষম্য সৃষ্টি হৈছে সেই সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ বিবৃতিত কোৱাৰ দৰে ৰাজ্য চৰকাৰে ফেডাৰেল গাঠনিৰ আধাৰত এইটো কৰিব বিচাৰিছে নেকি ?

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মিছিং, ৰাভা, লালুং আদি থলুৱা জনজাতীয় লোক সকলক থাদ মেজৰিটি হিচাপে ধৰিলে তেওঁলোককও এখন পৃথক ৰাজ্য দিব পাৰি নেকি মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ কাৰ্বি সকলক স্বায়ত্ত শাসন দিয়াৰ ক্ষেত্ৰত অসমৰ প্ৰায় সকলো ৰাজনৈতিক দলে সমৰ্থন কৰে। আজি অসমত ৰাভা, তিৱা বড়ো আদি কৰি যিসকল লোক আছে সেই জনগোষ্ঠীৰ লগত কাৰ্বি সকলে স্বায়ত্ত শাসন বিচাৰি যিবোৰ দাবী উত্থাপন কৰিছে সেইবোৰ দাবীৰ মিল নাই। অসমত আজি ৰাভা, তিৱা আদি জনগোষ্ঠীৰ লোক সকলে তেওঁলোকৰ ভাষা কৃষ্টি ৰক্ষণা-বেক্ষণাৰ কাৰণে যি দৰে বঞ্চিত হোৱা বুলি উপলব্ধি কৰিছে সেই

* Speech not corrected.

ক্ষেত্ৰত তেওঁলোকৰ কাৰণে সংবিধানত আছুতীয়া ব্যৱস্থা লব লাগে। আজি জনজাতীয় লোক সকলৰ তেওঁলোকৰ যি স্বাকীয় বৈশিষ্ট ৰক্ষাৰ কাৰণে যি সংগঠন হৈছে তাৰ কাৰণে চৰকাৰে কিয় নেভাবে। তেওঁলোকৰ কি কি অসুবিধা হৈছে সেই কথা কিয় চিন্তা নকৰে। এই কথাবিলাক খোলাখুলি ভাৱে আলোচনা কৰাৰ কৰণে ইটোৰ অৱস্থা হবলৈ পাইছে। অসমৰ ঐতিহ্য থাকিবলৈ হলে ৰাভা, মিচিং ভাষা অসমত থাকিব লাগিব। গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ক সবলো বিলাক আলোচনাৰ মাধ্যমেৰে মীমাংসা কৰিবলৈ অনুৰোধ কৰিছো। ভাষা কৃষ্টি জীয়াই ৰাখিবলৈ হলে চৰকাৰে সেইখিনি কৰিব লাগিব।

* শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে বড়ো লেংগুৰ ক্ষেত্ৰত যিটো ঘোষণা কৰিলে সেই সম্পৰ্কত কওঁ যে আজি যি সকল সোনোৱাল, কছাৰি আছে সেই সকলৰ অৱস্থা কি হব? তেওঁলোকেও ক্ষমতা বিচাৰিব। এইটো অৱস্থা ৰাজ্যপালেইটো কৰি দিছে। বিৰোধী লোক সকলৰ সিদ্ধান্ত লোৱা হোৱা নাই। আৰু এটা কথা এখন বাতৰি কাকতক কেন্দ্ৰ কৰি এজন সদস্যই সুধিছিলে যে কেন্দ্ৰীয় চৰকাৰৰ যিটো ক্ষমটা ৰাজ্য চৰকাৰে আনিব পৰা নাই। ৰাজ্য চৰকাৰক সেই ক্ষমতাৰ পৰা বঞ্চিত কৰি ৰখিছে। সামান্য স্তৰতে ৰাখিছে, এইটো হলে চৰকাৰ থাকিব নেকি?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় প্ৰমোদ গগৈ ডাঙৰীয়াই যিটো কথা কৈছে সেইটোৰ সম্পৰ্কত মইটো কৈছোৱেই। আৰু ভৃগু ফুকন ডাঙৰীয়াই যিটো ফেদাৰেল গাঠনিৰ কথা কৈছে তাৰ সম্পৰ্কত আমি কোনো চিন্তা কৰা নাই। মিছিং, লালুং, তিৱা সকলৰ কথা কোৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, ১৯১২ খৃষ্টাব্দত গেইট চাহাবে লিখা অসম বুৰঞ্জীত অসমৰ বিষয়ে বহুটো কথা উল্লেখ কৰিছে। ১৯১২ চনতে গেইট চাহাবে তাত লিখিছে অসমৰ বড়ো সকল অসমীয়া হৈ গৈছে। তেওঁলোকে নিজৰ ভাষা পাহৰিছে আৰু বিছুবছৰ পিছত হয়তো তেওঁলোকৰ ভাষাৰ চিন চাব নথাকিব। কিন্তু ১৯১২ চনতে যিসকল বড়োৱে

* Speech not corrected.

নিজৰ ভাষা পাহৰি গৈছিল আৰু অসমীয়া হৈ পৰিছিল, আজি দুৰ্ভাগ্যৰ বিষয় যে সেই সকল বড়োৱে আজি সুকীয়া ৰাজ্য দাবী কৰিছে। আজি মিছিং, ৰাভা, লালুং সকলেও দাবী কৰিছে। এতিয়াও অৱশ্যে সোণোৱাল কছাৰী সকলে অসমীয়াৰ লগত মিলি আছে। তেওঁলোকে ঘৰতো অসমীয়া ভাষাই কয়। অসমীয়া সকলৰ লগত বিয়া বাৰুৰ সম্পৰ্ক আছে। সঁচা কথা কবলৈ হলে নাহৰকটীয়া, টেঙাখাত আদি অঞ্চলত আমাৰ সম্প্ৰদায়ৰ সমূহৰ মাজত এচিমিলেছনৰ প্ৰক্ৰিয়া অব্যাহত আছে। ১৯১২ চনত যিসকল বড়োৱে নিজৰ ভাষা পাহৰি গৈছিল সেইসকল বড়োৱে পাহৰা ভাষা পুনৰ বিচাৰিলে, আমি স্বীকৃতি দিলো মিছিং, ৰাভা লালুং এই সকলৰ ভাষাকো আমি স্বীকৃতি দিছো। সেই সকলক আমি স্বায়ত্ব শাসন দি স্বকৃতি দিবলৈ বিচাৰিছো। অসমৰ ভিতৰতে স্বায়ত্ব শাসন দিলে অসমখন ভাঙি নেযায়, বৰঞ্চ অসমৰ শক্তি বাঢ়িবহে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবৰাদেৱে কৈছে যে তেওঁলোকে সুকীয়া ৰাজ্য বিচাৰিছে। তেওঁলোকক আমি ৰাজ্য দিব নোৱাৰো। তেওঁলোকে ৰাজ্য বিচৰা নাই। অসমৰ ভিতৰতে থাকিব। আমাৰ মাননীয় সদস্য শ্ৰী প্ৰমোদ গগৈ ডাঙৰীয়াই কৈছে যে বাতৰি কাকতত দেখিছে যে বড়োলেণ্ড স্বায়ত্ব শাসনৰ এলেকাত ১০৭ খন চাহ বাগিচা বিচাৰিছে। শ্ৰী গগৈ অজন অভিজ্ঞ কৰ্মী। যদিও তেওঁলোকে ১০৭ খন বাগিছা বিছাৰিছে অসমৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকক ২৫ খনহে বাগিছা দিয়া হৈছে। বড়ো সকলে ৪৬৫৩ খন গাওঁ বিচাৰিছিল। কিন্তু তেওঁলোকৰ লগত আলোচনা বিলোচনা কৰি অনাবড়ো গাওঁ বিলাক তাৰ পৰা বাদ দিয়া হৈছে। তেওঁলোকক ৪৬৫৩ ইন গাওঁৰ ভিতৰত ২২৯৬ খন গাওঁ দিয়া হয়। মাননীয় অধ্যক্ষ মহোদয়, এই কথাত আমাৰ খু-তুৱনি লাগি আছে। আপোনালোকে কবলৈ বিচাৰিছে যে বড়োসকলে আন্দোলন কৰিছে। আৰু এই সমস্যা আমি ইচ্ছা কৰি শাসনত থাকিবৰ কাৰণে সমাধান কৰা নাই। কিন্তু আজি বড়ো সমস্যা সমাধান কৰাৰ পিছত আপোনালোকে ইয়াৰ বিৰোধিতা কৰিছে। যোৱা বিধান সভাৰ অধিবেশনত অনাস্থা প্ৰস্তাৱ আনোতে আমি ইচ্ছা কৰিয়ে বড়ো সমস্যা সমাধান কৰা নাই। আজি সমাধান কৰাৰ পিছতো

তেনেদৰে কোৱাত বেয়া পাইছো। এই কথাত আপোনালোকে ৰাজনীতি কৰা উচিত নহয়। আজি অতুল বৰা ডাঙৰীয়াই কৈছে যে শ্ৰী শইকীয়াক বাদ দিছে। মোক আপোনালোকে অসম চুক্তিৰ সময়তো বাদ দিব লাগে বুলি কৈছিল। অসম চুক্তিৰ সময়তো মই মুখ্য মন্ত্ৰী আছিলো। মোক বাদ দি চুক্তি কৰিলে। কিন্তু আজিও সমস্যা সমাধান নহ'ল। গতিকে এই বিলাক কথাত সমস্যা সমাধান কৰাত ৰাজনীতি কৰিব নালাগে। অসমখন ৰক্ষা কৰিব লাগে। অসমৰ ভাষা, অসমীয়া জাতি ৰক্ষা কৰিব লাগে। এই বিলাক ক্ষেত্ৰত আমি সদা সচেতন। অসমৰ জনসাধাৰণ বিভিন্ন জাতি জনজাতি লৈ গঠীত। ভাৰতৰ কেৰেলা হওক অন্ধ্ৰপ্ৰদেশ হওক তামিলনাডু বা কৰ্ণাটক হওঁক এই বিলাক হয় দ্ৰাৱিড়িয়ান, নহয় এড়িয়ান। কিন্তু অসমত বিভিন্ন জাতি লৈ গঠিত। অসমীয়া জাতি এচিমিলেছনৰ দ্বাৰা গঠিত। গতিকে আমি এই এচিমিলেছনৰ প্ৰক্ৰিয়াক সন্মান কৰিব লাগিব। আমি আটায়ে মিলি থাকিব লাগিব।

Mr. Speaker : Shri Hitesh Deka now to raise.

Shri Nagen Sarma : Point of order, Point of order: one Clarification Please.

Mr. Speaker : Shri Hitesh Deka to raise.

Shri Chandra Mohan Patowary : Point of order, Point of order, one Clarification Please.

Shri Golok Rajbongshi : Mr. Speaker Sir, Point of order, Point of Order: Already we have discussed the matter and so there is no need to discuss the same matter again.

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয় আজি জিৰ আৱাৰৰ সময় চোৱাত অসমৰ দুটা জলন্ত সমস্যাৰ বিষয়ে ইয়াত আলোচনা কৰা হৈছে। আন এটা গুৰুত্ব পূৰ্ণ বিষয় হৈছে। যোৱা কালি 'আজিৰ বাতৰি' প্ৰকাশ

পাইছে। অসমৰ প্ৰতি জন চিন্তা শীল নাগৰিকৰ চিন্তাৰ অন্ত নাই যোৱা এটা বছৰে যিটো সমস্যা দেখা দিছে, এই আলফা সমস্যাটোৱে অসমৰ ৰাইজক চিন্তি কৰি তুলিছে । যোৱা ৪ ফেব্ৰুৱাৰী আলোচনা বহাৰ সময়ত ৰাজহুৱা ভাৱে সকিয়াই দিছিল যে অহা ১৫ মাৰ্চৰ ভিতৰত অস্ত্ৰ-শস্ত্ৰ জমা দিব লাগিব। কিন্তু দেখা গ'ল অস্ত্ৰ-শস্ত্ৰ জমা দিয়াৰ দূৰৰ কথা পুণৰ ৪ ৫,৬ মাৰ্চ তাৰিখে হত্যাকাণ্ড হৈছে শিৱসাগৰত ১২ মাৰ্চত এজন পুলিছ বিষয়াক হত্যা কৰিছে। যোৱা কালি শিৱসাগৰত আলোচনা বিৰোধী এজনক গুলিয়াই হত্যা কৰিছে। অসমৰ কাৰণে চিন্তাশীল নাগৰিকৰ কাৰণে, শান্তিপূৰ্ণ নাগৰিকৰ কাৰণে অশান্তি সৃষ্টি হৈছে। মাননীয় অধ্যক্ষ মহোদয় মই আগৰ বাৰ বিধান সভাৰ মজিয়াতে আলফা সমস্যাটো সমাধান বিচাৰিছিলো যে আলফাৰ সমস্যাটো সমাধান হব লাগে। কিন্তু চৰকাৰে যি পলিছি বা নীতি হাতত লৈছে, আৰু বিধান সভাৰ ভিতৰত আৰু বাহিৰত যি বিবৃতি দিছে তাৰ দ্বাৰা প্ৰৱণতাহে সৃষ্টি হৈছে। এই ব্যৱস্থাৰ দ্বাৰা আলফা সমস্যাৰ সমাধান নহব। আনগাতেদি অসমৰ ৰাইজে বিচাৰিছে আলফাৰ সমস্যাটো সমাধান হব লাগে। আৰু ৰাজ্যখনত শান্তি ঘূৰাই আনিব লাগে। কিন্তু বৰ্ত্তমান যি সৃষ্টি হৈছে তাৰ দ্বাৰা ৰাজ্যখনত নতুন সমস্যাৰহে সৃষ্টি কৰিব। এতিয়া যি দেখিছো তেওঁলোকক উদগনিহে দিয়া হৈছে, কিয়নো যাৰ ঘৰত হত্যাকাণ্ড সংঘটিত হয় বা মানুহ মৰে তেওঁলোকৰ ঘৰত ১ লাখ টকা পায়, আৰু যিয়ে হত্যা কৰে তেওঁলোকে ২ লাখ টকা পায়। গতিকে এই কথাটো অতি গুৰুত্বপূৰ্ণ কথা, তাৰ মানে হত্যাকাৰীক ৰক্ষণা-বেক্ষণ দিয়া হৈছে।

Mr. Speaker : Please raise the matter in proper way.

* শ্ৰী নগেন শৰ্ম্মা : জিৰ আৱাৰচত তেখেতৰ এইখিনি কথা কব লগা আছে, কবলৈ দিয়ক।

* শ্ৰী হিতেশ্বৰ ডেকা : মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো বৰ্ত্তমান যি ব্যৱস্থা আলফা সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰিছে তাৰ দ্বাৰা আলফা সমস্যা সমাধান হব বুলি ভাবিছেনেকি? সেই বিষয়ে আমাক স্পষ্ট ভাৱে জনাব লাগে। আপোনালোকৰ ফালৰ পৰা প্ৰকাশিত বাতৰি সমূহ চেলফ কণ্ট্ৰাডিক্টৰী হৈছে। আনহাতেদি

হেইড লাইনত যিবিলাক বাতৰি ওলাইছে সেই বিলাকে চিন্তাশীল আৰু শান্তিপ্ৰিয় ৰাইজৰ জীয়াই থকাত ঘি ঢালিছে। এই এটা জলন্ত সমস্যা অসমৰ ৰাইজৰ কাৰণে, অসমৰ চিন্তাশীল নাগৰিকৰ কাৰণে চৰকাৰে কি নীতি গ্ৰহণ কৰিলে, কি স্থায়ী সমাধান কৰিব বিচাৰিছে এই বিষয়ে আমাক স্পষ্ট ভাৱে জনাব লাগে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আৰু বৰ্ত্তমান চৰকাৰ খনক জগৰীয়া কৰিব বিচাৰিছো সেইটো নহয়। কিন্তু মই বিচাৰিছো অসমৰ এই জলন্ত সমস্যাটো যি নেকি সমগ্ৰ অসম বাসী ৰাইজক চিন্তান্বিত কৰি তুলিছে। সেই সমস্যাটোৰ কেনেকৈ স্থায়ী সমাধান হয় সেইটোহে বিচাৰিছো। আপোনালোকে চাওঁক সেই দিমা গুৱাহাটীত বিৰাজ ডেকাক হত্যা কৰা হ'ল। আনহাতেদি আত্মসমৰ্পন কাৰী আলফাৰ সদস্যক তেওঁলোকৰ নিজৰ নিৰাপত্তাৰ কাৰণে অস্ত্ৰ-শস্ত্ৰ দিয়া হৈছে। ইয়াৰ দ্বাৰা উদ্‌গনিহে দিয়া হৈছে। ইফালে ৩১ জানুৱাৰীৰৰ আগতে আলফাৰ সদস্যক অস্ত্ৰ-শস্ত্ৰ সমৰ্পন কৰিবলৈ সীমা বান্ধি দিয়া হৈছিল। আলোচনা পৰ্ব্ব সকলো একেফালে হৈ পৰিল। অসমৰ ৰাইজে ধুৱলী কুৱলী এক পৰিস্থিতৰ মাজত দিন কৰাব লগা হৈছে। সেয়েহে এই জলন্ত সমস্যা সমাধানৰ সম্পৰ্কত এটা বাস্তৱ কাৰ্য ব্যৱস্থা অতি সোনকালে হাতত লোৱাটো আমি বিচাৰিছো। গতিকে মুখ্যমন্ত্ৰী মহোদয়ে এই সম্পৰ্কত আমাক স্পষ্ট ভাবে জনাব লাগে।

*শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, এই যি অস্ত্ৰ-শস্ত্ৰ তেওঁলোকৰ হাতত আছে সেইবিলাক চৰকাৰে ঘূৰাই লোৱাৰ ব্যবস্থা কৰিব নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, এই আলফা সমস্যাটো এটা অতি জটীল সমস্যা ৰূপে থিয় দিছে। মাননীয় সদস্য শ্ৰীডেকা ডাঙৰীয়াই অভিযোগ আনিছে যে উদগনি দিয়া হৈছে—হত্যাকৰা পৰিয়ালক ১ লাখ টকাকৈ দিয়া হৈছে, আৰু হত্যাকাৰীক দুই লাখ টকা দিয়া হৈছে। কথাটো প্ৰকৃততে সেইটো নহয়। আপোনালোকেই চাওঁক এই গোটেই সমস্যাটোৱেই কেনে দৰে গা কৰি উঠিছে, যোৱা ২ বছৰৰ আগতে এই গুৱাহাটী চহৰতে ৫ বজাৰ পিছত মানুহ ঘৰৰ পৰা ওলাব নোৱাৰা অৱস্থা এটা হৈছিল। প্ৰতি দিনেই হত্যাকাণ্ড সংঘটিত হৈছিল অধ্যক্ষ ডাঙৰীয়া, তেওঁলোকে কৈছে সংঘৰ্ষ হবলৈ দিছে। এই বিলাক

কথা সদনত নোকোৱাই ভাল। সংঘৰ্ষ আমি সৃষ্টি কৰিছো, নে আন কোনে সৃষ্টি কৰিছে, সেইটো অসমৰ ৰাইজে জানে। ১৯৮৫ চনত কি আছিল আৰু কি হৈছিল আৰু সেই দৰে ১৯৯০ চনত কি হৈছিল সেই কথাও অসমৰ ৰাইজে জানে। সন্ত্ৰাসবাদ নিয়ন্ত্ৰণ কৰিবলৈ আমি ব্যৱস্থা হাতত লৈছো। সন্ত্ৰাসবাদ নিয়ন্ত্ৰণ কৰিবৰ কাৰণে পুলিচ বাহিনীৰ সহায় লোৱা হৈছে আৰু যেতিয়া সেনা বাহিনী অনা হ'ল তেতিয়া আমি কিমান কথা শুনিব লগা হৈছিলো আৰু সমালোচনাৰ সন্মুখীন হৈছিলো। ৰাজনীতি নিজৰ কাৰণে কৰা নহয়, নিজৰ স্বাৰ্থৰ কাৰণে কৰা নহয়, ৰাইজৰ মঙ্গলৰ কাৰণেহে ৰাজনীতি কৰা উচিত। যেতিয়া সন্ত্ৰাসবাদ নিয়ন্ত্ৰণ কৰিবলৈ ব্যৱস্থা হাতত লোৱা হয় তেতিয়া আমাক কয় 'হিউমেন ৰাইট ভঙ্গ কৰা হ'ল বুলি কিন্তু তেওঁ- লোকে কৰিলে ভঙ্গ কৰা নহয়। যি সকল আত্ম সমৰ্পণকাৰীক অস্ত্ৰ দিয়া হৈছে তেওঁলোকক লাইচেন্স হিচাপে দিয়া হৈছে। যিটো কি সাধাৰণ মানুহকো দিয়া হয়। এনেকুৱা লাইচেঞ্চ ৮/১০ জনক দিয়া হৈছে। তেওঁলোকক আমি ৰক্ষণা-বেক্ষণা যেনে ভাৱে দিব লাগিছিল তেনে ভাবে দিব পৰা নাই। যিহেতু ৰাজনৈতিক ভাবে সমস্যাটো সমাধান কৰিব বিছাৰিছো। আমি সকলো সংশ্লিষ্ট দল আৰু লোকক যি সকল এতিয়াও বাহিৰত আছে তেওঁলোক ওলাই আহক, আমাৰ লগত আলোচনা কৰক মই বিধান সভাৰ প্ৰতিজন মাননীয় সদস্যাকে কৈছো, আপোনালোকে নিজৰ উদ্দেশ্য যেনেকৈ পাৰে তেনেকৈ যোগাযোগ কৰক। আমি সকলোৱে বহি কথা পাতিম। আমাৰ কোনো বিজাভেচন নাই, আপোনাক সকলোৱে চেষ্টা কৰক, এই সন্ত্ৰাস বাদী শক্তিৰ বিৰুদ্ধে আমি সমহীয়া ভাৱে এই জটীল সমস্যাটো সমাধানৰ কাৰণে চেষ্টা কৰো আহক, আমাৰ কোনো বেলেগ আভিপ্ৰায় নাই। মই সকলোকে অনু- ৰোধ কৰিছো। আমি দায়িত্ব লোৱাৰ পিচতে ১৪ জন কৰ্মচাৰীক পণ বন্দী কৰিলে। বিধান সভাৰ সকলো সদস্যাকে মই অনুৰোধ কৰিছিলো তেতিয়া সকলোৱে এক মুখে পণ বন্দী মুকলি কৰাৰ কাৰণে সমৰ্থন কৰিছিলে।

আশাকৰো মোৰ অনুৰোধ ক্ৰমে আমাৰ সকলো ৰাজনৈতিক দলে এই

জ্বলন্ত সমস্যাটো কেনেকৈ সমাধান কৰিব পাৰি সেই বিষয়ে চিন্তা কৰিব আৰু দিহা-পৰামৰ্শ দিব। মাননীয় সদস্য ডেকা ডাঙৰীয়াক জনাব বিচাৰিছো যি সকল আত্মসমৰ্পণকাৰী আলফা আছে তেওঁলোকৰ ৰক্ষণা-বেক্ষণৰ কাৰণে যথা যথ ব্যৱস্থা লোৱা হৈছে। আৰু যি সকল আত্মসৰ্মপণকাৰী আলফাই দুষ্কাৰ্য্যত লিপ্ত হৈছে তেওঁলোকক কৃৰায়ত্ব কৰাৰ ব্যৱস্থা লোৱা হৈছে।

## REPORT OF THE BUSINESS ADVISORY COMMITTEE:

Honourable Speaker: The Speaker in his discretion may allow a Member to raise a matter and the concerned Minister may give a reply if the required reply and other materials are available---Otherwise reply will be given according to convenience.

Under Rule 230 of the Rules of Procedure and Conduct of Bussiness in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee in my office chamber at Dispur at 11.45 am on 15th March, 1993 to review the timing of the sitting of the House on 16th, 17th, 18th, 20th, 23rd, 24th, 26th 29th and 30th March, 1993 and also to allocate the timings that would be available for taking part on the debates on Governor's Address by different Political Parties/Group and Independent Members.

The Committee considered its earlier decision and decided that on the item viz, (1) Debate on Governor's Address (ii) General Discussion on the Budget which are slated for discussion on 16th, 17th, 18th, 20th, 23rd, and 24th, March, 1993, the House would sit in two shifts

from 9 am to 1. 30 pm and from 3 pm to 5 pm. On 26th March, 1993, the House would sit in two shifts from 8.30 am to 11.30 am and from 3 pm to 7 pm. The Committee has further decided that no other business except Debates on Governor's Address would be taken up on that date.

The Committee also decided that on 19th March, 1993 being Friday, the House would sit in two shifts from 8.30 am to 11.30 am and from 3 pm to 5 pm for voting on Supplementary Demands for Grants for 1992-93. The voting on Supplementary Demands for Grants would close at 4 pm and from 4 pm to 5 pm, Appropriation Bill on Supplementary Demands for Grants for 1992-93 would be taken up.

It has also been decided that on 29th and 30th to March, 1993 the House would sit from 9 am to 1.30 pm and from 3 pm to 7 pm each day for Voting on Demands for Grants.

Total time that will be made available for the Debates on Governor's Address is calculated to be 22 hours approximately from 10 am to 1.30 pm and from 3 pm to 5 pm on 16th, 17th, 18th and 20th March, 1993 and each member will get 10 minutes time approximately subject to adjustment of time that would be consumed by other items taken up just after the question hour and before entering into the business on Debate on Governor's Address in each day.

The rational allotment of time among different Political parties/Groups/Independent Members as calculated is shown below :

| | | |
|---|---|---|
| (1) | Congress (I) | 11 hours i.e, 660 minutes including the replies of the Chief Minister and right of replies of by the mover of the Motion. |
| 2) | A.G.P : | 3. 10 hours or 190 minutes. |
| 3) | B.J.P : | 1. 40 hours or 100 minutes. |
| 4) | N.A.G.P : | 50 minutes. |
| 5) | A.S.D.C : | 40 minutes. |
| 6) | C.P.I : | 40 minutes. |
| 7) | CPI(M) : | 20 minutes. |
| 8) | Janata Dal : | 10 miuutes. |
| 9) | Independent Members– | 2.30 hours or 150 minutes i.e. each member will get 10 minutes time. |

I hope, this has the approval of the House.

শ্ৰীনুৰুল হুচেইন (ৰাজ্যিক মন্ত্ৰী) : আমাৰ ২৫ তাৰিখে ইদ পৰিব বুলি ভৰা হৈছে যদিহে জোন ওলাই, কিয়নো জোনটো ওলোৱাৰ ওপৰতহে ঈদৰ দিন ধাৰ্য্য কৰা হয়, গতিকে হয়তো ২৬ তাৰিখেও ঈদ পৰিব পাৰে। সেই কাৰণে ২৫।২৬ মাৰ্চ তাৰিখে দুয়োদিনাই অধিবেশন বন্ধ দিয়াৰ কাৰণে অনুৰোধ জনালো।

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ২২ মাৰ্চ তাৰিখে ওৱান দে ক্ৰিকেট খেল অনুষ্ঠিত হব, গতিকে সেই দিনটো। খেলা চাবৰ বাবে আমাক চুটি দিব লাগে। গতিকে মাননীয় অধ্যক্ষ মহোদয় এই দিশত চিন্তা কৰি বিবেচনা কৰে যেন।

Mr. Speaker : Item No. 3. Shri Mission Ranjan Das to call the attention of the Minister, Power Under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in 'Samay Prabha' dtd. 14th March

1993 under the Caption "বরাকে চরম বিদ্যুৎ সংকট"

* Shri Mission Ranjan Das: Mr. Speaker Sir, I beg to call the attentation of the Minister, Power under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in 'Samay Prabha' dtd. 14th March, 1993 under the Caption "বরাকে চরম বিদ্যুৎ সংকট"

* Shri Debananda Konwar (Minister, Power): Mr. Speaker, Sir the demand of Power in Barak Valley including Hindusthan Paper Corporation during off-peak hours is 22 to 25 MW and during peak load hours is 36-to 40 MW. The peck and off-peak demand of the H.P.C. the Power demand of Barak Valley during off-peak hours is 14 to 17 MW and during peak hours 26-30 MW.

Allotment to Barak Valley was fixed at 16 MV and 25 MV with respect to the availability of 225 MV and 265 MV of power in the system. The allotment was increased or decreased on pro-rata basis depending upon the system availibility.

Depending upon system availability from ASEB's own generation and import of power from NEEPCO, NHPC, MESEB and EREB all of which very from hour to hour, allotment of Power is made to different Sub-stations accordingly.

Due to acute peak-hour power shortage allotment of load to HPC is restricted to 2 MV during peak hours and thus the total demand of Barak Valley during

* Speech not corrected.

peak hours is 28 to 32 MV.

During winter season, the water level in hydel generation stations goes down and with the generation of the Power falls. Because full in generation supply of Power becomes short. Hence, the necessity for load shedding not only in Barak Valley but also in other areas of Assam becomes imperative.

Two Gas Based Power Projects at Adamtilla in Karimganj district and one Gas Based Power Project at Banskandi in Cachar district in the Barak Valley of Assam have been identified for private sector participation. Offers from the private sectors have been received and the same are under scrutiny. A decision thereon is being taken soon.

Power being available on completion of the above the two power projects, power supply position in Barak Valley will improve.

* শ্রীমিশন রঞ্জন দাস : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই যে ব্যক্তিগত খণ্ডতেই হওক বা সরকারী খণ্ডতেই হওক, ১৯৯৩ ইং 'র ভিতর আদমটিলারও বাঁশকান্দিতে গ্যাস্ ভিত্তিক পাওয়ার প্রজেক্ট শেষ হবে কি ?

* শ্রীদেৱানন্দ কোৱৰ (মন্ত্রী) : ১৯৯৩ ইং 'র ভিতর এর কাজ শুরু হবে। আর এই কাজ শেষ করতে ১৮ থেকে ২৪ মাস সময়তো লাগবেই। আর এ কাজ সমাপ্ত হলে নি:সন্দেহে বরাকভেলীর কিছু সমস্যার সমাধান হবে।

## MATTER UNDER RULE 301

Mr. Speaker : Now Item No. 4. Shri Dilip Kumar Saikia

---

* Speech not corrected.

to draw the attention of the Honourable Chief Minister.

* শ্ৰী দিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নম্বৰ নিয়মৰ অধিনত "বিজ্ঞাপনৰ ধন ফেব্ৰুৱাৰীত আদায় দিয়াৰ আশা নাই" এই সম্পৰ্কৰ বিষয় এটি উত্থাপনৰ জৰিয়তে মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো।

ইয়াৰ লগতে মই কব বিছাৰিছো যে এই ক্ষুদ্ৰ বাতৰিকাকতৰ জৰিয়তে যিবিলাক বিজ্ঞাপন দিয়া হৈছে আৰু তাৰ বাবদ যিবিলাক টকা পইচা পাব লাগে এতিয়ালৈকে পোৱা নাই বুলি মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত অভিযোগ দাখিল কৰিছিল। সেই সময়ত তেওঁলোকক ধন আদায় দিয়া আশ্বাস দিয়া হৈছিল। কিন্তু আজি মাৰ্চ মাহ পাৰ হবলৈ হ'ল সেয়ে মই মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ পৰা এটি স্পষ্টিকৰণ বিছাৰিছো যে কোন কোন অনুস্থানে কিমান কিমান ধন পালে আৰু কোন কোনে পোৱা নাই। বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। এই ক্ষেত্ৰত তেওঁলোকক অশ্বাস দিয়াৰ ধৰণে বিবেচনা কৰি বন্দোবস্থা গ্ৰহণ কৰিব নে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়াই বাতৰি কাকত প্ৰতিষ্ঠানবোৰে ফেব্ৰুৱাৰী মাহত ভিতৰতে বিজ্ঞাপনৰ বাবদ চৰকাৰৰ পৰা পাব লগা ধন আদায় পোৱাৰ আশা কৰিছিল যদিও সংশ্লিষ্ট বিভাগৰ খেলি মেলিৰ বাবে উক্ত ধন মুখ্য মন্ত্ৰীৰ আশ্বাস অনুসৰি প্ৰতিষ্ঠান বোৰে পোৱা নাই বুলি উত্থাপন কৰা বিষয়টো সন্দৰ্ভত সদনৰ জ্ঞাতাৰ্থে স্পষ্ট কৰি দিব বিচাৰো যে বিষয়টো সত্যৰ ওপৰত আধাৰিত নহয়।

এই সংক্ৰান্তত মাননীয় সদনৰ অৱগতিৰ অৰ্থে জনাও যে বাতৰি কাকত বোৰলৈ বিজ্ঞাপন দিয়া আৰু তাৰ বাবদ ধন আদায় দিয়াৰ ব্যৱস্থা নিয়াৰি কৰিবৰ বাবে যোৱা ১/৪/৯২ তাৰিখৰ পৰা তথ্য আৰু জনসংযোগ বিভাগক উভয় কামৰে দায়িত্ব দি এক কেন্দ্ৰীয় ভাবে পৰিচালনাৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰা হৈছে। ইতিমধ্যে চলিত বিত্তিয় বছৰৰ ভিতৰতে বিজ্ঞাপনৰ দেয়কধ বাবদ ৫০,৮৬৬০০ টকাৰ ধন আদায় দিয়া হৈছে। তদুপৰি এই উদ্দেশ্য এইটো বছৰতে পুনৰ এক কোটি টকা মুকলি কৰি দিবলৈ বিবেচনা কৰি থকা হৈছে।

* Speech not corrected.

উল্লেখযোগ্য যে যোৱা ১/৪/৯২ তাৰিখৰ পৰা এতিয়া লৈকে প্ৰায় দুই কোটি টকাৰ বিজ্ঞাপনৰ ধন আদায় দিবলগীয়া হৈছিল। বাকী ৰোৱা ধন খিনি পর্য্যায় ক্ৰমে আদায় দিয়াৰ ব্যৱস্থা কৰা হ'ব। সেয়েহে, সংশ্লিষ্ট বিভাগত কোনো খেলি-মেলিৰ সৃষ্টি হোৱা নাই। মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়া অনুসৰি প্ৰতিষ্ঠান বোৰে ধন আদায় পোৱা নাই বোলা কথাও সঁচা নহয়।

## PRESENTATION OF THE LIST OF SUPPLEMENTARY DEMANDS FOR GRANTS AND SUPPLEMENTARY APPROPRIATION FOR 1992-93.

Mr. Speaker : Now, item No. 5.

Honourable Minister, Finance.

Shri Jiba Kanta Gogoi (Minister, Finance) Sir, I beg to present the list of supplementary Demands for grant and Supplementary Appropriation for 1992-93.

Mr. Speaker : Now item No. 6. Honourable Minister, Revenue to move.

## INTRODUCTION OF GOVERNMENT BILL.

Shri Mukut Sarma (Minister, Revenue) : Sir, I beg leave to introduce 'The Assam Fixation of Ceiling on land holdings (Amendment) Bill, 1993.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the bill ? (after a pause)

Leave is granted. Now Minister, Revenue to introduce the bill.

# DEBATES ON GOVERNOR'S ADDRESS

Shri Mukut Sarma (Minister of Revenue etc.): Sir, I beg leave to introduce the 'the Assam Fixation of Ceiling on land holdings (Amendment) Bill 1993. for consideration of the house.

(Secretary Assam Legislative Assembly read out the title of the Bill introduced.)

Mr. Speaker: Now item No. 7. The debates on the Governor's Address.

I have received nine notices of amendments to the Motion of thanks to the Governor's address moved by the Honourable Members Shri Muzibar Rahman:

1. The first notice of amendment to the Motion of thanks to the Governor's Address stands in the name of:
   1. Shri Holiram Terang,
   2. Shri Babu Rongpi
   3. Shri Dipendra Rongpi,
2. The Second notice of amendments to the Motion of thanks on the Governor's address stands in the name of Dr. Kamala Kalita.
3. The third Notices of amendment to the Motion of thanks on the Governor's Address stands in the name of Shri Dewan Joynal Abedin.
4. The Fourth Notices of amendments to the Motion of thanks on the Governor's Address stand in the name of Shri Badan Barua.
5. The fifth notices of amendments to the Motion of thanks

on the Governor's Address stands in the name of Shri Zoii Nath Sarma.

6. The Sixth Notice of amendments to the Motion of thanks on the Governor's address stands in the name of (1) Shri Phani Bhusan Choudhury (2) Shri Bhupen Roy and (3) Shri Zoii Nath Sarma.

7. The Seventh Notice of amendments to the Motion of thanks on the Governor's address stands in the name of (1) Shri Promod Gogoi, (2) Shri Giasuddin Ahmed and (3) Shri Hitendera Sarma.

8. The Eighth Notice of amendments to the Motion of thanks on the Governor's address stands in the name of (1) Shri prafulla Kumar Mahanta, (2) Shri Hitendra Nath Goswami, (3) Shri Binod Goala, (4) Shri Gohin Das and (5) Shri Dilip Kr. Saikia.

9. The Nineth Notice of amendments to the Motion of thanks on the Governor's Address stands in the name of Shri Mission Ranjan Das and Shri Pranab Kumar Nath.

Now I want to havee the feelings of the movers as to whether all the movers desire to move their amendment motion one by one or whether on behalf of the other movers. If agreed, I shall call upon one member whose name appears first in the list of movers to move the amendment motion one by one.

(The amendment motions are moved one by one).

Now I call upon Shri Muzibur Rahman to initiate the debate on the Governor's Address.

*Shri Dewan Joynal Abedin : Mr speaker Sir, Amendments are of different issues. It would be better, in my opinion, you may ask the movers one by one and move their motion because subject matter on the Motion are different. So, one person will not do.

*Shri Promde Gogoi : Mr. Speaker Sir, lot of amendments can be moved by one mover. Let one member move now, at the time of discussion that can be looked into.

Mr. Speaker : Now, I request Honourable Member Shri Holiram Terang to move.

*Shri Holiram Terang : Sir, I beg to move that at the end of the Motion of Thanks on the Governor's Address moved by

Shri Muzibur Rahman the following be added-

"But regret to say that the speech does not contain about the state Government commitment to upgrade the two Hill District Councils into Autonomous Territories and for wrongly saying that 30 Deptts. have been transferred to District Councils after consultation with ASDC /KSA."

Mr. Speker : Now I request Honourable Member, Dr. Kamala Kalita to move.

*Dr. Kamala Kalita : Sir, I beg to move that at the end of the Motion of Thanks on the Governor's Aderess moved by Shri Muzibur Rahman the following be added

"But regret to say that (i) the speech does not contain about the protection of the socio-economic and political

* Speech not corrected.

right of the non Bodo People situated within the Bodoland Autonomous Council. (ii) That the speech does not contain about the financial status of the state."

Mr. Speaker : Now, Honourable Member Dewan Joynal Abedin to moved.

* Shri Dewan Joynal Abedin : Sir, I beg to move that at the end of of the Motion of Thanks on the Governor's Address moved by Shri Muzibur Rahman the following be added-

"That the Members of the Assam Legislative Assembly assembled in this Session are greateful to the Governor for the address he has been pleased to deliver to the House today, the 15th March, 1993, but regrets

that the Governor's Address makes no mention of the fact that the Government has taken away all democratic rights of the people, denied them the freedom of speech and the right to freedom ef expression to such an extent that opposition political parties are not allowed to conduct their regular legitimate political activities like holding public meetings, demonstrations, bringing out procession etc."

Mr. Speaker : Now, Honourable Member Shri Badan Barua to move.

* Shri Badan Barua : Sir, I beg to move that at the end of Motion of Thanks on the Governor's Address moved by Shri Mujibur Rahman and at the end of the lone paragraph on Science & Technology the following be added :—

"The Government is fully aware of the environment pollution being caused by different agencies of human creation, and are taking all active measures to contain the pollution upto its permissible limits."

Mr. Speaker : Now, Honourable Member Shri Zoii Nath Sarma to move.

* Shri Zoii Nath Sarma : Sir, I beg to move that at the end of the Motion of Thanks on the Governor's Address moved by Shri Muzibur Rahman the following be added;

'But the House do condem the Government of Assam for its deliberate intention to mislead the House as well as Governor by Incorporating some false, baseless and exaggerated facts in the Honourable Governor's Speech."

Mr. Speaker Sir : Now, Honourable Member Shri Phani Bhushan Choudhury to move.

* শ্ৰীফণীভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ অন্তত নিম্নোক্ত সংশোধনী প্ৰস্তাৱ সংযোজন কৰা হওঁক :—'কিন্তু (১) ৰাজ্যপাল মহোদয়ৰ ভাষণত প্ৰস্তাৱিত বড়োলেণ্ড অটোন'মাচ কাউঞ্চিলৰ প্ৰস্তাৱিত এলেকাৰ অ-বড়ো বিভিন্ন জনগোষ্ঠীৰ লোকক নিৰাপত্তা দিয়াত ব্যৰ্থ হোৱা বিষয়টো চৰকাৰে ঢাকি ৰাখিবলৈ দিয়া অপচেষ্টাক বিধান সভাই গৰিহনা দিয়ে' (২) 'অসম চুক্তি অনুসৰি অশোক পেপাৰ মিল পুনৰ জীৱিত কৰা সম্পৰ্কে ৰাজ্যপালৰ ভাষণত কোনো কথা উল্লেখ নথকাত বিধান সভাই চৰকাৰক তীব্ৰ গৰিহণা দিয়ে আৰু এনে পলায়নবাদী মনোভাৱৰ বাবে চৰকাৰক বিধান সভাই নিন্দা কৰে।'

Mr. Speaker : Now, Honourable Member Shri promode Gogoi to move.

* Shri Promode Gogoi : Speaker Sir, I beg to move that at the end of the Motion of Thanks on the Governor's Address moved by Shri Mujibur Rahman the following be added:—

That the full stop "at the end of the motion be

---

* Speech not corrected.

substituted by a "and that the following be added there after-

"But regret to state that the Governor's address does not highlight the failure of Government in maintaining law and order and communal harmony in the state after the Ayodhya incident of the 6th December, assault on the freedom of press and rampant corruption in the administration, besides the chronic problem of poverty, unemployment and economic backwardness."

Mr. Speaker : Now, Shri prafulla Kumar Mahanta to move.

(In place of Shri Prafulla Kumar Mahanta, Shri Hitendra Nath Goswami moved)

* Shri Hitendra Nath Goswami : Sir, I beg to move that at the end of the Motion of Thanks on the Governor's Address moved by Shri Muzibur Rahman the following be added

"But regret to say that"

(a) the speech did not mention anything about the general law and order situation as well as prevailing financial crisis of the State. (b) in case of Bodo Accord no mention has been made about the boundary of the proposed council and no reason has been put forward by the opposition party of the state were not taken into confidence before finalising the accord which did not specify how the interest of non bodos will be protected within the council.

(c) the speech did not mention about the reopening of Ashok Paper Mill as well as about the failure of the Government to protect the interest of the people of Assam

---

* Speech not corrected.

at Numaligarh Refinery by accepting only 10% share of the project. (d) the speech as a whole did not reflect the correct picture of the State.

Mr. Speaker: Now, Honourable Member Shri Mission Ranjan Das to move.

* Shri Mission Ranjan Das: Sir, I beg to move that at the end of the Motion of Thanks on Governor Address moved by Shri Muzibur Rahman the following be added.

1. Ramkrishna Nagar Subdigision (civil) under Karimganj District be declared in 1993.

2. Another Agricultural University be set up within the Campus of Akbarpur Rice Research & Experimental Centre in Karimganj Dist. in 1993.

3. Gas based power generation centres be constructed at Bashkandi & Adamtilla in Barak Valley.

4. One District Library cum Auditorium be constructed at Karimganj Town.

5. 200 beds Civil Hospital be constructed at Karimganj Town upgrading existing 100 beds Karimganj Civil Hospital at Karimganj Town and Ranibari Medical Sub-Centre be upgraded as PHC ( In Karimganj District ).

6. One Zonal office of Fishery Development Corpoation be started at Karimganj Town.

7. 30 beds Hospital at Bazarghat be constructed.

8. Another Development Block be created under South Karimganj Constituency.

---

* Speech not corrected.

Mr. Speaker : Now I request the Honourable member Shri Mujibur Rahman to initiate the Debates on the Governor's Address.

* শ্ৰীমুজিবুৰ ৰহমান : মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি ৰাজ্যপালৰ ভাষণৰ ওপৰত মই যি ধন্যবাদ সুচক প্ৰস্তাৱ উত্থাপন কৰিছিলো তাৰ সমৰ্থনত মই মোৰ বক্তব্য ৰাখিব বিছাৰিছো । ৰাজ্যপালৰ ভাষণত বহু কথা আৰু চৰকাৰৰ বহু বিভাগৰ কথা সামৰি লোৱা হৈছে । ইয়াৰ ভিতৰত আৰু আছে সাম্প্ৰদায়িক সংঘৰ্ষৰ কথা । যোৱা জুমাহত যি সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হৈ গ'ল সেই বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে । যোৱা ৬ ডিচেম্বৰত বাবৰি মছজিদ ভাঙি দিয়া হ'ল আৰু তাৰেই ফলস্বৰূপে গোটেই ভাৰতবৰ্ষতে অশান্তিৰ সৃষ্টি হ'ল । এই অশান্তিৰ মূলতেই হ'ল বাবৰি মছজিদ ধ্বংশ । এই বাবৰি মছজিদ ধ্বংশ নিয়ন্ত্ৰণ কৰিবলৈ যাওঁতে পৰৱৰ্ত্তী ঘটনা বিলাক সংঘটিত হ'ল । এই সাম্প্ৰদায়িক অশান্তি আমাৰ অসমতো নপৰাকৈ থকা নাই । বিশেষকৈ নগাওঁ জিলাৰ তিনিটা সমষ্টিত আৰু ধুবৰীত এই সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল । এই বিষ বাষ্প বিয়পাই দিয়াৰ মূলতে কিছুমান শক্তিয়ে পৰিকল্পিতভাবে কামবোৰ কৰিছিল । কিন্তু আমাৰ কংগ্ৰেছ ই চৰকাৰে প্ৰশাসনৰ সহায়ত সামৰিক বাহিনীৰ সহায়ত এইবোৰ কঠোৰভাৱে নিয়ন্ত্ৰণ কৰিলে ।

অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আৰু কিছুমান কথা আছে যিবিলাক আমি চাব লাগিব । আজি অসমত বসবাস কৰা সম্প্ৰদায় বিলাকৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে । আৰু তাৰ বাবে সাম্প্ৰদায়িক সংঘৰ্ষ হৈছে । গতিকে এতিয়া উভয় সম্প্ৰদায়ৰ বাবে চিন্তা কৰিব লাগিব । মৌলবাদী শক্তি নিয়ন্ত্ৰণ কৰিব লাগিব । তাৰোপৰি শিক্ষা, পুলিচ বাহিনী আদিৰ কেনেকৈ নিয়োগৰ ব্যৱস্থা কৰিব পাৰি এই বিষয়টো এটা চিন্তাধাৰাত চৰকাৰে লব লাগিব । সাম্পদায়িক সংঘৰ্ষৰ সময়ত বহুতে কয় যে, পুলিচ বাহিনীয়ে, তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰিছে । দেখা যায় যে, ক্ষোভৰ সৃষ্টি হলেই এটা সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হয় । অভিযোগ

উংথাপন কৰে । পুলিচ বাহিনীয়ে সাম্প্ৰদায়িক সংঘৰ্ষ নিয়ন্ত্ৰণ কৰিব লাগে আৰু তাৰ বাবে তেওঁলোকক প্ৰশিক্ষনো দিব লাগে । এসময়ত অসমত কোনো ধৰণৰ সাম্প্ৰদায়িক অশান্তি নাছিল। মই ভাবো বি, জে, পি সাম্প্ৰদায়িক অশান্তিৰ মূল, তেওঁলোকেই উচতাই দিছে, সিদিনা বি, জে, পিৰ জনসমাবেশ হৈছিল, তাতো তেওঁলেকেই কৈছে হিন্দুবিলাক বিদেশী নহয়, মুছলমানহে বিদেশী। অসমত কিছুমান মানুহৰ উচতনিতহে আজি এই সাম্প্ৰদায়িক অশান্তিৰ সৃষ্টি হৈছে । গতিকে চৰকাৰে সুচিন্তিত ভাবে এইটো নিয়ন্ত্ৰণ কৰিব বুলি আশা কৰিছো। অসমত আজি যি সাম্প্ৰদায়িক সংঘৰ্ষৰ বিষ বাম্প বিয়পি পৰিছে চৰকাৰে তাক কঠোৰ হাতে দমন কৰিব লাগিব । সাম্প্ৰদায়িক হিংসাৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা বাবে ধন্যবাদ জনাইছো । অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত পৰৱৰ্ত্তী পৰ্য্যায়ত আৰু এটা জলন্ত সমস্যাৰ কথা উল্লেখ কৰিছে যিটো আমি উত্তৰাধিকাৰী সূত্ৰে পাইছো । সেইটো হৈছে আলফা সমস্যা । নিৰ্ব্বাচনৰ সময়ত আমাৰ চৰকাৰে প্ৰতিশ্ৰুতি দিছিল যে, ৰাইজৰ প্ৰাণ আৰু সা সম্পত্তি ৰক্ষা কৰি শান্তি ঘুৰাই আনিব । এটা সময়ত তেওঁলোকে ৰাইজৰ পৰা জোৰ কৰি ধন সংগ্ৰহ কৰিছিল, অশান্তিৰ পৰিবেশৰ সৃষ্টি হৈছিল । শান্তিৰ বাতাবৰণ ঘুৰাই অনাৰ বাবে কংগ্ৰেছ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ হৈছিল আৰু তাৰ বাবে চেষ্টাও কৰিছিল । এসময়ত যিসকল যুৱকে হাতত অস্ত্ৰ লৈছিল অকল অসমতে নহয়, ভাৰতৰ বহুতো ঠাইত আজি দেখা গৈছে যে, কন্যাকুমাৰীৰ পৰা আৰম্ভ কৰি যিবিলাক যুৱকে আজি অস্ত্ৰ তুলি লৈছিল বিক্ষোভৰ সৃষ্টি কৰিছিল; যিসকলৰ বাবে অসমতো বহুতো মানুহৰ প্ৰাণ হানি হল, সা-সম্পত্তি নষ্ট হল সেই সকলক আজি বিক্ষোভৰ পথৰ পৰা ঘাই সুঁতিলৈ ঘুৰাই অনাৰ বাবে আমাৰ চৰকাৰে চেষ্টা কৰিছে । আজি বহুতো আলফা সদস্যই সংবিধানৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি হিংসা পৰিহাৰ কৰি আৰু জনজীৱনৰ মূল সুঁতিলৈ ঘুৰি অহাৰ প্ৰতিশ্ৰুতি দি চৰকাৰৰ ওচৰত আত্ম সমৰ্পন কৰিছে । গতিকে যিসকল লোক বিপথগামী হৈছিল তেওঁলোকক মূল সুঁতিলৈ ঘুৰাই অনাৰ বাবে কিছু সময়ৰ নিশ্চয় আৱশ্যক হব । একেদিনাৰ ভিতৰতে ইমান দিনে পুঞ্জিভূত হৈ থকা প্ৰক্ৰিয়া এটাক পৰিবৰ্ত্তন কৰাৰ নোৱাৰি । যি বিলাক যুৱক যুৱতীয়ে সন্ত্ৰাসবাদী কাৰ্য্যকলাপ কৰিছে সেইবিলাক থিতাতে

নাইকীয়া কৰিব নোৱাৰি। আজি এইটো কথা স্বীকাৰ কৰিব লাগিব যে, অসমলৈ শান্তিৰ পৰিবেশ ঘুৰি আহিছে। আগতে দিনৰ ভিতৰতে মানুহে নিৰাপত্তাৰ অভাৱ অনুভৱ কৰিছিল। গতিকে শান্তিৰ পৰিবেশ ঘুৰাই অনাৰ ক্ষেত্ৰত চৰকাৰ কিছুপৰিমাণে কৃতকাৰ্য্য হৈছে। তেওঁলোকৰ যি চাকৰীমুখী প্ৰৱনতা আছে সেইখিনি পুৰণ কৰি যদি স্বনিয়োজন দিব পাৰে তেনেহলে কিছু পৰিমাণে হলেও সমস্যা সমাধান হব বুলি আশা কৰিব পাৰি। ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে যে তিনি হাজাৰৰো অধিক আলফা সদস্যাই সংবিধানৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি হিংসা পৰিহাৰ কৰি আৰু জনজীৱনৰ মূল সূতিলৈ ঘুৰি অহাৰ প্ৰতিশ্ৰুতি দি চৰকাৰৰ ওচৰত আত্মসমৰ্পন কৰিছে। যিবিলাক যুৱক বাহিৰত আছে তেওঁলোকো নিশ্চয় ঘুৰি আহি নতুন অসম গঢ়াৰ ক্ষেত্ৰত অৰিহনা যোগাব, তেওঁলোকে নিশ্চয় অসমক উজ্জল কৰি তুলিব আৰু শান্তিৰ বাতাবৰণ অসমত নিশ্চয় ঘুৰাই আনিব। বন্দুক বাৰুদৰ প্ৰক্ৰিয়া বাদ দি অসমক শস্য শ্যামলা কৰি গঢ়ি তুলিব।

বড়োলেণ্ড চুক্তি সম্পৰ্কত মাননীয় সদস্য সকলে আলোচনা কৰিছে আৰু মুখ্য মন্ত্ৰীয়ে সেই বিষয়ে কিছু বক্তৃতাও ৰাখিছে। অসম আন্দোলনৰ ৬ বছৰ পাছত অসম চুক্তি হৈছিল ঠিক তেনেকৈ বড়োসকলে ৫, ৬ বছৰ আন্দোলন কৰাৰ পাছত বড়োলেণ্ড পৰিষদ লাভ কৰিছে অৱশ্যে চুক্তি কিছু যোগ বিয়োগ হৈছে সেইটো বেলেগ কথা। শেৰত সিং কমিটিৰ পৰামৰ্শকে মানি ললে। এটা সময়ত এই বড়োসকলে ৫০:৫০ কৰাৰ দাবী কৰিছিল। কিন্তু অসমক অখণ্ড কৰিয়ে ৰখা হ'ল অসমক অখণ্ড কৰি তাৰ মাজতে তেওঁলোকৰ আশা আকাংখা চুক্তিৰ দ্বাৰা পুৰণ কৰিব বিচৰা হৈছে। তেওঁলোকৰ আন্দোলনৰ চকুপানী নিশ্চয় মচা যাব। তেওঁলোকক ৩৮টা বিভাগ এই চুক্তিৰ জৰিয়তে দিব বিচৰা হৈছে। এই চুক্তিৰ জৰিয়তে আজি অসমৰ যি ৰক্তাক্ত সংগ্ৰাম সেই সংগ্ৰামৰ সাম কাতিলে। ইয়াৰ দ্বাৰা ভৱিষ্যৎ অসম গঢ়াৰ কাৰণে তেওঁলোকে নিশ্চয় অৰিহণা যোগাব। এই চুক্তিখন ৰূপায়ন কৰিবলৈ যাওঁতে সেইবিলাক অঞ্চলত যিবিলাক অবড়োভাষীলোক বা অজনজাতিৰ লোক আছে তেওঁলোক যাতে হাৰাশান্তিৰ সন্মুখীন নহয় এই বিষয়টোত নেতৃস্থানীয় লোকসকলে চৰকাৰক সহায় কৰিব লাগিব। আন্দোলনৰ সময় চোৱাৰ

পৰা যি সকল লোকে ঘৰ বাৰী এৰিব আহিছিল বা যি সকলে ইতিমধ্যে ক্ষতিগ্ৰস্ত হৈছে তেওঁলোকক পুনৰসংস্থাপন কৰিব লাগিব । এই ক্ষেত্ৰত চৰকাৰলৈ পৰিষদে সহায় আগবঢ়াব বুলি আশা কৰিলো । পৰিষদৰ অন্তৰ্ভুক্ত হোৱাত জনজাতি সকলৰ শিক্ষা দীক্ষা সকলো প্ৰকাৰে সহায় হব বুলি আশা কৰিলো । আমি আনন্দিত যে অসম খণ্ডিত নকৰাকৈ বড়োলেণ্ড চুক্তি সম্পাদিত হৈছে । গতিকে এই বড়োলেণ্ড চুক্তিখনলৈ আমি স্বাগতম জনাইছো।

আজি অসমত হাজাৰ হাজাৰ নিবনুৱা আছে । নিবনুৱা সমস্যাই হৈছে অসমৰ জলন্ত সমস্যা । ২ লাখ নিবনুৱাক সংস্থাপন দিয়াৰ যি প্ৰতিশ্ৰুতি তাক সম্পূৰ্ণভাবে ৰক্ষা কৰিব পৰা নাই যদিও কিন্তু ইতিমধ্যে যথেষ্ট সংখ্যক নিবনুৱাক কৰ্মসংস্থাপন দিব পৰা হৈছে । যুৱক সকলৰ মাজত যিটো চিন্তা চৰ্চা বা চাকৰীৰ প্ৰবনতা সেইটোক আমি সন্মান জনাও কিন্তু চাকৰী সৃষ্টি কৰাটো অৰ্থৰ ওপৰত নিৰ্ভৰ কৰে । নিবনুৱা সমস্যা অকল অসমতে নহয় ভাৰতত্তে নহয় সমগ্ৰ পৃথিৱীতে আছে অসমত ১২/১৩ লাখ নিবনুৱা আছে বুলি এটা সমীক্ষাত কোৱা হৈছে কিন্তু আপোনালোকে জানে সিদিন ইংলণ্ডত এই নিবনুৱা সকলে কি ধৰণৰ বিক্ষোভ কৰিছিল । এই নিবনুৱা সকলৰ সমস্যা সমাধান কৰিবৰ কাৰণে ইতিমধ্যে চৰকাৰে বহুতকেইখন স্বনিয়োজন আঁচনি হাতত লৈছে । আশাকৰো আমাৰ নিবনুৱা যুৱক সকলে এই নতুন আঁচনি সমূহত আগভাগ লব ।

ইয়াৰ পাছত আমাৰ চৰকাৰৰ সন্মুখত আটাইতকৈ ডাঙৰ সমস্যা হৈছে সীমা সমস্যা । এই সীমা সমস্যা বহুদিনীয়া যদিও এতিয়া যিহেতু আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য মেঘালয়া, নগালেণ্ড অৰুণাচলও আমাৰ কংগ্ৰেছ দলৰে চৰকাৰ হৈছে সেই আলাপ আলোচনাৰ মাজেৰে এই সমস্যাটো সমাধান কৰাৰ কাৰণে এতিয়া বৰ সুবিধা হৈছে । ওচৰ চুবুৰীয়া ৰাজ্য কেইখনতো যেতিয়া একে দলৰে চৰকাৰ হৈছে, এতিয়া এই সমস্যাটো বুজাবুজিৰ মাজেৰে সোনকালে সমাধান কৰাত জোৰ দিবলৈ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আনহাতে দক্ষিণ শালমৰা মহকুমাৰ পৰা বহু সংখ্যক লোকে ইতিমধ্যে তেওঁলোকৰ ঘৰবাৰী বানপানী বুকুত জাহ যোৱা কাৰণে মেঘালয়ৰ ফুলবাৰী অঞ্চলত আশ্ৰয় লৈছে । বিপদগ্ৰস্থ লোকসকলক অতিসোনকালে সংস্থাপন

কৰা কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। এই ছেগতে মই ব্ৰহ্মপুত্ৰ নৈয়ে যি ভয়াবহ অৱস্থাৰ সৃষ্টি কৰিছে তাক অতি সোনকালে সমাধান কৰাৰ চেষ্টা কৰিব লাগে। বানপানী নিয়ন্ত্ৰণ কৰিব নোৱাৰাৰ কাৰণে বছৰে বছৰে শস্য নষ্ট কৰি আহিছে। অৱশ্যে এইবাৰ কেন্দ্ৰীয় চৰকাৰে বান নিয়ন্ত্ৰণৰ কাৰণে ২০ কোটিৰ পৰা বঢ়াই ৩০ কোটি কৰাত মই ধন্যবাদ জনাইছো। কিন্তু তেওঁলোকে এই টকাখিনি ঋণ হিচাবে দিয়ে এই টকাখিনি ঋণ হিচাবে নিদি যাতে সাহায্য হিচাবে দিয়ে তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক হেচা প্ৰয়োগ কৰিব লাগে। ব্ৰহ্মপুত্ৰৰ বানে যি ধৰণৰ লাখ লাখ টকাৰ সম্পত্তি চকুৰ আগতে ব্ৰহ্মপুত্ৰৰ বানে খহাই নিয়ে তাক মাত্ৰ ভুক্তভোগীয়ে উপলব্ধি কৰিব পাৰে। ব্ৰহ্মপুত্ৰৰ মথাউৰী বনায় ৰাখিষা আহিলে তাৰ পৰা ৰাইজৰ উপকাৰ নহয় উপকাৰ হয় ইঞ্জিনিয়াৰ ঠিকাদাৰ সকলৰ। সেই কাৰণে মই বিভাগীয় মন্ত্ৰীক মুৰকলৈ বৈ নাথাকি বাস্তৱমুখী পদক্ষেপ লবলৈ অনুৰোধ জনালো। অৱশ্যে মই জানো যে বান নিয়ন্ত্ৰনৰ কাৰণে ৩০ কোটি টকা একোৱেই নহয় তথাপি আমাৰ প্ৰধান মন্ত্ৰী পি, ভি নৰসিংহ ৰাও ডাঙৰীয়াই ব্ৰহ্মপুত্ৰ বৰ্ডৰ সভা আহৱান কৰি এইখিনি দায়িত্ব লোৱা বাবে তেখেতক ধন্যবাদ জনাইছো। গড়াখহনীয়াত ঘৰবাৰী যোৱা যিবিলাক লোক তেওঁলোকৰ যিটো সমস্যা সেই সমস্যাটো নদীকাষৰীয়া সমষ্টিৰ বিধায়ক সকলেহে বুজে। তেওঁলোকক অতি সোনকালে যাতে পুনৰসংস্থাপন কৰে তাৰ কাৰণে সোনকালে ব্যৱস্থা লব বুলি আশা ৰাখিলো।

অন্যান্য বিভাগৰ ক্ষেত্ৰত কব বিচাৰিছো যে বিশেষকৈ পঞ্চায়তৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছে। আপোনালোকে জানে যে চৰকাৰৰ বহু টকাৰ আঁচনি পঞ্চায়তত ন্যস্ত হৈ আছে। ৰাস্তাঘাট, স্কুলঘৰ নিৰ্মাণকে ধৰি গ্ৰাম্য অঞ্চলত বহুতো কাম হৈ আছে। এই কাম সমুহৰ বিনিময়ত পঞ্চায়তৰ কৰ্মচাৰী সকলক দিব লগীয়া টকা আদায় দিবলৈ চৰকাৰক টানি অনুৰোধ কৰিছো। এই ক্ষেত্ৰত আমাৰ বিধায়ক সকলৰো কিছু দায়িত্ব আছে। পঞ্চায়তৰ এই সমস্ত কাম বি, ডি, অ'ৰ ওপৰত নিৰ্ভৰ কৰি ৰখা হৈছে। আমাৰ বিধায়ক সকলে বি, ডি, অ'ৰ ওপৰত চকু ৰাখিব লাগিব।

শ্ৰীযতীন মালী :— অধ্যক্ষ মহোদয়, পঞ্চায়তসমুহত টকা খৰচ কৰা কথা

ঘোষণা কৰিছে। যিখিনি টকা দিয়া হৈছে সেইখিনিৰে পঞ্চায়ত কৰ্ম্মচাৰী সকলক দৰমহা দিয়াৰ কথা আপুনি কবনে ?

শ্ৰীমুজিবুৰ ৰহমানঃ আমাৰ পঞ্চায়তৰ যোগেদি বহুতো কামেই হৈছে। মোৰ সমষ্টিত এতিয়াও কিছু কিছু কাম হৈ আছে। মোৰ সমষ্টি উন্নত হোৱা মানে অসমৰ উন্নতি হোৱা। গতিকে আপোনাৰ সমষ্টি উন্নতি হওঁতে কিছু পলম হব তাৰ বাবে চিন্তা কৰিব নালাগে। আজি পঞ্চায়তৰ যোগেদি যিখিনি কাম আগবাঢ়িছে এইটো এটা ডাঙৰ এচিভমেণ্ট বুলি কব লাগিব। আমাৰ মাননীয় সদস্য শ্ৰীআফজালুৰ ৰহমান ডাঙৰীয়াই অন্ততঃ গ্ৰাম্যাঞ্চলত নতুনকৈ নিৰ্ব্বাচনী পতাৰ ব্যৱস্থা কৰি দিলে। এইদৰে পঞ্চায়তৰ প্ৰতিটো কামতেই আপোনালোকে ভাবি চালে গুৰুত্ব বাহিৰ কৰিব পাৰিব। গতিকে আমাৰ গ্ৰাম্য জনসাধাৰণৰ সহযোগিতাত অসমৰ বহুতো লোকেই উপকৃত হৈছে বুলি মই অনুভৱ কৰিছো। সেইদৰে বহুতো বিষয়ত উন্নতি হোৱা বুলি আমাৰ মাননীয় ৰাজ্যপালৰ ভাষণতো বহু ঠাইত উল্লেখ আছে। সেই কাৰণে মই মাননীয় ৰাজ্যপালক কৃতজ্ঞতাৰে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীহলিৰাম টেৰাং :—মাননীয় অধ্যক্ষ, মহোদয় ৰাজ্যপাল মহোদয়ৰ বক্তৃতাৰ ওপৰত মই কেইটামান কথা কবলৈ ওলাইছো। প্ৰথমতে কব লাগিব যে যিখিনি বক্তৃতা তেখেতে দি গল তাত বহুতো তথ্য ভুল আৰু বিকৃত কৰা হৈছে। এনে এটা কথা উল্লেখ হৈছে যে যিটো কথা আগতে কোনো দিনে হোৱা নাই। যোৱাকালি সেইটোত আমি তেখেতক সম্পূৰ্ণ প্ৰতিবাদ কৰিছো, চেলেঞ্জ দিছো আৰু আজিও চেলেঞ্জ ৰাখিছো যে চৰকাৰে এনে এটা ডকুমেণ্ট দিয়ক যিটো কথা এ, এচ, ডি, চি, আৰু কে, এ, এচ, ইউৰ লগত আলোচনা কৰি ৩০ টা বিভাগ নতুনকৈ ডিষ্ট্ৰিক্ট কাউন্সিলক দিয়া হৈছে। আমি এইটো চেলেঞ্জ ৰাখিছো, এ, এচ, ডি, চি আৰু কে, এ, এচ, ইউৰ লগত কেইবাৰাৰো আলোচনা কৰিছো আৰু সেই আলোচনাৰ ফলশ্ৰুতি হিচাবে অসম চৰকাৰে ডিষ্ট্ৰিক্ট কাউন্সিলক অটনমাচ টেৰিটৰীলৈ উন্নীত কৰিব বিচাৰিছে আৰু সেইটো অসম চৰকাৰে প্ৰস্তাৱ আকাৰে কেন্দ্ৰীয় চৰকাৰলৈ পঠাইছে, কিন্তু অসম চৰকাৰে ডিষ্ট্ৰিক্ট কাউন্সিলক ৩০টা বিভাগ দিব

লালে বুলি আমি কেতিয়াও আলোচনা কৰা নাই । এই ৩০টা বিভাগ নতুনকৈ এনট্ৰাষ্ট কৰা হব, সেইটো আলোচনাত নাছিল । সেইকাৰণে আজিও মই চেলেঞ্জ ৰাখিছো যে কেতিয়াও আমি এইটো কথা আলোচনা কৰা নাছিল। বৰ্তমানে ডিষ্ট্ৰিক্ট কাউন্সিলৰ হাতত থকা বিভাগবোৰৰ উপৰিও আৰু ৩০ টা বিভাগ দি সকলোবোৰৰ ওপৰত আইন প্ৰনয়ণ কৰাৰ ক্ষমতা দিয়া হব বুলি অসম চৰকাৰে প্ৰস্তাৱ দিছে। সেইটো আমাৰ প্ৰপজেল নহয় অসম চৰকাৰৰ প্ৰপজেল । এইখিনি কথা মুখ্যমন্ত্ৰী ডাঙৰীয়াই কাগজে পত্ৰেও কৈছে। আমাৰ দাবী আছিল অ'টনমাচ ষ্টেট্ । কাৰণ অ'টনমাচ ষ্টেটৰ যিটো প্ৰভিজন— সেইটো ভাৰতৰ সংবিধানত আছে আৰু সেইটো প্ৰভিজন প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ দিনতে ৰখা আছে । আমি কোনো নতুন প্ৰস্তাৱ দিয়া নাই । আমি মাত্ৰ কৈছিলো - মেঘালয়া সৃষ্টিৰ সময়ত আমাক মাত্ৰ অপচনত দিছিল যে মেঘালয়ত যাব নে অসমৰ ভিতৰতে থাকিব ? আমি কৈছিলো আমি অসমৰ ভিতৰতেই থাকিম আৰু তেতিয়া আমি সকলোকে বিশ্বাসৰ ভাৱত লৈছিলো । কিন্তু এতিয়া যিখিনি প্ৰয়োজন স্বায়ত্ব শাসনৰ বাবে সেইখিনি আমাক দিব লাগিব, সেইখিনিহে আমি বিচাৰিছো। কাৰণ (২৪৪-এ)(244-A) মতে অ'ট'মাচ্ ষ্টেটৰ যিটো প্ৰভিজন আছে সেইখিনিহে আমি বিচাৰিছো । সেইটো বিচাৰোতে এই যে ৬ চিদোলত যিটো ডিষ্ট্ৰিক্ট কাউন্সিলৰ প্ৰভিজন আছে সেইটো ১৯৫২ চনৰ পৰাই ভাৰতবৰ্ষত আছে এইটো তেতিয়াৰ পৰাই স্বায়ত্ব শাসনৰ নামত এটা ডাঙৰ প্ৰসহন । তেতিয়া কেপ্তেইন চাংমা আৰু কংগ্ৰেছৰ যিসকল মন্ত্ৰী আছিল তেখেতসকলে প্ৰতিবাদ কৰি পদত্যাগ কৰিছিল, তেওঁলোকে ৰিৰোধিতা কৰি চেপাৰেট ষ্টেট বিছাৰিছিল । আমিও তেতিয়া চেপাৰেট ষ্টেট বিছাৰিছিলো কিন্তু আগৰ চৰকাৰে আলোচনা বিলোচনাৰ মাজেৰে অটনমাচ্ ষ্টেট দিয়াৰ কথা আশ্বাস দিছিল আৰু এই চৰকাৰে কলে যে আলোচনা বিলোচনাত বিলম্ব নকৰি এৰা ধৰাৰ মাজেৰে যাব লাগে । এইদৰে আলোচনা কৰি আমাক বুজাপৰালৈ অনা হ'ল । কিন্তু তাৰ পিছতেই মুখ্যমন্ত্ৰী ডাঙৰীয়াই অটনমাচ টেৰীটৰী কৰিব লাগে বুলি এটা প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ পঠালে এই কথা ইতিমধ্যে কাগজে পত্ৰে ওলাই গল আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াইও ৰাজহুৱা ভাৱে কলে । কিন্তু ডিষ্ট্ৰিক্ট কাউন্সিল উন্নত কৰা হব অটনমাচ টেৰিটৰী দি সেইটো ভাৰতৰ সংবিধান সংশোধন নকৰিলে কৰিব নোৱাৰে । তেতিয়া

মুখ্যমন্ত্ৰীয়ে কলে যে আমাৰ কাম যিখিনি কৰিব লাগে আমি কৰিছো। চৰকাৰৰ হৈ আমাৰ প্ৰস্তাৱ আমি প্ৰধান মন্ত্ৰীলৈ পঠাইছো, তেখেত সকলে যদি আগবাঢ়িবলৈ ইচ্ছা নকৰে তেতিয়াহলে আমি কি কৰিম। কিন্তু মই এইটো কথা সদনত বাৰে বাৰে কৈছো আৰু আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াইও বাৰে বাৰে কিছুমান নীতি ঘোষণা কৰে, তাত আমাৰ সন্দেহ থাকি যায়। বাৰে বাৰে আমি দেখিছো যে এইটো আলফাৰ সন্ত্ৰাসবাদৰ প্ৰশ্নই হওক বা বড়ো উগ্ৰবাদীৰ প্ৰশ্নই হওক অথবা ২ লাখ মানুহক চাকৰি দিয়াই হওক বা ১০ লাখ নিবনুৱাক ৫ বছৰত চাকৰি দিয়াৰ কথাই হওক সেইবিলাক নীতি ঘোষণা কৰাত আমাৰ সন্দেহ থাকি যায়। মই কৈছো আমাৰ চৰকাৰে যিটো প্ৰস্তাব পঠাইছে ডিষ্ট্ৰিক্ট কাউন্সিলৰ পৰা অটনমাচ টেৰীটৰীলৈ উন্নত কৰিবৰ বাবে, সেইটোত অসম চৰকাৰৰ কিমানখিনি চিনচিয়াৰিটি আছে? চিনচিয়াৰিটি আছে ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীনৰসিংহ ৰাওৱে য'ত অসমৰ অৱস্থাটো মুখ্যমন্ত্ৰী ডাঙৰীয়াই বুজাব নোৱাৰিলে। তাত আমাৰ সন্দেহ থাকি যায়। আমি শুনিছো ভাৰতবৰ্ষৰ ভিতৰতে অসমৰ মুখ্যমন্ত্ৰী আটাইতকৈ পাৱাৰফুল চিফ মিনিষ্টাৰ। শাসক দলৰ ভিতৰত বিশেষকৈ কংগ্ৰেছ (আই) দলে অসমতেই হওঁক বা ভাৰতবৰ্ষতেই হওক এইজন মুখ্যমন্ত্ৰীৰ যথেষ্ট ইনফ্লুৱেন্স আছে। তত্ সত্বেও আজি অসমত যিবোৰ জলন্ত সমস্যা আছে, জনজাতিৰ সমস্যা আছে, চাহ জনজাতি বাইচৰ সমস্যা আছে এই সমস্যাসমূহ সমাধান কৰিবৰ কাৰণে কিয় এতিয়ালৈ আলোচনা কৰাৰ ব্যৱস্থা কৰা নাই তাত আমাৰ সন্দেহ থাকি যায়।

সভাপতি মহোদয়, দ্বিতীয় কথা হৈছে কেন্দ্ৰীয় চৰকাৰে যেনিবা আমাক আলোচনালৈ মতা নাই, দ্বিতীয় বাৰৰ বাবে বা ইয়াৰ পৰা যিটো প্ৰস্তাৱ গৈছে সেইটো ইমপ্লিমেণ্ট কৰিব পৰা নাই। এইখিনি গৈছে কিন্তু কৰা নাই। লগতে আৰু এটা কথা আলোচনা হোৱাৰ লগে লগে ইয়াত এটা প্ৰচাৰ চলিল কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰ জিলাৰ বাইজৰ সমস্যা সমাধান হৈ গ'ল। আমি প্ৰচাৰ হোৱাত বেয়া পোৱা নাই কাৰণ সমাধান হোৱাৰ পথত গৈছে। আমি ভাল পাইছো।

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :সভাপতি মহোদয়, ইয়াত আলোচনাৰ এটা কথা ৰেইজ কৰিছে । আলোচনা হব । মই অলপতে দিল্লীলৈ যাওঁতে শ্ৰীচৱনৰ লগত আলোচনা হৈছিল । ডাক্তৰ জয়ন্ত ৰংপীয়েও শ্ৰীচৱনৰ লগত দেখা কৰিছে । এই মাহৰ শেষৰফালে আলোচনা হব ।

* শ্ৰীহলিৰাম টেৰাং :— সভাপতি মহোদয়, মই ভাল পাইছো । এটা নতুন কথা কৈছে এই মাহৰ শেষৰ ফালে আলোচনা হব । কেৱল ডা: জয়ন্ত ৰংপীয়েই যোৱা নাই । এ, এচ, ডি, চিৰ আৰু কে, এচ, এ, প্ৰতি-নিধি দল গৈছে । এ, এচ, ডি, চিৰ চেয়াৰমেন হিচাবে মইও যাম আৰু আমাৰ এম, এল, এ সকলো যাব । শ্ৰীচৱনৰ লগত দেখা হব । তেখেতে আলোচনা কৰিছে ভাল পাইছো । ( মাননীয় অধ্যক্ষই আসন গ্ৰহণ কৰে ) কমদিনৰ ভিতৰতে আলোচনা হলে ভাল হয় । ৰোম্বাইত অলপতে হোৱা কার্নেজ ভায়লেন্সৰ কাৰণে হয়তো দিনতো কিছু পিছুৱাই গৈছে ।

অধ্যক্ষ মহোদয়, কিন্তু যিখিনি কথা ৰাজ্যপালৰ ভাষণত ওলাইছে সেই খিনি কথা নোহোৱা কৰিব নোৱাৰি । আৰু জিলা পৰিষদ ভাঙি দিছে ২ সপ্তাহৰ ভিতৰত অসম চৰকাৰৰ বুদ্ধি উদয় হৈছে । কৈছে ভংগ কৰি দিয়া নাই । টেক অভাৰ কৰা হৈছে, অসমীয়া অধিগ্ৰহণ নে কি কৰা হৈছে । মাজৰাতি ১২ তাৰিখে ভংগ কৰিছে পিছত দেখা গল যিখন নটিফি-কেচন দিলে সেইখন ভুল হৈছে যে ভুলতে জিলা পৰিষদ ভংগ কৰা হৈছে । অৰ্থাৎ ভুলতে মানুহ কাটি দিয়া হৈছে । এতিয়া আকৌ কোৱা হৈছে মানুহ মাৰি পেলোৱা নাই গৃহবন্দী কৰি ৰাখিছে । এইয়া হৈছে অসম চৰকাৰৰ ডিপ্লোমেচিটাৰ উদাহৰণ । কাৰ্বি আংলং, এন, চি হিলত যদি কিবা সমস্যা হৈছে তাক সমাধান কৰাৰ চেষ্টা কৰক কাৰ্বি আংলং জিলা পৰিষদ ভংগ কৰি নহয় । যদি দুনীতিৰ চাৰ্জ হৈছে তেন্তে আজি ১৬ তাৰিখ পৰ্য্যন্ত এনকোৱাৰী ৰিপোৰ্ট কিয় দিয়া নাই । আগতে যে এনকোৱাৰী কমিচন হওক, দুৰ্নীতিৰ প্ৰমাণ হওক, ইয়াৰ পিছত যদি দোষী হয় তেন্তে ভংগ কৰক । এলিগেচন হৈছে কিন্তু প্ৰমাণিত হোৱা নাই । এ, এচ, ডি, চি যেতিয়া জিলা পৰিষদত আছিল এইখিনি সময়ত দুৰ্নীতি কৰা নাছিল । যিবোৰ এলিগেচন কাগজে পত্ৰে আছে এ, এচ, দি, চিৰ বুলি ওলাইছে ইয়াৰ যদি কাগজ

* Speech not corrected.

এখিলা হয় তেন্তে এইখন চৰকাৰখ, কংগ্ৰেছ আই চৰকাৰৰ ১০ হেজাৰ খিলা এলিগেচন হব । কি সতেৰে এইখন চৰকাৰে জিলা পৰিষদ ভংগ কৰে ? শ্ৰীআফজালুৰ ৰহমানে কৈছে, মোক corruption ৰ কাৰণেই মন্ত্ৰী সভাৰ পৰা উলিয়াই দিছে, মই উলিয়াই দিম নেকি এইবোৰ কথা । শ্ৰীৰহমান এজন কংগ্ৰেছৰ চিনিয়ৰ লিদাৰ, আজি মন্ত্ৰী নহব পাৰে । তেখেত দিল্লীত আছে, শ্ৰী পাইলটৰ লগত কাম আছে । অসম চৰকাৰৰ যিখন ৰাহন, এই বাহনখনত অন্য পাইলট বহুৱাব খুজিছে । আমি কৈছো দুৰ্নীতি আছে যদি প্ৰমাণ কৰক । মিশ্ৰ কমিচন কলৈ গল ? এইখন বিধান সভাতে শ্ৰীচামসিং হান্সে ডাঙৰীয়া, সেই তাত বহিছিল আৰু তেখেতে কৈছিল একোটা ঘড়ী ৭০০ টকাত, এক কিলো ছিৰা ১৬ টকাত, এটা কলৰ দাম ২০ টকাত কিনা হৈছিল । সেই মিশ্ৰ কমিচনে এইবোৰ তদন্ত কৰিছিল কিন্তু আজিলৈকে তাৰ ৰিপোৰ্ট দিয়া নাই কিয় ? আৰু এইখন চৰকাৰে দুটা কমিচন কৰিছে এটা দি, এন, শৰ্মা এনকোৱাৰী কমিচন আৰু একে নামৰ আন এটা দি, এন, শৰ্মা কমিচন, ১৯৯২ চনত জিলা পৰিষদ ভংগ কৰাৰ পিচত দিয়া হৈছে । কেইবাটাও কমিচন হৈছে । মিশ্ৰ কমিচনৰ এতিয়া নাম গোন্ধ নাই । শৰ্মা কমিচনৰ কি হৈছে গম নাপাও । আৰু এটা শৰ্মা কমিচন বহুৱা হৈছিল এই কমিচন বহিছেনে নাই গম নাপাও । কাৰ্বি আংলংত চাৰিটা সমষ্টিত ৪ জন আমাৰ এম. এল, এ আছে আমি গম নাপাও । ১৬টা এম, দি, চি সমষ্টিৰ ভিতৰত আমাৰ ২১টা আছে । কিন্তু আমি নাজানো । কিন্তু ডিব্ৰু জেইলৰ পৰা কয়দী পলাই গলে, যেতিয়া পুলিচে বিচাৰি উলিয়াব নোৱাৰে তেতিয়া আমাৰি এ, এচ, দি, চিৰ নেতাক বিচাৰি দিবলৈ কয় । আমি বিচাৰি দিও, ধৰি দিছো । কিন্তু শৰ্মা কমিচন যে হৈছে সেইটো আমি গম নাপাও। কাগজৰ সন্মুখৰ ফালে, বাতৰি কাকতৰ পিচফালে দীঘল দীঘল এদ ভাবটাইজমেণ্ট ওলায় তাতহে দেখা পাও । ৰাইজক কোৱা হৈছে-কোন কোন ৰাইজে লগ পাবলৈ আহে আহক । আমি এম, এল, এ এম পি আৰু এম, দি, চিৰ সদস্যসকলে গম পোৱা নাই, কোননো ৰাইজে গম পাইছে ? আৰু প্ৰকৃততে যিটো সময়ত সদনত এটা আলোচনা চলি আছিল আৰু এটা মীমাংসাৰ ব্যৱস্থা চলি আছিল এইটো সময়ত জিলা পৰিষদ ভাঙিছে । আচল কথাটো

কৰৰাতহে । আচল কথাটো হৈছে যে, যি শাসকীয় দল আছে, যি মুখ্যমন্ত্ৰী আছে তেখেতে বিচাৰে যে, আমি কিৰা এটা দিম আমাৰ লগত আপোনালোক থাকক ।

মাননীয় অধ্যক্ষ : মিষ্টাৰ টেৰাং আপুনি আপোনাৰ পাৰ্টিৰ সময়খিনি লব নেকি ?

শ্ৰীহলিৰাম টেৰাং :—তেওঁলোকে বিচাৰে আমি কংগ্ৰেছৰ ওচৰ চাপিব লাগিব । কংগ্ৰেছ যদি ভাল হয় তাত আমাৰ আপত্তি নাই । কাৰো আপত্তি নাই । কিন্তু কথাটো এনেধৰণেৰে লব নালাগে । আমি কৈছো কংগ্ৰেছ কৰিব লাগেনে, চি, পি, আই, চি, পি, এম, চি, পি, আই, এম এল কৰিব লাগেনে এ, এচ, দি, চি, এ, জি, পি নে এন, এ, জি, পি কৰিব লাগে, এইটো ডাঙৰ কথা নহয় । অসম আমাৰ এইখন ৰাজ্য । ভাৰতবৰ্ষ আমাৰ এখন দেশ তাৰ স্বাৰ্থটো আমি চাব লাগিব ।

অধ্যক্ষ মহোদয়, কি নীতিৰ ভিত্তিত কাম কাজ বোৰ চলাই থকা হৈছে সেইটোহে আচল কথা । বহুদল ওলাইছে সেইটো একো ডাঙৰ কথা নহয়, আচলতে সেইটো সমাধান কৰিবলৈ চেষ্টা কৰিব লাগে । এদিন হয়তো কংগ্ৰেছ নাইকীয়া হৈ যাব পাৰে । বা আকৌ ডাঙৰো হৈ যাব পাৰে । কিছুমান ঠাইত এইটো হৈছে নাগালেণ্ডৰ ক্ষেত্ৰতো এইটো দেখা গৈছে । চাব, এটা কথা মই এইখিনিতে উল্লেখ কৰিব খুজিছো সেইটো হৈছে যে যেতিয়া কাৰ্বি-আংলং জিলা পৰিষদখন ভঙ্গ কৰি দিয়া হৈছিল তেতিয়া আমাক কিছুমান চাৰ্জ দিছিল যে এ, এচ, ডি চী আৰু জিলা স্বায়ত্ব শাসিত জিলা পৰিষদক অসম চৰকাৰে বাৰে বাৰে চিঠিদিয়া সত্বেও ১০ কোটি আৰু কিবা টকা এটা হেনো ঘূৰাই দিয়া নাই । সেই কাৰণেই জিলা পৰিষদ ভঙ্গ কৰি দিয়া হৈছে । আজি নবেম্বৰ, ডিচেম্বৰ, জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ এই পাচ মাহ হল অসম চৰকাৰে সেই ১০ কোটি টকা ঘূৰাই আনিব পাৰিছে নে ? এতিয়া জয়ন্ত ৰংপীও নাই বা হলিৰাম টেৰাংও নাই কিন্তু এতিয়াও পাৰিছানে সেই টকা ঘূৰাই আনিব ? যিটো মূল চাৰ্জ আছিল সেইটোৱেই একে কৰিব পৰা নাই । আমাক আৰু এটা চাৰ্জ দিছিল যে এ, এচ, ডি, চিয়ে শিক্ষকক দৰমহা দিয়া নাই । ইয়াত শিক্ষা মন্ত্ৰীও আছে তেখেতে কব পাৰিব দৰ্মহাৰ টকা কোনে

দিয়ে। এই সদনতে কোৱা হৈছিল যে এল, পি, এম ই, হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী স্কুলৰ শিক্ষকৰ দৰমহা, পোষ্ট চেংশ্যন অসম চৰকাৰে কৰে। প্লেন মানি দিবলৈকো টকা নাথাকে। কেতিয়াবা ১০ কোটি টকা বাজেটত ৰাখিলেও ৬ কোটিমানহে দিয়ে বাকী ৪ কোটি জিলা পৰিষেদে তেওঁলোকৰ নিজা ফাণ্ডৰ পৰা দিবলগীয়া হয়। আজি সদনত এটা তৰাবিহীন প্ৰশ্নৰ উত্তৰত ষ্টেট মিনিষ্টাৰে কৈছে যে নৰেন্দ্ৰৰ মাহৰ পৰা ২৫ খন স্কুলৰ শিক্ষকৰ দৰমহা দিয়া হোৱা নাই। গৰ্ভমেণ্ট গাৰ্লচ স্কুলে পোৱা নাই, হাইস্কুলে পোৱা নাই। এতিয়া কিয় দিব পৰা নাই? এতিয়াতো তাত জিলা পৰিষদ নাই জিলা উপায়ুক্তইহে চলাই আছে। আচলতে উপায়ুক্তইও চলোৱা নাই কংগ্ৰেছ দলৰ নেতা, কৰ্মচাৰীয়েহে চলাই আছে। যিয়ে চলাই চলাওক আমাৰ কথা নাই কিন্তু এতিয়া কিয় দৰমহা দিব পৰা নাই। আমাৰ জিলা পৰিষদক ১০ কোটি খাই পেলালে বুলি চাৰ্জ দিছিল এতিয়া কিয় নিদিয়ে? আমাক কিন্তু এইটো চাৰ্জ দিছিল।

অধ্যক্ষ মহোদয়, আমি যেতিয়া জিলা পৰিষদ লওঁ তেতিয়া কাৰ্বিআংলংৰ ভিতৰত থকা সকলো জনগোষ্ঠীৰ মানুহৰ লগত আলোচনা কৰি কিছুমান উৎসৱৰ ক্ষেত্ৰত বন্ধৰ দিন ঘোষণা কৰিছিলো। বিহু, দুৰ্গাপূজাতো আছেই তাৰ লগতে কাৰ্বিসকলৰ নিজা কিছুমান উৎসৱৰ ক্ষেত্ৰত বন্ধৰ দিন ধাৰ্য্য কৰি দিয়া হৈছিল। তাৰ লগতে আনকি কুকী, মাৰ, ৰেংমা আৰু চাহ জনজাতি আৰু বড়ো সকলৰ নিজস্ব উৎসৱৰ দিন আছিল। কিন্তু অসম চৰকাৰে জিলা পৰিষদ ভঙ্গ কৰি দিয়াৰ পিচত এইবোৰ উঠাই দিলে, একো নাই। এয়াই অসম চৰকাৰৰ আমাৰ পাহাৰীয়া জনজাতি ভাই-ভনী সকলৰ প্ৰতি মৰম দৰদ। এতিয়া কৰ্ত্তৃক এ,এচ, ডি চি, এন্টি বা নন কাৰ্বি নে অসম চৰকাৰ এন্টি-কাৰ্বি। উত্তৰ দিয়ক। আমাৰ জিলা পৰিষদখন ভঙ্গ কৰি দিয়াৰ লগে লগে সেইদিনা কংগ্ৰেছ অফিছত কৰ্ম্মী সকলৰ বিৰাট ভোজ, গাহৰি মঙহকে ধৰি বহু ধৰনৰ ৰঙা, বগা, অলপ ৰঙচুৱা আদি নানান পানীয়ৰে সৈতে ভোজ হৈছিল। কিন্তু তিনি দিনৰ পিছত যেতিয়া গম পালে অৰ্ডাৰটো ভুল হৈছে তেতিয়া তেওঁলোক কোনো বজাৰলৈকে নোলোৱা হ'ল। তাৰ পিচত মুখ্য-মন্ত্ৰী গ'ল কাৰ্বিআংলংলৈ তাত কোন বাইজ বা কিমান বাইজ গোট খাইছিল সেইটো মই কব নোখাও। আমি তাত বন্ধ দিছিলো। কিন্তু তেখেত ওপৰেদি

গ'ল আমি বন্ধদিয়া স্বত্বেও। ওপৰত বাধাদিয়াৰ শক্তি আমাৰ নাই। আমি এল টি, টি নহওঁ আই আৰ এওঁ ন নহয় সেয়ে আমি ওপৰত বাধা দিব নোৱাৰিলোঁ। তেখেঁত গ'ল তাৰপিছত সেই কংগ্ৰেছ অফিচতে কৰ্মী সকলৰ প্ৰেছিডেন্ট কোন হব, সাধাৰণ সম্পাদক কোন বা ট্ৰেজাৰাৰ কোন হব সেই লৈ এইবাৰ ভোজ নহয় মস্ত এখন যুজ দুজন ব্যক্তিৰ মাজত। এনে যুজ যে ৪ জন হস্পিটালত ভৰ্ত্তিহবলগীয়া হল। কাৰোবাৰ হাত আৰু কাৰোবাৰ ভৰি ভাঙিছে বিচাৰিলে ৰেকাৰ্ড পাব। তাৰ পিচত মুখ্যমন্ত্ৰী ডিফু মহকুমাৰ পৰা হামৰেন মহকুমালৈ গল। মোৰ সমষ্টিৰ ডং কামকামলৈ গল, সেয়ে ভাল লাগিল কাৰন সেই সমষ্টিটো মোৰ আৰু সেয়ে কাৰ্বি আংলংৰ বহু অফিচাৰ পৰিয়াল সহ তালৈ যাবলগীয়া হল আৰু সেই চেগতে অনন্ত: মোৰ সমষ্টিটো অফিছাৰ সকলে দেখিলে আৰু মোৰ ঘৰটোও চিনি পালে। তেওঁলোকে কোৱা কুই কৰিছে সেইটো আমাৰ লোকেল এম, এল, এ, ৰ ঘৰ। তাত বোলে কেএচএৰ কিবা কনফাৰেঞ্চ আছিল তালৈকে মুখ্যমন্ত্ৰী গৈছিল। কংগ্ৰেছৰো কেএচ এ আছে আৰু এ, এচ, ডি চীৰো কে এচ এ আছে। কে এচ এ দুটাই হওক বা এশটাই হওক আমাৰ আপত্তি নাই। তাত নতুন সভাপতি সাধাৰন সম্পাদক আদি কোনো নাই। কোনোবাই কৈছে আমি কাচডিকম কৰিম এইবোৰ নকৰো এইবোৰ লৈ কাজিয়া গণ্ডগোল। তাতে যেতিয়া মুখ্যমন্ত্ৰীয়ে কলে যে মই থকালৈকে অটনমাচ ষ্টেট হব নোৱাৰে তেতিয়া কে এচ,অ, আদিৰ মানুহ বিলাক তেওঁৰ মুখৰ আগতে ন অট'নমাচ ষ্টেট ন ৰেষ্ট আদি শ্লোগান দি গুচি গল। এইটো আমাৰ এ, এচ, ডিচীয়ে দিয়া নাই। সভা ভঙ্গ নেহোৱাকৈয়ে মানুহ পলাই গুচি গল। কোনোবাই কোনোবাই গ' বেক কংগ্ৰেছ আদি ধ্বনিও দিয়া শুনা গৈছিল। তাত সেইদিনা গোটখোৱা মানুহৰ মাজৰে এগৰাকী বুঢ়ী মানুহক এজনে সুধিছিল মুখ্যমন্ত্ৰীৰ এই ভ্ৰমনৰ কথা তেতিয়া তেখেতে উত্তৰ দিছিল যে আৰু তিনিবাৰমান তেখেঁত আহিলে আমি একেবাৰে শেষ হৈ যাম। সেই মই কব খুজিছোঁ যে আজি যিমানেই কাৰ্বি ৰাইজক অন্য ধৰণে বুজাবলৈ চেষ্টা নকৰক কিয় কাৰ্বি ৰাইজ আজি সচেতন। জয়ন্ত ৰংপী বা হলিৰাম টেৰাং থাকক নেথাকক কিন্তু স্বায়ত্ত শাসনৰ দাবী অটল থাকিব। তাত অসমৰ হিন্দু বঙালী, অসমীয়া, কাৰ্বি কুকী, নগা, বড়ো আদি সকলো জনগোষ্ঠীৰ মানুহ থাকিব। শ্ৰীচৰনক দিল্লীত লগ কৰোতে

বঙালী নগা, কুকী, কাৰ্বি আদি সকলোৱে আদিবাসী সেয়ে আমি আশাকৰো এই ক্ষেত্ৰত অসম চৰকাৰৰ শুভবুদ্ধিৰ উদয় হব অকল উত্তৰ কাছাৰ আৰু কাৰ্বিআংলংৰ স্বাৰ্থত নহয় সমগ্ৰ অসমৰ স্বাৰ্থতে ।

মিঃ স্পীকাৰ চাৰ, অসম আগতে অট'নমাচৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈছিল, এচিমিলেন্সৰ কথা কৈছিল কিন্তু ৰাজ্যপালৰ ভাষণত সেই বিলাক কথা নাই । অথচ এই বিলাক জড়িত থকা কথা । বড়ো-সকল যদি জনজাতীয় নহয়, কাৰ্বি সকল যদি জনজাতীয় নহয়, সোনোৱাল সকল বা তিৱা সকল যদি জনজাতীয় নহয় তেতিয়াহলে কি হব ? বড়ো সকল জীন যাওক কাৰ্বিসকল জীন যাওক, সোনোৱাল সকল জীন যাওক তিৱা সকল জীন যাওক এই ভাব লৈ অসমীয়াসকল বিহাৰী হৈ যাওক, হিন্দী কথা কওক এইটো হয় নেকি ? মনমোহন সিং ডাঙৰীয়াই ওৱাৰ্ল্ড বেংক বা আই এম এফৰ বাহিৰে আন একোৱে চিনি নাপায় । এই সম্পৰ্কত মোৰ মনত পৰিছে প্ৰখ্যাত কাৰ্টুনিষ্ট আৰ কে লক্ষ্মণৰ এটা কাৰ্টুনলৈ । "please do not tell any body twisted our arms, we twisted our arms ourselves" মনমোহন সিং আৰু নৰসিংহ ৰাও হাতত টোপোলা লৈ ওলাই আহিছে আৰু হাত বেকা কৈ ৰাখিছে । অকোৱা পকোৱা হাত দিছে তেনেকৈ এটা কাৰ্টুন আঁকিছে । কোনেও কাকো কব নালাগে বুলি দিছে এইটোৱেই হ'ল কংগ্ৰেছ চৰকাৰৰ কথা । আমি বেকা কৰি লোৱা বুলি কাকো কব নালাগে । আজি আমাৰ ৰাজ্যৰ অসমীয়া খিনিও হিন্দী স্পিকিং হৈ যাওঁক । নহলে আমেৰিকানাইজড হৈ যাওঁক । ইয়াং কি হৈ যাওঁক । এইটো আচৰিত কথা নহয় । কিন্তু মূল প্ৰশ্ন হ'ল আমি এই কথা কবলৈ বাধ্য হৈছো কাৰ্বি আংলং আৰু উত্তৰ কাচাৰৰ বহুত কথা আছে । তাৰ পৰাই আমি তথাকথিত বড়োলেণ্ড চুক্তিৰ ওপৰত মন্তব্য দিব খুজিছো, বড়োলেণ্ড চুক্তি হৈছে আমি ভাল পাইছো । বড়ো সকলে শেষত কষ্টৰ মূৰত এটা নিৰ্দিষ্ট পৰ্য্যয়লৈ আহিবলৈ পাইছে । বড়োলেণ্ড অট'নমাচ কাউন্সিল হৈছে আমাৰ আপত্তি নাই । কাৰো আপত্তি নাই । বড়োলেণ্ডৰ দ্বাৰা বড়ো ৰাইজৰ উন্নতি কৰিলে ভাল কথা । আমি আপত্তি নকৰো । কিন্তু এটা কথা মুখ্যমন্ত্ৰীয়ে কৈছে যে চুক্তি হোৱা কাৰণে ভাল হৈছে কিন্তু এফালে

দেখিছো বহু মন্ত্ৰীৰ নামত তেওঁলোক দিল্লীলৈ গৈ চুক্তিৰ বিৰোধীতা কৰিছে বুলি খবৰ ওলাইছে। এই মন্ত্ৰী সকলো উপস্থিত আছে আৰু কেবিনেটত পাচ হোৱাৰ পিচত চুক্তি হৈছে। সেইখিনিৰে পৰা ৰাজেশ পাইলট আৰু প্ৰধান মন্ত্ৰীক চুক্তিৰ বিৰোধিতা কৰি লগ কৰিছে। চৰকাৰৰ মুখ কোন ফালে পশ্চিমত নহয়, দক্ষিণত নহয় উত্তৰত নহয় উৰ্দ্ধত নহয় দলত নহয় নে কেইখন মুখ আছে এখন নে দুখন নে পাঁচখন মুখ ? চুক্তি যেতিয়া হৈছে ভালকৈ হওক। বড়োলেণ্ড অট'নমাচ কাউন্সিল হওক বড়ো ৰাইজৰ উন্নয়ণ হওক। আন আন অবড়ো জনজাতীয় লোকো উন্নত হওক এইটো আমি আশা কৰো। শেষত মই মাত্ৰ মূল দুটা কথা কব খুজিছো। ৰাজ্যপালৰ ভাষণত এই বিলাক কথাৰ উল্লেখ নাই। চাহবাগানৰ কথা নাই। দুটকাত চাউল পোৱা কথা কৈছে কিন্তু আমি পাহাৰত পোৱা নাই। ১২-১৩ টকাত কিনিছো। দুটকা বুলি কব নোৱাৰো। ডিফুত পায় বুলি কৈছে। টাউন কমিটিৰ চেয়াৰম্যানে কৈছে আমি কিন্তু পোৱা বুলি দেখা নাই। এতিয়া দেখিছো দুই লাখ লোকক চাকৰি এটা বছৰৰ ভিতৰতে দিয়াৰ কথা কৈছে কিন্তু দুই লাখ দিয়া নাই। বৰঞ্চ ছটাই কৰিছে। আনকি বহু মাষ্টাৰ ৰলকো ছটাই কৰিছে। দুই লাখ কেৱল নহয় বছৰত দুই লাখকৈ পাচবছৰত কৰ্ম্ম-চাৰীক ছটাই কৰিব এইখন চৰকাৰে। এইখন চৰকাৰে বিদ্যুৎ যোগাব নোৱাৰে আৰু তাকে কৰিবলৈ বুলি কলিকতালৈ গৈ পিয়াৰলেচৰ ওচৰত হাতযোৰ কৰি শতকৰা কুৰিভাগ হাৰত টকা ধাৰলৈ লৈছে। এইটো আমি শুনিছো। ৰাজ্যপালে কিয়নো নকলে দুইলাখ চাকৰিৰ কথা ? ৰাজ্যপালে কিয়নো নকলে দুটকীয়া চাউলৰ কথা ? এইখন চৰকাৰৰ বিত্তীয় অৱস্থাৰ কথা নকওঁ। বাজেট বক্তৃতা দিয়াৰ সময়ত কম। এটা নতুন কথা কব খুজিছো। চাৰ আমি আগতে শুনিছিলো ঠিকাদাৰ বিলাকৰ টকা আছে। দেউতা-হতেও কোৱা শুনিছিলো যে ঠিকাদাৰ সকলৰ বহুত টকা আছে। আমি আন্দোলন আদি কৰিবলৈ ওলালে তেওঁলোকৰ ওচৰলৈ গলে তেওঁলোকে কৈছিল আমিনো কি ষ্ট্ৰাইক কৰো ধৰ্ম্মঘট কৰো ইত্যাদি ইত্যাদি। কিন্তু এতিয়া আজি ঠিকাদাৰ সকলেও ষ্ট্ৰাইক কৰে। অফিচৰ সম্মুখত ধৰ্ণা দিয়ে। এতিয়া ঠিকাদাৰ সকলেও শ্লোগান দিবলগীয়া হৈছে। ধৰ্মঘাট কৰিবলগীয়া হৈছে। তাৰ মানে মানুহৰ কি অৱস্থা হৈছে ? অসমৰ কি অৱস্থা হৈছে ?

আমি অসমৰ কি অৱস্থাৰ কথা বুজিম্। সকলোবিলাক ওৱাল্ড বেংকে ঠিক কৰি দিয়ে। ভি-চি- আৰৰ দামৰ পৰা কৰ উঠাই দিছে, কাষ্টমচ ডিউটি উঠাই দিয়াৰ পিচত এতিয়া ২২ তাৰিখৰ পিচত আমাৰ ইয়াতে কি হয় গম আহিব। এইয়ে হ'ল অসমৰ অৰ্থনৈতিক অৱস্থা। অসমৰ এটা ডাঙৰ জনগোষ্ঠীৰ ভিতৰত সংখ্যালঘুৰ ভিতৰত এটা হ'ল মুছলিম সকল। কিন্তু ধৰ্মৰ নামত ভাষাৰ নামতজাতিৰ নামত অসমখন বিভাজন হ'ল। (সময়ৰ সংকেত)

আগৰ চৰকাৰে এ, জি, পি চৰকাৰে এই বিভাজন আনিছিল বুলি কোৱা হৈছে কিন্তু সংখ্যালঘু খিনি কংগ্ৰেছৰ লগত থকা বুলি কৈছিল। এতিয়া ইউ; এম, এফ নাই। সকলো কংগ্ৰেছতে গৈছে। এজনো নাই বিধায়ক। কিন্তু সিদিনাখন জলেশ্বৰত ধীশক্তি সন্মিলনী হৈ গ'ল। ইন্টা-লেকচুৱেল মিট হৈছে তপোবনত। আফজালুৰ ৰহমান আছে আৰু বহুত আছে। মিটিঙৰ আৰম্ভণীৰে পৰা শেষলৈকে কংগ্ৰেছৰ সমালোচনা কৰিছে। সংখ্যালঘু ৰাইজৰ কথা নহয়। ৰাইজৰ মাজৰ নেতাসকল যোগ হৈ আলোচনা কৰিছে। নেতাসকলৰ চিন্তা চৰ্চা কৰা ব্যক্তি সকলে লগ হৈ আলোচনা কৰিছে। এইটো নিশ্চয় মন কৰিবলগীয়া দিশ। এতিয়া কংগ্ৰেছত কাৰ্বি আৰু ডিমাচা আছে সংখ্যালঘু আছে বুলি কলেও কি হব আচলতে বিভাজন ৰাজনৈতিক ভাবেই কৰা হৈছে। এই কথা এতিয়া মুচলীম সকলৰ, সকলোৰে এতিয়া উপলব্ধি হৈছে। উপলব্ধি কৰিবলৈ আৰম্ভ কৰিছে। এতিয়া সংকটৰ সময়। তেওঁলোকে এই কথা সন্দেহ কৰিছে। সংকট ভালৰ আৰু বেয়াৰ, দুটা দিশ আছে পজিটিভ আৰু নিগেটিভ। সংকটৰ সুবিধা আছে অসুবিধাও আছে। যি সকলে ভাল কাম কৰিব পাৰে আমি আশা কৰো এইখিনিত আমাৰ বিধান সভাৰ মাননীয় সদস্য সকল আছে। সেয়েহে আজি মই সকলো মাননীয় সদস্যাই সংকটৰ পৰিবৰ্ত্তিত সুযোগ গ্ৰহণ কৰিব লাগে বুলি কওঁ। তাৰ কাৰণে পৰিবেশ আমি আনি লব লাগিব। নতুন পৰিবেশ, আমি নতুন গাঠনিৰ দ্বাৰা অৰ্থনৈতিক ভিত্তিত সামাজিক নীতিৰ ভিত্তিত ৰাজনৈতিক নীতিৰ ভিত্তিত সংকটৰ সময়ৰ সুযোগ লৈ পৰিবৰ্ত্তিত কৰিব পাৰিব লাগিব। যিসকলে চিন্তা কৰিব পাৰে সেই সকলো ব্যক্তিয়ে কংগ্ৰেছৰ ওপৰত নিৰ্ভৰ নকৰি একেলগে লগ হৈ এই বিলাক কথা চিন্তা কৰি সেই

মতে আগুৱাই যোৱাৰ কাৰণে এইখিনি কথা কৈ সামৰিছো ।

* শ্ৰীচন্দন কুমাৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় ৰাজ্যপালৰ ভাষণ সমৰ্থন জনায় দুষাৰ মান কবলৈ ওলাইছো । ৰাজ্যপালৰ ভাষণত বিভিন্ন কথা উল্লেখ কৰা হৈছে আৰু সেই ক্ষেত্ৰত মই কব বিচাৰো যে আজি কেইবা বছৰো ধৰি অসমখনত যিবোৰ জলন্ত সমস্যাই জুৰুলা কৰি আছিল সেই সমস্যাবোৰ বৰ্তমান অসম চৰকাৰে আৰু বিশেষকৈ আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সমাধান কৰাত সাফল্য অৰ্জন কৰিব পাৰিছে । অসমত বড়ো-সকলে তেওঁলোকৰ দীৰ্ঘদিনীয়া দাবীলৈ যি আন্দোলন কৰি আহিছিল আজি এই চৰকাৰৰ দিনতেই সেই আন্দোলন নাইকীয়া হৈছে আৰু অসমত শান্তি স্থাপন হৈছে । এই ক্ষেত্ৰত আজি বহুতে বহু ধৰণৰ কথাই কৈছে কিন্তু যোৱা কেই বছৰত অসমত যিটো পৰিস্থিতি হৈছিল সেই পৰিস্থিতি আজি অসমত নাই । বড়ো সকলে সুকীয়া ৰাজ্যৰ দাবী কৰি যি আন্দোলন কৰিছিল তেওঁলোকৰ সেই দাবীৰ ভিত্তিতে এই চৰকাৰে তেওঁলোকৰ লগত আলাপ আলোচনা কৰি তেওঁলোকক সুকীয়া ৰাজ্য নিদিয়াকৈয়ে এটা নিদিষ্ট অঞ্চলত স্বায়ত্ব শাসিত পৰিষদ গঠনে এই দীৰ্ঘ দিনীয় সমস্যাৰ ওৰ পেলাব পাৰিছে । এই ক্ষেত্ৰত আজি অসমৰ বাইজে অসম চৰকাৰক ধন্যবাদ নিদি নোৱাৰে । তাৰ বাহিৰেও অ, গ, প, চৰকাৰৰ দিনত যিটো আলফাৰ সমস্যাৰ সৃষ্টি কৰিছিল সেই সমস্যাও সমাধান কৰা ক্ষেত্ৰত কংগ্ৰেছ চৰকাৰেই যথেষ্ট চেষ্টা কৰিছে আৰু তাৰ ফলশ্ৰুতি হিচাবে আজি অসমৰ জনসাধাৰণে মুকলি মুৰীয়া ভাবে বাটত থিয় হব পাৰিছে । এই চৰকাৰে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ আগতে অসমৰ অৰ্থনৈতিক পৰিস্থিতি ইমান বেয়ালৈ গৈছিল যে অসমখন প্ৰায় শেষ হৈ গৈছিল । কোনো এটা বিভাগৰে উন্নয়নৰ ক্ষেত্ৰত এপইচাও নাছিল । কিন্তু তেনে পৰিস্থিতিৰ মাজতো এই চৰকাৰে কাম কৰি গৈছে আৰু উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট ব্যৱস্থা হাতত লব পাৰিছে । এই চৰকাৰৰ দিনতে গোটেই অসমতে গণতান্ত্ৰিক পদ্ধতিৰে পঞ্চায়তৰ নিৰ্ব্বাচন অনুষ্ঠিত কৰি সৰ্ব সাধাৰণ লোকৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছে আৰু সেই ক্ষেত্ৰত কোনো ৰাজনৈতিক হস্তক্ষেপ এই চৰকাৰে কৰা নাই তাৰোপৰি এই চৰকাৰে

* Speech not corrected.

প্ৰত্যেক খন গাওঁ পঞ্চায়তৰ উন্নয়ণৰ কাৰণে এক লাখ টকা কৈ দিছে।

অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছো যে আজি কিছু দিন আগতে বাবৰি মছজিদ আৰু ৰাম জনমভূমিৰ বিষয়টোক লৈ সমগ্ৰ ভাৰতবৰ্ষতে যি দাঙ্গা হাঙ্গামাৰ সৃষ্টি হৈছিল সেই সময়তো অসমত ধুবুৰী গোৱালপাৰা আদি তিনিখন জিলাৰ বাহিৰে কতো কোনো হিংসাত্মক ঘটনা ঘটা নাছিল আৰু যিখিনি অশান্তিৰ সৃষ্টি হৈছিল সেইখিনি এই চৰকাৰৰ দিনতে সমাধান কৰিব পৰা হৈছিল আৰু তাৰ কাৰণে আমি এই চৰকাৰকে ধন্যবাদ দিব লাগিব। ৰাজ্যপালৰ ভাষণত শিক্ষাৰ ক্ষেত্ৰতো এই চৰকাৰে যথেষ্ট ব্যৱস্থা হাতত লোৱাৰ কথা উল্লেখ কৰিছে। যোৱা অ, গ, প, চৰকাৰৰ দিনত এখনো প্ৰাইমাৰী স্কুল প্ৰাদেশীকৰণ কৰিব পৰা নাছিল। কিন্তু অসমত কংগ্ৰেছ চৰকাৰ অহাৰ লগে লগে তিনি হাজাৰ প্ৰাইমাৰী স্কুল প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা হ'ল আৰু ৪০ হাজাৰ নিৱনুৱাক চাকৰি দিয়াৰ ব্যৱস্থা কৰিব পৰা হ'ল। ভাৰতবৰ্ষৰ ইতিহাসত আজিলৈকে একেলগে ইমানখিনি চাকৰি দিয়াৰ ব্যৱস্থা কোনেও কৰিব পৰা নাই। গতিকে সেই ক্ষেত্ৰত আমাৰ শিক্ষা বিভাগক আমি ধন্যবাদ দিব লাগিব।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত মাছৰ যিটো সমস্যা সেই সমস্যা দুৰ কৰাৰ কাৰণে আগৰ চৰকাৰে কোনো ব্যৱস্থা হাতত লোৱা নাছিল। তেওঁলোকৰ দিনত মাত্ৰ ১৬খন বিল উন্নয়নৰ বাবে এপ্ৰুভ কৰিছিল। কিন্তু এই চৰকাৰে ১৯৯১-৯২ আৰু ৯৩ চনত বছৰে ২০খনকৈ বিল উন্নয়নৰ কাৰণে ব্যৱস্থা হাতত লৈছে।

পৰিবহনৰ ক্ষেত্ৰতো এই চৰকাৰে যথেষ্ট ব্যৱস্থা হাতত লৈছে। মই আনৰ কথা নকওঁ, কিছুদিন আগলৈকে মোৰ জিলা খনতে এনেকুৱা এটা অৱস্থা আছিল, তাত কৰবালৈ যাব লগা হলে আপুনি বাতত কিমান সময় গাড়ীৰ কাৰণে ৰৈ থাকিব লাগে তাক বৰ্ণনা কৰিব নোৱাৰি। কিন্তু এতিয়া তাত পৰিবহনৰ যথেষ্ট উন্নতি সাধন কৰা হৈছে। সেইদৰে কৃষি বিভাগৰ ক্ষেত্ৰতো যোৱা ৫ বছৰে যি অৰাজকতাৰ সৃষ্টি হৈছিল সেইবোৰ কৈ শেষ কৰিব নোৱাৰি। সেই সময়ত চৰকাৰৰ ফালৰ পৰা বহুতো শস্য বিতৰণ কৰা বুলি কৈছিল। কিন্তু সেইবোৰ প্ৰকৃততে কৃষক ৰাইজে পাইছিল নে নাই সেইটোও বিচাৰ্য্যৰ বিষয়

তাৰ পৰিবৰ্ত্তে এই চৰকাৰে শাসন ভাৰ লোৱাৰ পিচৰে পৰা কৃষি ক্ষেত্ৰত যথেষ্ট মনোযোগ দিয়া হৈছে আৰু তাৰ ফলস্বৰূপে এতিয়া আমাৰ শস্যৰ উৎপাদান যথেষ্ট বৃদ্ধি পাইছে।

অধ্যক্ষ মহোদয়, যোৱা কেইটা বছৰত অসমৰ পৰা বিদেশী খেদাৰ নামত যিটো অৱস্থা হৈছিল। তাক কৈ শেষ কৰিব নোৱাৰি। ভোটাৰ লিষ্টৰ সংশোধনীৰ নামত বিশেষকৈ সংখ্যালঘু সকলৰ ওপৰত যি হাৰাশাস্তি কৰা হৈছিল সেইবোৰ কৈ শেষ কৰিব নোৱাৰি। সেই সময়ত আমি ভালদৰে টোপনি মাৰিব পৰা নাছিলো। সেই সময়ত যি সকলে অসমত ৪০ লাখ বিদেশী আছে বুলি চিঞৰ বাখৰ কৰিছিল তেওঁলোকে কিন্তু এই ক্ষেত্ৰত একোকে কৰিব পৰা নাছিল। কিন্তু এই চৰকাৰে এই ক্ষেত্ৰত যথেষ্ট কাম কৰিব পাৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, বঙাইগাওঁ জিলাৰ বহু ঠাই বড়োলেণ্ড এৰিয়াত পৰিছে। আজি বহুত সদস্যই সদনত এই বিষয়ে কৈছে। আজি এনে হৈছে যে অনা বড়ো সকলেও মুক্ত ভাবে কথা বতৰা পাতিব পাৰিছে। তেওঁলোকৰ ভয় হোৱা নাই। যি সকলে বড়োলেণ্ডৰ নেতৃত্ব লব তেওঁলোকে আমাৰ অনা বড়ো সকলক যথেষ্ট বিশ্বাসত লৈছে। ইয়াত ভয় পাব লগীয়া একো কথা নাই। এইখন চুক্তি যথেষ্ট ভাল হৈছে। অসমত শান্তি থাকিব। যোৱা পাচ বছৰে যি অশান্তিৰ সৃষ্টি হৈছিল, চুক্তি হোৱাৰ পিচত মানুহে শান্তিত বসবাস কৰিব পাৰিছে। অসম চৰকাৰে তেওঁলোকৰ দাবী মানি লৈছে। এই ক্ষেত্ৰত চৰকাৰে বলিষ্ঠ পদক্ষেপ লৈছে। অসমৰ সমস্যাৰ ভিতৰত অসম চুক্তি কৰিছিল। অসম চুক্তিত কেবাটাও উল্লেখযোগ্য দাবী আছিল। সেই বিলাক কাৰ্য্যকৰি ব্যৱস্থা লৈছে। নুমলিগড় তেলশোধানাগাৰৰ আধাৰশিলা স্থাপনৰ বাবে মাননীয় প্ৰধান মন্ত্ৰী আহিছিল। আধাৰশিলা স্থাপন কৰিছে চৰকাৰে অসম চুক্তিৰ যথেষ্ট গুৰুত্ব দিছে। অসমত যে শান্তি বিৰাজ কৰিব অসমৰ বাহিৰে ভবা নাছিল। অসম অন্ধকাৰও আছিল। বিভিন্ন বিভাগৰ কাম কাজ হৈছে। সেই কাম কাজ বিলাক লক্ষ্য কৰিলে দেখা যায় যে যোৱা পাচ বছৰত পুলিচ বিভাগত ভাৰিক সংখ্যালঘুৰ নিযুক্তি হোৱা নাছিল। আজি বিভিন্ন বিভাগত চাকৰি বাকৰি হৈ আছে। চাকৰি বাকৰি হওঁক, ঠিকা

ঠকুলিয়েই হওঁক সামানঞ্জস্যতা বক্ষা কৰি চৰকাৰে দি আছে। মোৰ এলেকাতে দিয়া হৈছে। বৰ্ত্তমান যিবিলাক কমিটি গঠন কৰা হৈছে তাত ৰিৰোধী দলৰ সদস্যাকো অন্তৰ্ভুক্তি কৰা হৈছে। তেওঁলোকে কোনো ধৰণৰ আপত্তি কৰা নাই। আলফাৰ ক্ষেত্ৰত মই শুনিবলৈ পাইছো মানুহ মাৰিলে দুই লাখ টকা আৰু নামাৰিলে এক লাখ টকা দিয়ে। টকা দিয়া ডাঙৰ কথা নহয়। দুই তিনি বছৰ আগতে এইখিনি কথা কবলৈ যোৱা নাছিল। কাৰণ কলে মাৰিব। এ, জি, পিৰ দিনত আলফাৰ সৃষ্টি হৈছে। তেতিয়া কোনো পুলিচ প্ৰশাসনে ব্যৱস্থা লব পৰা নাছিল। অধ্যক্ষ মহোদয় আপুনি নিজে হোজাই অঞ্চলৰ পৰা আহিছে। আপুনি নিজে গম পাইছিল যে আপুনি কেনেকৈ দিন কটাব লগা হৈছিল। দুই লাখ টকাৰ আচল প্ৰশ্ন নহয়, যি সকল জংঘলত সোমাই গৈছে তেওঁলোকক আনিবৰ কাৰণে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে বলিষ্ঠ পদক্ষেপ লৈছে। তেওঁলোক যদি মূল স্থৃতিলৈ ঘুৰি আহে দুই লাখ নহয়, দুই কোটি দিব লাগিব, তেওঁলোকক মানুহ কৰিব লাগিব, যদি চৰিত্ৰ ভাল হয় দেশৰ কাৰণে কাম কৰে। যিখিনি বাকী আছে গোটেই সমস্যা কংগ্ৰেছ চৰকাৰৰ আমোলতে শেষ কৰিব পাৰিম বুলি মোৰ দৃঢ় বিশ্বাস আছে। আমি ৰহুত কথা কৰলৈ ৰাধ্য হৈছো। বাহিৰৰ পৰিস্থিতি বেয়া হৈছে। অসম চৰকাৰ অহাৰ লগে লগে আজি ৬ শ কোটি টকাৰ ঋণ পাব লগা হৈছে। ৰিধান সভাৰ মজিয়াত ৰিৰোধী সদস্য সকলে ধন্যবাদ নিদিলেও গাও-ভুঁয়ে বিভিন্ন জনসাধাৰণে ধন্যৰাদ দিছে। আমি সেই কাৰণে পঞ্চায়ত নিৰ্বাচনত জয়যুক্ত হৈছো। যদি অসম চৰকাৰে বেয়া কাম কৰিলেহেতেন ৰাইজে কেতিয়াও ভোট নিদিলেহেতেন। ৰিৰোধী দলৰ যি সকল সদস্য আছে তেওঁলোকে সহযোগিতা কৰিব লাগে, তেতিয়াহে অসমৰ উন্নতি হব পাৰে। টাউন কমিটিৰ ক্ষেত্ৰত মই পৰামৰ্শ দিব ৰিচাৰিছো যে যিখিনি নিৰ্ব্বাচন হ'ল আৰু যিখিনি বাকী আছে, এতিয়া ভোটাৰ লিষ্ট সংশোধনৰ প্ৰচেষ্টা চলি আছে শেষ হলে সকলোখিনি নিৰ্ব্বাচন হৰ লাগে। এই ক্ষেত্ৰত কিছু দিন দেৰী হব পাৰে। এই সম্পৰ্কত আমাৰ যিবিলাক তদন্ত কমিটি বহিব লাগে চৰকাৰী বিষয়া সকলে বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে। বিভিন্ন টাউন কমিটিৰ বিভিন্ন সমস্যা আছে। টাউন কমিটি বিলাকে যথেষ্ট টকা পইচা খৰচ কৰি ৰাস্তা-ঘাট

আদি সময় মতে কৰিব পৰা নাই। অসম চৰকাৰে অনতি পলমে এই ক্ষেত্ৰত এটা নিৰ্দ্দিষ্ট সিদ্ধান্ত লব লাগে। অসুবিধা বিলাক দূৰ কৰিবলৈ তদন্ত কমিটি গঠন কৰাৰ বাবে মই চৰকাৰক অনুৰোধ কৰিছো। পঞ্চায়তৰ ক্ষেত্ৰত এটা কথা চিন্তা কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই অসম চৰকাৰক পৰামৰ্শ দিব বিচৰিছো যে অসমত যি খন ৮ 'এক্ট' হৈছে তাত বিধায়ক সকলকো 'ইনভল্‌ভ' কৰিব লাগে। সমষ্টিত যিবিলাক ৰাস্তা-ঘাটৰ কাম আছে সেইবিলাক বিধায়কৰ পৰামৰ্শ মতে কৰিব লাগে। বিধায়ক সকলক ইনভল্‌ভ কৰিলেহে বিষয়া সকলক পৰামৰ্শ দিয়াত সুবিধা হব তেতিয়াহে আমাৰ উন্নয়নৰ কাম কৰিব পৰা হব। এই ক্ষেত্ৰত বিধায়কক চেয়াৰমেন কৰিলেহে বিভিন্ন সমস্যা সমাধান কৰিব পৰা হব। আমাৰ পঞ্চায়তৰ কামবিলাক কৰাত এটা স্পষ্ট নীতি থাকিব লাগে। তেতিয়া উন্নয়নমূলক কাম কাজ কৰাত যথেষ্ট সুবিধা হয়।

মাননীয় অধ্যক্ষ মহোদয়, আজি অসমত সাম্প্ৰদায়িক গণ্ডগোল বিভিন্ন ঠাইত হৈছে বুলি উল্লেখ কৰিছে। তাত আমাৰ বিধায়ক সকল জড়িত আছে বুলি কৈছে। এই সাম্প্ৰদায়িক গণ্ডগোল বিলাকত বিধায়কসকল থাকিব নোৱাৰে। অসমৰ সাম্প্ৰদায়িক গণ্ডগোল হোজাই, যমুনামুখৰ পৰা ধুবুৰীলৈকে হৈছে, মন্ত্ৰী বিধায়ক সকলক বিভিন্ন কাৰণৰ দোষাৰোপ কৰা হৈছে। কিন্তু এই বিলাকত বিধায়ক, মন্ত্ৰী জড়িত থাকিব নোৱাৰে। এইটো মোৰ দৃঢ় বিশ্বাস। অসমত কোনো ধৰণৰ সাম্প্ৰদায়িক গণ্ডগোল কৰিব নোৱাৰে তাৰ প্ৰতি দৃষ্টি ৰাখিব লগা হৈছে। মাননীয় বন্ধু বিধায়কে ইয়াত প্ৰশ্ন উঠাইছে বড়ো সমস্যা আলফা সমস্যাৰ চুক্তি হৈছে। আন্দোলন কৰিব পাৰে ডাঙৰ কথা নহয়। সেই আন্দোলনৰ লগত কিমানখিনি যুক্তি যুক্ততা আছে সেইটো নিৰ্ভৰ কৰে যুক্তি যুক্ততাৰ ওপৰত। বড়ো সমস্যাৰ লগত আলফা সমস্যাৰ লগত তুলনা কৰিব নালাগে।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মাননীয় বন্ধু সদস্য ই কংগ্ৰেছৰ নিৰ্ব্বাচনী ইস্তাহাৰত ২ টকাৰ চাউল দিয়াৰ বিষয়ে সমালোচনা কৰিছে। এই দুই টকাৰ চাউল আমাৰ বিতৰণ কৰা হৈছে। আমাৰ অভয়াপুৰ চাব-ডিভিজনত দুই টকাৰ চাউল পাইছে। মাননীয় সদস্য শ্ৰী ভূপেন ৰায়ৰ সমষ্টিত এই দুই টকাৰ চাউল পাইছে এই বিষয়ত কোনো ৰাজনীতি কৰা হোৱা নাই।

বৰ্ত্তমান অসম চৰকাৰৰ হাতত টকা নাই বাবে দুই টকা দৰৰ চাউল সকলো ঠাইত সমানে বিতৰণ কৰিব পৰা নাই। যি ঠাইত দুই টকা দৰৰ চাউল পোৱা নাই অসম চৰকাৰে তাত দিয়াৰ কাৰণে চেষ্টা কৰিব। এই খিনিতে কৈ মই মাননীয় ৰাজ্যপালৰ ভাষণ সমৰ্থন কৰি সামৰনি মাৰিলো।

* ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল ডাঙৰীয়াই এই সদনত যোৱা কালি যি ভাষণ ৰাখিছে তাৰ ওপৰত মাননীয় সদস্য শ্ৰী মুজিবুৰ ৰহমান ডাঙৰীয়াই যি ধন্যবাদ প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰিব নোৱাৰাৰ কাৰণে মই নিজে দুখ পাইছো। মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ এই ভাষণ মই ভাবো যে বিকৃত আৰু অসত্যৰ ওপৰত প্ৰতিষ্ঠিত। এনেকুৱা ভাষণ এই সদনত ইয়াৰ আগতে ৰাজ্যপাল ডাঙৰীয়াৰ দ্বাৰা পাঠ কৰা হৈছিলনে নাই নাজানো। মই ভাবো এনে ধৰণৰ নজিৰ ইয়াত নাই। এই ভাষণত বৰ্ত্তমান সময়ৰ বড়ো লেণ্ড সমস্যাৰ কোনো ধৰণৰ আলোকপাত কৰা নাই বুলি কব বিচৰা নাই। মই ব্যাখ্যা কৰিব বিচৰা নাই। আমাৰ দলৰ পৰা মাননীয় সদস্যসকলে বক্তব্য ৰাখিব। মই কেৱল চমুকৈ কেইটামান বিষয়ৰ ওপৰত চমুকৈ বক্তব্য ৰাখিব বিচাৰিছো। ১৯৯২/৯৩ চনৰ বাজেট উৎথাপন কৰাৰ সময়ত আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এখন ৰাহি বাজেট উৎথাপন কৰিছে আমি আনন্দ আৰু সুখ পাইছিলো। এই কাৰণে আমাৰ অসমৰ জনসাধাৰণৰ সমস্যা সমাধান কৰিবৰ বাবে নিশ্চয় ক্ষিপ্ৰভাৱে ব্যৱস্থা লব পৰা হব। চৰকাৰৰ এবছৰ শেষ হবৰ কাৰণে আৰু ১৫ দিন বাকী আছে। আমি যোৱা বছৰ কি দেখিছো ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা আৰু ৰাজ্যখনৰ উন্নয়নৰ দিশ সেইটো সম্পূৰ্ণ ৰূপে স্থবীৰ হৈ গৈছে। আজি উন্নয়নৰ নামত কোনো অৰ্থনৈতিক কাম দেখিবলৈ পোৱা নাই। উন্নয়নৰ নামত যি টকা আবণ্টন কৰা হৈছিল সেই টকা অন্যান্য ঠাইত খৰচ কৰা দেখা গৈছে। সেই কাৰণে মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত বৰ্ত্তমান ৰাজ্যখনত যি অৰ্থনৈতিক অৱস্থা কতো উল্লেখ কৰা নাই। অৰ্থনৈতিক অৱস্থা বা উন্নয়নৰ কথা মই কোৱাৰ প্ৰয়োজন নাই। আজি ৪মাহ আগতে চৰকাৰ পক্ষৰ মাননীয় বিধায়ক এজনে (এতিয়া তেখেত মন্ত্ৰী হল) ৰাজহুৱা ভাবে বাতৰি কাকতত প্ৰচাৰ কৰিছিল যদি ৰাজ্যখনৰ এনে ধৰণৰ

* Speech not corrected.

কোনো উন্নয়নমুলক কাম নহয় তেতিয়াহলে মই সদস্য পদ বাদ দিবলৈ বাধ্য হম । এইটো মোৰ কথা নহয় তেওঁ কোৱা কথা বেংঞ্চৰ সদস্যৰ কথা । আজি কিছু দিন আগতে তেখেতে পশুপালন মন্ত্ৰী হৈছে । তেখেতে এই কথাটো ব্যক্ত কৰিছিল । ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত ধুনীয়া শব্দ প্ৰয়োগ কৰা হৈছে । এই ভাষণ সত্যৰ ওপৰত প্ৰতিস্থিত হোৱাহেতেন ভাল পালো-হেতেন ।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াই এই সদনত দিয়া ভাষণত কিছু প্ৰতিক্ৰিয়া কৰা হৈছে । সত্যৰ ওপৰত প্ৰতিস্থিত হোৱাহেতেন আমি নিশ্চয় ভাল পালোহেতেন । বিভিন্ন বিভাগত হোৱা দুৰ্নীতিৰ কথা মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত উল্লেখ নাই । দুৰ্নীতিৰ বিষয়ে পুনৰ দোহৰা নিশ্চয় প্ৰয়োজন নাই । আচল কথাটো হৈছে আমাৰ ৰুলিং পাৰ্টিয়ে এই দুৰ্নীতিৰ বিষয়ে সুধিলে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই হল মূল । ব্যাখ্যাৰ নিশ্চয় নিস্প্ৰয়োজন । এনেকুৱা এটা কথা মহামান্য ৰাজ্যপালৰ ভাষণত উল্লেখ নাই । ট্ৰেজাৰী বেঞ্চৰ বিষয়ে জনাৰ বিচাৰিছো । মোৰ সমষ্টি গৰৈমাৰী মৌজাৰ ছয়গাওঁ গাওঁপঞ্চায়তৰ সভাপতি এগৰাকীয়ে তেখেতৰ নঙলাৰ মুখত চাকৰিৰ বাবে যোগাযোগ কৰক বুলি এখন চাইন বোৰ্ড লিখা আছে । চাইনবোৰ্ডখন আনে মৰাৰ প্ৰয়োজন নাই । আজি এই চৰকাৰৰ দিনত চাকৰিৰ দোকান খুলিছে । কিছুমান দোকানত ভাল চাহ পাত পোৱা যায় । গাখীৰ পোৱা যায় বুলি চাইন বোৰ্ড মৰা থাকে হয় কিন্তু চাকৰিৰ নামত দোকান দিয়া ব্যৱস্থা প্ৰথম বিধান সভা আৰম্ভ হোৱাৰ পৰা নজিৰ কতো নাছিল । গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই কথাবিলাকৰ কাৰণে মহামান্য ৰাজ্যপালৰ ভাষণত উল্লেখ থাকিব লাগিছিল । আমাৰ ৰুলিং পাৰ্টিৰ ফালৰ পৰা আৰু ৰাজ্যপালৰ ভাষণত কৈছে যে বড়ো সকলৰ সমস্যা সমাধান কৰা হৈছে । বড়ো সকলৰ সমস্যা সমাধান কৰাৰ কাৰণে আমাৰ দ্বিমত নাই বা আমি আপত্তি কৰা নাই । কিন্তু দেখা যায় বড়ো নথকা ঠাই বড়ো কাউন্সিলৰ লগত সন্নিবিষ্ট কৰা হৈছে । আজি ভামুলপুৰ, নলবাৰী, কলাইগাওঁ আৰু ৰঙ্গাইগাওঁ অঞ্চলসমুহক এবাৰৰ কাৰণে ভাবক । আমাৰ সাতাম পুৰুষীয়া সম্প্ৰীতিত আঘাট সনা নাই নে ? কোনো এটা চেংচনক সন্তুষ্ট কৰিবৰ কাৰণে আন

এটা চেংচন ক্ষতিগ্রস্ত হব লগা হৈছে । তেওঁলোকৰ আশা-আকাংখ্যাত আঘাট সনা হৈছে । এনেকুৱা এখন গুৰুত্বপূৰ্ণ দলিলত আজি হাজাৰ হাজাৰ জন-সাধৰণে সম্পূৰ্ণ দায়িত্ব চৰকাৰে বহন কৰিব লাগিব । মাননীয় অধ্যক্ষ ডাঙৰীয়া, মহামান্য ৰাজ্যপালৰ ভাষণত ৰাজ্যখনৰ পৰিস্থিতিৰ বিষয়ে উল্লেখ কৰা হৈছে, ল এণ্ড অৰ্ডাৰ চিটিউচন ভালে আছে । কিন্তু আমি বাতৰি কাকতত সদায়ে পঢ়িবলৈ পাও কৰবাত নহয় কৰবাত আলফাই হত্যা কৰিছে কৰবাত অপহৰণ কৰিছে । আলফাৰ সমস্যা সমাধান কৰিব পৰা নাই । চৰকাৰে সমস্যা সমাধান হোৱা বুলি কৈছে যদিও যি ধৰণে হব লাগিছিল সেই ধৰণে সমাধান কৰিব পৰা নাই । মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণত যি সংশোধনী আনিছো সেই সংশোধন গ্ৰহণ কৰিব লাগে । আমাৰ মাননীয় সদস্য মুজিবুৰ ৰহমানৰ ধন্যবাদ সুচক প্ৰস্তাৱটো আমি সংশোধনী আনিছো সেইটো প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে ।

Mr. Speaker : Dewan Joynal Abedin.

Shri Dewan Joynal Abedin : May I ask for a favour. I would like to speak tomorrow.

Mr. Speaker : We have allotted time for you. Who will speak ?

* শ্ৰী বদন বৰুৱা : মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সুচক প্ৰস্তাৱ আনিছে আমাৰ মাননীয় বিধায়ক ৰহমান ডাঙৰীয়াক আমি সমৰ্থন কৰিছো লগতে আমাৰ মাননীয় বিধায়ক বৰগোহাঁইদেৱে অনা ধন্যবাদসুচক প্ৰস্তাৱটোও । আমি বাতৰিকাকতত দেখিবলৈ পাইছিলো যে নতুনকৈ মন্ত্ৰী সভা সালসলনি হ'ল । এই দুটা বস্তুতে বিশেষকৈ খুব মাত মাতিছিলো পিচত আমি দেখিছো তেখেত সকল ইয়াৰ সমৰ্থকো হল আৰু প্ৰস্তাৱও আগবঢ়ালে । এইটো কেনেকৈ হল আমি নাজানো । মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে যিভাৱে ভাষণ দিলে সেইটো আমাৰ সংবিধানৰ গণ্ডীৰ ভিতৰত পৰে । সেইদৰে আমাৰ লোক সভাত প্ৰেছিডেণ্ট ভাষণ দিয়ে । তাত যি কথা কোৱা হৈছে, সেই কথা আমাৰ ৰাজ্যপালৰ

* Speech not corrected.

ভাষণত সেইখিনি ওলোৱা নাই। The President's Address would help the people to understand the way in which their Govt. is functioning. য'ত পাৰফৰমেন্স সম্পৰ্কে ক্লিয়েৰিফিকেচন, আমাৰ মুখ্যমন্ত্ৰী মহোদয় বুদ্ধি দাতা, জ্ঞান দাতা কিন্তু পাৰফৰমেন্স কি ধৰণে আৰম্ভ কৰিব, কি কাম কৰিব, ৰাইজক সেই সম্পৰ্কে একো জনোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চন্দন সৰকাৰে ইয়াত কৈছে আৰু সদায়েই কৈ থাকে যে অ: গ: প: দিনত অমোক হল তমোক হল ইত্যাদি। নিযুক্তিৰ ক্ষেত্ৰত আজি যি বিলাক খেলি মেলি হৈছে সেইবিলাক দুৰ্নীতিৰ চৰম সীমাত উপনীত হৈছে। আমাৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণৰ ওপৰত তিনিতা কথাৰ ওপৰত উল্লেখ কৰিছে। কিন্তু মই এইটো কথা কব বিচাৰিছো যে আমাৰ যিখিনি থলুৱা মানুহ আছে সেইখিনি অসমীয়া হওক বা মুছলমানেই হওঁক তাৰ মাজত কাজিয়া নহল, যিটো নেকি অলপতে হৈ যোৱা সংঘৰ্ষত কতো অপ্ৰীতিকৰ ঘটনা ঘটা নাই। কাজিয়া হল য'ত বঙালী সম্প্ৰদায়ৰ লোক আছিল। য'ত অসমীয়া মানুহ আছে তাত হোৱা নাই। অসমীয়া মানুহক আজি ধন্যবাদ দিব লাগিছিল। আমি সম্প্ৰীতিৰে আছো। আমাৰ ৰেয়া ভাব অহা নাই আৰু নাহে। আজি ৰাজ্যপালৰ ভাষণত দুৰ্নীতিৰ কথা একেবাৰেই কোৱা হোৱা নাই। মই শিক্ষা বিভাগৰ কথাকেই কব খুজিছো। পাৰ্লিয়ামেণ্টত যিখন বাজেট হৈ গল তাত ৩ টা কথাৰ ওপৰত প্ৰাধান্য দিয়া হৈছে। শিক্ষাৰ ক্ষেত্ৰত মই কৈছোৱেই দুৰ্নীতি যদি হৈছে তেতিয়াহলে শিক্ষা বিভাগতেই বেচি হৈছে। শিক্ষা বিভাগৰ কথা মোৰ কবলৈ দুখ লাগে। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আমাৰ যিবিলাক মেধাৱী ছাত্ৰ আছিল, প্ৰথম বিভাগত যিবিলাক পাছ কৰিছিল সেই বিলাকক অগ্ৰাধিকাৰ দিব লাগিছিল। কিন্তু তেওঁলোকে চাকৰি নেপালে। বি, এচ, চিৰ যিবিলাক ছাত্ৰ আছিল বয়েল চাৰজেক্ট লৈ পাছ কৰিছিল সেই বিলাকেও নিযুক্তি নেপালে। (ভইচ-পাইছে, পাইছে) কৰবাত ২/১ টা পাইছে কিন্তু বেচি সংখ্যকে পোৱা নাই। মোৰ কবলৈ দুখ লাগে যে শিক্ষা বিভাগত মন্ত্ৰীৰ লগত কাম কৰা এজন পিয়নৰ ঘৰত ৭ জনক নিযুক্তি দিছে। নিজৰ ভনীয়েকক দিছে ভনীয়েকৰ গিৰিয়েকক দিছে, এইদৰে তেওঁ ৭ জনক দিছে।

গতিকে নামটো মই নকওঁ। এই দুৰ্নীতি কেনেকৈ আতৰাব পাৰি সেইবিলাক ইয়াত উল্লেখ থাকিব লাগিছিল। (ভইচ —এটা পৰিয়ালৰ এজনকৈহে পাব লাগে) আমি জনাত ৫/৬/৭ জনকৈ পাইছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি জৱহৰ ৰোজগাৰ যোজনাৰ কথা কোৱা হৈছে। এই বিলাক কামো একো হোৱা নাই। মই হাজো উন্নয়ন খণ্ডৰ বি, ডি অ জনৰ কথাই কব বিচাৰিছো। তেওঁ কেইটা ঘৰ বনালে কেইখন গাড়ী ললে সেই বিলাক তদন্ত হব লাগে। এক পাৰচেণ্টও কাম কৰা হোৱা নাই। এই ধৰনেই দুৰ্নীতি বিলাক চলি আছে। মহিলা সকলৰ কথা ইয়াত কোৱা হৈছে। তেওঁলোকৰ ইলেকচন খেলাৰ বাবে ১৫ পাৰচেণ্ট আসন দিয়া হব। (ভইচ ৩০ পাৰচেণ্ট দিয়া হৈছে) মহিলা সকলৰ যদি সমীক্ষা চলোৱা হয় তেতিয়াহলে অকল ৯ পাৰচেণ্টৰহে চাকৰি বাকৰি আছে বাকী বিলাকৰ কোনো সা-সুবিধা নাই। নাৰী নিৰ্য্যাতনৰ কথা কোৱা হৈছে। জধে মধে, ঘ'তে ত'তে নাৰী নিৰ্য্যাতন, অত্যাচাৰ চলি আছে। ইয়াত তেখেত সকলক এটা ভাল শিকনী দিয়াৰ ব্যৱস্থা এই বাজেটত আছে বুলি মই নেভাবো।

মাননীয় অধ্যক্ষ মহোদয়; পাৱাৰ মন্ত্ৰী দুজন হ'ল—এজন মোৰ বন্ধু। বিদ্যুৎৰ কথা কি কম। কৰবাত তাঁৰ আছে বিদ্যুৎ নাই। কৰবাত খুটা আছে তাঁৰ নাই। গতিকে এনে ধৰণৰ কাম বিলাক বিদ্যুৎ বিভাগত চলি আছে। গুৱাহটী পৌৰ নিগমৰ কথা কোৱা হৈছে এই ক্ষেত্ৰত পৌৰ নিগমৰ মন্ত্ৰী আছে তেখেতে তাৰ প্ৰতি গুৰুত্ব দিব বুলি আশা কৰিছো। টেক্স কালেকচনৰ ক্ষেত্ৰমো যেনে তেনেকৈ কালেকচন কৰা হয়। এই বিলাক কালেকচন ঠিক মতে হব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু বহুটো কবলগীয়া আছে। মাছৰ ক্ষেত্ৰত কব বিচাৰিছো যে আমি যেতিয়া স্কুলত পঢ়িছিলো তেতিয়া মাছৰ বিষয়ে, বানপানীৰ বিষয়ে নদ-নদীৰ বিষয়ে ৰচনা লিখিছিলো, সুন্দৰ সুন্দৰ ভাষাৰে লিখিছিলো। অসমত মাছৰ উভৈ নদী। এতিয়া গোটেইখিনি মাছ অন্ধ্ৰপ্ৰদেশৰ পৰা আহে। এতিয়া মাছৰ দাম কেজিত ৫০ টকা ৫৫ টকাকৈ

হৈছে। গতিকে এই বিলাক ক্ষেত্ৰত মীন মন্ত্ৰী মহোদয়ৰ পৰা বিহিত ব্যৱস্থা লব লাগে।

মাননীয় অধ্যক্ষ : আপুনি পিচত কব। Now the House stands adjourned till 3 P.M. to-day.

(The House re-assembled at 3.00 P.M. with Honourable Speaker in the Chair)

Mr. Speaker : Mr. Barua, how much time you will take. your party's time is 55 minutes.

* Shri Badan Barua : I will take only 5 minutes.

মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ আৰম্ভ কৰিলো। কাৰণ মই আগতে কৈছিলো ৰাজ্যপালৰ ভাষণত বিশেষকৈ চৰকাৰ খন কেনেকৈ চলিছে। চৰকাৰে জনহিতকৰ কি কাম হাতত লৈছে বা সেই কাম বিলাক কিমান দুৰ আগবাঢ়িছে সেই সম্পৰ্কে ছবি ভাষণত থাকিব লাগিছিল। মই ভাবো সেই ছবি এই ভাষণত অঙ্কিত হোৱা নাই। এই ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণৰ ওপৰত দুই এটা কথা কব খুজিছো। বেছি সময় লব খোজা নাই। ইয়াত সমাজ কল্যাণৰ বিষয়ে বিশেষকৈ আই ছি দি পি সম্পৰ্কে কিছু কথা কৈছিল। কিন্তু অধ্যক্ষ মহোদয়, ইয়াত যিবিলাক কথা লিখা আছে তাত সকলো বিভাগ আছে। সেই বিভাগ বিলাকত যিবিলাক আপত্তি শুনা যায় সেই বিলাকৰ লগত ইয়াৰ মিল নাই। উদাহৰণ স্বৰূপে মই আই চি ডি পিৰ বিষয়ে কবলৈ বিচাৰিছো। মই গুৱাহাটী মহকুমাৰ আই চি ডি পিৰ সভাত উপস্থিত আছিলো। তাত ডিমৰীয়া ব্লকৰ কথা ওলাইছিলে। তাত পুষ্টিকৰ আহাৰ যিখিনি দিব লাগে সেইখিনি দিয়া হোৱা নাই। মাত্ৰ এবছৰত বাৰ দিনহে লৰা ছোৱালী বিলাকে খাবলৈ পাইছে। মাননীয় অধ্যক্ষ মহোদয়; মই আকৌ এবাৰ প্ৰাথমিক শিক্ষাৰ বিষয়ে কব লগা হ'ল। আজি আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই কিমান খন প্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয় আছে কৈছে। তেখেতে কৈছে ২৮ হাজাৰতো অধিক হব। ২৮৭৮৩ খন। কিন্তু

* Speech not corrected.

তাৰ ভিতৰত আমি জনাত ৬ বছৰলৈ ল'ৰা ছোৱালী স্কুললৈ যাব নোৱাৰে। তাৰ কাৰণে প্ৰাক্-প্ৰাথমিক বিদ্যালয় খোলা হৈছে। কিন্তু দুখৰ বিষয় ২৮৭৮৩ বিদ্যালয়ৰ মাত্ৰ ৪৩৯ খনতহে এতিয়ালৈ প্ৰাক্-প্ৰাথমিক বিদ্যালয় শিক্ষা আছে। যাৰ ফলত আমি দেখিছো যে আজি চহৰে নগৰে ইংৰাজী মাধ্যমৰ শিক্ষা ভৰি পৰিছে। যিবিলাক নতুন ধনীৰ টকা পইচা আছে তেওঁবিলাকে আজি গোহালীয়ে গোহালীয়ে ইংৰাজী মাধ্যমৰ স্কুল খুলিছে। সেইবিলাক আজি গাৱে ভূয়ে বিয়পি গৈছে। মই ভাবো আজি কালি ল'ৰা ছোৱালী ২/৩ বছৰ বয়সতে স্কুললৈ যাব পৰা হয়। স্কুলৰ অভাৱত ৮/১০ বছৰলৈ ল'ৰা ছোৱালী স্কুললৈ যাব নোৱাৰে। সেই কাৰণে ইংৰাজী মাধ্যমৰ স্কুল বিলাক গাৱে ভূৱে বিয়পি পৰিছে। মই আশা ৰাখিছো শিক্ষা বিভাগৰ যিসকল দায়িত্বত আছে এওঁলোকে যাতে প্ৰতিখন প্ৰাথমিক বিদ্যালয়তে প্ৰাক্-প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা ব্যৱস্থা কৰি আমাৰ ল'ৰা ছোৱালী যাতে ইংৰাজী মাধ্যমৰ বিদ্যালয়লৈ যাব নালাগে তাৰ ব্যৱস্থা লব। মাননীয় অধ্যক্ষ মহোদয় আৰু বহু কথাই শুনা যায়। অসমত সম্প্ৰতি এটা গাওঁ পঞ্চায়ত ব্যৱস্থা আছে। কিন্তু এই গাওঁ পঞ্চায়তৰ কৰ্মচাৰী সকলে আজিলৈ দৰমহা পোৱা নাই। এইটো বৰ দুখৰ কথা।

মই বিশেষ কব খোজা নাই। মই ৰাজ্যখন কেনেকৈ চলিছে তাৰ বিষয়েহে কব খুজিছো। ব্ৰহ্মপুত্ৰত নাও চলে। ৰঠাৰেও চলে আৰু চৌৰ কোবতো নাও চলে। বৰ্ত্তমান আমাৰ চৰকাৰখন ৰঠা মাৰি চলা নাই। চৌৰ কোবতহে চলি আছে। এই ক্ষেত্ৰত মই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক এটা কথা কবলৈ বিচাৰিছো। ইটালিত ১৫ শ শতিকাত মেকিয়াভেলিয়ে এখন কিতাপ লিখিছিল। সেইখন ইংৰাজীত অনুবাদ হৈছে। মেকিয়াভেলিৰ সেই কিতাপৰ পৰা আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ষ্টেট ক্ৰেফট শিকিছে বুলি মই ভাবো। মই মেকিয়াভেলি ভালদৰে কব নোৱাৰো। কিন্তু তাত লিখা কিছু কথা মই লিখি আনিছো। সেইখিনি হ'ল।

"So it follows that a prudent rular cannot and should not, honour his word when it places him at a disadvantage and when the reasons for which he made his

promise no longer exist.

"A prince will never lack good excuses to colour his bad faith."

"But one must know how to colour ones' actions and to be a great liar and deceiver. Mean are so simple and so much creatures of circumstances, that the deceiver will always find someone ready to be deceived.

Prince should not deviate from what is good if that is possible, but he should know how to do evil, if that is necessary.

This is the Bible of real politik.

ষ্টেট ক্রেফটৰ বহুতো কথা পোৱা যায়। আমাৰ হাইস্কুলত থকা অৱস্থাত আমাক এখন ৰচনা লিখিবলৈ দিছিল "ৰচনাখন হ'ল" অনেষ্টি ইজ দি বেষ্ট পলিচি, অনেষ্টি কেনেকৈ বেষ্ট পলিচি হয় সেই কথা ষ্টেট ক্রেফটত আছে। যেনেকৈ নকওক সেইটো কথা কব নোৱাৰো, সেইটো নালাগে। অধ্যক্ষ মহোদয়, মই আৰু বেছি নকও। মই উৰ্দ্দু ভাষা বেছি নাজানো। তথাপি মই এটা কথা লিখি আনিছো, সেইটোকে কৈছো।

শ্ৰী প্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ সংশোধনী প্ৰস্তাৱ সমৰ্থন কৰি, ৰাজ্যপালৰ ভাষণত কেইটামান বিষয়ৰ ওপৰত সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণত অসমৰ বড়ো সমস্যা সমাধানৰ ক্ষেত্ৰত আৰু অন্যান্য জনজাতীয় লোকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰে আগবাঢ়িছে বুলি উল্লেখ কৰিছে। আমি বড়ো চুক্তিক আদৰণি জনাইছো। কিন্তু এটা কথা মনত ৰাখিব লাগিব, আমাৰ উত্তৰ পূব অঞ্চলত ইতিমধ্যে কেইটামান চুক্তি হৈছিল, অসম চুক্তি হ'ল, মিজোৰাম চুক্তি হ'ল, ত্ৰিপুৰা হ'ল। কিন্তু দেখা যায় এই চুক্তি বিলাক হোৱাৰ ক্ষেত্ৰত যি সকলে আদৰণি জনাইছে সেই বিলাক ৰূপায়নৰ ক্ষেত্ৰত সফল হৈছে বুলি কব নোৱাৰি।

অসম চুক্তি ১৯৮৫ চনত ত্ৰিপাক্ষিক আলোচনাৰ পিচত সাক্ষৰিত হৈছিল। কিন্তু সেই চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত যিমানখিনি আশা কৰা হৈছিল, সেই ক্ষেত্ৰত বিশেষ অগ্ৰগতি লাভ কৰিব নোৱাৰিলে। আনকি পাঞ্জাবৰ নিচিনা ঠাইত ৰাজীব লংগোৱাল চুক্তি হ'ল, সেই চুক্তি ৰূপায়নৰ ক্ষেত্ৰত বিশেষ অগ্ৰগতি দেখা নাপালো। আমি দেখিছো দীঘলীয়া বড়ো আন্দোলনৰ পিচত প্ৰায়বোৰ ৰাজনৈতিক দলেই অসম চৰকাৰ আৰু ভাৰত চৰকাৰ মিলি চুক্তি স্বাক্ষৰিত কৰিলে। দুভাৰ্গ্যৰ কথা যে শাসক দলেই তাঃ কি উত্থাপন কৰিছে চাহ বাগানৰ বন্ধুৱা সকলৰ স্বাৰ্থ ৰক্ষা কৰাৰ ক্ষেত্ৰত একমত হব পৰা নাই। যিসকল চাহ বন্ধুৱা শ্ৰমিক অন্তৰ্ভুক্ত হ'ল সেই সকল অৰ্থনৈতিক, ৰাজনৈতিক সাংস্কৃতিক অধিকাৰ ৰক্ষণা বেক্ষণ দিয়াৰ কাৰণে এই ব্যৱস্থা লোৱা উচিত। বিশেষকৈ যিখন আইন উৎথাপন হব সেই আইনখনত সকলো দিশ উল্লেখ থকা একান্তই প্ৰয়োজন। এই আইন প্ৰণয়ণৰ ক্ষেত্ৰত যিসকল চাহ বাগানৰ বন্ধুৱা বা অন্য জনজাতীয় লোক বাস কৰিব সেই সকলোৱে ৰাজনৈতিক, অৰ্থনৈতিক ভাৱে ৰক্ষণা-বেক্ষণৰ উপযুক্ত ব্যৱস্থা থকা প্ৰয়োজন। চৰকাৰে এই কথা বিলখনত উৎথাপন কৰাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব। চুক্তিত যিবিলাক কথা আছে, সেই বিলাক ৰূপায়ণৰ ক্ষেত্ৰত সুস্পষ্ট নীতি থাকিব লাগে। যিবিলাক বিষয়ে হস্তান্তৰিত হল সেই বিষয়ে আইন প্ৰণয়ণ ৰূপায়ণ কৰাৰ ব্যৱস্থা থাকিবনে নাথাকে, সেই কথা স্পষ্ট ভাৱে থকাটো প্ৰয়োজন। আমাৰ উদেশ্য হৈছে, অসমৰ ভিতৰত বড়োসকল আৰু অন্যান্য যিসকল জনজাতীয় লোক আছে তেখেতসকলৰ স্বায়ত্ব শাসনৰ অধিকাৰ স্বীকাৰ কৰাৰ লগে লগে ৰূপায়ণৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা আৰু ৰক্ষণা বেক্ষণৰ ব্যৱস্থা ৰাখিব লাগে যাতে জনগণৰ মাজত ভুল বুজাবুজি নাথাকে। বিভিন্ন জনজাতীয় লোকসকলে তেখেতসকলৰ শাসনৰ সময়ৰ কাৰণে যাতে আশা-আকাংশ্যা আৰু তেওঁলোকৰ উন্নতিৰ পথত স্পষ্ট নীতি আৰু মীমাংসাৰ একান্তই প্ৰয়োজন।

অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণত উৎথাপন কৰিছে যে চৰকাৰে অসমৰ উগ্ৰপন্থী, এন, এচ, এফ কিছু পৰিমাণে সফল হৈছে। বড়ো চুক্তি এন, এচ, এফ সাম কাটিলে, কিন্তু অসমৰ সমস্যাৰ ক্ষেত্ৰত আলফাৰ সমস্যাৰ সম্পৰ্কত এই বিষয়টো সমাধান কৰাৰ ক্ষেত্ৰত দৃষ্টি ভংগি সুস্পষ্ট ভাৱে থকাটো প্ৰয়োজন।

মাননীয় অধ্যক্ষ মহোদয়, যি সকলে আলোচনা বিৰোধীতা কৰিছে। তেওঁলোকৰ কথা মই নকও, কিন্তু যিসকল আলোচনা পন্থী আৰু চৰকাৰৰ ওচৰত আত্মসমৰ্পন কৰিছে সেই সকলে যিখন স্মাৰক পত্ৰ প্ৰধান মন্ত্ৰীৰ ওচৰত দাখিল কৰিছিল সেই স্মাৰক পত্ৰৰ কিবা মীমাংসা হৈছে নেকি? আৰু তেওঁলোকৰ দাবী সম্বলিত যি স্মাৰক পত্ৰ মাননীয় মুখ্য মন্ত্ৰীৰ জৰিয়তে প্ৰধান মন্ত্ৰীক দাখিল কৰিছিল সেই স্মাৰক পত্ৰৰ সম্পৰ্কত অসম চৰকাৰৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মনোভাব কি? কাৰণ ইতিমধ্যে এই সম্পৰ্কত যিবিলাক বিবৃতি দিয়া হৈছে সেই বিবৃতিত তেওঁলোকে দোষাৰোপ কৰিছে। আজি এই সমস্যাটো ৰাজনৈতিক ভাবে সমাধান কৰাৰ ক্ষেত্ৰত আগবাঢ়িব পৰা নাই। মুখ্যমন্ত্ৰীয়ে এই বিবৃতিৰ পিচত এটা বিবৃতি দিলে যে এই কাৰণেই সমস্যাটোৰ মীমাংসা হোৱা নাই কিয়নো তেওঁলোকে উপযুক্ত সমাধান সুঁত্ৰ দিব পৰা নাই। তাৰ অন্তত ফেব্ৰুৱাৰী ২০ তাৰিখে আত্মসমৰ্পনকাৰীৰ এজন নেতা মুনিন নবিচে তেওঁলোকৰ বিবৃতিত কৈছে যে মুখ্যমন্ত্ৰী মহোদয়ে সত্য কথা কোৱা নাই, গতিকে মুখ্য মন্ত্ৰীয়ে পদত্যাগ কৰক। গতিকে সমস্যাটো যিমান সহজ বুলি ভাবিছে সেইটো সিমান সহজ নহয়। স্বায়ত্ব শাসনত যিবিলাক ৰাজনৈতিক আৰু অৰ্থনৈতিক দাবী উৎথাপিত হৈছে সেইবিলাক দাবী ভাৰতবৰ্ষৰ সংবিধানৰ ক্ষমতা বিকেন্দ্ৰীকৰণৰ লগত জড়িত। ভাৰতবৰ্ষৰ সকলো ৰাজ্যই ৰাজ্য বিলাকক ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বায়ত্ব শাসন দিয়াটো দাবী কৰিছে আৰু বিচাৰিছে। সাৰকাৰিয়া কমিশ্যনে কিছু পৰামৰ্শ দিছিল কিন্তু সেইবিলাক পৰামৰ্শয়ো যথেষ্ট নহয়। সেইকাৰণে আমি জানিব বিচাৰো এই যে অৰ্থনৈতিক আৰু ৰাজনৈতিক স্বায়ত্ব শাসন দিয়াৰ ক্ষেত্ৰত অসম চৰকাৰৰ মনোভাব কি? গতিকে সেই মনোভাবৰ বিষয়ে স্পষ্টকৈ জনোৱাতো প্ৰয়োজন। আনফালেদি উৎথাপিত কৰা সমস্যা বিলাক কেনে ভাৱে মীমাংসা কৰা হব সেই কথাও চাব লাগিব। কেইজনমান ডেকাক ২ লাখকৈ টকা দিলেই এই সমস্যা বিলাক যে সমাধান হব সেইটো সম্ভৱ নহয়। মই পুনৰ সংস্থাপনৰ বিৰোধ কৰা নাই কিন্তু ভাৰত চৰকাৰৰ পৰিকল্পনা মন্ত্ৰীয়ে পুনৰ সংস্থাপনৰ কাৰণে মাত্ৰ ১৫ কোটি টকা দিছে। চৰকাৰে জনোৱা মতে প্ৰায় ৩ হাজাৰৰ অধিক আত্মসমৰ্পণকাৰীক ২ লাখকৈ টকা দিলে, এই টকাৰে

জানো আটিব, এইদৰে কিমানজনক দিব ? গতিকে ১৫ কোটি টকাৰে সমস্যা সমাধান নহব। আত্মসংস্থাপন কৰা হওক, তাত আমাৰ দ্বিমত নাই কিন্তু এই বিষয়ে ৰাজ্যৰ আৰ্থিক দিয়াটো চাব লাগে, সেই বিলাক মীমাংসা কৰাৰ কাৰণে অসম চৰকাৰৰ মনোভাৱ স্পষ্ট ভাবে সদনৰ আগত দাখিল কৰা উচিত আৰু ভাৰত চৰকাৰক সেই কথা জনোৱাটো একান্ত প্ৰয়োজন। ভাৰত চৰকাৰে আৰু এটা কথা উল্লেখ কৰিছে যে আমাৰ ৰাজ্যিক চৰকাৰে বিগত দিনত যি সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হ'ল সেইখিনি ক্ষেত্ৰত চৰকাৰে উপযুক্ত ব্যৱস্থা হাতত লৈছে। সেই বিষয়ে চৰকাৰে আলোচনা কৰিছে আৰু এই সম্পৰ্কত ন্যায়িক তদন্তৰ নিৰ্দেশ দিয়া হৈছে আৰু এই তদন্ত আৰম্ভ হব কিন্তু কোন দোষী হব আৰু নিৰ্দোষী হব সেই ক্ষেত্ৰত প্ৰশাসনীয় উপযুক্ত ব্যৱস্থা লৈছে বুলি কব নোৱাৰি। এইখিনি ক্ষেত্ৰত মই বিশেষ কথা নকও মাত্ৰ কেইটামান বিবৃতিৰ কথা সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই সদনৰে মাননীয় সদস্য ৰাগিবী ড্ৰাঙৱীযাই কিছুদিন আগতে কৈছিল সেই সম্পৰ্কত এন, এফ, অবজাৰভাৰ পেপাৰৰ জানুৱাৰী মাহৰ ৬ তাৰিখে প্ৰকাশ পোৱা মতে A paper report published in "The North East Observer" dated 6th January 1993 that the District administration failed to take aducate measures to prevent communal violence at Dobaka in Nagaon District in the aftermath of demolition of the disputed structure of Ayodhya. এই ক্ষেত্ৰত শাসনাধিষ্ঠ দলৰ বিভিন্ন বিধায়ক সকলে সময়ে সময়ে অভিযোগ কৰিছে। এজনে কৈছে অমুক এগৰাকীক আকৌ অইন এজনে তমুক গৰাকীৰ কথা কৈছে। এই ক্ষেত্ৰত কোনো দ্বিমত দেখা নাই যে শাসনাধিষ্ঠ মন্ত্ৰী বা বিধায়ক সকল কোনো প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে এই সাম্প্ৰদায়িক কাম বিলাকত জৰিত হৈ পৰিছিল বুলি অভিযোগ উৎথাপিত হৈছে আৰু অভিযোগ বিলাক কেৱল বিৰোধী পক্ষৰ সদস্যই নহয়, শাসক দলৰ নিজৰ সদস্য সকলে উৎথাপন কৰিছে। এই সম্পৰ্কত ন্যায়িক তদন্ত হব কিন্তু এই তদন্ত নিৰপেক্ষ হব নে নহয় তাত সন্দেহ আছে কিয়নো নিৰপেক্ষ তদন্ত যে হব তাত কিবা নিশ্চয়তা আছে জানো ?

ৰাজ্যৰ এজন উপ মন্ত্ৰীয়ে কলিকতাৰ পৰা ধুবুৰী এচ, পিক এটা নিৰ্দ্দেশ দিছিল অপৰাধী বিলাক কিন্তু আমি নাজানো এজন উপমন্ত্ৰীৰ তেখেতৰ ক্ষমতা আছে নে নাই ? গতিকে নাায়িক তদন্তৰ ক্ষেত্ৰত প্ৰশাসনে যদি এনেভাৱে প্ৰভাৱ বিস্তাৰ কৰিব বিচাৰে তেতিয়াহলে এই তদন্ত কিমান দুৰ সফল হব এনেকুৱা সন্দেহ সৃষ্টি হোৱাতো অস্বাভাবিক নহয়। এই সমস্যা সমাধান কৰিবলৈ যাওতে এনে ধৰণে যদি আগবঢ়া হয় তেতিয়াহলে সেইটো বিশ্বাস নহয় যে সমস্যা সমাধান হব। আজি বোম্বেত কি হৈছে অকল বোম্বেতেই নহয় বিভিন্ন ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষ হৈছে গতিকে আমাৰ ইয়াটো যে এই সংঘৰ্ষ নহব তাত সন্দেহ নাই। গতিকে আজি আমাৰ অসমত সাম্প্ৰদায়িক সংঘৰ্ষক ৰোধ কৰিবলৈ যাওতে সংখ্যাগুৰু আৰু সংখ্যালঘু সম্প্ৰদায়ৰ যিবিলাক মৌলবাদী শক্তি আছে, সেইবিলাকৰ পৰা সাৱধান হব লাগিব কিয়নো আজি অসমৰ ৰাইজৰ এটা পৰম্পৰা আছে যে আজি যুগ যুগ ধৰি অসমত থকা বিভিন্ন ধৰণৰ মানুহে শান্তি আৰু সম্প্ৰীতিৰে বসবাস কৰি আহিছে। কিন্তু এই শান্তি সম্প্ৰীতি বিনষ্ট কৰাৰ কাৰণে সংখ্যাগুৰু আৰু সংখ্যালঘু সম্প্ৰদায়ৰ মৌলবাদী শক্তিয়ে যি ধৰণে চেষ্টা কৰি আহিছে তাৰ পৰা আমি, চৰকাৰ সচেতন হব লাগে আৰু প্ৰয়োজন সাপেক্ষে কঠোৰ ব্যৱস্থা লোৱা উচিত। অসমৰ চুবুৰীয়া ৰাজ্য সমূহৰ ক্ষেত্ৰত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সীমান্ত ব্যৱস্থাতো অক্ষুণ্য ৰখা থিক মতে হোৱা নাই, অসমৰ যি ভৌগোলিক সীমা সেই সীমা ৰক্ষণা-বেক্ষণ কৰা বিষয়টো আমি বিশেষ ভাৱে চিন্তা কৰিব লাগে।

অসম নাগালেণ্ড সীমা সম্পৰ্কত অসম অৰুনাচল সীমা সম্পৰ্কত যিবিলাক ৰায় হৈ গ'ল সেই ৰায় হৈ যোৱাৰ পাচতো আইন অমান্য কৰি গাৰ জোৰেৰে অসমৰ চাৰি সীমাৰ ভৌগলিক বেদখল কৰিব খোজা যাক বাদ দিব লাগে। কিন্তু সীমান্তত বসবাস কৰা লোক সকলৰ জীৱনৰ নিৰাপত্তা ব্যৱস্থা চৰকাৰে কৰিব লাগে। আৰু বেদখলকাৰী যাতে বৃদ্ধি নাপায় তাৰ বাবে চকু ৰাখিব লাগে বা চকু ৰখাৰ প্ৰয়োজন। মই ভাল পাইছো যে মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ তেখেতৰ বক্তৃতাত উল্লেখ কৰিছে যে অসমত বিদেশী নাগৰিক আছে। তেখেতে এটা কথা কৈছে যে অসম চৰকাৰে

১৯৯২ চনত ডিচেম্বৰ মাহলৈকে কিমান মানুহক বিদেশী নাগৰিক হিচাবে চিনাক্তকৰণ কৰিছে। আই, এম, ডি, টি এক্ট মতে ১৯৯২ চনলৈকে ২৮৫২২ জনলোক বিদেশী নাগৰিক হিচাপে চিনাক্তকৰণ হৈছে। অবৈধ অনুপ্ৰবেশকাৰী হিচাবে আৰু ফৰেনাইজ এক্ট অনুযায়ী ১৯৯২ চনৰ ডিচেম্বৰ মাহলৈকে বিদেশী নাগৰিক ১৭৫০৪ জন বিদেশী নাগৰিক চিনাক্তকৰণ হৈছে। কথাটো হৈছে ৰাজ্যপালৰ ভাষণত বিদেশী নাগৰিক যে অসমত আছে সেই কথা প্ৰকাশ কৰিছে। (ভইচ—বিদেশী নাগৰিকৰ কথাটো ৰাজ্যপালৰ ভাষণত কিমানজন চিনাক্তকৰণ কৰা হ'ল সেইটো উল্লেখ কৰিছেই)

মাননীয় সদস্য গৰাকীয়ে কথাটো ভাবি চালেই ধৰিব পাৰিব। মই কি অৰ্থত কব বিছাৰিছো। কেইজন বিদেশী নাগৰিক চিনাক্তকৰণ হৈছে সেই টোতকৈও ইয়াৰ আগতে প্ৰশ্ন হৈছিল। বিদেশী নাগৰিক আছে নে নাই? মুখ্যমন্ত্ৰী ডাঙৰীয়াই ১৯৯২ চনৰ ১০ আগষ্টত অসমত ৩০ লাখ বিদেশী নাগৰিক থকা বুলি উল্লেখ কৰাৰ পাচত ৫ জুন তাৰিখে নগাওঁৰ সংখ্যালঘু সাম্প্ৰদায়ৰ জুৰীয়াত হোৱা মিটিংত বিদেশী নাগৰিক এজনো নাই বুলি প্ৰকাশ কৰিলে। এতিয়া কিন্তু চৰকাৰে নিজে ১৯৯২ চনৰ ডিচেম্বৰ মাহলৈকে বিদেশী নাগৰিক ইনানখিনি চিনাক্তকৰণ কৰা হ'ল বুলি জনাইছে। দুয়োখন এক্ট অনুযায়ী প্ৰায় ২৬ হাজাৰ বিদেশী নাগৰিক চিনাক্তকৰণ কৰিছে। কিন্তু মুখ্যমন্ত্ৰী মহোদয়ে ১৯৯২ চনৰ ৫ জুনত নগাওঁত কৈছিল যে বিদেশী নাগৰিক এজনো নাই। কোনটো সঁচা? মোৰ দৃঢ় বিশ্বাস যে তেনে বিবৃতি দিয়াৰ মাজত এটাই উদ্দেশ্য লুকাই আছিল যে জনসাধাৰণক ৰাজনৈতিক কাৰণত বিপথে পৰিচালনা কৰাৰ কাৰণে চেষ্টা কৰিছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিহেতুকে সংখ্যালঘু সকলৰ মিটিংত ভাষণ দিয়া হেতুকে হয়তো এনে বিবৃতি দিছিল। এতিয়া কথা হৈছে। জুন মাহত এজনো বিদেশী নাগৰিক নাছিল। কিন্তু ৰাজ্যপালৰ ভাষণত ইমানখিনি নাগৰিক ডিচেম্বৰ মাহৰ ভিতৰতে চিনাক্তকৰণ কৰা হ'ল। সেয়ে মই কব বিছাৰিছো বিদেশী অবৈধ অনুপ্ৰবেশকাৰী অহাত বাধা দিবলৈ চেষ্টা কৰিব। এতিয়া কথা হ'ল সংখ্যালঘুসকল বিদেশী নহয়। এই কথা আমি বাৰে বাৰে কৈছে। ভাৰতবৰ্ষত যিবিলাক সংখ্যালঘু আছে সেই সকল বিদেশী বুলি চিনাক্তকৰণ নহয়।

ভাৰতবৰ্ষত ধৰ্ম, জাতি, ভাষা নিৰ্বিশেষে সকলোৱে বসবাস কৰিছে । কিন্তু কথা হ'ল যিবিলাক ৰিদেশী তেওঁলোক সংখ্যালঘু হব নোৱাৰে । মই এই টোৱেই কৰ বিছাৰিছো যে ভাষা লৈয়েই হওক এজন বঙালী লোক যদি বাংলাদেশ লৈ গৈ থাকে তেওঁ বাংলাদেশৰ নাগৰিক হব নোৱাৰে । আজি ভাৰতবৰ্ষৰ পৰা বহুলোক মধ্যপাচ্যৰ দেশত গৈ প্ৰায় ১০ লাখৰো ওপৰ মানুহ ঘৰ বাৰী কৰি ব্যৱসায়, চাকৰি আদি কৰি আছে কিন্তু তেওঁলোক তাৰ নাগৰিক নহয় । সেই দেশৰ নাগৰিক হবও নোৱাৰে । ভাৰত চৰকাৰেও পাচপোৰ্ট লৈ অহা কিমান মানুহ ঘূৰি যোৱা নাই, সেই বিষয়ে তদন্ত কৰাৰ ক্ষেত্ৰত উল্লেখ কৰিছিল । কিছুমান লোকে পাচপোৰ্ট লৈ আহি ম্যাদ উকলি যোৱাৰ পাছতো ঘূৰি যোৱা নাই । এখন দেশত অবৈধভাবে বিদেশী নাগৰিক থাকিব নোৱাৰে । সেই ফালৰ পৰা আমাৰ ৰাজ্য চৰকাৰেও যিবিলাক আইন আছে তাৰ সম্পূৰ্ণ প্ৰয়োগ কৰাৰ দায়িত্ব গ্ৰহণ কৰিব লাগে । এই ক্ষেত্ৰত উল্লেখ কৰিব খোজো যে ভাৰতত নাগৰিক প্ৰতিষ্ঠিত কৰা ক্ষেত্ৰত বাহিৰাগত কিমান হব, নাগৰিক কিমান হব চিটিজেন এক্ট মতে কৰা হয়। অসম চুক্তি হোৱাৰ পাচত অসমৰ নাগৰিক কিমান হব এই এক্ট মতে ঠিক কৰা হৈছে । ১৯৮৫ চনৰ ডিচেম্বৰ মাহত নাগৰিক আইনখন সংশোধনী কৰা হৈছে । সেই কথা উল্লেখ কৰা হৈছে । নিৰ্ব্বাচনী আয়োগে বিদেশী নাগৰিকৰ নাম বাদ দি এই সংশোধনী ভোটাৰ তালিকা প্ৰস্তুত কৰে । গতিকে ইয়াক অৱহেলা নকৰি আয়োগৰ নিৰ্দ্দেশ অনুযায়ী শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰে যেন ।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত দুৰ্নীতিৰ কথা উল্লেখ নাই। কিয় উল্লেখ নাই সেই কথা বুজা টান । কাৰণ শাসক দলৰ ২৭জন সদস্যই মুখ্যমন্ত্ৰীক এখন স্মৰক পত্ৰ দি দুৰ্নীতিত জড়িত যিসকল মন্ত্ৰী তেখেতসকলক মন্ত্ৰীসভাৰ পৰা অপসাৰণ কৰিবলৈ দাবী কৰিছিল । অনেক সময়ত বিৰোধী পক্ষৰ পৰাই দুৰ্নীতিৰ কথা উল্লেখ কৰা হয় । অধ্যক্ষ মহোদয়, এতিয়া যি কোনো কাৰণতেই নহওক কিয় শাসক দলৰ ২৭ জন সদস্যই দুৰ্নীতিৰ দাবী উত্থাপন কৰিছে আৰু দুৰ্নীতিত জড়িত মন্ত্ৰীসভাৰ সদস্যক বাদ দিয়াৰ দাবী উত্থাপন কৰিছে । অধ্যক্ষ মহোদয়, মন্ত্ৰীসভা পুনৰ গঠন কৰা হ'ল । কিছুমানক

বাদ দিয়া হ'ল আৰু কিছুমানক নতুনকৈ অন্তৰ্ভুক্ত কৰা হ'ল। কিন্তু অধ্যক্ষ মহোদয়, বিষয়টো এতিয়াও অন্ত হোৱা নাই। মই তেতিয়া কেৰেলাৰ ত্ৰিশূলত আছিলো আৰু তাত থাকোতে দেখিলো যে হিন্দ কাকতত এটা সংবাদ প্ৰকাশিত হৈছে "Dropped Minister's Dig at Saikia"। অধ্যক্ষ মহোদয়, যিসকল মন্ত্ৰীক অপসাৰণ কৰা হ'ল তাৰ ভিতৰত এজন মন্ত্ৰীক আমি ষোৱাবাৰেই বাদ দিয়াৰ কাৰণে অভিযোগ আনিছিলো। অৱশ্যে তেওঁক এইবাৰ বাদ দিয়া হ'ল। কিন্তু তেখেতে এতিয়া কৈছে- Minister Rahman Said "If we are the twigs and banners of corruption Mr. Saikia represents the very main root of corruption' অধ্যক্ষ মহোদয়, গোটেই ভাৰতবৰ্ষতে বাতৰিটো প্ৰকাশ পাইছে। এতিয়া সেই কাৰণে মুখ্যমন্ত্ৰীয়ে দুৰ্নীতিৰ অভিযোগ অনা মন্ত্ৰীসকলক বাদ দিলে। আমি এতিয়া ভাল পাইছো আৰু আমি সেই কাৰণেই দাবী কৰিছিলো। কিন্তু ইয়াৰ ভিতৰত এজনে উত্তৰ দিছে আমি যদি দুৰ্নীতিৰ ডাল-পাত তেন্তে মুখ্যমন্ত্ৰী ইয়াৰ মূল। সেই কথা চৰকাৰী পক্ষৰ পৰা মুখ্যমন্ত্ৰীয়ে উত্তৰ দিলে পৰিস্কাৰ হব। অধ্যক্ষ মহোদয়, অতি দুৰ্ভাগ্যৰ বিষয় যে অসমৰ সকলো স্তৰতে মন্ত্ৰী সকলৰ দুৰ্নীতিয়ে বিৰাজ কৰিছে যে আমাৰ কবলৈ অসুবিধা হয়। অধ্যক্ষ মহোদয়, এইটো মই জাতীয় চৰিত্ৰ বুলি নকও। নিজৰ জাতীয় চৰিত্ৰ যদি সংযম কৰিবলৈ চেষ্টা কৰা হয় তেন্তে তেতিয়াও দুৰ্নিতি শেষ নহয় অৱশ্যে অলপ কমিব। অধ্যক্ষ মহোদয়, আৰু এটা কথা হৈছে চৰকাৰে বহুতো বিষয়াক চাকৰিৰ ম্যাদ বৃদ্ধি কৰি দিয়ে। এইটোত আমি দুখ পাইছো। কিছুমান এনেকুৱা বিষয়া আছে যিসকল দুৰ্নীতিত জড়িত সেই সকলোকো চৰকাৰে চাকৰিৰ ম্যাদ বৃদ্ধি কৰিছে। অধ্যক্ষ মহোদয় মই আৰু এটা কথা কৈ শেষ কৰিম। প্ৰস্তাৱিত নুমলিগড় ৰিফাইনেৰী আৰম্ভ নহওঁতেই ইমানবোৰ বেমেজালিৰ কথা উলেখ কৰা হৈছে। মাটি অধিগ্ৰহণৰ ক্ষেত্ৰত, কামৰ আবণ্টনৰ ক্ষেত্ৰত সকলো ক্ষেত্ৰতে বেমেজালি। যিহেতু এই প্ৰস্তাৱিত ৰিফাইনেৰিখন অসম চৰকাৰ অংশীদাৰ সেয়ে এই বেমেজালিবোৰ দূৰ কৰাৰ বাবে যাতে চৰকাৰে মনোযোগ দিয়ে তাৰ কাৰণে আশা ৰাখি মই এইখিনিতে সামৰণি মাৰিলো।

* শ্ৰীভূপেন ভূঞা : মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰ কবলৈ আগবাঢ়িছো। প্ৰথমে মই নুমলিগড় শোধানাগাৰৰ বিষয়ে কবলৈ লৈছো। আমাৰ মাননীয় সদস্য সকলে কৈছে যে মাটি অধিগ্ৰহণৰ ক্ষেত্ৰত দুৰ্নীতি হৈছে। কিন্তু মই যিখিনি জানো যে মাটি অধিগ্ৰহণৰ সমস্যাটো ইতিমধ্যে স্থানীয় ভাবে সমাধান কৰা হৈছে। ঠিকাদাৰ সকলৰ কামৰ আবণ্টনৰ ক্ষেত্ৰত যি অসুবিধা হৈছে এই বিষয়ত মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু তেখেতে যাতে এই বিষয়ত হস্তক্ষেপ কৰি বিষয়টো সমাধান কৰে। অধ্যক্ষ মহোদয়, আমাৰ মানুহে সাধাৰণতে যিখিনি কাম হয় সেইখীনিৰ কথা উল্লেখ নকৰে যিখিনি নহয় সেইখিনিৰ কথাহে বেছিকৈ আলোচনা কৰা হয়। অধ্যক্ষ মহোদয়, মই এতিয়া পঞ্চায়তৰ বিষয়ে কবলৈ লৈছো। ইতিমধ্যে আমাৰ বিভিন্ন গাওঁ-পঞ্চায়তৰ যোগেদি যিখিনি উন্নয়নৰ কাম হাতত লোৱা হৈছে সেইখিনি বহু পৰিমাণে আগবাঢ়িছে। মই মোৰ নিজৰ সমষ্টিৰ কথাই কব পাৰো। মই যোৱা সপ্তাহত নিজে থাকি ৬০ টা বিভাগৰ কাম সম্পুৰ্ণ কৰিছো। সেই কাৰণে কোনোবাই মোক কলে মই এই কথাত দৃঢ়ভাৱে প্ৰতিবাদ জনাম। অধ্যক্ষ মহোদয়; আমাৰ শইকীয়া ডাঙৰীয়াই যি ধৰণে পৰিচালিত কৰি সমস্য সমাধান কৰিলে তাৰ বাবে মই ধন্যবাদ জনাইছো। আমাৰ যি বড়ো সমস্যা সেই সমস্যাও সমাধা হ'ল। সমস্যা সমাধান হৈ আছে আৰু নতুন নতুন সমস্যাৰো সৃষ্টি হৈ আছে। অধ্যক্ষ মহোদয়, এতিয়া মই টাউন কমিটি ৰিলাকৰ কথা কবলৈ ওলাইছো। আমাৰ যদি টাউন কমিটি ৰিলাকৰ নিৰ্বাচন পতাত পলম হয়, তেনেহলে স্থানীয়ভাৱে তদৰ্থ কমিটি গঠন কৰিব লাগে। অধ্যক্ষ মহোদয়, এতিয়া মই প্ৰাথমিক শিক্ষাৰ বিষয়ে কবলৈ লৈছো। আমাৰ যোৱা বছৰৰ ভিতৰত বহু কেইখন স্কুল লোৱা হৈছে। আজি বহু-তেই কৈছে নতুন স্কুল লোৱা হোৱা নাই। গোটেই অসমতে প্ৰাথমিক বিদ্যালয়, হাইস্কুল, এম, ই স্কুলত নিযুক্তি দিয়া হৈছে। এইটো কোনেও নাই কৰিব নোৱাৰে। এতিয়া কোনো ঠাইত কম হব পাৰে কিন্তু অসমৰ

* Speech not corrected.

সকলো ঠাইতে নিশ্চয় স্কুল আৰু নিযুক্তি দিয়া হৈছে । কিছুমানে কৈছে এইবোৰ নিযুক্তি দুৰ্নীতিৰে দিয়া হৈছে । আমি দুৰ্নীতিক আশ্ৰয় দিয়া নাই। আমি দুৰ্নীতি নিৰ্ম্মূল কৰাৰ বাবেহে চেষ্টা কৰি আছো । আমি সকলোৱে মিলি এই দুৰ্নীতি নিৰ্ম্মূল কৰিব লাগিব । মই কব পাৰো যে যোৱা দুটা বছৰত কতো দুৰ্নীতি হোৱা নাই । এই দুৰ্নীতি আজি বহু বছৰৰ পৰা আহিছে ।

অধ্যক্ষ মহোদয়, দুৰ্নীতি নিৰ্মূল হবলৈ হলে সকলোৰে সহযোগিতা লাগিব । প্ৰশাসনক, কোনোবা নেতাক বা মন্ত্ৰীক দোষাৰোপ কৰি লাভ নাই । (সদনত হাহিঁৰ ৰোল)

আজি আমি ২ টা বছৰৰ ভিতৰত যিখিনি কাম হাতত লৈছিলো সেইখিনি কাম সম্পূৰ্ণ কৰাৰ বাবে আমাৰ বিৰোধী পক্ষৰ যিসকল সদস্য আছে তেখেত সকলেও এই কামৰ প্ৰগতিৰ ক্ষেত্ৰত সহায় সহযোগ আগবঢ়াবলৈ অনুৰোধ জনালো । তেখেত সকলৰ সহায় সহযোগ গঠন মূলক পৰামৰ্শই আমাক কৃতকাৰ্য্যতা লাভ কৰাবলৈ সক্ষম কৰাব । আজি আমাৰ চৰকাৰে যদি কিবা আঁচনি কৰিবলৈ লৈছে সেই আঁচনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ বাধা আহি পৰিছে. সমালোচনা আহি পৰিছে । গতিকে কামবিলাক সম্পূৰ্ণ ভাবে হৈ উঠা নাই । বাধাগ্ৰস্ত হৈছে, বিভিন্ন সমস্যা আহি পৰিছে গতিকে বিৰোধী পক্ষৰ সদস্য সকলক অনুৰোধ কৰিছো যে, গোটেই কথাটো ৰাজনৈতিক দৃষ্টিভঙ্গিৰে নাচাই যাতে অঞ্চলটোৰ উন্নতিৰ কাৰণে, ৰাজ্যখনৰ উন্নতিৰ কাৰণে তেখেতসকলৰ সহযোগ আগবঢ়াব বুলি আশা কৰিলো । আজি অসমত আন্দোলনৰ বতাহ চলি আছে । এই আন্দোলনৰ মাজতো আমাৰ গঠন মূলক কাম কৰাৰ সময় আহি পৰিছে । গতিকে মই কব বিচাৰিছো যে ২টা বছৰৰ ভিতৰত বিভিন্ন সমস্যাৰ মাজতো এই চৰকাৰে ৰাজ্যখনৰ উন্নতিৰ কাৰণে চিন্তা কৰিছে সেইটো কোনেও দুই কৰিব নোৱাৰে। বিভিন্ন বিভাগত আধৰুৱা হৈ থকা বিভিন্ন কাম আজি ২টা বছৰে সম্পূৰ্ণ কৰা হৈছে । আজি যিসকল সদস্যই চৰকাৰক বিভিন্ন বিষয়ৰ বাবে দোষা-ৰোপ কৰিলে সেই সমালোচনা বিলাক যাতে সংগঠনৰ কাৰণে হয়, সেই

সমালোচনা বিলাক যাতে গঠনমূলক হয় তাৰ বাবে অনুৰোধ কৰিছো। মাননীয় সদস্যমুজিবুৰ ৰহমান ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সুচক প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱ সমৰ্থন কৰিছো। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Speaker Now, Mr. Joynal Abedin.

Sri Dewan Joynal Abedin. I have already said that I shall speak tomorrow still there 3 more days on Governor's address Mr. Speaker Somebody is to speak to-day. Then Mr. Kamal Brahma.

* শ্ৰীকমল ব্ৰহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২০ ফেব্ৰুৱাৰী তাৰিখে ৰাজ্য চৰকাৰ আৰু আবচু/বি, পি এ চিৰ প্ৰতিনিধি সকলৰ মাজত যি চুক্তি স্বাক্ষৰিত হৈছে তাৰ বাবে অসম চৰকাৰক মই আদৰণি জনাইছো। মাননীয় ৰাজ্যপালৰ ভাষণতো বড়ো চুক্তি সম্পৰ্কে উল্লেখ কৰিছে। কিন্তু বড়োলেণ্ড অট'নমাচ কাউন্সিল দিয়াৰ বাবে আজি বিভিন্ন জনগোষ্ঠীৰ মাজত আশংকাৰ ভাব দেখা দিছে। অসমৰ বৃহত্তৰ স্বাৰ্থৰ কাৰণে এটা চুক্তি সম্পাদিত হৈছে। কিন্তু বিভিন্ন ৰাজনৈতিক দলে আশংকা প্ৰকাশ কৰিছে যে, অট'নমাচ বড়োলেণ্ড কাউন্সিলত থকা বড়ো সম্প্ৰদায়ৰ বাহিৰে তাত থকা বিভিন্ন জনগোষ্ঠীৰ, বিভিন্ন ভাষা ভাষী মানুহে ৰাজনৈতিক অধিকাৰ নাপাব। তেওঁলোকে কৈছে যে বড়োলেণ্ড অঞ্চলত থকা অন্যান্য সম্প্ৰদায়ৰ লোক সকলে ৰাজনৈতিক ক্ষমতা বা তাৰ পৰা ৰক্ষণাবেক্ষণ নাপাব। সুযোগ সুবিধা নাপাব। তাৰ বাবে আশংকা প্ৰকাশ কৰিছে। কিন্তু মই জনাব বিচাৰো যে, তাত থকা অন্যান্য জনগোষ্ঠীৰ লোকসকলেও ভাৰতীয় সংবিধানে যি ৰাজনৈতিক ক্ষমতা প্ৰৱৰ্ত্তন কৰিছে সেইখিনি সমানে ভোগ কৰিব পাৰিব। এই কাৰণে মই অনুৰোধ কৰিছো যে, তেওঁলোকৰ যি আশংকা বা ভয়ভীতি হৈছে সেইখিনি কৰিবলগীয়া একো নাই। আপোনালোক সকলোৰে সমৰ্থন পালে আমি আশা কৰিছো যে, অসমৰ উন্নতি নহৈ নোৱাৰে। অসমলৈ শান্তিৰ পৰিবেশ ঘুৰি আহিব। ৬ বছৰীয়া আন্দোলন শেষ হোৱাৰ পিচত

* Speech not corrected

বড়োলেণ্ড কাউন্সিল তাত থকা সম্প্ৰদায় বিলাকৰ মাজত বুজাবুজিৰ ভাব বাঢ়িব বুলি আশা কৰিছো । চুক্তি সম্পাদিত হোৱাৰ পিচত বিভিন্ন জনগোষ্ঠীৰ লগত আলোচনা কৰিছো তেখেতসকলৰ সহাৰি পাইছো তেখেতসকলে আদৰণি জনাইছে । এই চুক্তিৰ ক্ষেত্ৰত হয়তো কিছু আসোৱাহ থাকিব পাৰে এইবিলাক আলাপ আলোচনাৰ মাজেৰে সমাধান কৰিব পৰা যাব । এইবিলাকৰ শুধৰণী কৰিব পৰা যাব । বড়োসকলে সুকীয়া ৰাজ্য বিচাৰিছিল কিন্তু ভাৰত চৰকাৰ আৰু অসম চৰকাৰ আৰু অসমৰ বিভিন্ন ৰাজনৈতিক সংগঠনে আলোচনা মতে অসমত পুনৰ বিভাজন নিবিচাৰিলে । গতিকে বড়ো সকলক অসমৰ ভিতৰতে এটা মেক্সিমাম অটনমি দি বড়োলেণ্ড সমস্যা সমাধান কৰিছে । গতিকে মই অনুৰোধ জনাব বিচাৰো যাতে সকলোৱে এই বি, এ, চিক পুৰ্ণ সমৰ্থন আগবঢ়ায় ।

মই অনুৰোধ জনাব খুজিছো তেখেত সকলে যেন এই বড়োলেণ্ড চুক্তিৰ প্ৰতি অনুমোদন আগবঢ়ায় । বড়োসকল অসমৰে অঙ্গ । অসমৰ উন্নতিৰ কাৰণে কাম কৰি যাব লাগিব । আমি যদি অসমীয়া বুলি ভাবো, অসমৰ উন্নতিৰ কথা চিন্তা কৰো তেন্তে নিশ্চয় স্বায়ত্ব শাসনৰ দ্বাৰা আমি লাভবান হব পাৰিম আৰু অসমৰ উন্নতিৰ কাৰণে কাম কৰি যাব পাৰিম । অসমৰ মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াৰ প্ৰতি অভিনন্দন জ্ঞাপন কৰিছো যে তেখেতৰ বলিষ্ঠ পদক্ষেপত বড়ো সমস্যাৰ সমাধান হৈ গল । অসমৰ সমস্যা যেনে কাৰ্বি আংলং সমস্যা, আলফাৰ সমস্যা , বিদেশী নাগৰিকৰ সমস্যা এইবিলাকৰ কাৰণে মাতি আহিছো । এইবিলাকৰ যাতে আশু সমাধান হয় তাৰ কাৰণে চৰকাৰক টানি অনুৰোধ জনাইছো । এই সমস্যা বিলাকৰ সোনকালে সমাধান হব লাগে, তেতিয়াহে অসমত এটা সুস্থিৰ ৰাজনৈতিক পৰিস্থিতি হব আৰু অসম উন্নতিৰ পথত আগবাঢ়ি যাব পাৰিব । মই আৰু বেছি নকওঁ । শ্ৰীমুজিবুৰ ৰহমান ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ-সুচক প্ৰস্তাব আনিছে তাৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

শ্ৰী নগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা সংশোধনীৰ প্ৰতি সমৰ্থন জনাই মই কব বিচাৰিছো যে ৰাজ্যপালৰ

ভাষণটো দুৰ্ভাগ্যজনক আৰু অসত্যৰ ওপৰত পৰিচালিত ভাষণ। সাম্প্ৰদায়িক সংঘৰ্ষৰ সম্পৰ্কত ৰাজ্যপালে যি ভাষণ দিছে আমি দেখিছো যাউতী যুগীয়া সম্প্ৰীতি সংঘৰ্ষত পৰিণত হৈছে। এই সংঘৰ্ষত শাসক দলৰ বিধায়ক পোন-পটীয়াভাৱে জড়িত হৈছে। এই কথা শাসকদলে ৰাজহুৱা ভাৱে প্ৰকাশ কৰিছে। নিজে স্বীকাৰ কৰিছে যেতিয়া তদন্তৰ প্ৰয়োজন নাই। ১৯৮৫ চনৰ ১৫ আগষ্ট তাৰিখে মাজ নিশা অসম চুক্তি হৈছিল। অসম চুক্তিত যিবিলাক দফাৰ কাম অসম গণ পৰিষদ চৰকাৰৰ দিনত আৰম্ভ হৈছিল, আজিলৈকে সেই কাম সম্পূৰ্ণ কৰিব পৰা নাই। নুমলিগড় শোধানাগাৰ, আই, আই, টিৰ যিখিনি কাম হৈছিল সেইখিনিৰ বাহিৰে নতুন কাম কৰিব পৰা নাই। এই চুক্তিৰ দফা ৰূপায়ন কৰাৰ ক্ষেত্ৰত এই চৰকাৰৰ ইচ্ছা নাই। অথচ ৰাজ্যপালৰ ভাষণত চাহৰ উল্লেখ কৰিছে যে অসম চুক্তিৰ কাম দ্ৰুত গতিত আগ বাঢ়িছে। অতি দুৰ্ভা-গ্যজনক কথা যে অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত কোনো ধৰণৰ নতুন ভূমিকা গ্ৰহণ কৰা নাই। স্থায়ী ৰাজধানীৰ কথা উল্লেখ কৰিছে। দুৰ্ভাগ্যজনক কথা যে অসমৰ ৰাজধানী গোদাম ঘৰত চলি আছে। ওৱেৰ হাউচত বে দখল ভাৱে চলি আছে। গণ পৰিষদ চৰকাৰে ব্যৱস্থা হাতত লৈছিল; কিন্তু কেন্দ্ৰত আমাৰ চৰকাৰ নথকাৰ কাৰণে অসুবিধাত পৰিব লগীয়া হৈছিল। ভি পি সিং থকাৰ কাৰণে সাহায্য আৰু আৰু ঋণ ৯০ ১০ কৰিব পৰা হৈছিল, যিটো কাম নেকি আপোনালোকে ৪০ বছৰে কৰিব নোৱাৰিলে। উদ্যোগ মন্ত্ৰীয়ে পুৰস্কাৰ পাইছিল। কোনো নতুন উদ্যোগ স্থাপন হোৱা নাই। যি কেইটা উদ্যোগ আছিল সেই কেইটাও সম্পূৰ্ণ কৰিব পৰা নাই। টিচু নাথকুছিৰ উদ্যোগ বন্ধ হৈ আছে। নুমলি-গড়ত যি আধাৰশিলা স্থাপন কৰিছে, সেই ঠাই ভ্ৰমন কৰিলে গম পাব কিমান কাম আগ বাঢ়িছে। এই সম্পৰ্কত ৰাজ্যপালৰ ভাষণত দীঘলীয়া বিবৃতি ৰাখিছে। শোধানাগাৰৰ প্ৰাথমিক পৰ্য্যায়ৰ কাম আৰম্ভ হোৱা নাই। থলুৱা ঠিকাদাৰক বঞ্চিত কৰি কলিকতাৰ পৰা ইটা অনাৰ চেষ্টা চলাই আছে। গণ পৰিষদ চৰকাৰে কৈছিল যে ২৬ শতাংশ অংশ কিনাৰ ব্যৱস্থা কৰিব লাগে। এতিয়া চৰকাৰে ২৬ ৰ পৰা ১০ শতাংশকৈ মানি লৈছে। ফলত বোৰ্ড অফ ডাইৰেক্টৰচৰ কাম কাজত কোনো মাত মতাৰ অধিকাৰ নাই। সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণ দুৰ্ভাগজনক বুলি কব লগা হৈছে।

বড়ো লেণ্ড চুক্তিৰ দ্বাৰা অসমৰ জন গাঠনিত বিপুল পৰিবৰ্তন অনাৰ সম্ভাৱনাই দেখা দিছে। যত ৫০ ভাগতকৈ কম বড়ো লোক আছে তেনে গাওঁ অন্তৰ্ভুক্ত কৰা হৈছে। নলবাৰী সমষ্টিত ৫ শতাংশ বড়ো লোক থকা গাওঁ অন্তৰ্ভুক্ত কৰা হৈছে। ফলত মানুহ খিনিৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈছে যাৰ কাৰণে তেওঁলোকে হয়তো উগ্ৰপন্থীৰ সৃষ্টি হব পাৰে। ইয়াৰ পৰা অন্য এটা সমস্যাৰহে সৃষ্টি হব পাৰে। এই চুক্তি স্বাক্ষৰ কৰোতে জনসাধাৰনক বা জনজাতি লোক সকলক বা বিৰোধী পক্ষক কোনো বিশ্বাসত লোৱা নহ'ল। লুকাই চোৰ কৰি এই চুক্তি সম্পাদন কৰা হ'ল যিটো আমি কোনো পধ্যে সমৰ্থন কৰিব নোৱাৰো।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত বিদ্যুৎৰ উন্নয়নৰ কথা উল্লেখ কৰা হৈছে। কিন্তু আজি এটা প্ৰশ্নৰ উত্তৰত বিদ্যুৎ মন্ত্ৰীয়ে কৈছে যে যোৱা বছৰটোত এখন গাওঁ বৈদ্যুতিকৰণ কৰিব পৰা নহ'ল। এটা বছৰত এখনো গাওঁ বৈদ্যুতিকৰণ কৰিব পৰা নাই বুলি স্বীকাৰ কৰিছে। গ্ৰামাঞ্চলত আজি বাইজে বিদ্যুত দেখিবলৈ নাপায়। মাত্ৰ গুৱাহাটীৰ আশে-পাশে নিজৰ সন্মানটো ৰাখিবৰ কাৰণে বিদ্যুতটো কেনেবাকৈ জীয়াই ৰাখিছে। সন্ধিয়া হলে গাৱে ভূঁয়ে কোনো ঠাইতে বিদ্যুত দেখিবলৈ নাপায়। নলবাৰী বৰপেটা, ধুবুৰী, ধেমাজী, লক্ষীমপুৰ আদি ঠাইত সন্ধিয়া হলেই বিদ্যুতৰ লুকাভাকু দেখিবলৈ পায়। এতিয়া ল'ৰা ছোৱালীৰ পৰীক্ষা চলি আছে কিন্তু কোনো লৰা ছোৱালীয়ে বিদ্যুতৰ পোহৰত পঢ়িব নোৱাৰে। অধ্যক্ষ মহোদয় ৰাজ্যপাল মহোদয়ে অসমত কৃষিৰ উন্নতি হৈছে বুলি কৈছে। কিন্তু আপুনি যদি পথাৰসমূহ পৰিভ্ৰমণ কৰি চাই দেখিবলৈ পাব কৃষিৰ কি উন্নতি হৈছে। আজি সাৰ নাই, টেক্টৰ দুবছৰ ধৰি নাই, এনেয়ে পৰি আছে ভাল কৰিবলৈ টকা নাই। প্ৰকৃতপক্ষে জনসাধাৰনে টেক্টৰৰ সেৱা, পানী যোগান, সাৰ একো পোৱা নাই। অসম গণ পৰিষদ চৰকাৰৰ দিনতে পথাৰ পৰিচালনা সমিতি কৰা হৈছিল, আৰু সেই পথাৰ পৰিচালনা সমিতিৰ জৰিয়তে সাৰ বীজ বিতৰণ কৰা হৈছিল। কিন্তু বৰ্ত্তমাত টকাৰ অভাৱত সেই সকলোবিলাক আঁচনি বন্ধ হৈ আছে। গতিকে ৰাজ্যপাল মহোদয়ৰ ভাষণ অসত্যৰ ওপৰত প্ৰতিষ্ঠিত হৈছে। গতিকে এনে অসত্য ভাষণক আমি সমৰ্থন জনাব নোৱাৰো।

তাৰ পিচত স্বাস্থ্য বিভাগৰ কথালৈ আহিছোঁ। এইটো বৰ দুৰ্ভাগ্যজনক কথা হৈছে যে গুৱাহাটী, ডিব্ৰুগৰ শিলচৰ মেডিকেল কলেজত এটুকুৰা কপাহ, বেণ্ডেজ বা সামান্য লাইভ চেভিং ড্ৰাগচ যোগান ধৰিব পৰা নাই। আপুনি মেডিকেল কলেজলৈ গলে গম পাব কলেজ সমূহত সাধাৰণ (দৰকাৰী) ঔষধ-খিনিও নাই। আমাৰ চৰকাৰৰ দিনতে গাবে ভূৱে কিছুমান ডাক্তৰখানা কৰা হ'ল কিন্তু সেই ডাক্তৰখানা সমূহত আজিলৈ কোনো ডাক্তৰ পোষ্টিং কৰিব পৰা নাই। গতিকে ৰাজ্যপালৰ ভাষণটো বেৰ্ৱল কোৰ্বনেটে বনাই দিয়া ধৰণে তেখেতে দেৱন পঢ়িছে তেখেতৰ নিজৰ মনৰ কোনো কথা নাই। সেয়েহে গোটেই ভাষণটো অসত্যৰ ওপৰত প্ৰতিস্থিত। পশুপালন আৰু পশু চিকিৎসা বিভাগত ১৯৯১-৯২ চনৰ ভিতৰত ৯২ চন পৰ্য্যন্ত ২০০ কোটি টকা আত্মসাৎ কৰিছে ১৯৯০ চনৰ পৰা ১৯০২ চনলৈ অকল ডিমৌ আইচি-দিপিতে এজন ব্যক্তিগত মানুহৰ নামত ৪ কোটি আৰু ৩৭ কোটি মুঠ ১১ কোটি টকাৰ এলওচি উলিয়াই দিছে এই টকাৰ এক পইছাৰো কাম হোৱা নাই। এই বিলাকৰ ৰিপোৰ্ট এই সদনৰ মজিয়াতে পাব। এই বিভাগে ২৮ জন বিষয়াক ইতিমধ্যে নিলম্বিত কৰিবলগীয়া হৈছে, অবাধে এলওচি দিয়া হৈছে, বস্তু কিনা হৈছে যিবোৰ বস্তুৰ প্ৰয়োজন নাই, জন্তুই মাতিব নোৱাৰাটো (ভইচ—এইবিলাক আপোনালোকৰ দিনৰ) আপুনি কৰলৈ পাব পিছত কব। মাতিব পাৰিলে, আন্দোলন কৰিলেহেতেন।

সেই কাৰণে অধ্যক্ষ মহোদয়, আমি ৰাজ্যপালৰ ভাষণক সমৰ্থন কৰিব নোৱাৰো যিটো সংশোধনী আনিছে তাক সমৰ্থন কৰি মোৰ বক্তৃতা সামৰণি মাৰিলো।

* শ্ৰী জিউৰাম বড়ো: মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় ৰাজ্যপাল শ্ৰীলোকনাথ মিশ্ৰই যি ভাষণ সদনত দাঙি ধৰিছে সেই ভাষণ সমৰ্থন কৰি মাননীয় সদস্য শ্ৰীমুজিবুৰ ৰহমান ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি দুষাৰমান কব বিচাৰিছো।

মাননীয় সদস্য সকলে ৰাজ্যপালৰ ভাষণক যি কাৰ্পন্য কৰা বুলি কৈছে আচলতে সেইটো নহয়, এখন চৰকাৰ আছে আমি বিধায়ক সকল আছোঁ আৰু এটা নিয়মৰ মাজেদি ৰাজ্যখন পৰিচালিত হৈছে। আমি ৰাজ্যপালৰ

ভাষণখন ফহিয়াই চাইছো ইয়াত কোনো কাৰ্পন্য হোৱা নাই। অসমত বিভিন্ন জনগোষ্ঠীৰ লোকে বসবাস কৰে আৰু তেওঁলোকৰ বিভিন্ন সমস্যা আছে সেই সমস্যাবিলাক কেতিয়াও কোনো চৰকাৰে একেলগে সমাধান কৰিব নোৱাৰে। বৰ্ত্তমান যিবিলাক সমস্যা চলি আছে সেইবিলাক পৰ্য্যায়ক্ৰমে নিশ্চয় সমাধা হব। অসমত দুটা বৰ্ত্তমান জলন্ত সমস্যা এটা আলফা আৰু আনটো হৈছে বড়ো সমস্যা। এই বড়ো সমস্যাৰ কিছু সমাধান হোৱা বুলি কব পাৰি। এই দীৰ্ঘদিনীয়া সমস্যাটো সমাধান কৰা বাবে প্ৰথমে মই মাননীয় মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াক ধন্যবাদ জনাইছো। লগতে তেখেতৰ মন্ত্ৰী সভাৰ সদস্য সকলকো ধন্যবাদ জনাইছো। তাৰোপৰি ইয়াত থকা সকলো দল উপদলৰে মাননীয় সদস্য সকলক এ, এচ, দি, চি, চি পি আই চিপি এম বিজেপি এ,জি,পি, এন,এ,জি,পি সকলোকে আমাৰ দলৰ তৰফৰ পৰা ধন্যবাদ জনাইছো। মুখ্যমন্ত্ৰী মহোদয়ে অলপ আগতে কৈ গৈছে যে জনজাতি সকল অসমৰ ভূমিপুত্ৰ।

১৯৯২ চনৰ পৰাই অসমত বড়োসকল সংঘবদ্ধ হৈ আছিল। কিন্তু বিভিন্ন কাৰণত বড়োসকল বঞ্চিত হব লগা হ'ল যাৰ বাবে বড়োসকলে আত্মৰক্ষাৰ বাবে আন্দোলন কৰিব লগা হ'ল। আমাৰ কিছুমান বিধায়কে এইটো কথা শুনি ভাল পাব যে আমাৰ বড়োসকল এটা সময়ত এনেকুৱা অৱস্থাত পৰিণত হৈছিল যে ১৯৮৫ চনৰ পিচত বিশেষ ভাৱে ১৯৮৯ চনত বড়োসকলৰ ওপৰত আক্ৰমণ কৰি জোৰজুলুম কৰিছিল যাৰ বাবে বড়ো জনজাতি মৰিমুৰ হোৱাৰ উপক্ৰম হৈছিল। অৱশ্যে আমি মৰিমুৰ নহ'লো। এতিয়া আমি দাবী কৰা মতে সকলো ৰাজনৈতিক দলে অসম চৰকাৰৰ লগত পৰ্য্যালোচনা কৰি মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমি এতিয়া বড়োলেণ্ড অট'নমাচ কাউন্সিল পাইছো। ইয়াৰ বাবে আমাৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ দিব লাগিব। বিশেষকৈ ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীৰাও, গৃহমন্ত্ৰী শ্ৰীচ্যৱন আৰু শ্ৰীৰাজেশ পাইলটৰ প্ৰতি এই সভাৰ জৰিয়তে আৰু মাননীয় মুখ্যমন্ত্ৰীৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিছো। আজি আমাৰ মাজৰ কিছুমান অ-জনজাতিৰ বিধায়কে কৈছে যে বড়োলেণ্ডৰ ভিতৰত কিছুমান অ-জনজাতিৰ লোকে বসবাস কৰি থাকিবলৈ টান পাইছে। বড়োসকলৰ মাজত থাকিব নোৱাৰিব বুলি শংকা

বোধ কৰিছে। আমি বড়োলেণ্ড অ'টনমাচ কিয় লব লগা হ'ল আমি ইয়াৰ বাবে যি তিক্ততা ভুগিছো সেই তিক্ততা বড়ো আন্দোলন কৰি ভালদৰে লাভ কৰিছো। অসমতে থাকি আমাৰ জনজাতি সকলক বঞ্চিত, শোষিত আৰু লাঞ্চিত কৰাৰ কাৰণে বড়ো সকলে আন্দোলন কৰিছিল আৰু তাৰ বাবে আজি অ'টনমাচ পাইছে। তাত যিসকল অ-জনজাতীয় লোক থাকিব তেওঁলোকক কোনো প্ৰকাৰেই বঞ্চিত কৰা নহব। ইয়াৰ কাৰণে আমাৰ অসম চৰকাৰ আছে, ৰাজ্যিক চৰকাৰ আছে আৰু আমি বিধায়ক সকল আছো। ইয়াৰ মাজতেই অৰ্থাত বড়োসকলৰ লগতেই অ-জনজাতীয় লোক থাকিব পৰাকৈ নীতি নিৰ্দ্ধাৰণ কৰিব লাগিব। বড়োলেণ্ডৰ ভিতৰত থাকিলে যিটো লাঞ্চিত শোষিত হব বুলি শংকা বোধ কৰিছে সেইটো কেতিয়াও হব নোৱাৰিব। মই ভাবো আমাৰ জনজাতিসকল যেনেকৈ অসমৰ বাহিৰত বা অ-জনজাতিৰ লগত শান্তিৰে থাকিব পাৰিছে আৰু সকলো সা-সুবিধা ভোগ কৰি আছে নিশ্চয় বড়োলেণ্ড অ'টনমাচৰ ভিতৰত থাকি অ-জনজাতিৰ লোকেও শান্তিৰে থাকিব পাৰিব বুলি মই নদি কব পাৰে ।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য গগৈ ডাঙৰীয়াই এটা কথা কৈছিল যে বিশেষ ভাবে মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াৰ নেতৃত্বত যিটো সমস্যা জীয়াই ৰাখিছে সেই সমস্যা সমাধান নোহোৱাৰ কাৰণে আজি বড়ো সমস্যা সমাধান হোৱা বুলি কৈছে আৰু অনা বড়োসকলৰ সমস্যা, সমস্যা হয়েই ৰব বুলি শংকা কৰিছে, যদি ইয়াক সঠিক ভাবে ৰূপায়ত নকৰে। মই কৈছো বড়োলেণ্ডৰ অন্তৰ্গত থকা অনা বড়োসকলৰ কোনো সমস্যা নহব কাৰণ তেওঁলোকৰ মাজত ভাতৃত্ব আৰু সংহতি আছে। তেওঁলোকে শান্তিৰে থাকিব পাৰিব, ইয়াত কোনো অসুবিধা নহয়। অসমীয়া ভাষাই হওক বা ইংৰাজী ভাষাই হওক বড়োসকলে নিজৰ ভাষাৰ কাৰণে আন্দোলন কৰোতে কিছুমান লোকে আমাক ইতিকিং কৰিছিল। আজি মাননীয় শইকীয়া ডাঙৰীয়াৰ দিনত বড়ো স্বীকৃতি পাইছে। তাৰ লগতে এতিয়া অ'টনমাচ পাইছে। গতিকে ইয়াৰ ভিতৰত থাকি কিবা ঘটনা ঘটিলে সেইটো বড়ো অ'টনমাচৰ লোকে কৰিছে বুলি ধৰি ললে দুৰ্ভাগ্যজনক হব। আমি বিধায়কসকলেই প্ৰতিক্ৰীয়া সৃষ্টি কৰীলে তাৰ কাৰণে কিবা ঘটনা হলে আমি বিধায়ক সকলেই দোষী হব লাগিব। আজি শইকীয়াৰ নেতৃত্বত বড়ো সকলৰ বহুদিনীয়া সমস্যা সমাধান হৈছে।

সেইকাৰণে মই আমাৰ বিভিন্ন দলৰ বিধায়ক সকলক অনুৰোধ কৰি বিচাৰিছো যে তেখেত সকলে মুখ্যমন্ত্ৰীক আৰু আমাৰ বড়ো ৰাজনৈতিক দলক বিশ্বাস ৰাখক । আমি বড়ো সমস্যা সমাধানৰ বাবে কেৱল অসমতেই আৰু বড়ো সকলেই আন্দোলন কৰা নাই আনকি অসমৰ ১৯ টা বিৰোধী দলে দিল্লীত গৈ বড়ো সমস্যা সমাধান হব লাগে বুলি আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাক স্মাৰক পত্ৰ দিছো ।

অধ্যক্ষ মহোদয়, অন্য এটা কথাত অসমত শান্তি নহব পাৰে। কাৰণ আজি চাহ জনজাতিৰ লোকসকলে অনুসূচীত জনজাতিত অন্তৰ্ভূক্ত কৰিব লাগে বুলি দাবী জনাইছে। কাৰণ তেওঁলোক অসমৰ বাহিৰাজ্যত জনজাতি হিচাবে স্বীকৃত আৰু কোচ ৰাজবংশী সকলে কমতা ৰাজ্য লাগে বুলি দাবী কৰি থাকিলে অসমত অশান্তি হৈ থকাটো স্বাভাৱিক। আজি বড়োসকলৰ লগত কাৰ্বি সকলেও স্বায়ত্ব শাসিত ৰাজ্য বিচাৰিছে, সুকীয়া ৰাজ্য বিচাৰিছে । তেনেস্থলত আমি পৰস্পৰে পৰস্পৰক যদি বিশ্বাস ৰাখে তেতিয়াহলে সকলো সমস্যা সমাধান হৈ যাব বুলি মোৰ বিশ্বাস । গতিকে মাননীয় সদস্য শ্ৰীমুজিবুৰ ৰহমান ডাঙৰীয়াই যিটো ধন্যবাদ সূচক প্ৰস্তাৱ দাঙি ধৰিছে সেইটো সমৰ্থৰ কৰি মোৰ বক্তব্য সামৰিলো ।

ইয়াৰ উপৰিও অসমৰ কোচ ৰাজবংশী, শৰণীয়া, মহলীয়া, মদাহী, জাতিৰ লোকসকলে জনজাতিৰ তালিকা অন্তৰ্ভূক্ত কৰাৰ বাবে দাবী জনাই আহিছে । গতিকে চাহ জনজাতি, কোচ ৰাজবংশী, শৰণীয়া মহলীয়া আৰু মদাহী সকলক জনজাতিৰ তালিকাৰ অন্তভূক্তি কৰিলে বড়োলেও অ'টনমাচ কাউন্সিলৰ ভিতৰত বসবাস কৰিবলৈ অ-জনজাতি লোক শংকাবোধ আঁতৰ কৰিবলৈ আৰু কাৰ্বি সকলৰ স্বায়ত্ব শাসিত ৰাজ্য দাবীক আলাপ আলোচনাৰ জৰিয়তে সমাধা কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া আৰু অসম চৰকাৰ ওচৰত অনুৰোধ জনায় ।

* শ্ৰী ভূপেন ৰায় : মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল ডাঙৰীয়াই দিয়া ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীমুজিবুৰ ৰহমান ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাক আমি সম্পূৰ্ণৰূপে মানি লব নোৱাৰো। ৰাজ্যপাল

* Speech not corrected

মহোদয়ৰ ভাষণত যিখিনি কথা সন্নিৱিষ্ট হব লাগিছিল, আমাৰ ধাৰণা, সেই খিনি সন্নিৱিষ্ট কৰা নহল। ৰাজ্যখনৰ বহুতৰোৰ সমস্যাৰ কথা ৰাজ্যপাল ডাঙৰীয়াই এৰাই যোৱা যেন লাগে। বহুতবোৰ জলন্ত সমস্যাৰ কথা ৰাজ্য-পালৰ ভাষণত উল্লেখ নাই। মই অসম চুক্তিৰ কথাই কৈছো—অসম চুক্তিত অশোক কাগজ কলটো পুনৰ কাৰ্য্যক্ষম কৰাৰ কথা উল্লেখিত আছিল। অ, গ, প চৰকাৰৰ দিনত এই কলটো পুনৰ কাৰ্য্যক্ষম কৰাৰ কাৰণে যিখিনি কাৰ্য্যকৰী ব্যৱস্থা লোৱা হৈছিল, কিন্তু এই চৰকাৰৰ দিনত কোনো ব্যৱস্থা লোৱা নহল। কিছুদিন আগতে এই কাগজ কলটো ব্যক্তিগত খণ্ডক দিয়াৰ বাবে প্ৰচেষ্টা চলোৱা হৈছিল। কিন্তু এইটো হৈ নুঠিল। এই অশোক কাগজ কলটো পুনৰ কাৰ্য্যক্ষম কৰি তোলাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ৬৮ কোটি টকা দিয়াৰ বাবে প্ৰস্তাৱ দিছিল। এই টকাৰে ১০ কোটি মোকোলাই দিছিল। এই ১০ কোটি টকাৰে কলটোৰ কৰ্ম্মচাৰী সকলৰ পাওনা দা-দৰমহা আদিত কিছু টকা খৰচ কৰা হ'ল। বাকীখিনি টকাৰে চৰকাৰে কলটো খোলাৰ ক্ষেত্ৰত পৰ্য্যায়ক্ৰমে ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল। কিন্তু অসম চৰকাৰে এই টকা কি কৰিলে সেইটো ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। এই কলটো খোলাৰ ক্ষেত্ৰত চৰকাৰে কোনো কাম কৰা নাই। এই কলটো খোলা নহলে অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্যপালে যিখিনি কথা উল্লেখ কৰিছে সেখিনি ভিত্তিহীন হব। এই কলটোত যিখিনি কৰ্ম্মচাৰী আছে চৰকাৰে এক পূৰ্ব পৰিকল্পিত আঁচনিৰ যোগে খেদি পঠোৱাৰ দিহা কৰিছে। আজি এই এই কলটোৰ কৰ্ম্মচাৰী সকলৰ বাবে পানী যোগান, বিদ্যুৎ যোগান বন্ধ কৰি দিয়া হৈছে। এই কৰ্মচাৰীখিনি আমাৰ কৰ্মচাৰী নহয় জানো? কিন্তু এই কলটোৰ গুৱাহাটীত যিখিনি কৰ্ম্মচাৰী আছে তেওঁলোকক সা-সুবিধা দি থকা হৈছে। এই কাগজ কলটো কি কৰিব পৰা যায় বা নেযায় সেই সম্পৰ্কে পৰীক্ষা কৰিবলৈ এখন হাই-পাৱাৰ কমিটি গঠন কৰা হৈছিল বুলি আমি গম পাইছিলো। এই হাই-পাৱাৰ কমিটিয়ে হেনো শেষ সিদ্ধান্ত গ্ৰহণ কৰিছে যে কলটো সম্পূৰ্ণ ৰূপে বন্ধ কৰি দিব লাগে। সেয়ে বোধকৰো চৰকাৰে এই কলটো সম্পূৰ্ণৰূপে বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। চৰকাৰৰ এইটোৱেই উদ্দেশ্য আছিল নেকি? যদি হয় তেন্তে ৰাজ্যপালৰ ভাষণত এইটো

খোলাকৈ উল্লেখ কৰিব লাগিছিল।

অধ্যক্ষ মহোদয়, আজি অসমৰ কোচ-ৰাজবংশী সকলে ভাৰতীয় সংবিধানৰ ৬ষ্ঠ অনুসূচীত তেওঁলোকক অন্তৰ্ভুক্ত কৰিব লাগে বুলি বহুদিনৰ পৰাই দাবী উত্থাপন কৰি আহিছিল। কিন্তু আজি চৰকাৰে এই কোচ-ৰাজবংশী সকলক বড়োলেণ্ডৰ ভিতৰতহে সুমাই দিলে। আজি ইয়াত বসবাস কৰা চাওতাল, নেপালী আৰু অন্যান্য অ-বড়ো জনগোষ্ঠীৰ মনত শংকাই দেখা দিছে। বড়োলেণ্ডত এই সকল লোকৰ অৱস্থান কি হব সেইটো স্পষ্টকৈ ৰাজ্যপালৰ ভাষণত বা চুক্তিত ডাঙি ধৰা নাই। আজি কোচ-ৰাজবংশী বা অন্যান্য অ-বড়ো জনগোষ্ঠী বড়োলেণ্ড অট'নমাচ কাউন্সিলৰ অন্তৰ্ভুক্ত হয়। ৰাজ্যপালৰ ভাষণত এই লোক সকলৰ মনত উদয় হোৱা শংকা দূৰ কৰাৰ কোনো কথা উল্লেখ নাই। বড়োলেণ্ডত বসবাস কৰা অ-বড়ো জনগোষ্ঠীয়ে সাংবিধানিক সুৰক্ষা পাবনে নাই এই কথা সুস্পষ্ট হব লাগে। আজি বিধান সভাৰ সম্মুখত কোচ-ৰাজবংশী জনসাধাৰণে ধৰ্ণা দিছে, বহুত ৰাইজ গোট খাইছে। তেওঁলোকে বিভিন্ন দাবী উত্থাপন কৰিছে। তেওঁলোকে যদি বি, এ, চিত (B.A.C.) সম্পূৰ্ণ সাংবিধানীক সুৰক্ষাৰে থাকিব নোৱাৰে তেন্তে পূৰ্বৰ কমতাপুৰ ৰাজ্যৰ দাবী উত্থাপন কৰিবলগীয়া অৱস্থা এটা হব। আমি ভাবো যে অসমখন পুনৰ খণ্ডিত হব নেলাগে। কিন্তু কংগ্ৰেছ চৰকাৰৰ দিনত অসমক ভাগ ভাগ কৰা হৈছে। এই ক্ষেত্ৰত পুনৰ চিন্তা চৰ্চাৰ প্ৰয়োজন হৈছে। যদি অসমক পুনৰ ভাগ কৰিব লাগে তেন্তে বহি মেলি সকলোকে ভাগ কৰি দিব লাগে। বৰ্তমান যিখিনি কোচ-ৰাজবংশী লোক আছে তেওঁলোকে চৰকাৰৰ দৃষ্টিগোচৰ কৰিব খুজিছে যে আমাৰ যিখিনি অ-বড়ো জনগোষ্ঠী আছে সেইখিনিয়ে ভাৰতীয় সাংবিধানিক সুৰক্ষাকে ধৰি সকলো সা-সুবিধা পাবনে নেপায়। এই লোকসকল অসম স্বাধীন হোৱাৰ আগৰ পৰাই তাত বসবাস কৰি আছে। বড়োলেণ্ডৰ আন্দোলনৰ সময়ত এই অ-বড়ো লোক সকলৰ ওপৰত আন্দোলনকাৰীয়ে যথেষ্ট অত্যাচাৰ চলিছিল। কিন্তু আমাৰ মাজত যিসকল কম সংখ্যক বড়ো জনগোষ্ঠী আছিল তেওঁলোকক কিন্তু আমি কোনো অত্যাচাৰ কৰা নাছিলো, বৰং অতি মিলা-প্ৰীতিৰেহে বসবাস কৰিছিলো। কিন্তু যিবোৰ বড়ো অঞ্চলত কম সংখ্যাক অ-বড়ো জনগোষ্ঠী আছিল

তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰা হৈছিল। অথচ আমাৰ যিখিনি মানুহ বড়ো অঞ্চলত বসবাস কৰিছিল তেওঁলোকে বড়ো ভাষা কৈছিল, ল'ৰা-ছোৱালীক বড়ো মাধ্যমৰ স্কুলত পঢ়ুৱাইছিল আনকি আমাৰ মহিলা সকলে আমাৰ নিজা পোছাক নিপিন্ধি বড়োসকলৰ দখনাও পিন্ধিছিল। এতিয়া চৰকাৰে কৈছে যে বডোলেণ্ডত চৰকাৰী ভাষা বড়ো ভাষা হ'ব, গতিকেই আমাৰ মানুহখিনিৰ মাজত শংকা হোৱা স্বাভাৱিক। বড়ো সমস্যা সমাধান হৈছে ভাল কথা, আমি ভাল পাইছোঁ; কিন্তু আমাৰ অৱস্থা কি হ'ব?

অধ্যক্ষ মহোদয়, আজি বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বহুতো কথা কোৱা হৈছে। মৌচুমী অহাৰ আগে আগে, বা বাৰিষা অহাৰ আগে আগে, যিবোৰ ভঙা মথাউৰি আছে সেইবোৰ মেৰামতি কৰাৰ কথা কৈছে। কিন্তু আমাৰ তাত আজিও বহুত মানুহ মথাউৰিৰ ওপৰত আছে, ৰাস্তাত পৰি আছে তেওঁলোক সংস্থাপনৰ কথা কলে চৰকাৰৰ টকা নাই বুলি কয়। অথচ এই লোকখিনি স্থায়ী লোক, তেওঁলোকক চৰকাৰে আজি ৰক্ষণাবেক্ষণ দিব পৰা নাই, প্ৰটেকচন দিব পৰা নাই। যেতিয়া ভৰ বাৰিষা হ'ব তেতিয়া বান নিয়ন্ত্ৰণ বিভাগে আৰম্ভ কৰিব য'ত ১০০ ট্ৰাক শিলৰ প্ৰয়োজন তাত ১০ ট্ৰাক পেলাই লব।

অধ্যক্ষ মহোদয়, ঠিকাদাৰ বিলাকে তেনে ধৰণে কাম কৰে আৰু ইঞ্জিনিয়াৰ সকলে মদত যোগায়। তেনে ধৰণৰ ব্যৱস্থা বান নিয়ন্ত্ৰণ বিভাগত চলি আছে। আজি মাননীয় সদস্য শ্ৰীচন্দন সৰকাৰ ডাঙৰীয়াই পোকাবাৰিত যি কাম হৈছে সেই সম্পৰ্কত তদন্ত কৰাৰ কথা কৈছিল। তেখেত শাসক দলৰে সদস্য অথচ মথাউৰি সজোৱাৰ কাৰণে যোগান ধৰা টকাৰ কথা কৈছিল। টকাখিনি কি হেতুত খৰচ কৰা হ'ল সেইটো তদন্ত কৰিব লাগে। এই বিষয়ে প্ৰশ্নৰ অৱতাৰণা বিধান সভাৰ মজিয়াতে হৈছে। শিক্ষা বিভাগৰ যিবিলাক নিযুক্তি হৈছে বিশেষকৈ উত্তৰ শালমৰা মহকুমাত যিবিলাক হৈছে অভাৱনীয় কথা। উপপৰিদৰ্শক জনে অৱসৰ গ্ৰহণ কৰাৰ আগদিনা অৰ্থাত ২৭ তাৰিখে চতুৰ্থ শনিবাৰ কাৰণে বন্ধ আছিল কাৰণে ২৬ তাৰিখে বহুত নিযুক্তি দি থৈ গ'ল। ৰাজ্যিক শিক্ষা মন্ত্ৰী চেয়াৰমেন হিচাবে থাকোতেই কি দৰে উত্তৰ মহকুমাত ইমান বিলাক নিযুক্তি দি যাব পাৰিলে কব নোৱাৰো। তাৰ

পিচত সেই নিযুক্তি বিলাক ৎে কৰাৰ কাৰণে বিভাগৰ পৰা লিখা হৈছিল যদিও পিচত আকৌ সেই বিলাক ৰেইনষ্টেট কৰা হ'ল নিযুক্তি কিছুমান দিয়া হৈছে কিন্তু স্কুল নাই। উপ-পৰিদৰ্শকজনে অৱসৰ পোৱাৰ আগদিনা ইমান বিলাক নিযুক্তি দিলে ইমানখিনি দুৰ্নীতি হ'ল যে শিক্ষা মন্ত্ৰী নিজে চেয়াৰমেন থকা কাৰণে অভিযোগ কাক দিয়া হব সেইটোও অসুবিধা। অভিযোগ দিয়াৰো ঠাই নাই। তাৰ বাহিৰেও চিলেকচন কমিটি যিবিলাক আছে সেই বিলাকে শিক্ষক বাচনি সমিতিৰ ক্ষেত্ৰত ঠিক মতে কাম কৰিব পৰা নাই। কোনো কোনো ঠাইত শিক্ষক গৰাকী হৈছে চেয়াৰমেন আৰু ইন্স-ইন্সপেক্টৰ গৰাকী হৈছে মেম্বাৰ ফলত কোনে কাক চাব বুলি মাতিব সেইলৈ সমস্যা আহি উপস্থিত হৈছে। হাইস্কুলৰ শিক্ষা চেয়াৰমেন হোৱা কাৰণে ইন্সপেক্টৰে তেওঁক চাৰ বুলি মাতিবলৈও অসুবিধা হৈছে।

( ভইচ : এম ই স্কুল শিক্ষকো চেয়াৰমেন আছে )

এনে বিলাক বহু কথা ব্যতিৰিক্তো ওলাইছে। কোনে কাক চাৰ বোলে সেই লৈ সমস্যা আহি পৰিছে।

( মানুহজনক চাৰ নোবোলে। চেয়াৰখনকহে বোলে : ভইচ )

কাঠৰ চেয়াৰক চাৰ কয়। কেনেকৈ শিক্ষক বাচনি কৰিছে কব নোৱাৰো এই বিলাক কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। এই বিলাক কাৰণেই ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সুচক প্ৰস্তাৱৰ বিৰোধীতা কৰি আনা সংশোধনী প্ৰস্তাৱটো সমৰ্থন কৰিছো।

* শ্ৰী উপেন্দ্ৰ নাথ সনাতন : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীমুজিবুৰ ৰহমান ডাঙৰীয়াই অনা ধন্যবাদ সুচক প্ৰস্তাৱ সমৰ্থন কৰি মই দুআষাৰমান কবলৈ বিচাৰিছো। প্ৰস্তাৱটো আমাৰ বৰগোহাঁই ডাঙৰীয়াইও সমৰ্থন কৰিছে আৰু মই সমৰ্থন কৰি মাত্ৰ কেইযাৰমান কথা কবলৈ থিয় হৈছো। আমাৰ চৰকাৰে বহুত ৰকমৰ আঁচনি লৈছে আৰু কল্যাণৰ কাৰণে যথেষ্ট কাম কৰি যাব। আপোনালোকে সকলোৱে জানে যে আমাৰ দেশখন ১২ বছৰৰ পিচত আগৰ অৱস্থালৈ ঘুৰি আহিছে। আগতে ছয় বছৰ আন্দোলন চলিল আৰু তাৰ পিছত পাচ বছৰ এ, জি, পিৰ দলৰ শাসন

* Speech not corrected.

চলিল কিন্তু আমাৰ দেশখনে যি ধৰণে আগুৱাই যাব লাগিছিল যি ধৰণে প্ৰগতিৰ পথত খোজ পেলাব লাগিছিল সেই ধৰণে খোজ পেলাব পৰা নাই। দেখাত আমাৰ ৰাজ্যৰ বহুত উন্নতি হৈছে কিন্তু আচলতে দেশখনৰ উন্নতি হোৱা নাই। আমি এতিয়া আৰু উন্নতিৰ কাৰণে আশা কৰিব পাৰো। আমাৰ ভিতৰত কেৱল দলাদলি কৰি নানা ৰকমৰ কথা কাম কাৰণে অসুবিধা হৈছে। ইয়াৰ ভিতৰতে আকৌ কিছুমান যদি মিচিং হবলগীয়া হয়, কিছুমান চুটীয়া হবলগীয় হয় আৰু অন্যান্য সম্প্ৰদায়ৰ কিছুমান হবলগীয়া হয় তেতিয়া বহু বিলাক ভাগ হৈ পৰিব। সেই কাৰণে আমি আগবাঢ়ি যোৱাত অসুবিধা হব। চাহ বাগানৰ মজদুৰ আদি বিভিন্নতা এৰি আমি আগবাঢ়ি যোৱাৰ কাৰণে চিন্তা কৰিব লাগিব।

অধ্যক্ষ মহোদয়, আমাৰ ঘাইকৈ শিক্ষা চিকিৎসা আৰু যোগাযোগ এই তিনিটাৰ ওপৰত নজৰ ৰাখিব লাগিব। আমাৰ ল'ৰা-ছোৱালীক শিক্ষা দিব লাগিব। দহ বছৰৰ ভিতৰত গাওঁ বিলাকৰ অৱস্থা কি হব ভাবিবলগীয়া হৈছে। গাওঁৰ স্কুলত লৰা ছোৱালী বহিবলৈ ঠাই নাই। ল'ৰা-ছোৱালী বৰ্দ্ধিত অনুযায়ী স্কুলৰ সংখ্যা বঢ়া নাই। শিক্ষা যদি সৰু কালতে মজবুত ভাবে দিব পৰা নাযায় তেতিয়া হলে ভবিষ্যত উন্নতি কৰা টান। সেই কাৰণে শিক্ষা ভাল হব লাগিব। আমি শিক্ষাৰ ওপৰত জোৰ দিব লাগিব। তাৰ পিচতেই আমি চাব লাগিব চিকিৎসা বিভাগলৈ।

আজি আমাৰ ৰাইজৰ স্বাস্থ্য ৰক্ষাৰ কাৰণে কি ধৰণৰ ব্যৱস্থা লব লাগিব আৰু কেনেকৈ দুখীয়া ৰাইজক চিকিৎসাৰ সা সুবিধা দিব পৰা হব তাৰ কাৰনেহে চেষ্টা কৰিব লাগে। আমি কেৱল অঃ গঃ পঃ চৰকাৰে অমুক কৰিলে, কংগ্ৰেছ চৰকাৰে অমুক কৰিলে তাকে কৈ থাকিলে নহব।

ৰস্তো পদুলিৰ ক্ষেত্ৰত কবলৈ হলে আমাৰ ৰাজ্যখনৰ ৰাস্তা পদুলিৰ অবস্থা অতি বেয়া। আজি আমাৰ গাওঁ বিলাকৰ ৰাস্তা পদুলিৰ অবস্থা ইমানেই বেয়া তাক কৈ শেষ কৰিব নোৱাৰি। গাওঁৰ পৰা চহৰলৈ যোৱাৰ কাৰণে বা গাওঁৰ পৰা কোনো এজন ৰোগীক চহৰলৈ নিব লগা হলে আমাৰ মানুহে যিবোৰ সমস্যাৰ সন্মুখীন হব সেই বোৰ তাত থকা লোক সকলেহে জানে। সেই কাৰণে বিশেষকৈ গাওঁ অঞ্চলৰ ৰাস্তা পদুলিৰ উন্নতি হব লাগে, সেইদৰে কৃষিৰ ক্ষেত্ৰতো আমি যদি লক্ষ কৰো তেনেহলে আমি দেখিবলৈ

পাওঁ যে এইবাৰ অসমত কৃষিৰ যথেষ্ট উন্নতি হোৱা বুলি ৰাজ্যপালৰ ভাষণত কোৱা হৈছে। কিন্তু এই কথাবোৰ মোৰ বোধেৰে কাগজতহে কৰা হৈছে। তেওঁলোকে কাগজক মাটি আৰু কলমক নাঙল কৰি এইবোৰ হিচাব দেখুৱাইছে। কিন্তু প্ৰকৃততে কি হৈ হৈছে সেইটো আমি চাব লাগে। অলপতে মই এটা কৃষি বিভাগৰ অফিচলৈ গৈছিলো। তাত গৈ দেখিলো তাৰ কৰ্মচাৰী সকলে খেলা ধুলা কৰি আছে। সেইদৰে আন এখন ফাৰ্মৰ ক্ষেত্ৰতো মই দেখিবলৈ পাইছিলো তাত কিছুমান নেমু টেঙাৰ গছ ৰোৱাৰ বাহিৰে অন্য একো কাম হোৱা নাই। তাত যি কেইখন ট্ৰেক্টৰ আছিল সেই কেইখনো ১৯৮৬ চনৰে পৰা বেয়া হৈ পৰি থকা বুলি তাৰ কৰ্মচাৰী সকলে জনালে। গতিকে যদি কাম বোৰ এনেধৰনেই চলি থাকে তেনেহলে প্ৰকৃততে কৃষিৰ কি উন্নতি হৈছে সেইটো চাব লগা বিষয়। এইবোৰ কথা ওপৰ মহলৰ বিষয়া সকলে যদিও হুকুম জাৰি কৰে, তলৰ মহলত কি হৈ আছে সেইবোৰ তেওঁলোকে চাবলৈ নাযায়। গতিকে এইবোৰ কথা যদি ভালদৰে চোৱা চিন্তা নকৰে তেনেহলে আমাৰ গাওঁ অঞ্চলৰ কেতিয়াও উন্নতি নহব। এই ক্ষেত্ৰত কোনো কোনো অঞ্চলত যদিও কিছু উন্নতি পৰিলক্ষিত হৈছে কিন্তু সামগ্ৰিক ভাৱে আমাৰ কাম হোৱা নাই।

উদ্যোগ বিভাগৰ ক্ষেত্ৰতো আজি কিমান দূৰ সাফল্য লাভ কৰিছে সেইটোও আমি চাব লগা হৈছে। এই বিভাগৰ ক্ষেত্ৰতো অনুসুচিত জাতিৰ কাৰণে ইমান ধৰা হৈছে, অমুকৰ কাৰণে ইমান ধৰা হৈছে, অমুকৰ কাৰণে ইমান ধৰা হৈছে বুলি চৰকাৰে কৈছে। কিন্তু চাহ বাগিছাৰ মজদুৰ সকলৰ কাৰণে কিমান ধৰা হৈছে সেইটো হিচাবৰ ইয়াত কোনো উল্লেখ কৰা হোৱা নাই। আজি চাহ বাগানৰ মজদুৰ সকলেও কৈছে যে আমিও এখন সন্মিলন পাতিব লাগে আৰু তাত আমি আমাৰ উন্নতিৰ কাৰণে কিছুমান দাবীৰ বিষয়ে আলোচনা কৰিব লাগে আৰু বিশষকৈ তাত আমিও উৰিয়া ভাষাৰ উন্নতিৰ কাৰণে সুকীয়া ব্যৱস্থা লবলৈ চৰকাৰৰ ওচৰত দাবী জনাব লাগে আজি যদি অন্যান্য গোষ্ঠীৰ লোক সকলে দাবী কৰা মতে তেওঁলোকৰ ভাষা কৃষ্টি আদি ৰক্ষাৰ কাৰণে সুবিধা পায় তেনেহলে উৰিয়া সকলে কিয় নাপাব। এই লোক সকল য'ৰ পৰাই নাহক কিয়, তেওঁলোকৰ কলা-কৃষ্টিৰ ৰক্ষণা বেক্ষন কৰিব লাগিব। এই উৰিয়া লোকসকলৰ মাজতো লাখ লাখ

জনজাতীয় লোক আছে। গতিকে আমি তেওঁলোকৰ কথাও নিশ্চয় চাব লাগিব। মাটি বিতৰণৰ ক্ষেত্ৰত অৱশ্যে এই চৰকাৰে কিছু কাম হাতত লৈছে। তাৰ কাৰণে আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াই অলপতে মোৰ অঞ্চলৈ গৈ তাত বহু দিনৰ পৰা বসবাস কৰি থকা দুখীয়া মানুহৰ মাজত মাটি বিতৰণ কৰিছে। এইটো এটা ভাল পদক্ষেপ হৈছে।

Mr Speaker : I have convened a meeting of the Business Advisory Committee today I also invited some Members specially to the meeting.

The House stand adjourned till 9 a.m. to-morrow

ADJOURNMENT

The House then rose at 5 P.M. and stood adjourned till 9 A.M. to-morrow the 17th March, 1993.

Dispur
The 16th March, 1993

D. Talukdar
Secretary
Assam Legislative Assembly.

## ANNEXURE—I

| নিযুক্তি দিয়া প্ৰৱক্তাৰ নাম | বিষয় | নম্বৰ |
|---|---|---|
| ১। শ্ৰী মতী তিলোত্তমা বৰুৱা | নৃতত্ব | হাঃ শিঃ পঃ—৪৪,৫% |
| | | প্ৰাক : বি—৪৫% |
| | | স্নাতক—৫৪,৩৩% |
| | | স্নাতকোত্তৰ—৫৯,১২% |
| ২। ডঃ মিনাভা সোনোৱাল (ভৈয়াম জনজাতি) | ঐ | হাঃ শিঃ পঃ—৬১;৭৫% |
| | | প্ৰাঃ বিঃ—৪০% |
| | | স্নাতক—৪৮,১৬% |
| | | স্নাতকোত্তৰ—৫৫,২৫% |
| | | অন্যান্য অৰ্হতা—ডাঃ ডিগ্ৰী আছে। |
| ৩। শ্ৰী উদ্দালক দত্ত | ঐ | হাইঃ শিঃ পঃ—৭৩,৭৬% |
| | | প্ৰাঃ বিঃ—৫৮,৩৩% |
| | | স্নাতক—৭১,৫০% |
| | | স্নাতকোত্তৰ—৬৯% |
| | | (কিন্তু এইজন প্ৰাৰ্থীয়ে কৰ্ত্তব্যত যোগদান নকৰিলে) |
| ৪। শ্ৰী মতী চম্পাকলী তালুকদাৰ | অসমীয়া | হাইঃ শিঃ পঃ—৬৭% |
| | | প্ৰাঃ বিঃ—৫৭,৭% |
| | | স্নাতক—৬১'২% |
| | | স্নাতকোত্তৰ—৬৩% |
| ৫। শ্ৰী মতী নাজমা কৌধাৰ | ঐ | হাঃশিঃ পঃ—৫৭ ৭% |
| | | প্ৰাঃ বিঃ—৫৩,৩৭% |
| | | স্নাতক—৫৮,৬% |
| | | স্নাতকোত্তৰ—৬১,১% |
| | | অন্যান্য অৰ্হতা—বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ নিৰ্বাচিত প্ৰাৰ্থী। |
| ৬। শ্ৰী মতী দিপাঞ্জলী দাস গোস্বামী | ঐ | হাঃ শিঃ পঃ—৫৭,৭% |
| | | প্ৰাঃ বিঃ—৫৬,২% |

| | | | |
|---|---|---|---|
| | | | স্নাতক – ৫৬,৩% |
| | | | স্নাতকোত্তৰ—৬৫,২% |
| ৭। | শ্ৰী মতী শিপ্ৰা গুহ নেওঁগী | বঙালী | হাঃ শিঃ পঃ— ৫৮,৯% |
| | | | উচ্চতৰ মাধ্যমিক— ৬১,৪% |
| | | | স্নাতক— ৫১,৫% |
| | | | স্নাতকোত্তৰ – ৫৭,৮% |
| | | | অন্যান্য অহৰ্তা এম, ফিল ডিগ্ৰীধাৰী |
| ৮। | শ্ৰী মতী মৌচুমী গাঙ্গুলী | ৰসায়ন | হাঃ শিঃ পঃ—৭০,১২% |
| | | | উঃ মঃ পঃ—৬৬,৪৪% |
| | | | স্নাতক (বি) –৬০,৬৬% |
| | | | (প্ৰথম স্থান) |
| | | | স্নাতকোত্তৰ (বি) ৭২% |
| | | | (প্ৰথম স্থান) |
| | | | অন্যান্য অহৰ্তা - গৱেষণা অভিজ্ঞতা আছে। |
| ৯। | শ্ৰী পাৰ্থ সাৰথি মহন্ত | অৰ্থনীতি | হাঃ শিঃ পঃ— ৮০% |
| | | | উঃ মাঃ শিঃ পঃ – ৭০% |
| | | | স্নাতক-৫৫% |
| | | | স্নাতকোত্তৰ— ৬৪,৬% |
| | | | অন্যান্য অহৰ্তা - Diploma in Marketing Management/ Executive Master Package of Computers. |
| ১০। | শ্ৰীমতী লিজা দাস | ইংৰাজী | হাঃ শিঃ পঃ ৭৫,৬% |
| | | | প্ৰাঃ বিঃ ৮০,৬% |
| | | | স্নাতক ৬০,৫% |
| | | | স্নাতকোত্তৰ ৫৫,৮% |
| ১১। | শ্ৰীমতী মুক্তা বিশ্বাস | সংস্কৃত | হাঃ শিঃ পঃ ৬৬,৫% |
| | | | প্ৰাঃ বিঃ ৬৬,৮% |
| | | | স্নাতক ( কলা ) ৬১,৮% |
| | | | স্নাতকোত্তৰ ৬৩,৫% |

| | | | |
|---|---|---|---|
| ১২। | শ্ৰীমতী অনিন্দিতা দাসগুপ্তা | বুৰঞ্জী | হাঃ শিঃ পঃ ৬৫,৫৮%<br>প্ৰাকঃ বিঃ ৭৫,৮৮%<br>স্নাতক ৬০%<br>স্নাতকোত্তৰ ৭১,৮৬%<br>( কলা ) প্ৰথম স্থান |
| ১৩। | হাফিছ বছিৰ আহমেদ | আৰবী | হাঃ শিঃ পঃ ৭১%<br>প্ৰাঃ বিঃ ৬৭,৭৫%<br>স্নাতক ৭২,১৬%<br>স্নাতকোত্তৰ ৭১% |
| ১৪। | শ্ৰীভৱ কুমাৰ শৰ্ম্মা | গণিত শাস্ত্ৰ | হাঃ শিঃ পঃ৮৫,২%<br>প্ৰাকঃ বিঃ ৬৭,৭%<br>স্নাতক (কলা )৭৩,৩%<br>স্নাতকোত্তৰ ৭৯% |
| ১৫। | শ্ৰীদিলীপ গগৈ | ঐ | হাঃ শিঃ পঃ ৬৬,৪%<br>প্ৰাকঃ ৰিঃ ৬১,৭%<br>স্নাতক ( ৰি )৮৬,৬%<br>স্নাতকোত্তৰ ৭১,৩% |
| ১৬। | শ্ৰীমতী অনু কলিতা | ঐ | হাঃ শিঃ পঃ ৭১,৭%<br>প্ৰাকঃ ৰিঃ ৬৫,৫%<br>স্নাতক ( বিঃ ) ৬৭,০<br>স্নাতককোত্তৰ ( বি):৭৯%<br>অন্যান্য অহৰ্তা এমফিল ডিগ্ৰীধাৰী। |
| ১৭। | শ্ৰীমতী বিভাৰানী গোস্বামী | দৰ্শন | হাঃ শিঃ পঃ ৬৫,২%<br>প্ৰাক স্নাতক ৬৩,২%<br>স্নাতক ৬৩,৫%<br>স্নাতকোত্তৰ ৭৩,৩% |
| ১৮। | শ্ৰীননী মহন্ত | ৰাজনীতি বিজ্ঞান | হঃ শিঃ পঃ ৬৫,৬%<br>উচ্চতৰ মাধ্যমিক ৭১,১%<br>স্নাতক ৬৩,৪% |

স্নাতকোত্তৰ (৯ পইণ্টৰ ভিতৰত ৬,২৫ পাইছে )শতকৰা হিচাপত ৬৬% পাইছে ।

## ANNEXURE—II

১৯৮৩ চনৰ মাৰ্চ মাহত বন্ধ হোৱা আশাক কাগজ কলৰ যোগীঘোপা গোটটো অসম চুক্তিত সন্নিবিষ্ট হয় আৰু মিলটো চলাবলৈ চৰকাৰে তলত উল্লেখ কৰা ব্যৱস্থা সমূহ গ্ৰহণ কৰে।

(ক) অসম চুক্তি অনুসৰি মিলটো চলাবৰ বাবে অসম চৰকাৰে ভাৰত চৰকাৰৰ পৰা ৬৭,০৮ কোটি টকাৰ অনুদান পায় আৰু তাৰে ১০,৬৯ কোটি টকা ২৬ মাৰ্চ, ১৯৯০ মোকলাই দিয়ে।

(খ) ইংৰাজী ১২ ফেব্ৰুৱাৰী ১৯৯০ তাৰিখে অসম চৰকাৰে এখন অধিসুচনা যোগে অশোক কাগজ কল, যোগীঘোপা গোটটো ৰাষ্ট্ৰীয়কৰণ কৰে। পুনৰ ২৪ চেপ্তেম্বৰ ১৯৯০ চনত অসম বিধান সভাই ইয়াক এখন আইন হিচাবে গ্ৰহণ কৰে। ইয়াৰ পিছত ইংৰাজী ৭-১-৯১ তাৰিখে অশোক কাগজ কল (অসম) লিমিটেড নামে এটা নতুন কোম্পানী পঞ্জীভূত কৰা হয়।

(গ) আই দি বি আইৰ লগত পৰামৰ্শ কৰি ১৯৮৩ চনৰে পৰা ১৯৯০ চনলৈ তলত উল্লেখ কৰা কোম্পানী সমূহৰ লগত মিলটো খুলিবলৈ আলোচনা কৰা হয়।

(১) থাপাৰ গ্ৰুপ

(২) ভাৰতীয় কাগজ নিগম

(৩) আই, টি, চি

(৪) পাখে কনচালটেণ্ট

(৫) গোৱালিয়ৰ ৰেচম আৰু চিল্‌ক মিল

(6) ভদ্ৰাচলম পেপাৰ নিগম

এই কোম্পানী বিলাকৰ লগত হোৱা আলোচনা ফলপ্ৰসু নোহোৱাত মিলটো পুনৰ জীৱিত কৰাটো সম্ভৱ পৰ হৈ মুঠিল। হাইদ্ৰবাদ ভদ্ৰাচলম পেপাৰ নিগমে যদিও প্ৰথমে আগ্ৰহ প্ৰকাশ কৰিছিল অথচ ১৯৯১

চনৰ ডিচেম্বৰ মাহত ইয়াক অস্বীকাৰ কৰিলে।

(ঘ) ইয়াৰ পিছত কেৰেলাৰ পুনালুৰ পেপাৰ মিলৰ চেয়াৰমেন শ্ৰী এল,এন, দালমিয়াই উদ্যোগটো চলাবলৈ মন কৰে। গতিকে তেওঁৰ লগত প্ৰাথমিক পৰ্য্যায়ৰ চৰ্ত্ত যুক্ত বুজাবুজিৰ পত্ৰ (MOU) এখন চহী কৰা হয়। কিন্তু এই চৰ্ত্ত সমুহৰ এটাও তেওঁ পুৰণ কৰিব নোৱাৰিলে। গতিকে তেওঁৰ লগত 'লীজদিদ' (Lease deed) স্বাক্ষৰিত নহ'ল। ১৯৯২ চনৰ ডিচেম্বৰ মাহত বহা অশোক কাগজ কলৰ ৰোৰ্ড অব ডাইৰেক্টৰচৰ সভাই শ্ৰী দালমিয়াৰ প্ৰস্তাৱটো নাকচ কৰে।

অসম চৰকাৰে অশোক কাগজ কলটো পুনৰ খোলাৰ বিষয়টো পৰীক্ষা নিৰীক্ষা কৰি আছে।

## ANNEXURE – III

জিলা ভিত্তিত পদ সমূহ আৱণ্টন দিয়া তথ্য।

| | | |
|---|---|---|
| 1. | Dhubri | 260 |
| 2. | Goalpara | 401 |
| 3. | Bongaigaon | 401 |
| 4. | Kokrajhar | 229 |
| 5. | Barpeta | 559 |
| 6. | Nalbari | 705 |
| 7. | Kamrup | 832 |
| 8. | Darrang | 452 |
| 9. | Sonitpur | 261 |
| 10. | Lakhimpur | 925 |
| 11. | Dhemaji | 925 |
| 12. | Dibrugarh | 434 |
| 13. | Tinsukia | 434 |

| | | |
|---|---|---|
| 14. | Sibsagar | 482 |
| 15. | Jorhat | 613 |
| 16. | Golaghat | 317 |
| 17. | Nagaon | 904 |
| 18. | Morigaon | 904 |
| 19. | Cachar | 551 |
| 20. | Hailakandi | 551 |
| 21. | Karimganj | 184 |

Total—8107

বাকী ৯৮০ টা পদৰ আৱণ্টন দি থকা হৈছে।

## Annexure=III

District-wise allotment of posts of teachers created during 1991 – 92:

| Name of District | Opening/ Taking over of Pry: Schools | Convension of single teacher Pry. Schools | Opening/ Taking over of Middle Schools | Apptt. of Addl. teacher in Middle Schools | Apptt. of Sc. teachcr in Middle Schools | Apptt. of Hindi teacher in Middle Schools (Regular) | Remarks |
|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 |
| 1. Dibrugarh | 87 | 306 | 165 | 57 | 238 | 2 | |
| 2. Tinsukia | 60 | 57 | 93 | 48 | 122 | 2 | |
| 3. Sibsagar | 215 | 980 | 283 | 429 | 292 | 51 | |
| 4. Jorhat | 60 | 276 | 293 | 53 | 362 | 2 | |
| 5. Golaghat | 60 | 240 | 303 | 61 | 176 | 2 | |
| 6. Nagaon | 132 | 465 | 558 | 66 | 346 | 2 | |
| 7. Morigaon | 39 | 206 | 223 | 44 | 160 | 2 | |
| 8. Kamrup | 128 | 599 | 532 | 152 | 393 | 5 | |
| 9. Dhemaji | 38 | 262 | 194 | 47 | 91 | 1 | |

| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 |
|---|---|---|---|---|---|---|---|
| 10. Lakhimpur | 36 | 295 | 505 | 45 | 290 | 2 | |
| 11. Sonitpur | 95 | 187 | 174 | 53 | 171 | 2 | |
| 12. Darrang | 85 | 355 | 219 | 47 | 201 | 2 | |
| 13. Nalbari | 88 | 351 | 364 | 74 | 234 | 9 | |
| 14. Barpeta | 103 | 399 | 444 | 60 | 305 | 2 | |
| 15. Goalpara | 36 | 173 | 237 | 45 | 173 | 2 | |
| 16. Bongaigaon | 18 | 38 | 184 | 44 | 88 | 2 | |
| 17. Kokrajhar | 79 | 407 | 145 | 44 | 170 | 1 | |
| 18. Dhubri | 108 | 357 | 434 | 44 | 271 | 2 | |
| 19. Cachar | 86 | 670 | 103 | 52 | 271 | 2 | |
| 20. Hailakandi | 25 | 402 | 109 | 75 | 577 | 2 | |
| 21. Karimganj | 60 | 436 | 69 | 44 | 223 | 3 | |
| Total | 1638 | 7455 | 5613 | 1584 | 4762 | 100 | |

# ANNEXURE—IV

আই দি পিৰ অনুমোদিত ১৯৯২ চনৰ জানুৱাৰী মাহৰ পৰা ১৯৯৩ চনৰ ফেব্ৰুৱাৰী মাহলৈ আবণ্টন আৰু উঠোৱা চাউলৰ পৰিমাণৰ তালিকা।

| মাহ | আবণ্টনৰ পৰিমাণ | উঠোৱা পৰিমাণ |
|---|---|---|
| ১। জানুৱাৰী ৯২ | ২০৬ কুইণ্টল | ২০৬ কুইণ্টল |
| ২। ফেব্ৰুৱাৰী ৯৩ | ২০৬ ,, | ২০৬ ,, |
| ৩। মাৰ্চ ৯২ | ২০৬ ,, | ২০৬ ,, |
| ৪। এপ্ৰিল ৯২ | ২০৬ ,, | ২০৬ ,, |
| ৫। মে' ৯২ | ২০৬ ,, | ২০৬ ,, |
| ৬। জুন' ৯২ | ২০৬ ,, | ২০৬ ,, |
| ৭। জুলাই' ৯২ | ২৯৪ ,, | ২৯৪ ,, |
| ৮। আগষ্ট' ৯২ | ২৯৩ ,, | ২৯৩ ,, |
| ৯। চেপ্তেম্বৰ' ৯২ | ২৯৩ ,, | ২৯৩ ,, |
| ১০। অক্টোবৰ' ৯২ | ১৪৪ ,, | ১৪৪ ,, |
| ১১। নবেম্বৰ' ৯২ | ১৪৪ ,, | ১৪৪ ,, |
| ১২। ডিচেম্বৰ' ৯২ | ১৪৪ ,, | ১৪৪ ,, |
| ১৩। জানুৱাৰী' ৯৩ | ১৪৪ ,, | ১৪৪ ,, |
| ১৪। ফেব্ৰুৱাৰী' ৯৩ | ১৪৪ ,, | ১৪৪ ,, |

## ANNEXURE—V

| Sl. No. | Name of DIC. | 1989-90 No. | 1989-90 Amount | 1990-91 No. | 1990-91 Amount | 1091-92 No. | 1091-92 Amount |
|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 |
| 1. | Barpeta | 163 | 35.062 | 177 | 44.60 | 206 | 50 92 |
| 2. | Cachar | 219 | 60.20 | 217 | 60.97 | 222 | 96 3 |
| 3. | Darrang | 168 | 48.61 | 200 | 60.42 | 199 | 60 16 |
| 4. | Dhubri | 166 | 44.82 | 163 | 44.77 | 162 | 32 83 |
| 5. | Dibrugarh | 444 | 129.23 | 341 | 98 65 | 374 | 112.00 |
| 6. | Goalpara | 135 | 42.35 | 162 | 55.60 | 176 | 50.40 |
| 7. | Jorhat | 258 | 69.50 | 187 | 49.13 | 260 | 64.72 |
| 8. | Kamrup | 333 | 1.02 | 350 | 98.20 | 363 | 86.33 |
| 9. | Karimganj | 102 | 25.77 | 100 | 25.72 | 105 | 26.22 |
| 10. | Kokrajhar | 133 | 66.63 | 120 | 23.95 | 175 | 59.39 |
| 11. | Lakhimpur | 150 | 39.90 | 175 | 46.64 | 183 | 46.29 |
| 12. | Nagaon | 335 | 67.87 | 337 | 74.59 | 350 | 72.04 |
| 13. | Nalbari | 148 | 41.90 | 88 | 25.40 | 209 | 60.40 |
| 14. | Sibsagar | 135 | 32.47 | 134 | 31.703 | 145 | 40.45 |
| 15. | Sonitpur | 137 | 30.88 | 181 | 47.95 | 201 | 51.15 |
| 16. | Karbianglong | 83 | 24.20 | 100 | 28.50 | 137 | 41.30 |
| 17. | N. C. Hills | 32 | 7.00 | 35 | 7.45 | 15 | 3.75 |
| | Total | 3147 | 737.41 | 3067 | 822.253 | 3480 | 915.16 |

N.B. 25% of the loan to be treated as Subsidies. Subsidy amount is collected by the concerning Banks from the RBI.

# ANNEXURE—VI

Villages electrified during 1985 to 1992 under Bongaigaon Civil Sub-Division.

| Name of Villages | | Census No. | Thana |
|---|---|---|---|
| 1. | Ghagpara | 285 | Sidli |
| 2. | Lingdoba | 286 | do |
| 3. | Hallaguri | 280 | |
| 4. | Chikibini | 278 | do |
| 5. | Nachunkhuti | 277 | do |
| 6. | Bagulamari | 276 | do |
| 7. | Takumari | 275 | do |
| 8. | Chara-ikhochara | 274 | do |
| 9. | Baikungaon | 213 | do |
| 10. | Solmari | 179 | do |
| 11. | Kolobari | 178 | do |
| 12. | Padmapur | 180 | do |
| 13. | Dalagaon | 197 | do |
| 14. | Daukhanagar-1 | 205 | Bijni |
| 15. | Daukhanagar-1 | 193 | do |
| 16. | Khusupara | 245 | do |
| 17. | Krishanapur | 191 | Sidli |

## ANNEXURE—VI

LIST OF VILLAGES ELECTRIFIED DURING 1985 To 1992 UNDER NORTH SALMARA CIVIL SUB-DIVISION ALL VILLAGES ARE UNDER THANA ABHAYAPURI.

| Sl. No. | Name of villages | C.C. No. | Thana |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| 1. | Dubasuri-II | 265 | Abhayapuri |
| 2. | Mererchar | 266 | do |
| 3. | Bharalipara-I | 268 | do |
| 4. | Kokila Nayapara | 394 | do |
| 5. | Kokila-II | 396 | do |
| 6. | Balarchar-I | 407 | do |
| 7. | Balarchar-II | 406 | do |
| 8. | Saila bari-I | 409 | do |
| 9. | Balarchar-III | 405 | do |
| 10. | Sailabari-II | 410 | do |
| 11. | Tapgaon-I | 355 | do |
| 12. | KokilaMaulabipara | 395 | do |
| 13. | Chakala-I | 390 | do |
| 14. | Kheluapar tp-Iv | 80 | do |
| 15. | Kheluapara-II | 82 | do |
| 16. | Khakapur pt-I NC. | 180 | do |
| 17. | Kharagaon-III | 243 | do |
| 18. | Tapgaon-II | 354 | do |
| 9. | Balarchar | 379 | do |
| 20; | Chakala--II | 389 | do |
| 21. | Nararbhita-I | 420 | do |

| 1 | 2 | 3 | 4 |
|---|---|---|---|
| 22. | Noinapara | 419 | Abhayapuri |
| 23. | Majgaon Nigamghola | 181 | do |
| 24. | Mulabari | 403 | do |
| 25. | Kokila Majpura | 393 | do |
| 26. | Matraghola | 404 | do |
| 27. | Jopiya Baroisala | 411 | do |
| 28. | Purba jopiya | 4o1 | do |
| 29. | Soulmari | 388 | do |
| 30. | Nambapara-I | 397 | do |
| 31. | Kokila uttarpara | 391 | do |
| 32. | Numbhrpara-III | 385 | do |
| 33. | Tinkona-III | 228 | do |
| 34. | Mahleghar pahar | 247 | do |
| 35. | Maligaon N.C. | 57 | do |
| 36. | Kokila-I | 400 | do |
| 37. | Kokila Dakhinpara | 393 | do |
| 38. | Ravapara | 9 | do |
| 39. | Bharalkundi bill | 210 | do |
| 40. | Korea pahar | 209 | do |
| 41. | Gonbirja | 383 | do |
| 42. | Banga para-I | 384 | do |
| 43. | Santoshpur-I | 272 | do |
| 44. | Baripukhari- | 175 | do |
| 45. | Kakaijana Bamun-gaon pahar | 325 | do |
| 46. | Baripukhari-II | 174 | do |
| 47. | Pachagaon pahar | 70 | do |

| | | | |
|---|---|---|---|
| 48. | Chipansilla hill | 14 | Abhayapuri |
| 49. | Bhairab pahar | 145 | do |
| 50. | Kalikur-II | 417 | do |
| 51. | Golapara-IV | 380 | do |
| 52. | Golapara Pachim para-III | 382 | do |
| 53. | Gola para-II | 381 | do |
| 54. | Gola para-I | 398 | do |
| 55. | Tilpukhuri | 372 | do |
| 56. | Bhairabpur | 144 | do |
| 57. | Kheluapara-III | 143 | do |
| 58. | Iswarjhar-INC. | 142 | do |
| 59. | Bhutkura pt-I | 139 | do |
| 90. | Iswarjhar pt-I | 141 | do |
| 61. | Bhutkura pt-II | 140 | do |
| 62. | Kalikura pt-I | 412 | do |
| 63. | Mandrasapara | 413 | do |
| 64. | Sajalpara | 378 | do |
| 65. | Golapara purba para-II | 386 | do |
| 66. | Harirchar pt-I | 414 | do |
| 67. | Bhuyapara | 418 | do |
| 68. | Narervita-II | 421 | do |
| 69. | Barjana-III | 258 | do |
| 70. | Iswarjhar-II | 132 | do |
| 71. | Satshobigha char | 138 | do |
| 72. | Khakarpur Pahar | 178 | do |
| 73. | Mahadeb hill | 186 | do |
| 74. | Bhakuamari-II | 241 | do |
| 75. | Barjanr pt-II | 259 | do |
| 76. | Barjana pt-II | 260 | do |

| | | |
|---|---|---|
| 77. Joqiya | 402 | Abhayapuri |
| 78. Bhairabpahar N.C. | 277 | do |
| 79. Bhutkura-III | 133 | do |
| 80. maijana beel | 170 | do |
| 81. Tamranga beel | 171 | do |
| 82. Konora beel | 193 | do |
| 83. Madhufal | 261 | do |
| 84. Lalmati grazing reserve | 254 | do |
| 85. Tenkanpum | 370 | do |
| 86. Balarpet | 371 | do |
| 87. Bhatipara N.C. | 31 | do |
| 88. Kashibari | 373 | do |
| 89. Nararvita-III | 426 | do |
| 90. Kandueimari N.C. | 24 | do |
| 91. Nakkati N.C. | 29 | do |
| 92. Harinchar-II | 416 | do |
| 93. Barjhuli | 156 | do |
| 94. Santoshpur-III | 299 | do |
| 95. Jhunjhuna beel | 169 | do |
| 96. Ghanakghuli | 153 | do |
| 97. Narerbhita pt-I | 422 | do |
| 98. Ghoramar pt-II | 423 | do |
| 99. Balargudam | 267 | do |
| 100. Nomberpara pt-II | 387 | do |

## LIST OF VILLAGES LEFT TO BE ELECTRIFIED UNDER BONGAIGAON DISTRICT.

| Sl. No. | Name of villages | C.C.No. | Reason for non electrifiation | Thana |
|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 |
| 1. | Kheluapara pt-V | 81 | Char area | Abhayapuri |
| 2. | Holongar char | 94 | do | do |
| 3. | Birsingh Holongar char R.B. pt-II | 95 | do | do |
| 4. | Birsingh Holongar char . R.B. pt-I | 96 | do | do |
| 5. | Sederlga No. I | 1000 | do | do |
| 6. | Khawankhowo pt-I | 102 | do | do |
| 7. | Nun Khowa pt-III | 107 | do | do |
| 8. | Khawankhowa pt-II | 108 | do | do |
| 9. | Sederala | 109 | do | do |
| 10. | Usunger char pt-III | 112 | do | do |
| 11. | Bhatipara major Alga | 113 | do | do |
| 12. | Kharsimari pt-IV | 114 | do | do |
| 13. | Kharsimari pt-III | 115 | do | do |
| 14. | Kharsimari pt-II | 118 | do | do |
| 15. | Usungar char No.I | 119 | do | do |
| 16. | Usungar char pt-IV | 120 | do | do |
| 17. | Usungar char pt-II | 121 | do | do |
| 18. | Kayem major alga | 122 | do | do |
| 19. | Kayem major alga- | 124 | do | do |
| 20. | Madhor char-II | 125 | do | do |

| | | | | |
|---|---|---|---|---|
| 21. | Major Alga Bartik char | 126 | Char area | Abhayapuri |
| 22. | Kharsimari pt-I | 127 | do | do |
| 23. | Kharsimaai pt-I NC | 128 | do | do |
| 24. | Uttampur | 129 | do | do |
| 25. | Dinanath pur | 130 | do | do |
| 26. | Dinanath pur NC | 131 | do | do |
| 27. | Major Alga Natun char | 134 | do | do |
| 28. | Madhor char No.I | 135 | do | do |
| 29. | Satsobighar char-II | 137 | do | do |
| | | | do | do |
| 30. | Char No. 6 | 227 | do | do |
| 31. | Duba churi-I | 264 | do | do |
| 32. | Bharlipara-II | 270 | do | do |
| 33: | Jhaokura pt-II | 84 | do | do |
| 34. | Jhaokura pt-III | 86 | do | do |
| 35. | Kharsimari N.C. | 88 | do | do |
| 36. | Halongar char N.C: | 89 | do | do |
| 37. | Bhasani para pt-II | 91 | do | do |
| 38. | Kistomari pt-II | 104 | do | do |
| 39. | Khansimari pt-II N.C. | 117 | do | do |
| 40. | Kheluaparr pt-II | 83 | do | do |
| 41. | Char No.5 | 225 | do | do |
| 42. | Nun Khowa pt-I | 105 | do | do |

## ANNEXURE—VII

তালিকা নং ১

Original Estimate of HDPE pipes for 35 tea Gardens

| Sl. No. | Size of pipe | Qty. (Mtrs.) | Rate(Rs./Mt | Amt ( Rs.in lacs) |
|---|---|---|---|---|
| 1. | 160 mm | 8,500 | 574.80 | 48.86 |
| 2. | 140 mm | 28,000 | 448.35 | 125.53 |
| 3. | 110 mm | 13,000 | 296.40 | 38.53 |
| 4. | 90 mm | 22,000 | 211.10 | 46.44 |
| 5. | 75 mm | 11,500 | 155.45 | 17.88 |
| 6. | 63 mm | 11,500 | 114.85 | 13.20 |
| 7. | 50 mm | 3,000 | 83.50 | 22.51 |
| | | | | 292.95 |

## ANNEXURE—VIII

তালিকা নং ২

Revised Estimate for 42 T.E.S.

| Sl. No. | Size of pipe | Qty.(Mtrs) | Rate(Rs/Mtr ) | Amount (Rs. in lacs) |
|---|---|---|---|---|
| 1. | 160 mm | 12,500 | 574.80 | 71.85 |
| 2. | 140 mm | 29,000 | 441.35 | 130.02 |
| 3. | 110 mm | 13,000 | 296.40 | 38.53 |
| 4. | 90 mm | 24,000 | 211.45 | 23 31 |
| 5. | 75 mm | 15,000 | 155.54 | 23.31 |
| 6. | 63 mm | 15,000 | 144.85 | 17.22 |
| 7. | 50 mm | 3,000 | 83.50 | 2.50 |
| | | | | 334.09 |